অচল টকা

ৰমা দাশ

বৰুৱা এজেন্সি
গুৱাহাটী—১

ACHAL TAKĀ : A collection of short stories written by Rama Das and Published by M/s Barua Agency, Guwahati in 1990.

প্ৰকাশক :

বৰুৱা এজেঞ্চি

গুৱাহাটী-১

প্ৰথম প্ৰকাশ :

১লা জানুৱাৰী

মূল্য : ১০·০০

ছপাশাল :

প্ৰেষক

গুৱাহাটী-১

উপহার ... ...

... ...

সূচীপত্ৰ

ৰুদ্ধ যৌৱন	… …	১
অতীত	… …	১৭
জীৱনৰ এৰাতি	… …	৩০
যৌৱনৰ বিদ্ৰোহ	… …	৪৪
অচল টকা	…	৬০
ছলে-বলে কৌশলে	… …	৭৯
সেই দিনবোৰ	… …	৮৯
ৰোডোডেণ্ড্ৰনৰ বিলাস	… …	১০১
সোণফুলি	… …	১১১
অবুজ পৃথিৱী	… …	১৪৮

ৰুদ্ধ যৌৱন

২।৭।৬৫

* * * আজি হঠাতেই বৰ মন গ'ল, তোমালৈ এখন চিঠি লিখিবলৈ। দূৰৰ অচিনাকি মানুহলৈ চিঠি লিখাটো কোনে আমোদৰ কথা! তুমি হয়তো চিঠিখন পাবা, পঢ়িবা, আচৰিত হবা, ভাবিবা। কিন্তু হু ভাৰ ভাবিলেও মই কোন বিচাৰি উলিয়াব নোৱাৰিবা। মই কিন্তু সকলো গম পাম, চকুৰে দেখিম আৰু তোমাৰ দুৰৱস্থা চাই হাঁহি স্ফুৰ্ত্তি পাম। কোনে মজাৰ কথা! নহয় নে বাৰু? মই সৰুৰেপৰা এই ধেমালিটি কৰি বৰ ৰং পাওঁ। আগেয়ে যালৈকে তালৈকে এইদৰে চিঠি দি ৰং চাইছিলোঁ। কিন্তু আজিকালি নোৱাৰোঁ। কিয়নো লাহে লাহে মোৰ বয়স হৈ আহিল। তথাপি ঠাই বুজি মই এতিয়াও চিঠি দিওঁ। যেনে আজি তোমালৈ।

বহু দিনৰপৰা তোমাক মই ইয়াতে দেখিছো। কিন্তু তুমি কোন বা কি কৰা মই একোকে নাজানো। জনাৰো মোৰ বিশেষ কোনো প্ৰয়োজন নাই। কিয়নো কোনো মানুহৰ বাহ্যিক বা সামাজিক ৰূপটোৰে সৈতে মই পৰিচিত হবলৈ নিবিচাৰোঁ। মই বিচাৰোঁ তেওঁৰ অন্তৰৰ মহান ৰূপটোৰ সৈতেহে চিনাকি হবলৈ।

সৌ যে চাৰি আলিৰ কাষৰ ডাঙৰ দু-মহলীয়া ঘৰটো দেখিছা, তাৰে ওপৰ মহলাৰ সেই ফুলৰ 'টব' আৰু অৰ্কিডেৰে ঘেৰা সৰু কোঠালিটোতেই মই থাকো। সেইটোৱেই মোৰ পঢ়া আৰু শোৱাৰ ঘৰ। তাৰে বাৰাণ্ডাত থিয় হৈ হৈ, মই গোটেই চহৰখনৰে মানুহবোৰ চাই থাকোঁ। কোনোজন বেছ লুভীয়া, কোনোজন কামাসক্ত, কোনোজন স্বাৰ্থপৰ, কোনোজন প্ৰেমিক, কোনোজন বতাহত তেনেই উৰি ফুৰা। মই সেইদৰেই সদায় মানুহবোৰৰ সেই লানি-নিছিগা অদ্ভুত বিচিত্ৰ ৰূপবোৰকে চাই থাকোঁ। কেতিয়াবা তেনেকৈ চাওঁতে তাৰে এজন মানুহৰ ওপৰত মোৰ চকুৰ দৃষ্টিটো অলপ বেছিকৈ পৰে। আৰু বাৰে বাৰে চাওঁতে চাওঁতে মানুহজন মোৰ একেবাৰে চিনাকি হৈ পৰা যেন লাগে। যেনে ধৰি লোৱা, তোমাৰ কথাটোকেই।

তোমাক যিদিনা মই প্ৰথম দেখোঁ, সিদিনা গধূলি হঠাতে ক'ৰবাৰপৰা এজাউৰি বৰ ডাঙৰ বৰষুণ আহি পাইছিলহি। ধুনীয়াকৈ সাজি-কাচি, আলিবাটলৈ বেহ-ৰূপ চৰাই ফুৰিবলৈ ওলাই অহা মানুহবোৰৰ সেই বৰষুণত ভিজি থকা চাবলৈকে মই বাৰাণ্ডালৈ ওলাই আহিছিলোঁ। আৰু চাই চাই পাৰোমানে হাঁহিছিলোঁ। এনেতে হঠাতে দেখিলোঁ, তুমিও তিতি-বুৰি আলিবাটেৰে আহি আছা। তোমাৰ সেই বৰষুণত খোজ কঢ়া ভঙ্গীটো দেখিয়েই কিয় জানো মই তেনেই মুগ্ধ হৈ চাই ৰলোঁ। তাত যেন কোনো লৰা-ঢপৰা বা অশোভন খকা-মকা নাই। বতৰৰ ওপৰত খঙৰ কোনো ভ্ৰূকুটিৰ গালি-শপনিও নাই। সুন্দৰ, স্নিগ্ধ, মাৰ্জ্জিত ভঙ্গীৰে তুমি যেন বৰষুণৰ পানীৰ সকলো অত্যাচাৰ মূৰ পাতি লৈ আহি আছা। মুখত তোমাৰ অলপ মৃদু হাঁহি, ভৰিৰ চলনত লাজৰ কিছু সংকোচ। ঠিক জানিবা বিয়াৰ দিনাখনহে তুমি নোৱনিৰ পানীখিনি মূৰ পাতি লৈ আহি আছা। নেজানো কেলেই, তোমাৰ সেই ছবিখনি দেখি হঠাতে মোৰ বৰ ভাল লাগি গ'ল। ইচ্ছা হ'ল যেন মায়ো তোমাৰ মূৰৰ ওপৰত কিছু পানী ঢালি দিওঁ। নাইবা নামি গৈ তোমাৰ সোণৰ ফ্ৰেমৰ চচমাযোৰৰ ওপৰত টোপাটোপে বৈ পৰা, চুলিৰ পানীখিনি কিছু মচি দিওঁগৈ। কিন্তু ভাল লাগিলেই জানো আমি সকলো কামকে কৰিব পাৰোঁ! তাতে বিশেষকৈ আমাৰ ছোৱালীবোৰৰ কিমান বাধা? সেয়েহে এই ছোৱালী জীৱনটো মোৰ সমূলি ভাল নালাগে। তাতে আকৌ মোৰ ওপৰত ঘৰৰ শাসনৰ ইমান বেছি দৌৰাত্ম্য! বিশেষকৈ মাহীদেউৰ। কিন্তু সেয়ে হলেও মাউৰা ছোৱালী বুলি মাহীদেৱে মোক বৰ মৰম কৰে। মই কষ্ট পাম বুলিয়েই তেওঁ মোক আজিলৈকে আনকি ভাত ৰান্ধিবলৈকো শিকোৱা নাই। মইহে জোৰ কৰি নিজে চাহ আৰু জলপান কৰিবলৈ শিকিছোঁ। কিন্তু ফুৰা-চকা সম্বন্ধে মাহীদেউ অত্যন্ত 'কড়া'। চিনেমা, থিয়েটাৰ, নৈ-পাৰ, এইবোৰতো দূৰৰ কথা, তেওঁ আনকি মোক আলিবাটলৈকো বৰ বেছিকৈ ওলাবলৈ দিব নোখোজে। সমনীয়া মতা ল'ৰাৰ কথা নকওঁৱেই, এনেকি যেই-সেই ছোৱালীৰ লগতো তেওঁ কথা পতাটো বৰকৈ পচন্দ নকৰে।

সেই কাৰণেই মোৰ বৰ খং আৰু মনত দুখ। কিন্তু কি কৰিম? লোকৰ শাসনৰ অধীনত আছোঁ যেতিয়া, সকলো মানি চলিবই লাগিব। ভগৱানে আমাক য'তে যেনেকৈ ৰাখে, আমি সেইভাৱেই সদায় চলা উচিত। নহয় জানো?

৫।৭।৩৫

* * * কালি লিখা চিঠিখন মোৰ সেইদৰেই বৈ গ'ল। ঠিকনাৰ অভাৱত মই তোমালৈ পঠিয়াব নোৱাৰিলোঁ। হয়তো ঠিকনাৰ মোৰ আৰু কোনো প্ৰয়োজনো নহব। কিয়নো তুমি দেখিছো দিনে দিনে মোৰ বেছি আপোন যেন হৈ আহিছা। তোমাক মোৰ অন্তৰৰ সঁচাকৈ বৰ ওচৰত যেন লাগে। যেন মোৰ সকলো কথা তুমি শুনা। আৰু তোমাৰো সকলো কথা মই শুনো। আমাৰ মাজত যেন সঁচাকৈয়ে কোনো ব্যৱধান নাই। তুমি যেতিয়া আমাৰ ঘৰৰ আগেৰে যোৱা, মই তেতিয়া ঘৰৰ ভিতৰত বহি থাকিলেও নোচোৱাকৈয়ে সেই কথা কব পাৰোঁ। তোমাৰ জোতাৰ, চোলাৰ, পাম্-শুৰ সকলোৰে শব্দ মই এতিয়া বিধে-বিধে চিনি পাওঁ। তোমাৰ ডিঙিৰ মাত নাইবা গলাহেকাৰিৰ শব্দ মই কিজানিবা এতিয়া হেজাৰ মানুহৰ জুমৰ মাজৰপৰাও বিচাৰি উলিয়াব পাৰিম।

থক আজি আৰু বেছি নিলিখোঁ। মোৰ গাটো বৰ ভাল নহয়। ৰাতি পুৱাৰপৰা অলপ জ্বৰ-জ্বৰ যেন লাগিছে। মই ছোৱালীজনী সৰুৰপৰাই বৰ ৰুগীয়া আৰু নিশকতীয়া। চাৰি বছৰ বয়সত, মোক যি অৱস্থাত এৰি মা ঢুকায়, কোনেও ভবা নাছিল যে কেতিয়াবা মই বাচি থাকিম। কিন্তু আইতাৰ অশেষ স্নেহ আৰু যত্নত মই কোনেবাকৈ জী থাকিলোঁ। সেই আইতাই এঘাৰ বছৰ বয়সলৈকে মোক বুকুত টোপোলা-বান্ধি লৈ ফুৰাইছিল। আইতা ঢুকোৱাৰ পিছতহে মই মাহীদেউৰ ঘৰলৈ আহোঁ। আজিও সেই আইতাৰ কথা মনত পৰিলে মই হুক্-হুক্কৈ কেতিয়াবা কান্দি দিওঁ। যোৱা বছৰলৈকে মই তেনেকৈ কান্দিছিলো। কিন্তু এতিয়া তেনেকৈ কান্দিবলৈ লাজ লাগে। সেয়ে আইতাৰ কথা মনত পৰিলে মই আজিকালি লাহেকৈ মোৰ কোঠালিৰ ভিতৰলৈকে সোমাই যাওঁ। আৰু দুৱাৰ ঘৰ বন্ধ কৰি,

বিচনাত দীঘল দি বাগৰি পৰি, গাঁৰুবোৰ বুকুৰ মাজত সাবটি লৈ,. লুকাই লুকাই কান্দোঁ। কেতিয়াবা টোপনিৰ মাজতো সপোনত তেওঁক দেখি মোৰ চকুপানী ওলায় আৰু চকুলোৰে মোৰ গাঁৰুবোৰ তেনেই তিতি যায়।

মই এইদৰে ঘৰত বন্দী হৈ থকাৰ আৰু এটি কাৰণো আছে। পাঁচ বছৰ বয়সতে হেনো, মই এবেলি উজুটি খাই শিল এচটাৰ ওপৰত বুকু পাৰি পৰি গৈছিলোঁ। তাৰে বিষ এতিয়াও মোৰ মাজে-মাজে বুকুৰ ভিতৰত উঠে। কত দৰব, কত বেজী, কত মালিচ আজিলৈকে ব্যৱহাৰ কৰিলোঁ, তথাপি একোৱেই কাম নিদিলে। ডাক্তৰে কৈছে, এই বুকুৰ বিষ হেনো মোৰ চিৰলগৰীয়া হৈ ৰৈ যাব। তাৰোপৰি বাৰ বছৰ বয়সত মোৰ এবেলি এপেণ্ডিচাইটিচ্ হয়। ঈশ্বৰৰ ইচ্ছাত অপাৰেছন নকৰাকৈয়ে কোনোমতে মই ৰক্ষা পাওঁ। কিন্তু লিভাৰৰ বিষে হ'লে মোৰ লগ আজিলৈকে এৰা দিয়া নাই। কেতিয়াবা সেই বিষত মই ইমান অস্থিৰ হৈ পৰোঁ যে অনুমান হয় মোৰ যেন উশাহ-নিশাহ তেনেই বন্ধ হৈ যাব। এইবোৰ কাৰণেই সকৰেপৰা মই মাত্ৰ এক সন্ধ্যা ভাত খাওঁ। ৰাতিৰ সাঁজ কেৱল গাখীৰ আৰু ফল-মূল খায়ে শুই থাকোঁ। মোৰ খোৱাত এই অৰুচি দেখি, মাহীদেৱে প্ৰায়ে খং কৰে। মই ভিতৰি ভিতৰি ইমান ঘুণীয়া হ'লেও, বাহিৰৰপৰা দেখাতে কিন্তু কোনেও সেই কথা বৰ বেছিকৈ ধৰিব নোৱাৰে। দীঘলে-ডাঙৰে আৰু আনকি পঢ়াই-শুনায়ো মই লাহে লাহে লগৰ ছোৱালীবোৰক চেৰ পেলাইহে যাবলৈ আৰম্ভ কৰিছো। মোৰ বহু সমনীয়া ছোৱালী এতিয়াও স্কুলত ক্লাছ চেভেন বা এইটতেই পঢ়ি আছে। মই কিন্তু গোৱা বেলিয়েই ঘৰত পঢ়ি প্ৰাইভেটকৈ মেট্ৰিক দিয়াৰ কথা আছিল। কিন্তু বয়স কম দেখি, ঘৰৰ মাষ্টৰে মোক পৰীক্ষা দিবলৈ নিদিলে।

৭।৭।৩৫

* * * মোৰ আগৰ চিঠি দুখন তোমালৈ নপঠিয়াই ভালেই কৰিলোঁ। আজি তোমাৰ বিষয়ে একেলগে ভালেখিনি কথা জানিব পাৰিলোঁ। মোৰ সঁচাকৈ বৰ লাজ লাগিছে যে ইমান দিনে তোমাক মই তুমি বুলি সম্বোধন কৰি আছিলোঁ। যি নহওক যেতিয়া এবেলি তোমাক আপোন কৰি লৈছো,

আৰু পৰ কৰিবলৈ নিবিচাৰোঁ। মই সঁপোনতো ভাবিব পৰা নাছিলোঁ যে তুমি বি-এ পাছ কৰিছা আৰু ইয়াৰ হাইস্কুলত মাষ্টৰি কাম কৰা। মই ভাবিছিলোঁ হয়তো তুমি বৰ জোৰ কলেজত পঢ়া আৰু বন্ধত ইয়ালৈ ফুৰিবলৈ আহিছা। তাৰোপৰি তুমি এজন লিখক আৰু সাহিত্যিকো, চিনাকি কৰি নিদিলে, সমূলি সেই কথাটো ধৰিব নোৱাৰি। তুমি দেখাতে সঁচাকৈ ভাই বৰ লঁৰামতীয়া। কিন্তু সেয়ে হ'লেও তোমাৰ চকুত যে কিবা এটি কবিতাৰ আবেশ আছে, সেই কথাটো মই আগতেই ধৰিব পাৰিছিলোঁ। আৰু সেয়েই বোধকৰোঁ তোমাক মোৰ বেছি আপোন কৰি তুলিছিল। ইচ! মোৰ বৰ ভাগ্য যে তোমালৈ চিঠিবোৰ পঠিওৱা নাছিলোঁ। তুমি চাগে পঢ়িলে হাহিলাহেঁতেন। ভাবিলাহেঁতেন, কি ভাব! কি ভাষাৰ নমুনা! কিন্তু তুমি! তুমি যিয়েই নোকোৱা, কিবাকিবি লিখিবলৈ সক্ষৰপৰা মোৰ মনটো বৰকৈ যায়। কেতিয়াবা বক্তৃতা দিবলৈকো মোৰ বৰ ইচ্ছা হয়। সিদিনা ছোৱালী হাইস্কুলৰ শঙ্কৰদেৱৰ তিথিত, মই স্কুলত মাষ্টৰ, নপঢ়িলেও ঘৰৰপৰা লিখি নি ৰচনা এখন পাঠ কৰিছিলোঁ। মিটিঙত স্কুলৰ মাষ্টৰণী, ছাত্ৰী আৰু নগৰৰ বহুতো গণ মান্য লোক ভৰি পৰিছিল। মই তথাপি অকণো ভয় কৰা নাছিলোঁ আৰু পঢোঁতেও মোৰ ক'তো অলপো খোকোজা লগা নাছিল। ৰচনাখন শুনি সকলোৱে মোক বৰকৈ বখানিছিল আৰু সেই গৰ্ব্বত মোৰ মনটো তেনেই উপচি উঠিছিল। ভাবিছিলোঁ এইদৰে ডাঙৰ ডাঙৰ মিটিঙত মই ভৱিষ্যতেও ৰচনা পাঠ কৰিম। আৰু কেতিয়াবা লিখি নমকৈয়ে বক্তৃতা দিবলৈকো চেষ্টা কৰিম। মই যদি শেষলৈকে এইদৰে পঢ়ি থাকিব পাৰোঁ, তোমাৰ দৰে বি-এ পাছ কৰি মেয়া এগৰাকী মাষ্টৰণী হম আৰু দেশৰ কামত লাগিম। মোৰ স্বাস্থ্য যেনেকুৱা, অইন কামে কেতিয়াও মোক নুশুজিব। আৰু মই কেতিয়াও বোধকৰোঁ বিয়া-বাৰু কৰাই, ঘৰ-সংসাৰ কৰিব নোৱাৰিম।

৭।৭।৩৫

পিছৰ।

* * * তুমি লিখা গল্প এটি ছপা হোৱা আলোচনী এখন হঠাতেই

পাই মই আজি খুজি আনিছোঁ। আৰু এজনী বিধৱাৰ বিষয়ে বৰ ধুনীয়াকৈ তুমি লিখা সেই গল্পটো গধূলিৰপৰা উবাই-ঘূৰাই প্ৰায় দহবেলিমান পঢ়ি শেষ কৰিছোঁ। সঁচাকৈ তোমাৰ লিখনিৰ কিবা অদ্ভুত এটি শক্তি আছে। যিমানেই পঢ়োঁ সিমানেই যেন আকৌ পঢ়িবলৈ মন যায়। পঢ়ি থাকিলে প্ৰতিটো শব্দৰ লগে লগে, তোমাৰ মুখচ্ছবি আৰু বচন-ভঙ্গীবোৰ মোৰ চকুৰ সমুখত ভাহি উঠা যেন দেখোঁ আৰু সেয়েই কথাবোৰ বেছি অৰ্থপূৰ্ণ আৰু প্ৰাণস্পৰ্শী কৰি তোলে। এই কাৰণেই মই আজি ক'লৈকো ফুৰিবলৈ ওলাই নগলোঁ। এতিয়ালৈকে হাত-ভৰি ধুই আহি পঢ়িবলৈকো বহা নাই। কেৱল বাৰাণ্ডাত বহি, আকাশত নতুনকৈ উঠিবলৈ ধৰা আজিৰ পূৰ্ণিমাৰ সেই প্ৰকাণ্ড জোনটোলৈ চাই আছোঁ। আজিয়েই যেন মই জীৱনত আটাইতকৈ বেছি অব্যক্ত বেদনা অনুভৱ কৰিছোঁ। ইমান ডাঙৰ জোন! ইমান বহল আকাশ! ইমান বিশাল পৃথিৱী! কিন্তু মোৰ অন্তৰৰ চাৰিওপিনে ইমান বাধা, কেৱল বাধা। যেন শিকলিৰে মেৰাই মেৰাই কোনোবাই মোক বান্ধি ৰাখিছে। তোমাক যদি ওচৰত পালোহেঁতেন, হয়তো মোৰ এই অন্তৰৰ বাথা কিছু পৰিমাণে বুজাই কব পাৰিলোহেঁতেন। আৰু হয়তো তুমি বুজি পাই, মোক কিছু সান্ত্বনা দিব পাৰিলাহেঁতেন। কিয়নো বিধৱা এজনীৰ অন্তৰৰ দুখৰ কথা যদি তুমি বুজা, মোৰ দৰে পিঞ্জৰাবদ্ধ, পক্ষহীনা ছোৱালী এজনীৰ অন্তৰৰ দুখৰ কথাবোৰ নুবুজিবা কেলৈ? বাস্তৱিকে মোৰ জীৱনটো কিমান দুখৰ! আনে বুজিলেও, মাহী-দেৱে সেই কথাটো কেতিয়াও নুবুজে। সেইকাৰণেই মাহীদেউৰ ওপৰত মোৰ ইমান খং। আজি গোটেই দিনটোৱে তেওঁৰ লগত কাজিয়া কৰি মই তেওঁক মুখেৰে মতা নাই। সঁচাকৈয়ে কোনে বাৰু পদে পদে তেওঁৰ ইমান আঙুলিৰ নিৰ্দ্দেশ সহ্য কৰিব পাৰে? এইটো তই নকৰিবি, সেইটো তই নকৰিবি, সেইটো তোৰ নুশুজিব। মোৰ জীৱনটো কেৱল না, আৰু না-ৰেই ভৰা। কিন্তু ময়ো কম 'জেদী' ছোৱালী নহয়। যিটো মোৰ কৰিবৰ মন যায়, হাজাৰ বাধা সত্বেও মই সেইটো কৰিবলৈ বিচাৰোঁ। আৰু ইচ্ছা নাথাকিলে কোনেও মোৰ হতুৱাই কোনো কামকে জোৰ কৰি কৰোৱাব নোৱাৰে। কব নোৱাৰোঁ কেলৈ মোৰ আজি নিজৰ আই-

বোপাইলৈ বৰকৈ মনত পৰিছে। তেওঁবিলাক থকা হেঁতেন, হয়তো কেতিয়াও এনেকুৱা খন নহ'লহেঁতেন। জীৱনত মই নিজৰ আই-বোপাইৰ মৰম অকণিকে পোৱা নাই। সেয়ে আনে পোৱা দেখিলেও মই কেতিয়াবা ঈৰ্ষাতে পৰি মৰোঁ। আৰু তেনেকুৱা সময়তেই মোৰ পায় তোমালৈ মনত পৰে। কিয়নো মোৰ অনুমান হয়, তুমি যেন মোৰ অন্তৰৰ সকলো দুখ বুজা। সেয়ে তোমাক আজি মাতিবলৈ মোৰ বৰকৈ মন গৈছে! আহাঁ। এখন্তেক আহি তুমি মোৰ ওচৰত বহাহি আৰু মোক মৰম কৰা। তোমাৰ মৰম পালে মই আৰু জীৱনত কাৰো মৰম নিবিচাৰোঁ। তুমি মোক সাবটি ললে, মই আৰু জীৱনত কাকো পাবলৈ ইচ্ছা নকৰোঁ। তুমি যদি সঁচাকৈ মোক মাতা, মই আজিয়েই এই পিঞ্জৰাৰ শিকলি ছিঙি তোমাৰ লগত ওলাই যাব পাৰোঁ। কিয়নো দাসত্বৰ শৃঙ্খলৰ বন্ধনত মোৰ শৰীৰ, মন, সকলো তেনেই তিতা হৈ উঠিছে। আৰু এক দণ্ডও ইয়াত থাকিবলৈ ইচ্ছা নাই। আহাঁ! তুমি আহি মোক উদ্ধাৰ কৰি লৈ যোৱাহি।

১০।৭।৩৫

* * * মোৰ সঁচাকৈ ভাবি বৰ লাজ লাগে যে চিঠিবোৰ মই সদায় এইদৰে লিখোঁ। কিন্তু সি সদায় লিখাতেই ৰৈ যায়। এদিনো তোমালৈ পঠিওৱা নহয়। পঠিয়াবৰ সময়ত সদায় কিবা এটা লাজে আহি মোক আগুৰি ধৰে। ভাবি ভয় লাগে, তুমি জানোচা আকৌ কি ভাবা? যাক মই মনতে ভাবি আৰু বেছি দুখ নকৰোঁ। এই পৃথিৱীত কোনোবাই দুখ আৰু কোনোবাই সুখ লৈ ওপজে। মই বোধকৰোঁ কেৱল দুখ লৈয়ে উপজিছোঁ। সেয়ে এতিয়া দুখ কৰিলে বা আনক দোষ দিলে কি হব? ঈশ্বৰে আমাক যিভাৱে সৃষ্টি কৰে আমি তাকেই মানি লব লাগিব। টবৰ ফুলৰ দৰে মই বন্ধ আকাশৰ তলত উপজিছিলোঁ, সেয়ে মই সদায় সেই অৱস্থাতেই সন্তুষ্ট থাকিব লাগিব। ওপজাৰেপৰা মোৰ যেতিয়া পাখি দুখন বন্ধা, মই এতিয়া উৰিবলৈ বিচাৰিলে কোনেকৈ উৰিব পাৰিম বা মোক কোনে উৰাই লৈ যাব?

১৫।৭।৩৫

পুষ্পা।

*** আজি কেবা দিনৰ মূৰত তোমাক দেখি, সঁচাকৈ মনটো বৰ বেয়া লাগিল। তুমি ইমানকৈ খীণাইছা কেলৈ? নিশ্চয় তোমাৰ কিবা অসুখ। কিন্তু হ'লেও উপায় যে নাই? ইমানবোৰ বাধা নেওচি তোমাৰ ওচৰলৈ যাওঁ কেনেকৈ? যদি পাৰিলোহেঁতেন এতিয়াই তোমাৰ ওচৰলৈ লৰি গলোহেঁতেন আৰু তোমাৰ ওচৰত বহি, ওৰে দিনটো তোমাৰ শুশ্ৰূষা কৰিলোহেঁতেন। সি যি নহওক, তোমাৰ কাৰণে কৰিব পৰা মোৰ এটি কাম আছে। সেইটো হৈছে তোমাৰ কাৰণে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনোৱা। তুমি বোধকৰোঁ নাজানা, মই বৰ ঈশ্বৰ-বিশ্বাসী ছোৱালী। আৰু সদায় ৰাতিপুৱা গা-পা ধুই উঠি, ঈশ্বৰক প্ৰাৰ্থনা কৰোঁ। এই প্ৰাৰ্থনাৰপৰা জীৱনত মই যথেষ্ট উপকাৰ পাইছোঁ।

১৫।৭।৩৫

গধূলি।

**** আজি আবেলি বহুত মানুহ আমাৰ ঘৰলৈ খাবলৈ আহিব। মাহীদেউৰ মুমলীয়া ছোৱালী নীলিমাৰ আজি জন্মদিন। মোৰ বৰ মন গৈছিল, পাৰিলে তোমাকো নিমন্ত্ৰণ কৰিবলৈ আৰু নিজ হাতেৰে তোমাক কিবা অকণ খুৱাবলৈ। কিন্তু সেই সৌভাগ্য মোৰ নহ'ল। যাক মই অন্তৰৰ সৈতে ভাল নাপাওঁ, হয়তো আজি তাকেই আপ্যায়িত কৰিব লাগিব। কিন্তু যি মোৰ অতিকৈ আপোন, তেওঁক মাতি আনি ওচৰত বহুৱাই একাপ চাহ যাচিবৰ ক্ষমতা মোৰ নাই। এয়েই মোৰ অদৃষ্ট।

২০।৭।৩৫

*** ৰবা, তোমাক আজি নতুন কথা এটি কওঁ। তুমি বোধকৰোঁ নাজানা, স্কুলৰ ল'ৰাবোৰ কি দুষ্ট! সিহঁতৰ ইমান যে সাহ, দেখিলেই তবধ মানিব লাগে। তুমি নিশ্চয় সত্যেনক চিনি পোৱা। সি তোমালোকৰ স্কুলতে, ক্লাছ টেনত পঢ়ে। পঢ়াই-শুনাই সি বেছ ভাল ল'ৰা বুলি শুনিছোঁ। দেখাই-দৰিশনেও বেছ চকুতলগা। স্বাস্থ্য-পানীও ধুনীয়া। গানো গায়

ভাল আৰু ফুটবলো খেলে। চিনেমাও সি অলপ বেছিকৈ চায় বুলি শুনিছোঁ। কিন্তু লগতে সি যে ইমান প্ৰেমিকো হৈ উঠিছে, সেই কথাটোহে জনা নাছিলোঁ। অৱশ্যে প্ৰতিমাই এদিন কৈছিল যে অমলাৰ লগত হেনো তাৰ ভাল আৰু সিহঁতে লুকাই চিঠি দিয়া-দি কৰে। কিন্তু কালি সি যি কৰিলে, ঠিক বুজিব পাৰিছোঁ যে অকল চিঠি দিয়েই নহয়, সি আৰু বহু দূৰলৈকে যাব পাৰে। সি যি নহওক, ল'ৰাটোৰ যে কিবা অলপ সুকীয়া প্ৰতিভা আৰু আকৰ্ষণী শক্তি আছে, সেই কথা স্বীকাৰ কৰিবই লাগিব।

ঘটনাটো কি হৈছিল, শুনা। তুমি জানা নহয়, মই ঘৰৰপৰা বৰ বেছিকৈ ওলোৱা-সোমোৱা নকৰোঁ। পৰহি বাৰটো আছিল দেওবাৰ। মই দুপৰীয়া এপাক ওলাই গৈছিলোঁ, আমাৰ ঘৰৰ ওচৰতে থকা বকুলী বাইদেউৰ ঘৰলৈ, অঙ্ক শিকিবলৈ। মোৰ লগত অৰু, মোৰ মাহীদেউৰ মাজু ছোৱালীজনী।

মই যেতিয়া উভতি আহোঁ তেতিয়া প্ৰায় সন্ধিয়া। বাটত মানুহ-দুনুহ বৰ বেছি নাই। এবেলি মই অলপ গম পালোঁ যে আমাৰ পিছ ফালৰপৰা যেন এজাক ল'ৰা কথাপাতি আহিব লাগিছে। মই অলপ সঙ্কোচেৰে বাটটো এৰি দি, একাষৰীয়া হলোঁ। ল'ৰাজাক পাৰ হৈ গ'ল। কিন্তু মোৰ অনুমান হ'ল, কোনোবা এজন যেন আমাৰ লগে লগে আহি আছে। কথাটো গম লবলৈ, মই ঘূৰি চালোঁ। দেখিলোঁ, সত্যেন মোৰ গাৰ নিচেই ওচৰত। তেনে অৱস্থাত অলপ বিব্ৰত হৈ পৰাটো স্বাভাৱিক। মোৰ হাতৰ চেপাত এগাল কিতাপ আৰু বহী আছিল। ওপৰত গধুৰ এলজেব্ৰাৰ কিতাপখন। তাৰ ওপৰতে, জ্যামিতি শিকিবলৈ নিয়া ইনষ্ট্ৰুমেন্ট বাকচটো। আৰু এবেলি ঘূৰি চাই, কিতাপখিনি সামৰি লব খোজোঁতেই মোৰ কিলা-কুটিটো কেনেবাকৈ গৈ লাগিল অৰুৰ মূৰত। আৰু গোটেই কিতাপগালেই হাতৰ মুঠিৰপৰা ওলাই যাওঁ যেন কৰিলে। কিন্তু ওলাই পৰিল আলিবাটৰ ওপৰত, সেই আপদীয়া এলজেব্ৰাখন। মই আৰু অলপ বিব্ৰত হৈ, সত্যেনৰ পিনে চাই অৰুক কিতাপখন তুলি লবলৈ কলোঁ। কিন্তু অৰুৱে আৰু

সেই সুবিধাটো পায় ক'ত? আগবাঢ়ি আহিল সত্যেন, হাঁহি এটা মাৰি। আৰু কিতাপখন তুলি লৈ, ধৰিলেহি মোৰ সমুখত। যেন দেৱীৰ আগত হে সি পূজাৰ থাল এখন ধৰিছে। মই অলপ ভদ্ৰতা দেখুৱাই হাঁহি কলোঁ— আপুনি মিছাকৈ কষ্ট কৰিলে এই ফেৰা। কিতাপখন মই নিজেই তুলি লব পাৰিলোহেঁতেন। সি অলপ অভিনয়ৰ ভঙ্গীত, মুখটো বেঁকাকৈ হাঁহি ক'লে—তুমি দিয়াত মোৰ নিজৰ অলপ স্বাৰ্থও আছে। যদি বেয়া নাপায়, মই কিতাপখন নিব খোজোঁ দুদিনমানৰ কাৰণে। অলপ আচৰিত হৈ সুধিলোঁ—কিয়? সত্যেনে হাঁহি বুজাই ক'লে যে মোৰ কিতাপখন হেনো একেবাৰে নতুন এডিশ্বনৰ। পিছৰপিনে বিশ্ববিদ্যালয়ৰ পৰীক্ষাৰ প্ৰশ্নবোৰ বৰ ভালকৈ দিয়া আছে। তাৰ নিজৰ কিতাপখন পুৰণি কাৰণে, সি এনেকুৱা এখন কিতাপ বিচাৰি ফুৰিছিল। বাধ্য হৈ মই ক'লোঁ—ভাল তেনেহ'লে, আপুনি কিতাপখন দুদিনমানৰ কাৰণে নিব পাৰে। আপোনাৰ চোৱা হৈ গ'লেই যেন নিজে দি যায়হি। এই কেইদিন চলাবৰ কাৰণে মোৰ আৰু এখন পুৰণি কিতাপ আছে।

কিন্তু ক'ত আৰু দুদিন পলম হয়? কালি আবেলি দেখোঁ, সত্যেন আমাৰ ঘৰত। কিতাপখন ওচৰলৈ আগবঢ়াই দিয়েই ক'লে—আপোনাৰ উপকাৰৰ কাৰণে বহুতো ধন্যবাদ। অনুগ্ৰহ কৰি ১৫২ পৃষ্ঠাটো এবাৰ মেলি চায় যেন। তাতে মই দৰকাৰী অঙ্ক এটা দাগ দি দিছোঁ। পৰীক্ষাৰ ওচৰত সকলোৱে 'প্ৰবেবল্ কোৱেশ্চন' বিচাৰি হাবাথুৰি খায়। সেয়ে ময়ো কোঠালিটোত সোমায়ে ১৫২ পৃষ্ঠটো মেলি চালোঁ। দাগ দি থোৱা কোনো অঙ্ক মোৰ চকুত নপৰিল। কেৱল দেখিলোঁ সেইখিনিতে, বেছ ভাঁজ-ভুঁজ দি জাপি থোৱা, সৰু চিঠি এডুখৰি লুকাই থোৱা আছে। কিছু খং উঠিলেও একেবাৰে নাহাঁহি থাকিব নোৱাৰিলোঁ। হাঁহি উঠিল এই কাৰণেই যে ল'ৰাবোৰে ছোৱালীলৈ চিঠি দিয়াৰ এই ন কায়দাবোৰ শিকে ক'ত?

* * * ভাবিছিলোঁ, সত্যেনৰ চিঠিখনৰ কোনো উত্তৰ নিদিওঁ। আৰু নিদিওঁ বুলিয়েই মনটো দৃঢ়কৈ বান্ধি ৰাখিছিলোঁ। কিন্তু শেষত গৈ

নোৱাৰিলোঁ। ওপৰা-ওপৰিকৈ সত্যেনৰপৰা কেবাখনো চিঠি আহিল। প্ৰত্যেকখনতে সি বেছ আৱেগেৰে লিখিলে, সি হেনো সঁচাকৈ মোক ভাল পায়। আৰু আজি বহুদিনৰপৰা মোৰ লগত কথা-পতাৰ কাৰণে এটি সুযোগ বিচাৰি আছিল। মই কোনটো কমত শোওঁ, কেতিয়া উঠোঁ, কেতিয়া ফুলনিত ফুল তুলিবলৈ যাওঁ, কেতিয়া গা ধুই আহি খিড়িকীৰ ওচৰত মূৰ ফণিয়াওঁ, গধূলি কেতিয়া ড্ৰয়িংৰুমত বহি অৰ্গেন বজাও, ৰাতি কেতিয়া টেবুল-লেম্পৰ ওচৰত বহি কিতাপ পঢ়োঁ, সি হেনো সকলো কৰ পাৰে আৰু সদায় আলেঙে আলেঙে সেইবোৰকে চাই থাকে।

মই সত্যেনৰ কথাবোৰ প্ৰথমে বিশ্বাস কৰা নাছিলোঁ। মই ঠিক ভাবি উলিয়াব পৰা নাছিলোঁ, সত্যেনে মোৰ কি এনে বস্তুটো দেখি ৰাৰু ইমান বেছি আকৃষ্ট হ'ল? কিয়নো মইতো আন দহজনী ছোৱালীৰ দৰে তেনে উচ্ছল যৌৱনৰ চকুত লগা এজনী ছোৱালী নহয়। মোৰ গাত সৌন্দৰ্য্যৰ তেনে মতলীয়া জুইৰ আঙনিও নাই। কিন্তু সত্যেনে মোক বজাই দিলে যে মৰমটো ঠিক তেনে এটি বুজি নোপোৱা বস্তু। সেয়ে মই তাৰ সেই কথাটোকে বিশ্বাস কৰিলোঁ। তাৰোপৰি বোধকৰোঁ আৰু এটি কথাও আছিল। মই জীৱনত আজিলৈকে কাৰোপৰা বাস্তৱ মৰমৰ কোনো প্ৰত্যক্ষ পৰশ পোৱা নাছিলোঁ। মৰমৰ এই প্ৰথম আৱেদনে বোধকৰোঁ মোৰ মনৰ দৃঢ়তা তেনেই ভাঙি আনিলে।

এতিয়া ৰাতি এঘাৰটা বাজিছে। মই কি কৰিছোঁ কব পাৰা? মই এইমাত্ৰ সত্যেনলৈ ধুনীয়া চিঠি এখন লিখি উঠিলোঁ। সেই চিঠিখনকে মোৰ গাঁৰুৰ তলত লৈ, মই আজি ৰাতিটো এটি নতুন আৱেশত শুই থাকিম। আৰু ৰাতিপুৱা উঠিয়েই আমাৰ বাবুলালৰ হাতত চিঠিখন দি পঠিয়াম। নাইবা অৰুৰ হাতত্তো দি পঠিয়াব পাৰোঁ। মই সত্যেনলৈ লিখিছোঁ, সিও যেন সিহঁতৰ হাতেতেই সদায় চিঠিৰ উত্তৰবোৰ দিয়ে। ডাকত যেন আৰু চিঠি নিদিয়ে। কিয়নো মহাদেউ বি সন্দেহ-প্ৰৱণ মানুহ, স্থানীয় ডাকঘৰৰ মোহৰ দেখিলে, চিঠিবোৰ খুলি পঢ়ি চাব পাৰে।

২৯।৭।৩৫

*** কি হ'ল? তোমাকচোক আজি বহুদিন দেখা পোৱা নাই? মই নিজেও ইমান ব্যস্ত হৈ আছিলোঁ যে তোমাৰ খবৰো আনকি ভালকৈ লব পৰা নাই। তোমাক কৈছিলোঁ নহয়, সত্যেনৰ কথাটোৱেই মোক তেনেই উতলা কৰি তুলিছে। নাজানিছিলোঁ মৰমৰ খেলা ইমান গভীৰ আৰু তাৰ ভিতৰত অন্তৰৰ ইমান থৌকি-বাথৌ আছে। তুমি—যাৰ কথা মই জীৱনত এক মুহূৰ্ত্তও নাভাবি থাকিব নোৱাৰিছিলোঁ—সেই তুমিও যেন লাহে লাহে তলপৰি যাবলৈ আৰম্ভ কৰিছা। কিন্তু সেয়ে হ'লেও তোমাক মই একেবাৰে পাহৰি যোৱা নাই। পাহৰি যাম কেনেকৈ? যাক এদিন প্ৰাণভৰি ইমান বেছি ভাল পাইছিলোঁ, তাক জানো পাহৰি যাব পাৰি? সেই কাৰণেই বোধকৰোঁ কালি ৰাতি সপোনত এবেলি তোমাক দেখি, মই উচপি উঠিছিলোঁ। তেতিয়া ৰাতি পুৱাওঁ-পুৱাওঁ। ঠিক চাৰে চাৰি বজাত মোৰ ঘড়ীৰ এলাৰ্মটো শুনি, হঠাতে মোৰ টোপনি ভাগি গৈছে। তাৰ অলপ পিছতেই, মই বাথ-ৰুমৰ দুৱাৰখন খুলি, তললৈ নামি যাম আৰু সেইদৰে গৈ একেবাৰে ফুলনি পামগৈ। ফুলনিৰ গেটৰ মুখতেই সত্যেনে মোৰ কাৰণে ৰৈ থকাৰ কথা আছে। আজিকালি এইটোৱেই আমাৰ একমাত্ৰ কাম হৈ পৰিছে। আমি এইদৰেই দুয়ো লুকাই ৰাতিপুৱা ফুলনিত লগ ধৰোঁ। আৰু কেতিয়াবা সেই গেৰেজটোৰ পিছলৈ গৈ, তাতে আমি গাতে গা লগাই অলপ বহোঁ। আজি সি তাতেই মোক প্ৰথমে সাবটি ধৰি বুকুৰ মাজলৈ টানি নি চুমা এটি খাইছিল। উস্! কি তপত, উতলা সেই চুমাৰ পৰশ! এতিয়াও যেন মোৰ শৰীৰৰ সিৰাই সিৰাই তাৰ পোৰণি জ্বলি আছে। আৰু সেই পোৰণিৰ তাড়নাতে মই জীৱনত কোনো দিনে নকৰা কিবা এটা আৰু ডাঙৰ কাম কৰিবলৈ ওলাইছোঁ। তুমি শুনি হয়তো আচৰিত হবা যে আজি ৰাতি বাৰ বাজি যোৱাৰ পিছত, সত্যেনে আমাৰ ফুলনিৰ ওচৰৰপৰা মোক এটা সঁহাৰি দিব। আৰু সেই সঁহাৰিটো শুনিলেই মই মোৰ বাথ-ৰুমৰ দুৱাৰখন খুলি, তললৈ নামি যাম। আৰু একেবাৰে ফুলনিলৈ গৈ, সেই গেৰেজটোৰ আঁৰত, তাক লগ ধৰিমগৈ।

সৌৱা! সত্যেনৰ মই সেই প্ৰথম সঁহাৰিটো শুনিলোঁৱেই। গতিকে মই নামিযাওঁৱেই। তুমি ভয় নকৰিবা। মোৰ বাটত কোনো বাধা নাই। আমাৰ বাবুলালক ভেটি এটা দি, মই তেনেই হাত কৰি পেলাইছোঁ। সি মহাদেউৰ 'ভুলু' কুকুৰটোক নি আজি ঘৰৰ ভিতৰত বান্ধি থব। ভেটিটো কি কব পাৰা? মোৰ হাতৰ এটি আঙঠি—মাৰ স্মৃতি চিন! মই ঠিক জানো দুদিন পিছতেই সেই আঙঠিটোৰ কাৰণে হুলস্থুল লাগি পৰিব। মাহীদেৱে সুধিলে কম যে সিদিনা গা-ধোওঁতে, বাথ-ৰুমত সোলোকাই থৈছিলোঁ। পিছত মনত পৰোঁতে, বিচাৰি গৈ নাপালোঁ। মই ভলাই অহাৰ পিছতেই পতুমীয়ে কাপোৰ মেলি দিবলৈ বাথ-ৰুমত সোমাইছিল। কিন্তু মই সোধোঁতে তাই নেদেখা বুলি ক'লে।

১৮।৮।৩৫

* * * উস্! আজি কিমান দিনৰ মূৰত তোমালৈ আকৌ চিঠি লিখিবলৈ ওলাইছোঁ! আজিহে হিচাপ কৰি পাইছোঁ, পূৰা কুৰি দিন। এই কুৰি দিনেই মোৰ কুৰি যুগ লাগিছে। এই কেইদিনতে মই জীৱনৰ কিমান কথা শিকিলোঁ, কিমান নতুন নতুন অভিজ্ঞতা অৰ্জ্জন কৰিলোঁ। মই জনা নাছিলোঁ যে বাস্তৱৰ পৃথিৱী আৰু কল্পনাৰ পৃথিৱীৰ মাজত ইমান পাৰ্থক্য। জানিনেই বা কেনেকৈ? জীৱনৰ অভিজ্ঞতাই বা মোৰ কিমান? আমি আটায়ে কথাবোৰ এইদৰে জীৱনত ঠেকত পৰিহে শিকোঁ। মই আজিহে ভালকৈ উপলব্ধি কৰিছোঁ যে তোমালৈ মোৰ চিঠিবোৰ নপঠিয়াই, মই সঁচাকৈ বৰ ভাল কাম কৰিছিলোঁ। কিয়নো পঠোৱাহেঁতেন হয়তো সেই একে বিপদেই হ'লহেঁতেন। কথাটো তোমাক অলপ বুজাই কওঁ শুনা। ধৰিলোৱা, তোমাক মই অন্তৰৰ সৈতে ভাল পাইছিলোঁ। তোমালৈ মোৰ অন্তৰ খুলি বহু চিঠিকে লিখিছিলোঁ। কিন্তু কাহানিও সেই চিঠিবোৰ পোৱা নাছিলা। আৰু তাৰ উত্তৰো দিব পৰা নাছিলা। গতিকে তোমাৰ প্ৰকৃত স্বৰূপটি মোৰ এতিয়াও সম্পূৰ্ণ অজানিত হৈয়েই আছে। তোমাক যিদৰে প্ৰথমে এদিন দেখি মই ভাল পাইছিলোঁ, আজিও তুমি ঠিক সেই মানুহজনেই হৈ আছা। কিন্তু যদি মই তোমালৈ সেই চিঠিবোৰ পঠিয়ালো-

হেঁতেন, আৰু তুমি তাৰ উওৰ মোলে পঠিয়ালাহেঁতেন, নাজানো তোমাক কি বিভিন্ন ৰূপত মই আজি দেখিলোহেঁতেন। নাইবা তাৰ কিছু দিন পিছত, তোমাৰ আকৌ কি পৰিবৰ্ত্তন মোৰ চকুত পৰিলহেঁতেন। জীৱনত এই দুৰ্ভাগ্যটোৱেই প্ৰায়ে আমাৰ ছোৱালীবোৰৰ ঘটে। আমি যিজনক দেখি, প্ৰথমে ভাল পাই এদিন বলিয়া হওঁ, আৰু যথাসৰ্ব্বস্ব বিসৰ্জন দি সমাজ, ঘৰ সকলোকে এৰি আহোঁ, কিছুদিন পিছত সেই মানুহজন সম্পূৰ্ণ সলনি হৈ যায়। আৰু আমি তেওঁক বিচাৰি নাপাওঁ। তেতিয়া আমি অইন পৃথক এজন মানুহৰ লগত আমাৰ দুখৰ জীৱন নিয়াবলগীয়া হওঁ। ভাবি চোৱা, এই কথাটো কিমান কষ্টকৰ আৰু পীড়াদায়ক। আৰু সেই দুৰ্ভাগ্যটোৱেই ঠিক মোৰ হবলৈ ওলাইছিল। কিন্তু ঈশ্বৰে মোক কোনোমতে ৰক্ষা কৰিলে। কিয়নো তোমাক মই কৈছিলোঁ নহয় যে ঈশ্বৰৰ ওপৰত মোৰ অগাধ বিশ্বাস আছে আৰু মই সদায় তেওঁক প্ৰাৰ্থনা কৰি থাকোঁ। কথাষাৰ যদিও মই তোমাক কবলৈ ওলাইছো, কিবা এটি লাজে আগুৰি ধৰাত মই ভালকৈ এতিয়াও খুলি কব পৰা নাই। কিন্তু তোমাক মই খুলি কবই লাগিব। নকলে কেতিয়াও শান্তি নাপাম। তোমাৰ নিশ্চয় মনত আছে, তোমাক মই কৈছিলোঁ যে সত্যেনক মই সঁচাকৈ প্ৰাণভৰি ভাল পাইছিলোঁ। সিও মোক কৈছিল, সিও হেনো মোক সেইদৰেই ভাল পায়। তাৰ সেই কথা মই বিশ্বাস কৰিছিলোঁ। আৰু তাক সন্তুষ্ট কৰিবৰ কাৰণেই, বিবেকৰ বিৰুদ্ধেও গৈ, মই নকৰিবলগীয়া বহু কাম কৰিছিলোঁ। কাৰণ জানা, মৰমৰ সেইটোৱেই ৰীতি আৰু মৰম বলিয়া হ'লে সকলো ছোৱালীয়ে তাকেই কৰে। কিন্তু মই জনা নাছিলোঁ, পুৰুষৰ যে সম্পূৰ্ণ বেলেগ দিশ এটিও আছে। সিহঁত যে আমাতকৈ কিছু পৃথক। সত্যেনে সদায় আহি মোক কৈছিল, জীৱনত হেনো সি মোকেই প্ৰথমে লগ পাইছে আৰু মোকেই ভাল পাইছে। ময়ো কৈছিলোঁ, সি মোৰ জীৱনত প্ৰথম পুৰুষ। তাকেই মই জীৱনত চিৰদিনে ভাল পায় থাকিম। তাৰ মৰম পালে, মোক আৰু জীৱনত কাৰো মৰম নালাগে। আগতেই কৈছিলোঁ যে মই সদায় লুকাই লুকাই সত্যেনক লগ ধৰিছিলোঁ। আৰু সকলোৰে চকুত ধূলি দি, আমি বহুপৰ গোপনে কথা পাতিছিলোঁ। তথাপি আমি আগৰ দৰে চিঠি

দিয়া-দি কৰিছিলোঁ। এদিন দেখিলোঁ, সত্যেনে যেন তাৰ অহাটো হঠাতে অলপ পাতলাই দিলে। তাৰ চিঠিৰ গতিটোও যেন অকস্মাতে কিছু মন্থৰ হৈ পৰিল। কেইদিনমান বাট চাই, বৰ উন্মুখ হৈ উঠিলোঁ। আমাৰ চিঠি অনা-নিয়া কৰা ল'ৰাটোক তাৰ ওচৰলৈ পঠিয়াই দিলোঁ। সি চিঠি এখন আনি, মোৰ হাতত দিলেহি। দেখিলোঁ, সেই একে পৰিচিত ৰঙৰ লেফাফা, কাকত আৰু হাতৰ আখৰ। ভিতৰৰ চিঠিখনো সেই একে দীঘল। কিন্তু খুলি চাই দেখিলোঁ, সম্বোধন কৰা আছে— প্ৰাণৰ অমলা মোৰ! প্ৰথমে কথাটো মোৰ সমূলি একো বোধগম্য নহ'ল। কাৰোবাৰ কিবা ফাকি বুলি ভাবি, চিঠি অনা ল'ৰাটোৰ ওচৰলৈ গৈ সুধিলোঁ, সি ক'ত পালে এই চিঠিখন? সি ক'লে, সত্যেন বাবুৰ পেডৰ ভিতৰৰপৰা সি নিজেই উলিয়াই আনিছে এই চিঠিখন, তেওঁৰ কথা মতে! অংশ্যে সেই পেডৰ ভিতৰত সি আৰু কেইখনমান তেনেকুৱা ধৰণৰ চিঠি দেখিছিল।

এতিয়া কথাটো বুজিলাতো, কল্পনাৰ মানুহ আৰু বাস্তৱৰ মানুহৰ মাজত কিমান প্ৰভেদ! যি সত্যেনক দেখি দূৰৰপৰা মই ভাল পাইছিলোঁ, বলিয়া হৈ গৈছিলোঁ, সেই সত্যেন এজন বেলেগ মানুহ। আৰু যি সত্যেন একে সময়তে তাৰ ঘৰত বহি দুজনী ছোৱালীলৈ (কোনে জানে হয়তো বা আৰু কিমান জনীলৈ?) একে ধৰণৰ প্ৰেমৰ চিঠি লিখিব পাৰে, সেই সত্যেন সম্পূৰ্ণ এটা বেলেগ মানুহ। য'ক, প্ৰেমত যে ইমান ছলনা আছে, প্ৰৱঞ্চনা আছে সেই কথাটো আগেয়ে মই কল্পনা কৰিব পৰা নাছিলোঁ। কিন্তু এইদৰে প্ৰৱঞ্চিত হ'লেও, অন্তৰত অতি নিৰ্ম্মমভাৱে আঘাত পালেও মই পৰিতাপত তৰল ছোৱালী এজনীৰ দৰে উদ্‌ভ্ৰান্ত হৈ পৰা নাই। নাইবা আত্মঘাতী হবলৈও ওলোৱা নাই। কিয়নো মই জানো, মোৰ হাজাৰ নিৰাশাৰ মাজত, হাজাৰ অশান্তিৰ মাজত, লাঞ্ছনাৰ মাজতো, একমাত্ৰ সম্বল তুমি আছা। আনে এইদৰে মোক প্ৰৱঞ্চনা কৰিলেও, অন্তৰত আঘাত দিলেও, তুমি কেতিয়াও দিব নোৱাৰা। ই মোৰ দৃঢ় বিশ্বাস। সেয়েহে তোমাক কৈছোঁ যে জীৱনত একমাত্ৰ তোমাকেই ভাল পাম। তোমাৰ

পূজা কৰিম আৰু তোমাকেই মোৰ অন্তৰৰ উপচি পৰা মৰম আটাইখিনি বিলাই দিম। কিয়নো, তুমি সদায় এইদৰে আঁতৰে আঁতৰেই থাকিবা। তোমাক কেতিয়াও মই বিচাৰি, মোৰ ওচৰত নাপাম। সেয়ে তোমাৰ সকলো মানৱীয় দুৰ্ব্বলতা, নীচতা, কদৰ্য্যতা, মোৰ চকুৰ সদায় আঁতৰতেই ৰৈ যাব। আৰু তুমি সদায় মোৰ চকুৰ আগত, প্ৰথম দিনৰ সেই অমলিন ৰূপেৰেই চিৰ-উজ্জল হৈ জ্বলি থাকিবা। তোমাৰ সেই প্ৰতিমূৰ্ত্তিটো কিছু চেঁচা, কিছু নিৰ্জীৱ, কিছু প্ৰাণহীন হ'লেও মই তাৰে ভিতৰতেই মোৰ প্ৰয়োজনীয় প্ৰাণৰ সকলো মাদকতা বিচাৰি পাম। সেয়ে মই কৈছো যে জীৱনত একমাত্ৰ তোমালৈকে মই চিঠি লিখিম, তোমাকেই ভাল পাম, তোমাৰেই পূজা কৰিম। কিন্তু মোৰ সেই চিঠিবোৰ কেতিয়াও তোমালৈ নপঠিয়াওঁ।

থক, আজি আৰু ইয়াৰ বেছি তোমালৈ একো নিলিখো। মোৰ গাটো ৰাতিপুৱাৰপৰা আকৌ কিবা জ্বৰ-জ্বৰ লাগিছে। তাতে সেই লিভাৰৰ বিষটোৱে আজি দুদিনমানৰপৰা আকৌ উক্ দিছে। সেয়ে আজি আৰু ৰাতিকৈ একো নাখাওঁ। মাত্ৰ গাখীৰ একাপ আৰু ফল এচকল খাই শুই থাকিম। আজি বহুদিন হ'ল পঢ়া-শুনাত সমূলি একো হোৱা নাই। ভাবিছো কাইলৈ ৰাতিপুৱাৰপৰা আকৌ আগৰ দৰেই আৰম্ভ কৰিম। পৰীক্ষাটো লাহে লাহে আহি পালেহি। মাহীদেউৰ লগতো আৰু একো কাজিয়া নকৰোঁ। বোধকৰোঁ যি কৰিছিল, তেওঁ মোৰ ভালৰ কাৰণেই কৰিছিল। বেচেৰী! পদুমীৰ কাৰণেহে মোৰ মনটো বৰ বেয়া লাগিছে। মিছাকৈ এটা অপবাদ লৈ, মাৰ-ধৰ খাই তাই এই ঘৰৰপৰা গুলাই যাবলগীয়া হ'ল।

আজিলৈ আহিলোঁ। তুমি মোৰ হিয়াৰ অপৰিসীম ভালপোৱা লবা আৰু দিবা।

[আৱাহন ৭ম বছৰ ১ম সংখ্যা, পুহ ১৮৫৭ শক]

অতীত

বি·এ পাছ কৰিয়েই নিজৰ পুৰুষাৰ্থৰ বলত কলিকতীয়া বেঙ্কত ডুশ টকা আৰম্ভণিৰে ডাঙৰ চাকৰি পোৱা অসমীয়াৰ ভাগ্যত নতুন কথা। সেই বাবেই চলনে-ফুৰণে, কথাই-বতৰাই ৰাজীৱ বৰুৱাৰ যিটো আত্মম্ভৰিতা আৰু হৰ্ষ উল্লাসৰ ভাৱ ফুটি ওলাই, সি অতি স্বাভাৱিক। তাতে দীপ্তিৰ আগমনত জীৱনটো আৰু অলপ দীপ্তিময় হৈ উঠিছে।

কলেজত দ্বিতীয় বাৰ্ষিকলৈকে পঢ়া ডাঙৰ ঘৰৰ ছোৱালী দীপ্তি; সেই কাৰণে কলিকতাত নতুন অৱস্থাৰ সাল সলনিত বিশেষ তেওঁৰ একো কষ্ট হোৱা নাছিল।

পাৰ্ক ছাৰ্কাছৰ নিউপাৰ্ক ষ্ট্ৰীটৰ ওপৰত সৰু 'ছুট' এটি। প্ৰায়ে সৰু-সুৰা অসমীয়া 'কলনি' এখনৰ মাজ বুলি কব পাৰি। কিন্তু, তথাপি ঠাইডোখৰ অলপ আওহতীয়া, অকল ডুপিনে ডুটা পাৰ্ছী পৰিয়ালৰ লগত লগালগি। বাকী তলত কেৱল দোকান।

জীৱনত অইন একোৰে নাটনি সিমান নহ'লেও, ৰাজীৱৰ অকল সময়ৰ বৰ নাটনি। পুৱা দহোটাৰ আগতেই ভাত খাই ওলাই যাব লাগে, ডুপৰীয়া 'লাঞ্চ'ৰ টাইমো সেই অফিছতে পাৰ হৈ যায়। গধূলি ফুৰা আৰু চিনেমাৰ সময়ো সেই অফিছতে কটাব লাগে। অকল ঘৰ আহি পায় ৰাতি প্ৰায় ন'টাৰ লগালগিত।

সেই কাৰণেই দীপ্তিৰ সময়বোৰ প্ৰথমতে বৰ অকলশৰীয়া যেন লাগিছিল। ডুপৰীয়া ডোখৰ সদায় অকলেই কটাব লাগে। ঘৰৰ পৰা অনা সৰু অসমীয়া চাকৰ ল'ৰাটো লগত থাকিলেও ডুপৰীয়া হ'লেই যেন তাৰ পোৱাটো বিশেষ টান হৈ পৰে। তললৈ যাওঁ বুলি যদি এবাৰ সি নামি যায়, তেনেহ'লে গধূলি হোৱাৰ আগতে একাপ চাহ খাব খুজিলেও নিজেই ষ্ট'ভটো জ্বলাব লাগে।

তাৰ বাহিৰেও কামৰ ভিতৰত থাকে কেৱল দৈনিক কাকতখন পঢ়া আৰু কোঠালিটোৰ বয়-বস্তুবোৰ সদায় একেদৰে সজোৱা-পৰোৱা; আৰু কিছু সময়ৰ কাৰণে নিজৰ সাজ-পাৰবোৰ খহোৱা আৰু পিন্ধা।

খিড়িকীয়েদি চাই থাকি প্ৰথমে সময় অলপ কটাব পাৰিলেও শেষলৈ আৰু ভাল নলগাত পৰিল। গতিকে সময়বোৰ বৰ গধূৰ যেন হৈ নোযোৱা হয়।

অৱশ্যে, ছোকেগু হেগুত কিনা প্ৰায়েই নতুন টেবিল অৰ্গেনটো আহি পাবৰ পৰা দীপ্তিৰ দুপৰীয়া সময় খেদোৱাৰ এটা উপায় ওলাইছিল। কিন্তু সঙ্গীত হ'লেও বাধ্যত পৰি সদায় তাক উপভোগ কৰিলে সি আস্বাদহীন হৈ পাৰে।

গতিকে সুখৰ আহিলা-পাতি থাকিলেও অকল মনৰ লগৰ অভাৱতেই যেন দীপ্তিৰ বিয়াৰ পিছৰ নতুন দিন কেইটাৰ স্ফূৰ্তি সেইদৰে সিমান ঢৌৱাই বাগৰি নপাৰে। হাজাৰ আনন্দ আৰু হৰিষৰ মাজতো দীপ্তিৰ মনটো যেন অকল দীপ্তিহীন হৈ মলিন হবলৈ বিচাৰে।

সেই বাবেই ৰাজীৱে দীপ্তিক সুখী কৰিবলৈ আৰু বেছি যত্নপৰ হয়। অফিছলৈ যোৱাৰ আগতে দিনটোৰ সকলো প্ৰোগ্ৰেম ঠিক কৰি দি যায়; আৰু অফিছৰ পৰা আহিয়েই স্কুলৰ ল'ৰাক মাষ্টৰে প্ৰশ্ন সোধাৰ দৰে দিনটোৰ সকলো প্ৰশ্ন সোধে।

কিমান বজাৰ পৰা কিমান বজালৈ দুপৰীয়া শুইছিল, কোনখন কিতাপৰ কিমান পিঠিৰ পৰা কিমান পিঠিলৈকে পঢ়া হ'ল, কোনটো গান নতুনকৈ বজাবলৈ আজি শিকিলে, কোন এম্ব্ৰইডাৰীৰ কোন ফুলটো আজি শেষ হ'ল ইত্যাদি।

তাৰ বাহিৰেও প্ৰত্যেক দেওবাৰবোৰত এটি বেলেগ বেলেগ স্ফূৰ্তি আছে। আজি 'মেট্ৰোত' চিনেমা, কাইলৈ শিৱপুৰত বালিভাত, পৰহিলৈ চন্দননগৰত বলনাচ চাবলৈ যোৱা, ইত্যাদি।

কিন্তু, তথাপি ৰাজীৱৰ সকলো আয়োজন আৰু চেষ্টাৰ পৰিবৰ্ত্তে দীপ্তিৰ অকল সেই দীপ্তিহীন হৈ থকাকেই দেখা যায়। যেন সকলো উত্তেজনা আৰু আনন্দই দীপ্তিৰ মুখত মাথোঁ ক্ষণিক সুখৰ এটা উল্লাস আনি দিব পাৰে, স্থায়ী পৰিৱৰ্ত্তন একো দি যাব নোৱাৰে।

সেইবাবেই ৰাজীৱৰ সময়ে সময়ে অলপ আক্ষেপ হয়। দীপ্তিক বৰ

বেছি মন মৰা যেন দেখি প্ৰশ্ন কৰিবলৈ ইচ্ছা কৰে। কিন্তু প্ৰশ্নৰ উত্তৰ দিলেও দীপ্তিয়ে যেন বৰ সাৱধানে নিজৰ মনৰ কথাখিনি ঢাকি থৈ যাব।

"বৰকৈ ঘৰলৈ মনত পৰে নহয়নে? সেইহে এনেকৈ মন মাৰি থাকা?" দীপ্তিয়ে চকুলৈ চাই হাঁহি এটা মাৰি এঙামুৰি দি কয়—"কি মনত পৰে কব নোৱাৰোঁ, তথাপি দেখোন ভাল নালাগে। বোধকৰোঁ মোৰেই দোষ।"

"তেনেহ'লে কলেজত পঢ়িবলৈ মন যায়?"

দীপ্তিয়ে মূৰ জোকাৰি স্পষ্টকৈ কয়,—"নাযায়।"

"কেলেই?"

"ইয়াত কলেজত পঢ়িবলৈ ভাল নালাগিব।"

"তাৰ মানে, ইয়াত তোমাৰ কলেজৰ আগৰ লগৰীবোৰ নাই।"

দীপ্তিয়ে অলপ ধৰাপৰাৰ দৰে দেখুৱাই ছল কৰি উঠি যাবলৈ বিচাৰে। ৰাজীৱে জোৰ কৰি বহুৱাই লৈ দীপ্তিৰ চকুলৈ চাই আকৌ সোধে—"তেনেহ'লে দীপ্তি কোৱা, তুমি এইদৰে কলেজৰ বন্ধুবোৰৰ কাৰণেই সদায় মন মাৰি থাকা? মোৰ ঘৰৰ একোতে তোমাৰ মন নবহে?"

দীপ্তিয়ে জোৰ দি ৰাজীৱৰ হাতৰ বান্ধৰ পৰা মুকলি হৈ উঠি যাবলৈ বিচাৰে। কিন্তু উঠিব নোৱাৰি, ৰাজীৱৰ চকুলৈ চাই, তলমূৰ কৰি কয়,—"হয়, মাজে মাজে অলপ পাৰে।"

ৰাজীৱে উল্লাসিত হৈ আৰু বেছি আগ্ৰহেৰে দীপ্তিক কাষলৈ চপাই নিয়ে আৰু অলপ ব্যস্ত কৰি কপালৰ আগৰ বে-ছিজিল চুলি কিদাল এফলীয়া কৰি এফালৰ পৰা কৈ যায়,—"এই ধৰা, নৈ পাৰৰ লুই মেম'ৰিয়েল হোষ্টেল, কলেজৰ লেডীজ কমন ৰূম, কৰ্মনাশাৰ ৰূপালী বালি, সাত পুখুৰীৰ টিলাৰ ওচৰ, নহয় নে?"

দীপ্তিয়ে লাহেকৈ কয়,—"হয়।"

"তাৰ পিছত?"

"তাৰ পিছত,······একো নাই।"

এই 'একো নায়েই' দীপ্তিৰ সদায় শেষ উত্তৰ। ইয়াৰ পিছত হাজাৰ কাকুতি কৰিলেও দীপ্তিয়ে কোনোকথাৰে সহেদ নিদিয়ে। বেছিকৈ জোৰ কৰিলে খঙ কৰি মুখ ওন্দোলাই কবলৈ বিচাৰে—"তাৰ পিছত মোৰ মৰণ।"

কেতিয়াবা হঠাতে অসাৱধানত দীপ্তিয়ে এই কথাষাৰি কৈ পেলালে। ৰাজীৱে সৰু ছোৱালীৰ দৰে দীপ্তিৰ মুখখনৰ থুঁতৰিতে লাহেকৈ টিপা মাৰি ধৰে আৰু দুষ্টালিৰ কাৰণে গালত আঙুলিৰে টুকুৰিয়াই অলপ দুখ দি কয়,— "দুনাই যদি আৰু তোমাৰ মুখত এই কথা শুনো তেনেহ'লে মুখখন এইদৰে আটি ধৰি বন্ধ কৰি দিম।"

দীপ্তিয়ে হাঁহিবলৈ চেষ্টা কৰি ৰাজীৱৰ হাতত ধৰি কয়—

"তেনেহ'লে বহুত আপদৰেই একেলগে লেঠা মাৰি যাব। কাৰণ এই মুখখনৰ ওপৰতেইতো আপোনাৰ যত দৌৰাত্ম্য।"

ৰাজীৱে দীপ্তিৰ এই ৰসিকতাত মুগ্ধ হৈ একেবাৰে উৎফুল্ল হৈ উঠে; আৰু নিমিষতে দীপ্তিক পৰাস্ত কৰি কোমল ওঁঠৰ ওপৰত এটি দৌৰাত্ম্যৰ চিন আঁকি দিয়ে।

ঠিক এনেকুৱা এটি কবিতাৰ আস্বাদত গোটেই জীৱনটোৱেই কটাই দিব খোজে ৰাজীৱে; আৰু সময়ে সময়ে দীপ্তিৰ সহায়ত সি অতি সুন্দৰ মধুময় হৈ দেখা দিয়ে। যেন দুটি উৎফুল্ল প্ৰাণীৰ সংসাৰৰ জীৱন-যাত্ৰা নহয়, সংসাৰৰ আৰম্ভণিৰ মাত্ৰ কবিতাৰ লীলা-খেলাহে।

ৰাজীৱে বিচাৰে অকল তাকেই। আৰু তাকে দীপ্তিৰ পৰা পালেই আনন্দৰ পুলকত একেবাৰে আত্মহাৰা হয়। আৰু বেছিকৈ উদ্বাউল হৈ তেতিয়া বিচাৰে, কেনেকৈ দীপ্তিক আৰু বেছি সুখী কৰিব, কেনেকৈ দুয়োৰো জীৱনৰ সমন্বয়খিনি আৰু বেছি সুখ-মধুৰ কৰি তুলিব পাৰে।

তেতিয়া সচাঁকৈয়ে দুয়োৰো বাস্তৱজীৱন অতি অভিনৱ সুখৰ হৈ দেখা দিয়ে।

এদিন ৰাতি বাৰটা বাজি যোৱাৰ পিছৰ কথা। তেতিয়া বতৰ ভাৱৰীয়া হৈ কিন্‌-কিনীয়াকৈ বৰষুণ দিছে। সিদিনা গধূলিয়েই ৰাজীৱ আৰু দীপ্তিৰ নিউ এম্পায়াৰত ভদ্ৰঘৰৰ তিৰোতা আৰু ছোৱালীবোৰে কৰা গান আৰু নাচৰ "চেৰিটি পাৰ্ফৰমেন্স" এটা চাবলৈ যোৱাৰ প্ৰগ্ৰেম আছিল। ৰাজীৱৰ বহুত দিনৰ পৰা হাবিয়াস দীপ্তিক অলপ নৃত্যৰ আভাস দিয়ে; আৰু সেয়ে উদগ্ৰীৱ হৈ দুয়ো এই সুযোগটোলৈ বহুত দিনৰ পৰা বাট চাই আছিল। টিকট কিনি আনি ৰখা হৈছিল প্ৰায় এসপ্তাহ মানৰ আগৰ পৰাই। কিন্তু

দুৰ্ভাগ্যৰ বিষয়, সময়ৰ মূৰত, ঠিক সিদিনাই আবেলিৰ পৰা দীপ্তিৰ মূৰটো কামুৰি অলপ জ্বৰৰ নিচিনা হৈ পৰিল। গতিকেই সকলো জল্পনা কল্পনা এ.কেবাৰে কাটি কৰি থবলগীয়া হ'ল। কিন্তু বাজীৱে নিজে তেওঁৰ কেইবা-জ.না সহৃদয় বন্ধু আৰু বন্ধুপত্নীৰ সনিৰ্বন্ধ অনুৰোধ এৰাব নোৱাৰি অন্ততঃ অলপ সময়ৰ কাৰণে, তেওঁলোকক খবৰটোকে দিবলৈ বুলি দীপ্তিক অকলে ঘৰত এৰি নিজে এটি আমোদত যোগ দিবলৈ বহুত কষ্টেৰে আহি ওলাল।

কিন্তু ইকথাই সিকথাই যাওঁ যাওঁ বুলি যাবৰ সময়ত প্ৰায় বাৰটাৰ একেবাৰে কাষ চাপিলহি।

এম্পায়াৰৰ পৰা উলটি যেতিয়া বাজীৱ আহি পাৰ্ক ছাৰ্কাছত নিজৰ ঘৰৰ আগ পায়াহি, তেতিয়া প্ৰায় গোটেই চহৰখনেই একৰকম টোপনি অৱস্থাত।

সন্তৰ্পণে নিজৰ আন্ধাৰ কোঠালিটোলৈ চাই চাই বাজীৱ ক্ৰমান্বয়ে ওপৰলৈ উঠি আহিল। আৰু ঘোপমৰা 'পোছেজ'ৰ মুমুৰা চাকিটি জ্বলাই লৈ কোনো ৰকমে নিজৰ 'ছুট'লৈ বাটটো ঠিক কৰি ললে।

প্ৰায় গোটেই ছুটটোৱেই আন্ধাৰত একেবাৰে গিলিপ্‌ খোৱা। অকল শোৱা ঘৰৰ খোলা দুৱাৰেৰে ৰঙা বেড্‌ৰুম লাইটটো টিপয়ৰ ওপৰত অকলশৰে জ্বলি থকা দেখি।

ঘৰৰ দুৱাৰ অসাৱধানতাত সম্পূৰ্ণভাৱে খোলা। বাজীৱৰ মনটো এটা অনিশ্চিত আতঙ্কত অলপ শিয়ৰি উঠিল। জানোচা দীপ্তিৰ অসুখ হঠাতে অতি প্ৰৱল হৈ গৈছে। সেই কাৰণেই উঠি আহি দুৱাৰখন বন্ধ কৰিবলৈ গাত বল নাপালে।

বাজীৱ বেছি উৎকণ্ঠিত হৈ একেবাৰে শোৱা ঘৰৰ ভিতৰলৈ সোমাই দীপ্তিৰ বিছনাৰ ওচৰত থিয় দিলে। দেখিলে, দীপ্তিয়ে মাজ বিছনাৰ ওপৰতে এনেয়ে বিছনাত মূৰটো থৈ, হঠাতে টোপনিত শুই পৰাৰ দৰে, আৱেশত লাল-কাল দি শুই আছে। মেলা হাত আৰু গাৰ কাপোৰৰ ওচৰত আধা লিখা মেলা পেডৰ ওপৰত এখন চিঠি। আৰু ওচৰতে পৰি থকা খোলা নিজৰ লেডীজ পাৰ্কাৰ পেনটো।

বাজীৱ সুস্থিৰ হৈ দীপ্তিৰ গাৰ ওচৰলৈ গৈ মৰম লগাই দীপ্তিক মাতিলে,—"দীপ্তি!"

দীপ্তিৰ টোপনি নাভাঙিল। আৰু ওচৰলৈ গৈ গাৰ উত্তাপ চাবলৈ ৰাজীৱে দীপ্তিৰ কপালত লাহেকৈ হাতখন দি আকৌ বৰকৈ মাতিল,—
"দীপ্তি!"

ইবেলিও দীপ্তিৰ কোনো ৰকমে টোপনি নাভাঙিল। ৰাজীৱে অলপ কৌতুক পাই এটি ক্ষীণ হাঁহি মাৰি লাহেকৈ পেডৰ চিঠিখন হাতত তুলি ললে আৰু মুখৰ সেই একেটি হাঁহিৰে সৈতে একালৰ পৰা চিঠিখন পঢ়ি গ'ল।

প্ৰাণৰ মুকুলদা মোৰ,—

দিন যায়, ৰাতি আহে। কিন্তু নাহে মোৰ সুখ নাহে মোৰ শান্তি। যদি অকণমানো তুমি মোৰ প্ৰাণৰ বেথা বুজিলাহেঁতেন। মিছা সুখৰ ভাও দিয়াটো যে জীৱনত কিমান কষ্টকৰ, কিন্তু তাকে অকল দিনে ৰাতিয়ে মই দিব লাগিছোঁ।

তেওঁ সদায় মোক সোধে, মই মন মাৰি থাকোঁ কিয়? কিন্তু কোৱা, তাৰ উত্তৰ মই দিম কি? যদি কওঁ, তোমাক হেৰুৱাই মোৰ জীৱনত সুখৰ শলিতাগছি নুমাই গৈছে, তেনেহ'লে তাৰ পৰিণাম কি হব?

তেওঁ জানে যে অকল মই কলেজত এৰি অহা লগৰ লগৰীবোৰৰ কথাকে ভাবি সদায় দুখ কৰি থাকোঁ। কিন্তু তাৰ ভিতৰত তুমিয়েহে যে অকল মোৰ মনত তুহুঁ জুইৰ দৰে জ্বলি থাকা—এই কথাটোতো তেওঁ নাজানে।

আজি ৰাতি তেওঁ ঘৰত নাই। গান শুনিবলৈ ওলাই গৈছে। লগতে মোৰো যোৱাৰ কথা আছিল। কিন্তু ৰাতি পুৱাব পৰা গাটো বেয়া দেখি মই ইচ্ছা কৰিয়েই নগলোঁ।

কব নোৱাৰোঁ কিয়, কালি সপোনত বৰ অদ্ভুত ৰকমে তোমাক দেখিছিলোঁ। সাৰ পাই উঠিলতে মূৰটো বৰ টিঙটিঙাই বিষাইছিল। সেই মূৰ-বিষোৱাই এতিয়ালৈকে গাটো গধুৰ গধুৰ লাগি আছে।

কিবা যদি বৰ ডাঙৰ অসুখ এটা মোৰ হয়, মই বৰ ভাল পাওঁ। যদি মৰি গলোঁহেঁতেন তেনেহ'লে জীৱনত এবাৰলৈ বৰ ডাঙৰ শান্তি এটা পালোঁহেঁতেন। বোধকৰোঁ মৰণৰ আগত জীৱনত আৰু কোনো শান্তি নাই।

হায়! মুকুলদা, কোৱা, জীৱনত আৰু কিমান দিন মই এইদৰে প্ৰৱঞ্চনা কৰি চলিব লাগিব?

যি মৰমৰ প্ৰতিদান মই কোনো দিনে দিব নোৱাৰিম, সেই দৌৰাত্ম্য মই কাঠচিতীয়া হৈ কেনেকৈ গোটেই জীৱনত উপেক্ষা কৰি যাম?

সঁচাকৈয়ে কেতিয়াবা মই একেবাৰে উন্মাদৰ দৰে হৈ যাওঁ। ইচ্ছা হয় যেন সকলো কথা খুলি তেওঁৰ আগত কৈ নিজৰ সৰ্বনাশৰ বোজা নিজৰ মূৰত জাপি লওঁ।

তেওঁক যেতিয়া জীৱনত মই কেতিয়াও ভাল পাব নোৱাৰিম, এতিয়াই কথষাৰি তেওঁক মই খুলি নকওঁ কেলেই? আৰু তোমাক যেতিয়া এই প্ৰাণ থাকে মানে কেতিয়াও পাহৰিব নোৱাৰিম, তেতিয়া মিছাকৈ তোমাৰ পৰা এইদৰে আঁতৰি থাকোঁ কেলেই?

তুমি হয়তো এইবোৰ কথা পঢ়ি ভাবিবা, দীপ্তিজনী কি বলিয়া। ইমান ডাঙৰ হৈয়ো আজিলৈকে তাইৰ একো কাণ্ডজ্ঞান নাহিল। লোকৰ ঘৈণী হৈ এইবোৰ 'সমাজ-দ্ৰোহী' কথা আনকি ভবাটোও তাইৰ এটা বৰ ডাঙৰ পাপ।

কিন্তু মুকুলদা, ভাবোঁ বুলিতো কোনো কথা মানুহে ইচ্ছা কৰি নাভাবে। প্ৰাণত তেনে আবেগৰ ঢৌ উঠে বুলিয়েই হে তেনেকৈ ভাবিবলৈ বাধ্য হয়। আবেগৰ ওপৰততো মানুহৰ নিজৰ কোনো হাত নাই।

* * *

চিঠিখন পঢ়ি উঠিয়েই ৰাজীৱে লাহেকৈ পেডখন আকৌ আগৰ নিচিনাকৈ দীপ্তিৰ হাতৰ কাষতে পেলাই থলে। ওঁঠৰ ওপৰৰ সেই ক্ষীণ হাঁহিখিনি ৰাজীৱৰ হঠাতে জানোচা অলপ উজ্জ্বল হৈ জ্বলি উঠিল। হাতত সাৱে ভৰিত সাৱে দীপ্তিৰ বিছনাৰ ওচৰৰ পৰা আঁতৰি গৈ মূৰ শিতানত থকা বেকখনৰ কাষ চাপি গাব কাপোৰ-কানিবোৰ এখন এখনকৈ সোলোকাই থোৱাৰ লগে লগে আকৌ এবেলি দীপ্তিক চিঞৰি মাতিলে—"দীপ্তি! দীপ্তি! তুমি দুৱাৰখন বন্ধ নকৰাকৈ তেনেকৈ শুই পৰিছা কেলেই? গা এতিয়া কেনে পাইছা।"

চক্‌মক্ খাই টোপনিৰ পৰা সাৰ পাই দীপ্তিয়ে চকু মোহাৰি উঠি বিছনাৰ পৰা নামি মাটিত থিয় দিলে আৰু কোনেও নেদেখাৰ দৰে পেড্‌খন

আৰু কলমটো নিমিষতে কাপোৰৰ আঁৰত নি ছুটকেছৰ মাজত সুমুৱাই থৈ আহি ৰাজীৱৰ ওচৰত থিয় দি ক'লে,—"কি অদ্ভুত টোপনি মোৰ। চাই থাকোঁতে থাকোঁতে একেবাৰে গভীৰ টোপনিত পৰিলোঁ। চোৰ আহি কিবা চুৰ কৰি নিয়া হ'লেও গম নাপালোঁহেঁতেন।"

ৰাজীৱে ধেমালী কৰি দীপ্তিৰ গাত ধৰি হাঁহি ক'লে,—"ভয় নাই দীপ্তি, আমাৰ নিচিনা সুখৰ ঘৰত কোনো চোৰে আহি কেতিয়াও সিন্ধি নিদিয়েহি। কোৱাচোন বাৰু, প্ৰেমিক-প্ৰেমিকাৰ ঘৰত চোৰে আহি যথাসৰ্বস্ব চুৰ কৰি লৈ গৈছে এনেকুৱা কথা তুমি সাধুকথাত কেতিয়াবা শুনিছিলানে?"

দীপ্তিক উত্তৰ নিদি বৈ থকা দেখি বিছনাৰ ওচৰলৈ ইঙ্গিত কৰি, ৰাজীৱে দীপ্তিৰ কান্ধত ধৰি খোজ কাঢ়ি কাঢ়ি ক'লে,—"প্ৰেমৰ ঘৰত ধন-চোৰে কেতিয়াও সিন্ধি নাখান্দে দীপ্তি, এই কথা ঠিৰাং জানিবা। খান্দে মাথোন কেতিয়াবা দুষ্ট মন চোৰে।"

তাৰ কেইদিনমানৰ পিছতেই কলিকতাত ক্ৰিষ্টমাছৰ বৰ ধুমধাম। তাতে পাৰ্ক ছাৰ্কাছৰ চাহেবিয়ান কোৱাৰ্টাৰত ইয়াৰ আমোদ-উৎসৱ অলপ বেছি পৰিমাণে দেখা দিছিল। ঘৰে ঘৰে বিধে বিধে নানা ফুলাম ৰং-বিৰঙৰ পৰ্দাৰ বাহাৰ। বাৰাণ্ডাই পটিকে নানা সুন্দৰ সুন্দৰ অৰ্কিড আৰু ফুলৰ টবৰ আমদানি। ট্ৰামে-বাছে সৰু সৰু ল'ৰা-ছোৱালীৰ হাতত বিবিধ ৰঙৰ নানা খেলাৰ ফানুছ আৰু পুতলা। ৰেডিওত প্ৰায় প্ৰতি ঘৰে ঘৰে অনৰ্গল গান-বাজনা।

থিয়েটাৰ, বায়স্কোপ, কাৰ্ণিভেল, ছাৰ্কাছ আদিৰো গুমগুমাই অহা ক্ৰিষ্ট-মাছৰ এই আগমনে দীপ্তিৰ মনত ক্ষীণ হ'লেও এটা গুপ্ত উপভোগৰ আনন্দৰ আগ-বাতৰি আনি দিলেহি আৰু দীপ্তিয়ে মনতে ভাবিলে, সৰুৰে পৰা ইমান দিনে শুনা কলিকতাৰ এই প্ৰথম ক্ৰিষ্টমাছ চাবলৈ নিজৰ সিমান ইচ্ছা নহ'লেও বোধকৰোঁ জীৱনত এই নতুন সুযোগ পাব।

সেই বাবেই ৰাজীৱে অফিছলৈ যোৱাৰ সময়ত অলপ আগ্ৰহ দেখুৱাই নিজেই কথাৰ আৰম্ভ কৰিলে,—"কালিৰ পৰাই বোধকৰোঁ আপোনালোকৰ ক্ৰিষ্টমাছৰ বন্ধ?" ৰাজীৱে সিমান আগ্ৰহ নেদেখুৱাই এনেই ঠাওকতে কৈ গ'ল,—"বেহুৰ গোলামৰ আকৌ কত ছুটি আছে? বন্ধ হ'লেও গৈ

খাটি দি আহিব লাগিব। তাৰ বাহিৰেও নানা ঠাইৰ পৰা নানা পুৰণি বন্ধু আহি কলিকতাত গুলাইছেহি। সকলোকে বোধকৰোঁ এবাৰকৈ দেখা কৰিলেও মোৰ এই ছুটিৰ দিনকেইটাই নুকুলাব। মানুহে অতীতক সহজতে কেতিয়াও পাহৰিব নোৱাৰে। এইটোৱেই ডাঙৰ দোষ। কতজনৰ কিমান অদ্ভুত আবদাৰ। এই চোৱা, লীলা নাগৰ কথা। কোন দিন, কোন সাত পুৰুষৰ আগতে, একেলগে স্কটিছত পঢ়িছিলোঁ। আজি তেওঁৱেই অনুৰোধ কৰি মাতি পঠিয়াইছে দহোকুৰি, তেওঁক এবেলি 'মেজিষ্টিক'ত দেখা দিব লাগে। নিদিলেই জানোচা তেওঁৰ খ্ৰিষ্ট্‌মাছৰ কাৰণে কলিকতালৈ অহা একেবাৰে অথলে যাব।"

কথাকিষাৰ কৈয়েই সাধাৰণভাৱে বাজীয়ে জেপৰ পৰা লেফাফাৰ চিঠি এখন উলিয়াই টেবিলত পেলাই থৈ অফিচলৈ যাবলৈ সাজু হৈ ওলাল, আৰু সচৰাচৰ দীপ্তিক মাত দি যোৱাৰ দৰে মাত নিদি, তৎক্ষণাৎ তললৈ নামি গুচি গ'লগৈ।

এটি নতুন পৰিবৰ্ত্তনৰ প্ৰশ্নই হঠাতে দীপ্তিৰ মনটো অলপ অন্ধকাৰ কৰি পেলালে। এটি যেন নতুন অৱস্থাৰ সূচনা দেখি দীপ্তিয়ে নিজৰ অৱস্থাটো এবেলি উপলব্ধি কৰি চালে।

বাজীৰৰ মনৰ ভাৱ এনেকুৱা হোৱাতো দীপ্তিৰ কোনোদিনে অভিজ্ঞতা নাই। তেনেহ'লে এই লীলা নাগেই এই পৰিবৰ্ত্তনৰ সূত্ৰ নেকি ?

নাৰীৰ ঈৰ্ষাৰ মনত, অলপ ভাবোঁতেই লীলা নাগৰ নামটি কিছু স্পষ্ট হৈ দাগ বহি গ'ল। আৰু তাকে ভাবি ভাবি দীপ্তিয়ে বাজীয়ে অসাৱধানভাৱে পেলাই যোৱা চিঠিখন তুলি লৈ মনোনিৱেশ কৰি এবেলি পঢ়ি চালে।

অৱসাদৰ স্তূপবীয়াৰ দীপ্তিৰ টোপনি নানা কাৰণে সিদিনা অতি দীঘল হৈ পৰিল ; আৰু বাজীৱে যেতিয়া আন কালৰ সময়ত সন্ধিয়া আহি ঘৰ পালেহি তেতিয়াও দীপ্তিক বিছনাৰ ওচৰত সেই একে চিন্তাত মন মাৰি থকা দেখিবলৈ পালে। গধূলিৰ নতুন সাজটোও যেন সজাবলৈ সিদিনা দীপ্তিয়ে সমূলি ভাল পোৱা নাছিল। ঘৰত সোমায়েই তভাতিয়াকৈ চাহ শেষ কৰি, বাজীৱে অইন একোলৈ লক্ষ্য নকৰি প্ৰায় মুখ ধোৱাৰ লগে লগেই কৈ উঠিল, "দীপ্তি, আজি বাতিটোও তুমি মোক দয়া কৰি ছুটি দিব লাগিব।

লীলাৰ বৰ অনুৰোধ আজি ৰাতি মোৰ লগত একেলগে ছিনেমা চায়। সেইবাবে মোৰ ভাতৰ বাবে সিহঁতৰ হোটেলতে আজি ৰাতিলৈ আয়োজন কৰিছে। মই পুৰুষ, সেই কাৰণে তোমাৰ আগত একো লুকাবলৈ চেষ্টা কৰা নাই। যদি সোধা, মই খুলি কব পাৰোঁ—এই লীলাকেই এদিন যৌৱনৰ উত্তেজনাত মই ভাল পাইছিলোঁ; আৰু আমৰণ সেই মৰম চিৰস্থায়ী কৈ ৰাখিম বুলিও প্ৰতিশ্ৰুতি দিছিলোঁ। কিন্তু তুমি জানা, সেই প্ৰতিজ্ঞা মই নিজে ৰখা নাই। গতিকে সেই বিষয়ে কোনো প্ৰশ্নই উঠিব নোৱাৰে। এদিন ভালপোৱাজনৰ অতীতৰ স্নেহৰ অনুৰোধ, সেই কাৰণেই এৰাব নোৱাৰি ইমান দুৰ্বল হৈ মই যাবলৈ ওলাইছোঁ।"

মুখৰ ভাৰত দীপ্তিৰ বাধাৰ চিন ফুটি ওলালেও, মুখ খুলি দীপ্তিয়ে কোনো কথাকে কব নোৱাৰিলে। অন্তৰত নিজৰ এটি দুৰ্বলতাই শৰীৰৰ সকলো শক্তিকে জড়িত কৰি লৈ আহিল। নিজে সি অতীতৰ স্মৃতিৰ ইমান বশীভূত হৈ ৰাজীৱক ইমান দিনে চক্ৰান্ত কৰি আহিছে, সেই অতীতৰ বশ নহবলৈ ৰাজীৱক আজি অনুৰোধ কৰে কেনেকৈ ?

অসহায় দুৰ্বল শিশুৰ দৰে প্ৰায় নিষ্ক্ৰিয় হৈ দীপ্তিয়ে একেথৰে ৰাজীৱক ঘৰৰ পৰা এটি পৰনাৰীৰ ওচৰলৈ ওলাই যোৱা চাই ৰ'ল। যাবৰ সময়ত মাথোন, ফাঁকি কৰি দুৱাৰৰ ওচৰত বৈ ক'লে—"মোৰ গাটো ৰাতিপুৱাৰ পৰাই বেয়া। পাৰিলে অলপ সোনকালে ঘৰলৈ আহে যেন।"

কথাষাৰ শুনি এটি ক্ষীণ হাঁহি ৰাজীৱৰ ওঁঠৰ ওপৰত ভাহি আকৌ ওঁঠতেই মাৰ গ'ল। বহুত কথা কওঁ বুলি দীপ্তিৰ কাষ চাপি আহি মাত্ৰ ধেমালি কৰি ইয়াকে ক'লে,—"ভয় নকৰিবা দীপ্তি : আজিৰনলৈ মই তোমাক ঘৰত এৰি যাবলৈ ওলোৱা নাই। মাত্ৰ তিনি ঘণ্টাৰ ছুটি লৈ আজিৰ ৰাতিৰ কাৰণে যাবলৈ ওলাইছোঁ। চিৰদিনৰ কাৰণে মইতো তোমাৰেই।"

সেই গোটেই কেইদিন চহৰত খ্ৰিষ্টমাছৰ দলাদোপ হেন্দোলদোপ। চাৰিওপিনে প্ৰিয়জন, পৰিজন আৰু আত্মীয়জনৰ আনন্দ-উৎসৱৰ নানা আয়োজন। সকলো পিনেই যেন উল্লাস ঠিক একেটি পুলকৰ ধাৰাত আত্মহাৰা হৈ অবিৰলে বৈ গৈছে।

দীপ্তিয়ে যিটোকে ভয় কৰিছিল, ঠিক সেইটোৱেই অবিকল হৈ পৰিছে।

আজি দুদিনমানৰ আগৰপৰা, ৰাজীৱৰ ব্যৱহাৰত যিটো নতুন পৰিবৰ্তনে দেখা দিছিল, সি এতিয়া অতি ৰূঢ় অন্তঃশূন্যতা হৈ দেখা দিছে।

পুৰণি বন্ধুক লগ পোৱাৰ কথা কৈ ৰাজীৱে যে সিদিনাৰ পৰা বাহিৰলৈ যোৱা আৰম্ভ কৰিছে, তাৰ ব্যৱধান দিনক দিনে ক্ৰমান্বয়ে বাঢ়িহে গৈছে।

আজি বছৰৰ শেষ ৰাতি। প্ৰায় গোটেই চহৰেই এই সময়ত উৎসৱত মত্ত। কিন্তু ৰাজীৱে আবেলিয়েই অলপ ফুৰি আহোঁ বুলি ওলাই গৈ ৰাতি বাৰ বজাৰ লগালগিতো ঘৰলৈ উভতি অহা নাই।

শূন্য ঘৰত অকলে বহি বহি খিৰিকীৰে বাহিৰত বহুত দূৰৰ কাৰ্ণিভেলত এখনৰ ঘূৰি থকা চকৰিৰ মালাধাৰীলৈ চাই চাই দীপ্তিৰ গোটেই শৰীৰতে এটা বৰ অৱসাদ ভৰি পৰিল।

মহানগৰীৰ মাজত, ইমান জনতাৰ ভিতৰতো দীপ্তিয়ে অকলে ঘৰৰ শূন্যতাত বহি বহি ভাবিলে, নাৰী বাস্তৱিকতে জীৱনত কিমান দুৰ্বল আৰু নাৰীৰ শক্তি কিমান সীমাবদ্ধ।

এই মুকলি চহৰৰ উৎসৱৰ অবাৰিত ৰাতি। ৰাজীৱ নিজে পুৰুষ হৈ কিমান মুক্ততাত স্বাধীন হৈ চাৰিওফালে ঘূৰি ফুৰি কিমান আনন্দ আৰু উৎসৱত যোগ দিব লাগিছে। হয়তো বা কিমান ব্যভিচাৰ আৰু উচ্ছৃংখলতাত একেবাৰে গা এৰি দি তললৈ নামি যাব লাগিছে। কি জানিবা লীলা নাগে তেওঁক কিমান বিষময় কুপথত টানি লৈ ফুৰাব লাগিছে।

এই সকলো জানি বুজিও, দীপ্তিৰ তেওঁক বাধা দিবলৈ বা ধৰি ৰাখিবলৈ কোনো শক্তি নাই। কাৰণ দীপ্তি নাৰী। স্বভাৱৰ নিৰ্যাতনত দীপ্তিৰ সকলো শক্তি ঘৰৰ ভিতৰতেই আৱদ্ধ।

নিজৰ দুৰ্বলতাত, ভাবি ভাবি দীপ্তি ক্ৰমান্বয়ে মৰিমূৰ হৈ পৰিল। হৃদয়ৰ প্ৰতি স্তৰে স্তৰে উপলব্ধি কৰিবলৈ ধৰিলে—পুৰুষৰ তুলনাত নাৰীৰ বিশ্বাসঘাতকতা কিমান ক্ষীণ আৰু কিমান শক্তিহীন। আজি ইমান দিনতো দীপ্তিয়ে নিজে গোপনে গোপনে ৰাজীৱক বিশ্বাসঘাতকতা কৰি আহিছিল। কিন্তু লুকাই লুকাই এজন পৰ পুৰুষলৈ চিঠি লিখা আৰু প্ৰেম নিবেদন কৰাৰ বাহিৰেতো ৰাজীৱৰ কোনো অনিষ্ট দীপ্তিয়ে কৰিব পৰা নাই। তাৰ তুলনাত এতিয়া ৰাজীৱে কৰিবলৈ ধৰা বিশ্বাসঘাতকতা কিমান সৰ্বনাশী আৰু

ব্যাপক। ইচ্ছা কৰিলে বাজীয়ে দীপ্তিৰ সংসাৰৰ সকলো সুখকে এইদৰে তিল তিলকৈ দগ্ধ কৰিব পাৰে। বাধা দিব নোৱাৰিলে ৰাজীয়ে এইদৰেই দীপ্তিক আজীৱন ঈৰ্ষাৰ জুইত পেলাই পুৰি মাৰিব পাৰে।

দীপ্তিয়ে নিজৰ অসহায়তাত একেবাৰে উদ্‌বাউল হৈ বিদ্ৰোহী হৈ উঠিল। নিজৰ ওপৰতেই নিজৰ এটা ঘৃণা আৰু অনাদৰ উপজিল।

শেষত নিজৰ অতীতৰ ওপৰত ধিক্কাৰ দি তেতিয়াই বাকচৰ পৰা মুকুলৰ আদৰৰ এখনি বন্ধোৱা প্ৰতিমূৰ্তি উলিয়াই আনি মজিয়াৰ ওপৰত পেলাই ভাঙি গুৰি কৰি পেলালে।

চাওঁতে চাওঁতে গোটেই কমটো আৱৰি পোৰা চিঠিৰ ধোঁৱাই ধুঁৱলি-কুঁৱলি কৰি পেলালে।

দীপ্তিয়ে তথাপি প্ৰাণত শান্তি নাপাই, উন্মাদৰ দৰে বিছনাত শুই তেতিয়াই এখন আবেগৰ চিঠি লিখি পেলালে।

প্ৰিয় মুকুলদা,

মানুহে ঘৰ পাতে, ভাঙিবলৈ নহয়; ঘৰৰ সুখ-শান্তি চিৰদিন বচাই ৰাখিবলৈ। কিন্তু মোৰ নিজৰ ঘৰত মই ইমান দিনে নিজেই জুই দি আছিলোঁ। আজি সেই জুইত মই নিজে পুৰি পুৰি দগ্ধ হব লাগিছোঁ। যাৰ কাৰণে সেই জুই জ্বলাইছিলোঁ, তেওঁৰ একো অনিষ্ট কৰিব নোৱাৰিলোঁ। তেওঁ বহুত সুখত আৰু তাৰপৰা বহুত আঁতৰত।

সেইহে মই আকৌ আজি নিজৰ বুকুতে নিজেই জুই জ্বলালোঁ। সেই জুইত অকল পুৰি ছাই হ'ল—তোমাৰ সকলো স্মৃতি তোমাৰ সকলো সম্বন্ধ, তুমি দিয়া সকলো চিঠিৰ বোজা, উপহাৰ আৰু মোৰ সকলো অতীত।

সেই জুইত পুৰি পুৰি মই যেতিয়া আকৌ নতুন হৈ জীৱন্ত হৈ উঠিম, তেতিয়া মই নিষ্কলঙ্ক, পবিত্ৰ এটি নতুন আত্মা হৈ আকৌ জগতত স্থান লম। তেতিয়া তুমি মোক দেখিলেও চিনি নাপাবা; আৰু বিচাৰিলেও মোক ছুব নোৱাৰিবা। তেতিয়া তুমি মোৰ ফালে চকু দিলেও তোমাৰ মহাপাপ হব।

মই তেতিয়া এই দীপ্তি গুচি সম্পূৰ্ণ আইন এজনী হৈ আন এজনৰ বাবে পুনৰ উপজিম।

সেই জনকে বিচাৰি আজি মই নিজৰ বুকুৰ চিতাৰ জুইত নিজে জাপ দিলোঁ। বিদায়।

লাহে লাহে দীপ্তিৰ কল্পনা অসংযত হৈ অৱশ হৈ আহিল। ভাষা আড়ষ্ট হৈ কলম বাগৰি পৰিল আৰু অনিদ্ৰা আৰু মানসিক উত্তেজনাৰ দুৰ্বলতাই দীপ্তিক সম্পূৰ্ণ পৰাজিত কৰি পেলালে।

অৱসাদত নিশ্চেষ্ট হৈ দীপ্তিয়ে পতা বিছনাৰ ওপৰত অসহায়ৰ দৰে পৰি ৰ'ল। গোটেই ঘৰৰ বিজুলী চাকিবোৰ ঢপঢপাই দীপ্তিৰ ওপৰত জ্বলি থাকিল। মুকলি দুৱাৰৰ সুৰুঙাইদি বতাহ এছাটি আহি পোৰা কাগজৰ ছাইবোৰ ঘৰৰ সকলো বস্তুতে সিঁচৰতি কৰি পেলালে।

ঠিক মাজ ৰাতি, হাতত সাৰে ভৰিত সাৰে ৰাজীৱ ঘৰৰ ওপৰলৈ উঠি আহিল; আৰু ঘৰৰ মজিয়াৰ মাজত থিয় হৈ সকলো বস্তুৰ ওপৰতে এবেলি চকু ফুৰাই চালে।

এটি হাঁহি আহি ৰাজীৱৰ গোটেই মুখৰ ওপৰতেই বিৰিঙি পৰিল আৰু অলপো পলম নকৰি ৰাজীৱে দীপ্তিৰ কাষলৈ গৈ গাত হাত দি মৰম লগাই মাতিলে,—"দীপ্তি! দীপ্তি!"

হঠাতে এটা সপোন দেখাৰ দৰে আতঙ্কত চিঞৰি উঠি দীপ্তিয়ে উচপ্ খাই সুধিলে,—"কোন? কোন?"

দীপ্তিয়ে শুনাকৈ ৰাজীৱে হাঁহি বিছনাৰ কাষত আহি বহি, দীপ্তিৰ গাত হাত থৈ ক'লে—"মই ৰাজীৱ, দীপ্তি! মোৰ নিজৰ ঘৰলৈ উভতি আহিছোঁ।"

দূৰত বাৰ বজাৰ অগণিত গীৰ্জাৰ ঘন্টা একেলগে বাজি উঠিল। চাৰিওফালে মিলিত নৰ-নাৰীৰ হৰ্ষোল্লাসে সমস্বৰে জনাই দিলে যে, পুৰণি বছৰ সমাপ্ত হ'ল।

[আ'বাহন—৭ম বছৰ ৭ম সংখ্যা, আহাৰ ১৮১৮ শক]

জীৱনৰ প্ৰবাহিত

একো দ্বিমত হবলগীয়া কথা নহয় জ্যোতি! নাৰী সঁচাকৈয়ে দুবিধ। এবিধ গৃহিণী, আনবিধ হ'ল—প্ৰেমিকা।

প্ৰথম বিধে বিয়া-বাৰু কৰাই নিজৰ স্বামীকে লৈ, ঘৰ-গৃহবাস কৰি তাতেই পৰিতৃপ্ত হৈ থাকিব পাৰে। কিন্তু আনবিধে নিজৰ অভিৰুচি মতে স্বামী পালেও কেতিয়াও বিভিন্ন ৰুচি বা মধমৰ আস্বাদ নোলোৱাকৈ জীৱনত পৰিতৃপ্তি নাপায়। প্ৰথম বিধৰ প্ৰাণটো স্থিতিমান শিলৰ প্ৰাণৰ দৰেই স্থৱিৰ আৰু স্থিতিময়। সি একে ডোখৰ ঠাইতে থাকি, একোডোখৰ ঠাইৰে বা-বতাহ লৈ, তাকেই আকোৱালি ধৰি, চিৰদিনে একেদৰে সন্তুষ্ট থাকিব পাৰে। কিন্তু ইবিধৰ প্ৰাণটো মুক্তধাৰ নদীৰ প্ৰাণৰ দৰেই গতিময়, ছন্দময়, ৰসময়। তাক কেতিয়াও একেঠাইতে বান্ধি বা আৱদ্ধ কৰি ৰাখিব নোৱাৰি বা ৰাখিলেও সি আত্মতৃপ্তি নাপায়।

তেনেহ'লে প্ৰশ্ন উঠিব পাৰে নাৰীৰ প্ৰকৃত সত্বাৰ লগত সতীত্ব কথাষাৰৰ সম্বন্ধ ক'ত? তাৰ একমাত্ৰ সহজ উত্তৰ হ'ল এয়ে যে, সতীত্ব বস্তুটো সকলো নাৰীৰে স্বভাৱজ ধৰ্ম নহয়। ই এটা সামাজিক আদৰ্শহে মাথোন। গতিকে আন বহুতো আদৰ্শ স্বভাৱধৰ্মৰ আগত পৰাস্ত হোৱাৰ দৰে, এই সতীত্ব আদৰ্শৰো সময়ে সময়ে ব্যতিক্ৰম ঘটে। যি নাৰী স্বভাৱ-ধৰ্ম মতেই ঘৈণী, একানুৱৰ্ত্তিনী, তেওঁ কোনো ব্যতিক্ৰম নোহোৱাকৈ, অতি সহজতে সতী-সাধ্বীৰূপে আজীৱন তৃপ্তিৰে জীৱন কটাব পাৰে। কিন্তু যি নাৰী স্বভাৱধৰ্ম মতেই অন্তৰেৰে প্ৰেমিকা, তেওঁ হাজাৰ সতীত্বৰ আদৰ্শত উদ্বুদ্ধ হ'লেও আজীৱন সেই একে প্ৰেমিকাই হৈ যায়। কিয়নো সংসাৰৰ আন সকলো সৃষ্ট জীৱৰ দৰেই, পুৰুষ আৰু নাৰীও, সদায় অন্তৰৰ বদ্ধমূল প্ৰবৃত্তিৰ দাস মাথোন।

* * * *

গুৱাহাটীলৈ আহিলেই যে প্ৰদীপৰ ঘৰত উঠিব লাগে, এই কথাটো মোৰ জীৱনৰ এটি প্ৰায় স্বতঃসিদ্ধৰ দৰেই। বোধকৰো আমাৰ দুয়োৰে

সম্বন্ধটো সকৰে পৰা একেদৰে চলি অহা কাৰণেই ই শেহত গৈ এনে এৰাব নোৱাৰা হৈ উঠিছে। নাই নাই বুলিও, এৰা-ধৰাকৈ প্ৰদীপৰ লগতেই মোৰ স্কুল-কলেজৰ গোটেই জীৱন ছোৱাই কাটি গৈছে। কিন্তু তাৰ ভিতৰতে আটাইতকৈ বেছি গভীৰ হৈ উঠিছিল গৈ, সেই ছাত্ৰ জীৱনৰ শেষৰ ফালৰ কলিকতাত থকা, সেই ছ-টি বছৰ। তাৰ পিছতেই প্ৰদীপে এম-এ আৰু ল শেষ কৰি আহি, গুৱাহাটীত নিজৰ পিতৃ-স্থাপিত ঘৰত ওকালতি আৰম্ভ কৰে। আৰু ময়ো মোৰ ডাক্তৰীৰ শেষ পৰীক্ষা পাছ কৰি, নগাওঁত প্ৰথম চাকৰিত সোমাওঁ। তাৰ পিছত বোধকৰোঁ মাজতে মাত্ৰ দু-টি বছৰ আমাৰ অলপ এৰা-এৰি হৈ আছিল। কিন্তু তাৰ পিছত আৰু এটি ঘটনাই আকস্মিক ৰকমে আমাৰ দুয়োৰো সম্বন্ধটো একে কৰি গাঁথি থৈ যায়। সিয়ে হ'ল, মোৰ আজন্ম সহচৰ, বাল্যবন্ধু আৰু যৌৱনৰ পৰিচিতা স্নেহৰ লগত প্ৰদীপৰ বিবাহৰ শুভ বন্ধন। যদি প্ৰদীপ নহৈ মই নিজেই সেই বিবাহ বন্ধনত আৱদ্ধ হৈ পৰিলোঁহেঁতেন তেনেহ'লে আমাৰ পৰিচিত কোনেও হয়তো তাত অকণো আচৰিত নহ'ল-হেঁতেন। কিন্তু পৃথিৱীত ধৰিথোৱা বহু বিবাহেই কিবা অদৃশ্য কাৰণে শেষত হৈ নুঠাব দৰে, শেষমুহূৰ্ত্তত অপ্ৰত্যাশিত ৰকমে প্ৰদীপে অকস্মাতে আহি এই বিয়াত মোৰ পৰিৱৰ্ত্তে জড়িত হৈ পৰে। আৰু সিও এক প্ৰকাৰ মোৰ নিজৰেই ইচ্ছা আৰু মধ্যস্থতাৰ ফলত বুলি কব পাৰি। গতিকে ইয়াৰ পিছত, গুৱাহাটীলৈ আহি, প্ৰদীপ আৰু স্নেহৰ ঘৰত নুঠি, আৰু অইন কাৰোবাৰ ঘৰত আলহী হোৱাৰ মোৰ কোনো সম্ভাৱনাই নাছিল। আৰু সেইবাবেই মই এই ঘৰখনক মোৰ জীৱন যাত্ৰাৰ পথৰ এটি যেন চিৰস্থায়ী "হল্টিং ষ্টেচন" কৰি লৈছিলোঁ। চৰকাৰী, বে-চৰকাৰী, যি কামতেই যেতিয়াই নহওঁক, সদায় মোৰ কাৰণে ইয়াতে আতিথ্য প্ৰস্তুত হৈ থাকে। আৰু অকল সিদিনা মাথোন—আজি এবছৰ আগেয়ে, ধুবুৰীলৈ বদলি হৈ যোৱাৰ সময়ত, ল'ৰাই-ছোৱালী, বয়-বস্তুৰে, মোৰ 'জইনিং টাইমৰ' আটাই-কেইটি দিন ইয়াতেই মহা ধুমধামেৰে কটাই গৈছিলোঁ।

সিবেলি ৰবদিনৰ বন্ধত, গুৱাহাটীত, প্ৰভিন্সিয়েল মেডিকেল এছোছিয়ে-চনৰ সভা। এজন উদ্যোগী সদস্য হিচাবে মই তালৈ নগ'লেই নচলে।

তাতে অসমত ক্রমে বাঢ়ি অহা যক্ষা ৰোগৰ সমস্যা সম্পৰ্কে ৰচনা এখন পাঠ কৰাৰ ভাৰ মোৰ ওপৰত পৰিছে। গতিকে সময় থাকোঁতেই, আগধৰি গুৱাহাটীলৈ যাবলৈ প্ৰস্তুত হৈ প্ৰদীপলৈ সাধাৰণ ভাৱে কাৰ্ড এখনত খবৰটো দি পঠিয়ালোঁ। আৰু বোধকৰোঁ তাৰ পিছৰ ডাকতেই, প্ৰদীপৰ উত্তৰৰ এচুকত, স্নেহৰ হাতৰ আখৰ দুটামানেৰে সৈতে চিঠি এখন আহি পৰিল। স্নেহই লিখি পঠিয়াইছে—"হোটেল নাইবা ডাক্ বাংলোৰ মতা ৰান্ধনিৰ হাতৰ, সুৰুচিপূৰ্ণ খাদ্য লৈ নেওচা দি, আমাৰ দুখীয়াৰ ঘৰত আকৌ এবেলি উঠিবহি বুলি শুনি, আপোনালৈ ধন্যবাদ আগবঢ়ালোঁ। কিন্তু অহাৰ সময়ত কেতিয়াও অকলে নাহে যেন। বৌদেউক কব যে শাস্ত্ৰত ব্যৱস্থা নাথাকিলেও, সস্ত্ৰীক মিটিঙলৈ অহাত কোনো বাধা নাই। তথাপি যদি কিবা কাৰণে তেখেতৰ 'লিভ্ গ্ৰেণ্টেড' নহয়ো, অজ্ঞ নাইবা তক্ৰু যেই সেই এজনক লগত আনিবলৈ নাপাহৰে যেন। ইয়াৰ অন্যথা হ'লে কিন্তু আপোনাৰ লগত কাজিয়া লগাৰ যথেষ্ট সম্ভাৱনা আছে।

অজ্ঞকটো সৰু বুলিয়েই মাকে কেতিয়াও এৰি নিদিয়ে। তৰুৰো অহাৰ ঠিক আগ দিনাখনৰ পৰা ঠাণ্ডা লাগি ইনফ্লুয়েঞ্জাৰ নিচিনা হ'ল। গতিকে মুৰকত ময়ে ঘৰৰ পৰা অকলে ওলাবলৈ বাধ্য হলোঁ।

ট্ৰেইনৰ পৰা অকলে নামি, মই গুৱাহাটী ষ্টেচনত স্নেহৰ কাৰণে অলপ ভয়ে ভয়ে আহি প্লেটফৰ্মত থিয় দিলোঁ: কিয়নো ষ্টেচনৰ পৰা সদায় হুলহুলকৈ আগবঢ়াই নিয়াটোৱেই হ'ল স্নেহৰ এটা অদ্ভুত আনন্দ। কিন্তু ভিৰৰ মাজলৈ নামি আহি, চাৰিওপিনে বহু পৰ চকু ঘূৰাই চাই, সিদিনা মাথোন প্ৰদীপৰ আগ্ৰহোৎফুল্ল মুখখনিহে অকলে ওচৰ চাপি অহা দেখি মই সেই নতুন পৰিৱৰ্ত্তনত অলপ যেন অস্বস্তি বোধ কৰি বৈ গলোঁ। মই অহাৰ কথা আগতে জাননী দিয়া স্বত্বেও, স্নেহৰ ষ্টেচনত অনুপস্থিতি, ই যেন মোৰ জীৱনত সম্পূৰ্ণভাৱে এটি নতুন কথা। কিন্তু তথাপিও কথাষাৰ প্ৰদীপৰ সমুখত পোনে পোনে উত্থাপন কৰিব নোৱাৰি, মই নিজে নিজেই এটি সমাধান উলিয়াই লৈ, প্ৰদীপৰ লগত আগ্ৰহহীন ভাৱে একেলগে আহি গাড়ীত উঠিলোঁহি। মনতে ভাবি ঠিক কৰিলোঁ, স্নেহ হবলা এতিয়া আৰু আগৰ সেই স্নেহ হৈ থকা নাই। বয়সৰ লগে লগে এতিয়া ভালেখিনি

গম্ভীৰ হৈ গৈছে। হ'ল বুলি আৰু কিমান দিনেই বা তিৰোতাৰ গাত যৌৱনৰ উদ্দাম চঞ্চলতা থাকে? চাওঁতে চাওঁতে এই কেইবছৰৰ ভিতৰতেই স্নেহই ওপৰাউপৰিকৈ তিনিটি সন্তানৰ মাক হৈ পৰিল। ইয়াৰ পিছত আৰু আমাৰ এই দেশৰ সাধাৰণ স্বাস্থ্যৰ তিৰোতাৰ গাত, যৌৱনৰ উন্মাদনা বিচৰাটো অসাৰ্থক কথা।

নানা সাংসাৰিক আৰু সাধাৰণ কথা বতৰাৰ পিছত প্ৰায় ঘৰৰ ওচৰ পাওঁ পাওঁ হওঁতেহে, প্ৰদীপে মোৰ মনৰ ভিতৰত ইমানপৰে ঘূৰি ফুৰা আচল কথাটোৰ কিছু সন্ধেদ দি সুধিলে,—"তোমাৰ বন্ধুৰ কথা শুনিছানে নাই, কমল?"

মই বুজিও হঠাতে নুবুজাৰ দৰেই সুধিলোঁ—"কাৰ, স্নেহৰ কথা কৈছা জানোঁ?"

"এৰা তেওঁৰ নেকে আৰু কাৰ কীৰ্ত্তিৰ কথা কম? এই বুঢ়া বয়সতো গা উঠিছে আকৌ মেট্ৰিক পৰীক্ষা দি মাষ্টৰণী হোৱাৰ। গতিকে ল'ৰা নাই, ছোৱালী নাই, ঘৰ-সংসাৰ নাই, দিনে ৰাতিয়ে কেৱল প্ৰাইভেট টিউটৰ লৈ এফালৰ পৰা নোট মুখস্থ কৰাত লাগি গৈছে। অকল যে নিজে মোৰ ঘৰত জুই জ্বলাইছে তেনে নহয়, চাওঁতে চাওঁতে ওচৰে পাজৰে তেওঁৰ আদৰ্শ ভীষণ সংক্ৰামক আকাৰে বিয়পি পৰিছে। বেচেৰা নবীন মাষ্টৰেই হৈছে আটাইতকৈ বেছি ভুক্তভোগী। এই আদ-বয়সত, যদি ছ ঘণ্টাকৈ ল'ৰা পঢ়ুৱাই আহি, পেটত কলিক পেইন লৈ, গধূলি গধূলি পাঁচোটাকৈ ল'ৰা ছোৱালী নিচুকাব লাগে আৰু সেই সময়ত তেওঁৰ গৃহিণীয়ে গৈ, প'টিকত বহি, প্ৰাইভেট টিউটৰৰ লগত মহাসুখে বুৰঞ্জীৰ 'স্লেভ্ ডাইনেষ্টিৰ' ৰজাবোৰৰ নাম মুখস্থ কৰি থাকে, তেনেহ'লে কোৱা বাৰু কাৰ ঘৰৰ পৰা ওলাই গৈ বানপ্ৰস্থী হবলৈ মন নাযায়?"

প্ৰদীপৰ কথাৰ শ্লেষখিনি বুজিব পাৰি, ময়ো অলপ ব্যঙ্গৰ সুৰত কলোঁ,—তেনেহ'লে তোমাৰো, নবীন মাষ্টৰৰ দৰেই বানপ্ৰস্থী হোৱাৰ অৱস্থা হৈছে নেকি?

প্ৰদীপে এটা সামান্য বিৰক্তিৰ ভঙ্গী কৰি ক'লে,—

●

—এৰা নহবই বা কেলে কোৰাঁ? কিমান বাৰু দিনে দিনে ইমান আবদাৰ সহ্য কৰা যায়। ধৰি লোৱা, তুমি অহাৰ এই সামান্য কথাটোকে। কিমান দিন আগৰে পৰা জনা কথা যে তুমি আজি আহি পাবা। কিন্তু হঠাতে তেওঁৰাতিপুৱা কৈ উঠিল, আজি তেওঁৰ হোনা 'ইম্পৰ্টেন্ট' কিবা এলজেব্ৰাৰ ফৰমূলা এটাৰ আধা বুজিবলৈ বাকী আছে। গতিকে এৰি কোনো মতেই উঠিব নোৱাৰে। কিয়নো এই কেইদিন তুমি থকাৰ কাৰণে বোধকৰোঁ প্ৰাইভেট টিউটৰক নাহিবলৈ কবলগীয়া হব পাৰে। সেই কাৰণে আধা বুজা কিবা এটি থাকিলে শেষলৈ সকলোখিনি পাহৰি যোৱাটো স্বাভাৱিক, এয়ে তেওঁৰ যুক্তি। এনে কথা শুনিলে কোন জীয়ন্ত মানুহৰ বাৰু খঙ মুঠাকৈ থাকে কোৰাঁ?

প্ৰদীপৰ কথাৰ শেষত, হাঁহি এটা মৰাৰ লগে লগেই গাড়ী আহি দুৱাৰমুখত ৰ'ল। গতিকে দুয়ো দুটা মুখত কৃত্ৰিম হাঁহি লৈ, ঘৰৰ সকলো মিলিত অভ্যৰ্থনাৰ আগত থিয় দিলোঁহি।

প্ৰদীপৰ ঘৰ আহি পালেই, প্ৰদীপৰ বুঢ়া দেউতাকৰ পৰা আৰম্ভ কৰি ল'ৰা-ছোৱালী, ঘৰৰ চাকৰ-বাকৰ আনকি খাচীয়ানী আয়ালৈকে সকলোৱে মোক দুৱাৰ মুখলৈ আহি, শোভাযাত্ৰা কৰি সদায় সংবৰ্দ্ধনা জনায়। সিদিনাও সেইদৰে স্নেহৰ বাহিৰে সকলোৱে মোক বাহিৰৰ পৰাই আদৰি নিলেহি। আৰু একেবাৰে ঘৰৰ ভিতৰ সোমাই, ভিতৰ ড্ৰয়িং ৰুমত সোমাই বহিহে মই অলপ স্বস্তিৰ নিশ্বাস পেলালোঁ।

অলপ পৰৰ পিছত, স্নেহই কাষৰ পঢ়া কোঠাৰ ভিতৰৰ পৰা, পৰ্দাখন দাঙি ওলাই আহি, মূৰৰ ওৰণীখন অলপ টানিলৈ, হাঁহি এটা মাৰি সমুখত থিয় দিলেহি আৰু দিয়েই অভিযোগৰ সুৰত আৰম্ভ কৰিলে,—

—'মই আগেয়ে জানোঁ, আপুনি অকলে আহি ওলাব বুলি। ল'ৰা-তিৰোতালৈ অলপ উপভোগৰ কাৰণে এঠাইলৈ ফুৰিবলৈ যোৱাটো আপোনা-লোকৰ কোনো মতা মানুহৰে ভাগ্যতে লিখা নাই।'

মই নিৰৰ্থকভাৱে এনেয়ে হাঁহি প্ৰশ্ন কৰিলোঁ—

'কেলেই স্নেহ?'

—'কেলেই আকৌ কি ? ই আপোনালোকৰ 'ইনবৰ্ণ' এটা 'প্ৰিমিটিভ্ ইন্সটিংট্।' মিছা প্ৰভুত্বৰ ভাৰ লৈ আপোনালোকে সদায় ভাবে যে ল'ৰা তিৰোতাবোৰ এটা অযথা গলগ্ৰহ, মিছা জঞ্জাল, সঁচাকৈ 'লিভিং লাগেজ'। অথচ······

স্নেহক আৰু বেছি তৰ্কৰ উচ্ছ্বাসটো ওপৰলৈ তুলিবলৈ নিদি, মই থুপাতে মুখ বন্ধ কৰাৰ উদ্দেশ্যে অলপ ৰগৰৰ ছলেৰে কলোঁ,—

—'স্নেহ ! দেখিছোঁ তোমাৰ সেই আগৰ তৰ্কৰ উচ্ছ্বাস আৰু স্পষ্টবাদিতা খিনি এতিয়াও যোৱা নাই। আজি বাতিপুৱা ষ্টেচনত তোমাক নেদেখি ভাবিছিলোঁ, বোধকৰোঁ তুমি এতিয়া লাহে লাহে অলপ গৃহিণীৰ দৰে হবলৈ আৰম্ভ কৰিছা। কিজানি কথাত আৰু চাল-চলনত তোমাৰ বয়সৰ লগে লগে অলপ স্থিৰিৰতা আহি পৰিছে। তাতে যেতিয়া আকৌ শুনিলোঁ তুমি মেট্ৰিক পৰীক্ষাৰ কাৰণে উঠি-পৰি লাগিছা বুলি, ভাবিছিলোঁ তোমাক একেবাৰে একনী শুকান, নীৰস, কিত-চকু লগোৱা মাষ্টৰনীৰ বেশত দেখিবলৈ পাম বুলি। কিন্তু এতিয়া সমুখত থিয়হৈ দেখিছো তোমাৰ গাত সেই যৌৱনৰ উদ্দাম চঞ্চলতা খিনি এতিয়াও সম্পূৰ্ণ সজীৱ হৈয়ে আছে। বয়সৰ বা প্ৰৌঢ়ত্বৰ জড়তাই তোমাক এতিয়াও স্পৰ্শ কৰিব পৰা নাই।'

স্নেহই ইফালে সিফালে চাই চাই, সমুখত কাকো নেদেখি, মোৰ চেয়াৰৰ কাষলৈ আহি, কাণত এখনি হাতেৰে মৃদু হেঁচা দি ক'লে,

—'আৰু সেইখিনিকে অলপ জীয়াই ৰাখিবলৈ কমলদা মই আজীৱনে কম আপ্ৰাণ চেষ্টা কৰি অহা নাই ! আপুনি মোৰ অন্তৰৰ সত্বাটি সকৰে পৰা জানে কাৰণেই আপোনাৰ আগত খুলি কব পাৰোঁ যে, ইমান কম বয়সতে ইমান ডাঙৰ এখন সংসাৰত আৱদ্ধ হৈ, এটি এটিকৈ তিনিটি সন্তানৰ মাক হৈ মই উশাহ-নিশাহ নোপোৱাৰ দৰে এদিন ভাবিছিলোঁ, মই জানিবা সংসাৰৰ হেঁচাত একেবাৰে মৰি গৈছোঁ, জীৱনৰ নানা জঞ্জালৰ মাজত একেবাৰে নিশ্চিহ্ন হৈ গৈছো। কিন্তু আপুনিতো জানেই, সোনকালে জীৱনত তৃপ্ত হোৱা মোৰ অন্তৰৰ প্ৰকৃতি নহয়, ইমান সোনকালে যৌৱন হেৰুৱাই মৃত্যু বৰণ কৰাটোও মোৰ কাম্য নহয়। জীৱনত পাবলৈ, চাবলৈ, উপভোগ

কৰিবলৈ এতিয়াও মোৰ বহু অভিলাষ ৰৈ গৈছে। মোৰ অন্তৰৰ বাসনাৰ ধাৰ এতিয়াও নিস্তেজ আৰু শ্ৰান্ত হৈ পৰা নাই।'

স্নেহই সোমাই আহি কথা পাতিবলৈ আৰম্ভ কৰাৰ বহু আগেয়ে, আমাৰ কোঁঠালিৰ পৰা সকলোৱে ঠায়ে ঠায়ে আঁতৰি গৈছিল। ঘৰৰ ল'ৰা-ছোৱালী তিনিটিয়ে মই আনি দিয়া কিবা-কিবি উপহাৰৰ টোপোলাবোৰ লৈ বাৰাণ্ডাৰ ভিতৰ ফালে কোঢ়াল জুৰি দিছিল। প্ৰদীপে নিজে গৈ উকিলখানাত সোমাই, মক্কেলৰ আগত চিয়ঁৰি চিয়ঁৰি কিবা বক্তৃতা দিবলৈ আৰম্ভ কৰিছিল। গতিকে বেগতে আহি কোনোৱে বাধা দিয়াৰ কোনো সম্ভাৱনা নেদেখি, স্নেহই মোৰ ওচৰ চাপি আহি, মই বহি থকা চকীখনৰ পাছ ফালে, গাতে গা লগাই থিয় দি, বেলৰ ধূলি-মাকটিৰে মোৰ কক্ষ হৈ থকা চুলি কিডালৰ ওপৰত হাতখন ঘূৰাই দি, অলপ যেন ৰুদ্ধ আবেগত ক'লে,

—'কমল দা! গোটেই জীৱনতে মই, এই একে প্ৰাণৰ দুৰ্বলতা অনুভৱ কৰি আহিছোঁ। সমুখত, কামনাৰ সম্ভোগৰ আশাৰ আগত, মই সদায় আত্মবিস্মৃত হৈ, বিহ্বল হৈ পৰোঁ। মোৰ সেই প্ৰাণৰ অবুজ উখল-মাখলক সংসাৰৰ কোনো নীতি বা সমাজৰ শাসনে বান্ধি ৰাখিব নোৱাৰে। ধৰ্ম, বিবেক, শিক্ষা মই সকলোকে বুজোঁ, কিন্তু তাতোকৈ বুজো মোৰ অন্তৰৰ ভিতৰত থকা, চিৰ ক্ষুধাতুৰ চিৰ অনতৃপ্ত সেই প্ৰবৃত্তিটোক।

স্পষ্ট আবেগৰ সঙ্কেতত, স্নেহই দুয়োখন হাত মোৰ চুলিৰ ওপৰৰ পৰা নমাই নি, কান্ধৰ ওপৰত থৈ, নিবিড়ভাৱে পাছফিনৰ পৰা মোৰ চকীৰ পাছত ভৰদি, তপত নিশ্বাস মূৰত পেলাই জড়িত কণ্ঠেৰে ক'লে,

—'কমল দা! ভাবি চাওক, ইমান দিনৰ মূৰত, কিমান ব্যৱধান মাজতলৈ আমাৰ দুয়োৰে জীৱন কেনে বিভিন্ন হৈ পৰিছে! কিন্তু এইদৰে আপোনাৰ দেহৰ সান্নিধ্যত থিয়হৈ, মোৰ মনত আজি কেনেকুৱা লাগিছে কব পাৰে? মই ভাবিছোঁ, আপুনি যেন আজিও সেই যৌৱনৰ অবিবাহিত কমল দা-ই আছে আৰু ময়ো যেন সেই তাহানিৰ আফুলন কামনাৰ কুমাৰীটি হৈয়ে আছোঁ।'

এটা মুহূৰ্তৰ স্পষ্ট নিস্তব্ধতাৰ পিছত প্ৰদীপৰ ছেণ্ডেলৰ পৰিচিত শব্দ, বাৰাণ্ডাৰ খটখটীৰ ওপৰত শুনা গ'ল। স্নেহই আঁতৰি আহি, অলপ দূৰত

থিয় হৈ, অইন কিবাকিবি প্ৰশ্নৰ সূত্ৰপাত কৰিলে আৰু প্ৰদীপে ঘৰত সোমায়ে আমাক ছুয়োকো সেইদৰে নিৰস বাক্যালাপত ব্যস্ত থকা যেন দেখি, স্নেহলৈ চাই বেছ ৰগৰৰ ভাচ্ছিল্যত ক'লে,

—'শুকান মুখৰ মহলা মাৰিয়েই এইদৰে আলহীক সন্তুষ্ট কৰিম বুলি ভাবিছা নেকি, স্নেহ? ইমান পৰেও দেখিছো বেচাৰা আলহীৰ স্বাগত শুদা চাহৰ কাপ এটিও আহি দেখা দিয়া নাই। এয়েই যদি তোমাৰ আতিথ্যৰ নমুনা হয়, তেনেহ'লে আলহীৰ স্বাৰ্থলৈ চাই কব লাগিব, তেওঁ ইমানতে দিনে-পোহৰে অইন বাট ধৰা উচিত।'

প্ৰদীপৰ ৰগৰত মই বৰ উল্লাসিত হোৱাৰ দৰে, প্ৰাণ খুলি হাঁহিবলৈ চেষ্টা কৰিলোঁ। আৰু স্নেহয়ো সেই ছেগতে, এটি কৃত্ৰিম হাঁহি মাৰি, কিছু যেন ব্যস্ততা দেখুৱাই, মোক হাত মুখ ধুবলৈ কৈ, বাথৰুমৰ পিনে আগবঢ়াই লৈ গ'ল।

অভ্যস্ত আনন্দ আৰু হাঁহি উচ্ছ্বাসৰ মাজেৰে আমাৰ দুপৰীয়াৰ ভোজন শেষ হৈ গ'ল। কিছু জিৰাই-শঁতাই কাপোৰ কানি পিন্ধি, মই মিটিঙলৈ যাবলৈ প্ৰস্তুত হৈ ওলালোঁ আৰু প্ৰদীপেও মোৰ লগে লগে নিজৰ সাজ পাৰ শেষ কৰি, একেলগে বাটলৈ ওলাই আহিহে, পদূলি মুৰত মোৰ আগত ক'লে।

—'কমল! তুমি বেয়া পাবা বুলিয়েই কথা এটি তোমাৰ আগত ইমান-পৰে কোৱা নাছিলোঁ। তোমাৰ নিচিনা কাইলৈ মোৰো শোৱালকুছিত, 'উইভাৰ্চ এছোছিয়েশ্যনৰ' মিটিং এখন আছে। তালৈ সভাপতি হিচাবে মই নগ'লেই নহয়। গতিকে আজি দুপৰীয়াই, তোমাৰ লগত এই শেষ দেখা কৰি মই তালৈ বাওনা হলোঁ। আৰু বোধকৰোঁ পৰহিলৈ দুপৰীয়াৰ আগতে উভতি অহাটো সম্ভৱপৰ নহব। সেয়ে মোৰ অনুপস্থিতিত তোমাৰ আতিথ্যৰ 'চাৰ্জ' সকলো স্নেহৰ ওপৰতেই থাকিল। আশাকৰোঁ স্নেহই তোমাক তেওঁৰ চিৰ অশান্ত স্নেহৰ পৰা অকণিও বঞ্চিত নকৰিব।'

কথাবাৰ কিছু পাতল কৰাৰ উদ্দেশ্যে, মই হাঁহি প্ৰদীপক খোঁচা এটি দি কলোঁ,

—'মিটিঙৰ নাম কৰি শোৱালকুছিলৈ যিহেতু মক্কেল গোটাব'ল যাবলৈ ওলাইছা, ইচ্ছা থাকিলেও তোমাক আৰু বাধা নিদিওঁ বুলি ভাবিছোঁ। কিন্তু হাঁহি উঠিছে তোমাৰ এছোছিয়েশ্যনৰ নামটো শুনি হে। বাস্তৱিকতে তোমালোক উকীলবোৰে গাৱেঁ গাৱেঁ এই ধৰণৰ আৰু কিমান অদ্ভুত অদ্ভুত এছোছিয়েশ্যন সৃষ্টি কৰিবা ? উইভাৰ্ছ এছোছিয়েশ্যন, হালুৱৈ এছোছিয়েশ্যন, কানীয়াৰ এছোছিয়েশ্যন, ভঙুৱাৰ এছোছিয়েশ্যন আৰু কত কি ? এদিন হয়তো দেখিম যে প্ৰত্যেকজন উকীলৰ পিছে পিছে একোটাকৈ এছোছিয়েশ্যন হৈ পৰিছে। সমাজনীতি আৰু ৰাজনীতিৰ ফন্দি কৰি, গাৱেঁ গাৱেঁ সোমাই, মক্কেল গোটাই, নিজৰ ব্যৱসায়ৰ প্ৰসাৰ বৃদ্ধি কৰা, এয়েইতো হ'ল তোমালোকৰ এছোছিয়েশ্যনবোৰৰ উদ্দেশ্য ?'

প্ৰদীপে স্বীকাৰ কৰি, হাঁহি, অতি সৰলভাৱে ক'লে,

—'কি কৰিম কোৱাঁ, তাকেইতো আজি কালি জগতত সকলোৱে কৰিছে। তোমালোকৰ দৰেতো আমাৰ আৰু ধৰাবন্ধা বেমাৰ আৰু ইন্সিওৰেন্স কেছ নাই যে মানুহ সদায় বেমাৰত পৰিবই আৰু ইন্সিওৰেন্স এজেণ্টে সদায় কেছ লৈ আহিবই। এইবোৰ ফাঁকি ফুকা দিয়েই তো চলিব লাগিব। নিজৰ স্বাৰ্থক দহজনৰ স্বাৰ্থ বুলি দেখুৱাব পৰাটোৱেই হৈছে আজিকালিৰ জগতৰ ডাঙৰ 'পলিটিক্স'। তাকে যিয়ে ধৰা নপৰাকৈ কৰিব পাৰিছে, সিয়ে আজি ডাঙৰ মানুহ বোলাই খাইছে।'

সাধাৰণ কথাৰ শেষত, প্ৰদীপে মোৰ পৰা বিদায় লৈ, নিজৰ কৰ্তব্যৰ কাৰণে, আন বাট ললে। আৰু মযো মিটিঙলৈ বুলি মোৰ নিজৰ পথত আগবাঢ়িবলৈ আৰম্ভ কৰিলোঁ।

* * * *

মিটিঙৰ শেষত, যেতিয়া আকৌ উভতি আহি প্ৰদীপৰ ঘৰৰ আগ পালোঁ, তেতিয়া ঘড়ীত ৰাতি ন-টা বাজি গৈছে। বহুদিনৰ মূৰত চিনাকি ঠাই এখনলৈ উভাত আহিলে যি হয়, মোৰো সিদিনা গধূলি ঠিক সেয়েই হৈছিল। এঘৰত চাহ, ইঘৰত জলপান, এঠাইত শুদা কথাৰ আড্ডা, আন এঠাইত ব্ৰিজৰ এখেল, এইদৰে আহি আহি, যেতিয়া ঘৰ পালোঁ, তেতিয়া জাৰ কালিৰ ৰাতিৰ পক্ষে সঁচাকৈয়ে যথেষ্ট পলম হৈ গৈছে। ওচৰে-পাজৰে

সকলো ঘৰতে মানুহে নিহ্‌পালী দি শুলে। গতিকে ভিতৰি ভিতৰি, অলপ দোষীৰ দৰে চুচুক-চামাককৈ, যেতিয়া আহি মই প্ৰদীপৰ ঘৰৰ নঙলাৰ ভিতৰ সোমালোঁ দেখিলোঁ। তেতিয়া প্ৰদীপৰ ঘৰতো সেই একেই অৱস্থা।

ঘৰৰ ভিতৰত কাৰো কতো হাই-উৰুমি নাই। ল'ৰা ছোৱালীবোৰো বোধকৰোঁ নিস্তব্ধ হৈ শুইছে। আৰু ঘৰৰ বিজুলী চাকিবোৰো প্ৰায় সকলো কোঠাতে নুমাই থোৱা হৈছে।

গতিকে বৰ বেছি সাৰসুৰ নকৰি, আনকি বাটৰ চাকিবোৰো ক'তো এটাও জ্বলোৱাৰ চেষ্টা নকৰি, মই একেবাৰে ভিতৰ সোমাই, মোৰ কাৰণে সজাই থোৱা সেই আন্ধাৰ শোৱা কুঠৰীটোৰ মাজ পালোঁগৈ। আৰু আন্ধাৰতে গাৰ কানি-কাপোৰবোৰ সলোৱাৰ আয়োজন কৰি, অলপ উমানলৈ দেখিলোঁ। যে মোৰ বিছনাৰ ওপৰতে, বাগখনেৰে গাটো ঢাকিলৈ, কোনোবা এটি নিৰ্বিঘ্নে আৰামেৰে শুই আছে।

বাগৰ দাঁতিয়েদি সামান্য ওলাই থকা মুখখন, আন্ধাৰত ভালকৈ পৰীক্ষা কৰিবলৈ চাপৰি যাওঁতেই, স্নেহই টোপনিৰ জড়তা ভাঙি, দীঘল এভামুৰি এটা দি কৈ উঠিল,

—'উঃ! আপুনি কি পাকৈত চোৰৰ দৰে এনে সাৰসুৰ নোহোৱাকৈ ঘৰত সোমাব পাৰে?'

মই হাঁহি, বিছনাৰ কাষলৈ আহি, শুই থকা স্নেহৰ মুখখনিলৈ চাই কলোঁ,

—'জীৱনত এইদৰে বহু অভিনয় কৰিছো স্নেহ! লাহেধীৰে চোৰাংকৈ ঘৰত সোমোৱাটো মোৰ এতিয়া এটা অভ্যাসত পৰিণত হৈছেগৈ।

স্নেহই দীঘলকৈ এভামুৰি এটা দি বাগখন কাণে মুখে ভালকৈ ঢাকিলৈ গভীৰ আলাসৰ সুৰত সুধিলে,

—'ৰাতি কিমান হ'ল, কমলদা!'

মই ঘড়ী নোচোৱাকৈয়ে এনেয়ে কলোঁ,

—'প্ৰায় দহোটাৰ ওচৰাউচৰি।'

বহুতপৰ বাগৰ তলত স্নেহক নীৰৱে থকা দেখি, মই নিজেই সুধিলোঁ।

—'তেনেহ'লে প্ৰদীপ গ'লগৈ, নহয় স্নেহ?'

বাগৰ তলৰ পৰাই স্নেহই উত্তৰ দিলে,

—'এৰা গ'ল।'

—'কেতিয়া ঘূৰাৰ কথা ?'

—'পৰহিলৈ দুপৰীয়া বোধকৰোঁ।'

'আৰু নীৰু, তুলু, বুলু সিহঁত শুলে হবলা ?'

—'আয়াই সিহঁতক কেতিয়াবাই শুৱাই থ'লে।'

—'আৰু তেখেত ?

—'কোন, দেউতা ? তেখেত সদায় সাঁজ লাগোতেই শোৱে।

—'তেনেহ'লে তোমাকেই অকল আজি ৰাতি মই অলপ কষ্ট দিলোঁ। ৰাগৰ তলতে এবেলি বাগৰ সলাই লৈ, স্নেহই ক'লে,

—'কষ্ট কিটো ? মোৰ ভাগৰখিনি মই কেতিয়াবাই খাই-বৈ আজৰি হৈ আছোঁ। আপোনাৰ ভাত সৌ টেবিলৰ ওপৰতে, ইয়াতে সঁজাই থোৱা আছে। যদি চেঁচা হোৱা নাই, ইচ্ছা থাকিলে আপুনি খাব পাৰে, মই কিন্তু এই জাৰত আৰু উঠি যাব নোৱাৰোঁ।'

মই হাঁহি, বহু ৰাতি ঘৰলৈ উভতি অহা দোষী স্কুলীয়া ল'ৰাৰ দৰেই মোৰ সাজপাৰবোৰ সোলোৱাই থৈ, নিজে নিজেই আহি, টেবিলৰ ওচৰত বহিলোঁ আৰু ঢাকি থোৱা, আধা-চেঁচা, খোৱা বস্তুবোৰ নিজ হাতেৰে টেবিলত সজাই লৈ, নীৰৱে মন-পুতি অকলে অকলে খাবলৈ লাগি গলোঁ।

বহুপৰ কোনো কথা নোকোৱাকৈ, নীৰৱে খোৱা শেষ কৰি, মুখত ছিগাৰেট এটি জ্বলাই লৈ, মই লাহেকৈ বিছনাৰ কাণত বহি, স্নেহৰ গাত হাত এখন থৈ মাতিলোঁ,

—'স্নেহ !'

স্নেহই সাৰে থকাৰ কোনো ইঙ্গিতকে নেদেখুৱালে।

আপোনমনে ছিগাৰেটটো হুপি শেষ কৰি, লাহে লাহে স্নেহৰ কাষতে বিছনাত শুই পৰি, মই আকৌ এবেলি ৰাগৰ তলেদি, স্নেহৰ গাত ধৰি মাতিলোঁ,

—'স্নেহ !'

স্নেহই আবেশৰ এটা দীঘল এঙামূৰি দি সুধিলে,

—'কমলদা ! আপুনি শুলে ?'

বাগখনৰ বাহিৰত পৰি থকা আঁচলটোৰ এটি চুক জাবতে গাৰ ওপৰত তুলিলৈ তন্দ্ৰাৰ সুৰত কলোঁ,

—'বহু ৰাতি হ'ল স্নেহ! তুমিও নোশোৱাগৈ জানো?

স্নেহই হঁহা যেন কৰি, বাগৰ তলৰ পৰা মুখখন উলিয়াই মোৰ কপালৰ আগৰ চুলি কিডালত অলপ আঙুলি ফুৰাই লৈ ক'লে,

—'কেলৈ মই নুশুই এতিয়া কৰবাত লৰি ফুৰিছোঁনেকি কমলদা'?

এটা নিস্তব্ধতাত, মই কিছুপৰৰ কাৰণে অলপ টলকা মাৰিলোঁ। স্নেহই ইবেলি হাতখন দীঘলকৈ উলিয়াই, মোৰ বুকুৰ ওপৰত থৈ, বৰ আদৰেৰে সুধিলে,

—কমলদা! আপোনাৰ জীৱনৰ দিনবোৰ কেনে গৈছে?' অলপ আবেশত মেয়ো কিছু করুণভাৱে কলোঁ,

—'পৰত্ৰিছ বছৰৰ পিছত, বিবাহিত মতামানুহৰ আৰু কোনো জীৱনেই নাথাকে স্নেহ। তেতিয়া সি কেবল, এটা গতানুগতিক প্ৰাণহীন অৱস্থাৰ যন্ত্ৰ হৈ পৰে মাথোন। তাৰ জীৱন শেষ হয়, সেই যৌৱনৰ উজ্জ্বল দিন কেইটি শেষ হোৱাৰ লগতেই।'

স্নেহই সেই একেটি আৱেগৰ করুণ সুৰতে ক'লে,

—'বোধকৰোঁ সেই কাৰণেই আপোনালোকে ইমান শান্তিৰে তাৰ পিছত, জীৱনৰ নানা কামত নিজকে বিলাই দিব পাৰে। আমাৰ যৌৱন কিন্তু মৰিও সিৰাই সিৰাই আজীৱনলৈ অন্তৰত দেই পুৰি থাকে। ঘৰৰ ভিতৰত সোমাই থাকি, আমি যৌৱনকো আমাৰ মনৰ ভিতৰত পুহি ৰাখোঁ।'

আৰু এটি নীৰৱতাত মই কিছুপৰ টলকা মাৰিলোঁ।

স্নেহই প্ৰায় সৰু ছোৱালী এজনীৰ দৰেই, মোৰ বুকুৰ ওচৰত মুখখন থৈ সুধিলে,

—'কমলদা! বৌদেউক সঁচাকৈ সুখী বুলি ভাবেনে?

মই সাধাৰণভাৱে চমুকৈ কলোঁ,

—'অন্তৰৰ কথা কাৰোতো কব নোৱাৰি স্নেহ! দেখাভতো প্ৰায়ে সুখী যেনেই দেখি।'

স্নেহই অলপপৰ বৈ, মোৰ কথাষাৰৰ প্ৰতিবাদ কৰি ক'লে,

—'নহয় কমলদা! দেখাত নহয়, বৌদেউৰ নিচিনা প্ৰকৃতিৰ মানুহে সদায় অন্তৰতো সুখী হৈ থাকিব পাৰে। মই তেওঁলোকৰ স্বভাৱ ভালকৈ বুজি পাওঁ। তেওঁলোকে জানে কেৱল স্বামী, ঘৰ, ল'ৰা-ছোৱালী আৰু সংসাৰ। এড়ি পলুটোৰ দৰে তেওঁলোকৰ প্ৰাণৰ গতিটো সদায় অন্তৰ্মুখী। নিজৰ মুখে-কটা নিজৰ স্নেহৰ জৰীৰে তেওঁলোকে জাল বৈ বৈ নিজকে আবদ্ধ কৰি লৈ সংসাৰত নিঃশেষ হৈ যাব পাৰে আৰু তাতেই জীৱনৰ চৰম পৰিতৃপ্তি পায়। কিন্তু মোৰ দৰে তিৰোতাৰ প্ৰাণটো, পৰ্বতৰ ওপৰৰ পৰা বাগৰি অহা জুৰিটিৰ প্ৰাণৰ গতিৰ দৰেই সদায় বহিৰ্মুখী। ই প্ৰতিটো খোজতে, প্ৰতিটো সুযোগতে সদায় নিত্য নতুন ফেনিল ছন্দ তুলি, জীৱনত কেৱল বাগৰি যাব খোজে। সংসাৰৰ কোনো ৰূপ স্থিতিস্থাপকতাৰ মাজত আমি কেতিয়াও সুখ নাপাওঁ।'

কথাৰ শেষত, স্নেহৰ নিবিড় বাহুৰ ভৰ, মোৰ গোটেই দেহৰ ওপৰতে আহি বাগৰি পৰিল। মই এটা পৰম অস্বস্তিৰ উত্তাপত, ৰাগখন ঠেলি থৈ, স্নেহৰ গাৰ কাষৰ পৰা হঠাতে অলপ হুইকি আঁতৰি আহিলোঁ। মোৰ গাত ৰাগখন আকৌ তুলি দিয়াৰ বৃথা চেষ্টাত, ৰাগখন স্নেহৰ গাৰ ওপৰৰ পৰাও পিছলি আহি, দুয়োৰে ঠিক মাজ ঠাইতে বাগৰি পৰিল।

পুহমহীয়া জাৰত, মুকলি হৈ, দুয়োৰো নিশ্চেষ্ট শৰীৰ দুটা নিঃশব্দে ৰাগখনৰ দুয়ো কাষে পৰি ৰ'ল।

তেনেকৈয়ে বহুপৰ দুয়ো নিশ্চলভাৱে পৰি থাকি, মই এবেলি স্নেহৰ গাৰ ওপৰত হাতখন থৈ আকৌ মাতিলোঁ,

—'স্নেহ!

স্নেহই মোৰ হাতখন কাপোৰৰ জাপৰ মাজত সামৰি সুমুৱাই লৈ, তাৰ ওপৰতে মুখখন থৈ, প্ৰাণৰ ৰুদ্ধ আৱেগ যেন মুক্ত কৰি, হুকহুকাই কান্দি ক'লে,

'—আপুনি কি কব খুজিছে, মই নুবুজা নহয়, কমলদা! মই জানো, মই আপোনাৰ পৰম বন্ধু এজনৰ এতিয়া ধৰ্মপত্নী আৰু তেঁৱেই আজি পৰম বিশ্বাসত এইদৰে মোক আপোনাৰ লগত অকলে, একে ঘৰতে এৰি থৈ গৈছে। কিন্তু মই যে মোৰ প্ৰাণৰ আৱেগ জীৱনত কোনো দিনেই বান্ধি ৰাখিব পৰা নাই, কমলদা! মোৰ শৰীৰৰ কামনাৰ স্নায়ুমণ্ডলীবোৰ

সদায়ে এনে দুৰ্বল। তাৰেই তাড়নাত, জীৱনত আজিলৈকে মোৰ কিমান অপবাদ ওলাই গৈছে! মই তথাপিওতো নিজকে এতিয়ালৈকে এদিনো চম্ভালি ৰাখিব পৰা নাই! আপোনাক হেৰুৱাই, চন্দ্ৰদাক মই সাবটি লৈছিলোঁ আৰু চন্দ্ৰদাকো নাপাই, নিজ ইচ্ছা মতেই এদিন আপোনাৰ বন্ধুক বিয়া কৰাইছিলোঁ। কিন্তু তাতেওতো জীৱনত মই অকণিকে তৃপ্তি নাপালোঁ। ইয়ালৈ আহি যাৰে তাৰে লগত অবাধে ঘূৰি ফুৰা দেখি, মানুহে মোৰ কিমান কুৎসা ৰটিছিল! অবিবাহিত ডি-এচ-পি মিষ্টাৰ হকৰ লগত মটৰত অকলে উঠি ফুৰা দেখি, সমাজৰ পৰা মোক সকলোৱে আনকি এলাগী কৰি থবলৈকো কাৰবাৰ কৰিছিল আৰু আজিও ডেকা ধুনীয়া প্ৰাইভেট টিউটৰ ঘৰত ৰাখি, পঢ়িবলৈ আৰম্ভ কৰা দেখি, কতজনে কত ৰহস্য উলিয়াব লাগিছে! কিন্তু মইতো জানো এই কথাবোৰ তেনেই একেবাৰে মিছা নহয়। এইবোৰ ঘটনাইতো মোৰ জীৱনৰ আচল অপ্ৰকাশিত অন্তৰৰ বুৰঞ্জী খনৰ চিনাকি দিব লাগিছে। কামনাৰ প্ৰলোভনৰ আগত মই এইদৰেই চিৰদিনে পৰাজিত হৈ আহিছো। কামনাৰ অনলৰ উত্তাপত, সদায় এইদৰে পাতল তুলাৰ দৰে মই উৰিবলৈ বিচাৰোঁ আৰু সেই তুলাৰ দৰেই নিমিষতে জ্বলি উঠি নিঃশেষ হব খোজোঁ।

প্ৰকাশ কৰিব নোৱাৰা অন্তৰৰ বাথাতে যেন স্নেহই মোৰ হাত খনত আৰু বেছি ভৰ দি, বুকুৰ মাজলৈ সুমুৱাই নি, অনৰ্গল চকুৰ উত্তপ্ত ধাৰেৰে, তাক একেবাৰে ওপচাই দিলে। আৰু মই কেৱলে এটা বিহ্বল জড়, নিশ্চেষ্ট প্ৰাণীৰ দৰে পৰি ৰৈ, মোৰ সেই হাতৰ ওপৰত, স্নেহৰ আলোড়িত অন্তৰৰ ধুমুহাৰ প্ৰতিধ্বনিবোৰ যেন এপিনৰ পৰা কাণপাতি শুনি গলোঁ।,

* * * *

এটি অভূতপূৰ্ব শৰীৰৰ উত্তাপে, সেই শীতৰ নিশাৰ চেঁচা বতাহখিনিকো যেন অসম্ভৱ ৰকমে উত্তাপিত কৰি তুলিলে।

আৰু দুয়োৰো উত্তপ্ত দেহৰ ব্যৱধানৰ মাজত অকল সেই বাগখানেই যেন নিৰ্জীৱভাৱে বিহ্বল হৈ পৰি ৰ'ল।

[আৱাহন ৭ম বছৰ ৮ম সংখ্যা শাওণ, ১৮৫৮ শক]

———

মোৰ নহয়। কুমাৰী অপৰা চলিহাৰ:

প্ৰথম······

মই তেতিয়া নতুন কলেজৰ ছাত্ৰ। চকুত সপোনৰ ৰঙীন অঞ্জন। মনৰ গতি সোণৰ-পাখী লগা। বাটত যাওঁতে যাকে দেখোঁ, তাকেই সুন্দৰী যেন লাগে। যেয়ে চকুলৈ চায়, তাৰে মৰমতে উৰলি যাওঁ।

প্ৰথম বিভাগত কোনো ৰকমে মেট্ৰিকটো সৰকি উঠিয়েই উকীল পিতা আৰু চেনেহী আইৰ পৰা দুটামান সৰহকৈ টকা গোটাই কলিকতালৈ ছুটি মেলিলোঁ—স্কটিছত পঢ়োঁ বুলি।—"কো-এডুকেশ্যনৰ" মায়াৰ আকৰ্ষণ।

অক্ৰুৰে কলিকতাৰ যাদৱপুৰত ইঞ্জিনিয়াৰিং পঢ়ে। পঢ়ে নে নপঢ়ে কব নোৱাৰোঁ। অন্ততঃ পঢ়ে বুলি ঘৰৰপৰা টকা নিয়ে।

স্কুলত ভোল গুটিৰে এক দুই লিখাৰ পৰাই অক্ৰুৰ মোৰ সঙ্গী। প্ৰত্যেক ক্লাচতে ঘৰামুটি খাই, 'নন-কো-অ'পাৰেশ্যন কৰি' স্কুল এৰি, কেপ্ৰাক মাৰি, জেলত পৰি, সি এতিয়া হাতুৰী পিটাত লাগিছে। হাতুৰীৰে প্ৰকৃত মানুহ সি।

যোৱাৰ আগতে অক্ৰুৰলৈ এখন চিঠি দিলোঁ। তাৰ হেৰিস্হনৰ "পেৰাডাইজ"ত আলহী হৈ উঠিম বুলি। কলেজ হোষ্টেল খুলিবলৈ তেতিয়াও কুৰিদিনমান বাকী।

অক্ৰুৰে হেৰোৱা পোক বোপায়েকে আদৰি নিয়াৰ দৰে মোকো শিয়াল-দহ ষ্টেচনৰ পৰা আগবঢ়াই নিবলৈ আহিল আৰু প্লেটফৰ্মত নামোঁতেই বুকুৰে গৰা মাৰি ধৰি ক'লে,—মোক তই বৰ বচালি ননী!

—বচালোঁ! কলিতাৰ ফুট্‌পাথত নৌ নামোতেই তোক বচালোঁ নে?

অক্ৰুৰে আৰু জোৰেৰে মোক বুকুত সাৱটি ধৰি ক'লে,—বৰ বচালি তই। হোটেলত ডেৰশ টকা মোৰ বাকী। আজি এমাহ ধৰি ভাত বন্ধৰ নোটিছ পাইছোঁ। কিন্তু ঠাকুৰে ভাত নিদিলে, কেৰাহীতে ভাতবোৰ চুই দিম বুলি সদায় ভয় দেখুৱাই, বান্ধনি ঘৰত সোমাওঁ গৈ। ঠাকুৰে

উপায় নাপাই গোটেইবোৰ ভাত পেলনি যোৱাৰ ভয়ত, লুকাই মোক খাবলৈ নিয়ে। তই আছিছ যেতিয়া তোক "গেষ্ট" সুমুৱাই দি, অন্ততঃ সেই খাতিৰতে আৰু এমাহমান স্বচ্ছন্দে খাব পাৰিম।

হোটেলত গৈ উঠিলোঁ।

আগেয়ে অক্ৰুৰে পুৱা-গধুলি কি কৰিছিল নাজানোঁ। এতিয়া সি চৌবিশ্ ঘণ্টাই অনৰ্গল মোৰ সাৰথি হ'ল।

তলি-মূৰ উদং কৰি পোন্ধৰ দিনে কলিকতা ঘুগুলা-ঘুগুল কৰি চালোঁ।

শ্যামবজাৰৰ পৰা আৰম্ভ কৰি লেক ৰ'ডলৈকে কোনো এটা গলিৰ মূৰৰ সামান্য ৰেস্তোৰা এখনো বাদ নপৰিল। ট্ৰাম আৰু বাছৰ টিকিটে মোৰ বিছনাৰ তলত আৰু এখন তুলীৰ সমান ওখ হ'লগৈ।

ধেমালিতে অক্ৰুৰক ক'লোঁ—অক্ৰুৰ, এই টিকিটবোৰ গোটাই এখন তুলী তৈয়াৰ কৰি তোক মই উপহাৰ দিম। মোৰ কলিকতালৈ অহাৰ সোঁৱৰণী স্বৰূপে তই তাকেই সদায় ব্যৱহাৰ কৰিবি। কাৰণ জীৱনত তো তই নিজে তুলী তৈয়াৰ কৰাৰ কোনো সম্ভাৱনাই নাই।

কলিকতা হ'লেও এদিন আমুৱাই আহে।

স্বৰ্গতো বোধকৰো পুণ্যাত্মাবোৰে সদায় থাকি থাকি এদিন ভাগৰি পৰে।

তাৰ পিছত সিহঁতে কি কৰে নাজানোঁ। সান্ধ্যা "ছাদৰ" ওপৰত উঠি, ছিগাৰেট হুপি, টহল্ দি, শূন্যতে ওপণ্ডি ফুৰা মেঘ এচমকাৰ দৰে ওপণ্ডি ফুৰেনে নাই কব নোৱাৰোঁ।

মই কিন্তু সিদিনা, কলিকতাত তাকেই কৰিছিলোঁ, ঠিক ষোল দিনৰ দিনাখন। অক্ৰুৰ মোৰ লগত নাছিল। কাৰণ, সেই দিনাখন তাৰ বাকী আদায়ৰ দিন।

কথাষাৰ অলপ বুজাই দিব লাগিব।

বাকী কৰিলেই বাকী সাধিবলৈ পাওনাদাৰ আছে। বেছি বাকী কৰিলে সেইদৰে বেছি পাওনাদাৰ আছে। যদি মাহেকৰ ত্ৰিশ দিনেই দিনে-নিশাই চৌবিশ্ ঘণ্টাই পাওনাদাৰ আহিবলৈ হয়, তেনে'হলে জীৱনধাৰণ কৰা এক প্ৰকাৰ অসম্ভৱ হৈ দেখা দিয়ে। গতিকে অক্ৰুৰে ভাৱি-চিন্তি তাই সকলো পাওনাদাৰ বোৰকেই মাহেকৰ মূৰত এদিন মানোম আহিবলৈ

দিন দিয়ে। আৰু সেইদিনাখন বাস্তিপুৰা পূৰে ঢলফাট্ দিয়াৰ পৰা আৰম্ভ কৰি, বাস্তি ন বজালৈকে কলিকতাৰ আঁতৰি থাকি, গড়ৰ মাঠত বা লেকৰ পাৰত, চাৰি পয়চাৰ 'চানাচুৰ' বাদাম বুট-ভজা গলিয়াই কটাই দি, অন্ততঃ আৰু কিছুদিনলৈ নিশ্চিন্ত হয়।

গতিকে অক্রুৰ সিদিনা মোৰ লগত নাছিল। "ছাদৰ" ওপৰত উঠি টহলি, এটাৰ পিছত এটাকৈ ছিগাৰেট ধ্বংস কৰি, সমুখৰ আৰু ছুয়ো কাষৰ "ছাদৰ" মানুহ, খিৰিকীৰ পৰ্দা, উৰি ফুৰা পাৰৰ জাক, কাকতৰ চিলা, যলৈকেই অকণ মনটো যায় তালৈ এৰি দি, এনেয়ে সময়খিনি কটাই আছিলোঁ। কেতিয়াবা মন গ'লে মাজে মাজে আলিবাটৰ তললৈ চাওঁ। বাছ ট্ৰামত অসমীয়া মানুহৰ মুখ উলিয়াবলৈ যত্ন কৰোঁ! প্ৰাইভেট গাড়ীৰ নম্বৰ পঢ়িবলৈ চেষ্টা কৰোঁ। নতুন যাত্ৰীয়ে গাড়ী, ঘোঁৰাৰ জুমুৰীত পৰি বাটৰ মাজত শলাঠেকত পৰাৰ স্ফূৰ্ত্তি চাওঁ। 'ফুটপাথ'ত কিবা এটা চকুত পৰা বস্তু দেখিলেই যিমান দূৰলৈ চকুৰে অনুসৰণ কৰিব পাৰি সিমান দূৰলৈ উভ্ৰাই যাওঁ।

সন্ধিয়াৰ কাম-ছায়া কিছু গাঢ় হৈ ক'লা পৰি আহিছিল। কলিকতাৰ সেই সময়ৰ ধোঁৱাৰ পাতল জালখন অলপ মধুৰ হৈ ওলমি পৰিব খুজিছিল! এনেতে অলপ আঁতৰত ফুটপাথত, বাটৰ সিটোপাৰে এটা বস্তুলৈ মোৰ চকু গ'ল।

অসমীয়া মুগাৰ মেখেলা। ৰঙীন সূতাৰ নে পাটৰ এখনি ৰিহা। লাহী, লিচ্‌পিচীয়া, দীঘল ঠাঁচৰ এটি দেহৰ ওপৰত এখনি সুন্দৰ বগা মুখ। টানকৈ বন্ধা, অকণমান ৰিহাৰ আচলৰ মূৰেদি বিৰিঙা এটা ডাঙৰ চুলিৰ খোপা। 'হাইহিল'ৰ এটা লীলায়িত ক্ষিপ্ৰ গতি। মুখত এটি অতি সুস্পষ্ট আনন্দ আৰু হৰ্ষৰ অভিসাৰৰ সুখচ্ছবি।

বৰ মনোযোগেৰে চালোঁ। অতি একান্তমনে পৰ্য্যবেক্ষণ কৰিলোঁ। "ছাদৰ" ৰেলিঙৰ গাত আউজি যিমান তললৈ চাব পাৰি সিমান তললৈ ওলমি চালোঁ। কিন্তু তথাপি বৰ ভালকৈ একো সন্দেহ ধৰিব নোৱাৰিলোঁ। অনুমান হ'ল, আমাৰ ঠিক "পেৰাডাইজ"ৰ আগেদি আলিবাটটো পাৰহৈ আমাৰ যেন হোটেলৰ দুৱাৰ মুখেদিয়েই ভিতৰলৈ সোমাই আহিল।

চকুৰ পলকতে "ছাদৰ" পৰা জপিয়াই, ভখলাৰে তললৈ নামি গলোঁ আৰু তিনি তলাৰ প্ৰকাণ্ড খট্‌খটীটো এক উশাহতে শেষ কৰি, দোতলাৰ খট্‌খটীৰ কাষ পালোঁগৈ। তাৰেপৰা তললৈ জুমি চাই দেখিলোঁ, হয় আমাৰ হোটেলৰ খট্‌খটীয়েদিয়েই ওপৰলৈ উঠি আহিব লাগিছে।

তাতে, থমকি ৰৈ, মই অলপ চিন্তাত নিমগ্ন হলোঁ।—অসমীয়া ছোৱালী! কলেজত বা স্কুলত পঢ়া! বিদেশী এখন হোটেল! ইয়াৰ কাৰ ওচৰলৈ আহিব পাৰে? মই জনাত অক্ৰুৰৰ বাহিৰেও ইয়াত দ্বিতীয় কোনো অসমীয়া প্ৰাণী নাই। তেনেহ'লে অক্ৰুৰৰ লগতেই কিবা সম্বন্ধ নেকি? অক্ৰুৰেতো আজি ইমানদিনে ইমানবোৰ মানুহৰ কথা মোক কৈ গৈছে। কিন্তু এই কথাটোতো কোৱা নাই?

আকৌ মই সেই বেগেৰেই উভতি ওপৰলৈ উঠি আহিলোঁ আৰু কোঠালিৰ আগত সাৱধানে সাজু হৈ থিয় দি, অক্ৰুৰৰ সকলো পাওনাদাৰৰ আগত কৰলৈ শিকাই থোৱা, সেই একে গৎফাঁকিকে কেৱা বেলিও অলপ গঢ় লগাই কৰলৈ, মনতে আওৰাবলৈ ধৰিলোঁ।

তেওঁ তিনিতলালৈ উঠি আহি এবেলি স্নিগ্ধ নয়নে মোৰ সাজু হৈ থকা মুখখনৰ পিনে চালে সঁচা কিন্তু আমাৰ ১৮ নম্বৰলৈ অহাৰ কোনো লক্ষণকে নেদেখুৱালে। বৰং এছাটি তীব্ৰ গোন্ধেৰে মোক ওপচাই থৈ, ওতি অভ্যস্তৰ দৰে, আমাৰ অতি ওচৰৰ ১১ নম্বৰৰ কাষ চাপি গ'ল। আৰু পৰা আঁৰি থোৱা দুৱাৰখনত অলপ আঙুলিৰে টুকৰিয়াই চায়, বৰ পৰিচিতৰ দৰে ভিতৰলৈ সোমাল।

মই হতাশ হৈ নিশ্চলৰ দৰে একে ঠাইতে থিয় হৈ ৰলোঁ। মাথোন এটা যেন কিবা নতুন নজনা বিজুলী শক্তিয়ে মোৰ দেহৰ সকলো বা স্নায়ুমণ্ডলী-বোৰকে আমূলভাৱে পৰিৱৰ্ত্তন কৰি থৈ গ'ল। কোনো দিনে অনুভৱ নকৰা এটা নতুন শিহৰণত মোৰ ডিঙিৰ ভিতৰখন পৰ্য্যন্ত তেনেই শুকাই আহিল।

পাৰোঁমানে নিজকে নিজৰ অনুসন্ধিৎসাৰ অভাৱক ধিকাৰ দিবলৈ ধৰিলোঁ। আজি ষোল দিন মোৰ এই হোটেলত হৈ গৈছে। অথচ কোঠালিৰ

চাৰিখন বেৰৰ সিফালে কোন থাকে তাকে জানিবলৈ ইমানদিনে যত্ন কৰা নাই। লগে লগে অক্রুৰৰ ওপৰতো মোৰ ভীষণ খং উঠিল। সি ইমান পৰিশ্রম কৰি কিমান অনাই বনাই দূৰলৈ লৈ গৈ, মোক কিমান আঁতৰৰ ৰহস্যবোৰৰ কথা ক'লেগৈ। কিন্তু হাতৰ কাষৰ ইমান ডাঙৰ প্রয়োজনীয় কথা এটিকে বাদ দি থৈ গ'ল।

সম্পূর্ণ পৰিৱৰ্ত্তিতৰ দৰে মোৰ অন্তৰখনে কাম কৰিবলৈ ধৰিলে। এবাৰ নোৱাৰা এটা প্রবল অদৃশ্য শক্তিয়ে মোক আমাৰ কোঠালিৰ আৰু ১১ নম্বৰৰ মাজৰ সেই বাৰাণ্ডা ভুখৰিতে আৱদ্ধ কৰি বান্ধি ৰাখিলে। তাতেই মই থিয় হৈ দুঘণ্টামানে অকলে টহল দিলোঁ। সেই বাৰাণ্ডা ভুখৰিৰে এচুকত থকা ৰঙামাছৰ টব্‌টোৰ ওচৰতে থিয় হৈ, মাছৰ আগত ময়দা গুৰি পেলাই দি বৰ মনপুতি ধেমালি কৰিলোঁ। ক'ৰবাৰ নজনা নুশুনা অচিনাকি হোটেলৰ এটি সৰু ল'ৰাৰ লগত বন্ধু পাতি, তাৰ লগত বহু পৰেওঁ কথা পাতিলোঁ।

কিন্তু মোৰ মনৰ কৌতুহল মনৰ ভিতৰতেই থাকিল। বৰং তাৰ মাত্রা শেষলৈ আৰু বেছি চৰিহে গ'ল। প্রায় আঠোটামান বজাৰ ওচৰাউচৰিত কৰবাৰ পৰা আৰু এগৰাকী প্রায় সেই ধৰণৰে অসমীয়া ছোৱালী সেই কোঠালিৰ দুৱাৰত টক্‌টকাই দিলেহি। আৰু কিছুপৰ সাধাৰণ কথাবতৰাৰ পিছত, দুয়োজনে হাঁহি মাতি হোটেলৰ পৰা ওলাই, মই যি বাটেৰে প্রথমতে অহা দেখিছিলোঁ, সেই বাটেৰেই ট্রামত উঠি গুচি গ'লগৈ।

মই ৰীতিমতে অক্রুৰৰ কাৰণে উৎকণ্ঠাত ছটফটাবলৈ ধৰিলোঁ। বাৰে বাৰে উঠি গৈ, ঘড়ীটোৰ আৰু ওপৰলৈ উঠি অহা দোতলাৰ খট্‌খটীখনৰ পিনে চাই, অস্থিৰতাত তাক্ত বিৰক্ত হৈ উঠিলোঁ। "ছাদ"ৰ ওপৰত উঠি চাৰিওপিনে শুনাকৈ দৈত্যৰ দৰে অক্রুৰ, অক্রুৰ বুলি ডিঙি ফালি অক্রুৰক মাতিবলৈ মোৰ মন গ'ল।

প্রায় দহোটামান বজাৰ শেষত অক্রুৰ আহি কৰবাৰপৰা ধুমুহাৰ দৰে হোটেলৰ ভিতৰত সোমাল আৰু খট্‌খটীখনৰ আদ্‌ বাটৰপৰা গলখুলি ঠাকুৰক চিঞৰি মাতি তাৰ কাৰণে ওপৰলৈ ভাত আনিবলৈ হুকুম দি ওপৰলৈ উঠি আহিল।

কমৰ ভিতৰত সোমাই তাক ভালকৈ সুস্থিৰ হৈ থিয় হবলৈ সুযোগ নিদিয়াকৈয়ে, মই অতিপাত বোষত তাৰ চকুলৈ ৰঢ় ভাবে চাই ভীষণ গম্ভীৰ হৈ প্ৰশ্ন কৰিলোঁ,—অক্ৰুৰ, তই সচাঁকৈয়ে ইমান দিনলৈ ২২ নম্বৰৰ কথাটো মোক খুলি নকৈ ভীষণ অন্যায় কৰিছ। তাৰ কাৰণে, সঁচিয়াটোৱেই আজি মোৰ অতিপাত কৌতুহলত অনৰ্থক নষ্ট হৈ গৈছে।

অক্ৰুৰে এবেলি মাথোঁ। সন্দিহৰ দৰে মোৰ চকুলৈ চাই, ভজা বাদামৰ এবোজা চোকাৰা তাৰ পাঞ্জাবীৰ ছুয়োখন 'পকেট'ৰ পৰা জোকাৰি জোকাৰি পেলাই দি, তললৈ মুখ কৰি অতি কোমল সুৰত কলে,— শুনি বৰ দুখ পালোঁ, ননী! তয়ো গৈ সমশেৰত "ডেছ্‌ডিমনা"ৰ প্ৰেমত পৰিলি। মোৰেই ভুল হ'ল। আগতেই তোক সতৰ্ক কৰি দি যাব লাগিছিল।

মই আৰু বেছি খঙত কোৱাৰ দৰে কলোঁ,—ডেছ্‌ডিমনা ফেছ্‌ডিমনা একো নহয় অক্ৰুৰ। নিখুঁত তেজ মঙহৰ জীয়ন্ত অসমীয়া ছোৱালী। এজনী নহয়, একেবাৰে দুজনীকৈ। বুজিছোঁ, নিশ্চয় লুকুৱাবৰ তোৰ কিবা অভিপ্ৰায় আছিল?

অক্ৰুৰে মোক সামা কৰি ভাতৰ পাতত বহি, বৰ লাহে লাহে ৰস লগাই গোটেই কথাটোকে ভাঙি কলে।

"ডেছডিমনা" নহয়, প্ৰকৃততে নায়িকাৰ নাম অপৰা চলিহা। "ডেছডিমনা" অক্ৰুৰে নিজে দিয়া নাম। ছেক্সপীয়েৰৰ "ডেছ্‌ডিমনাৰ" লগত তাৰ কোনো সম্বন্ধ নাই। অক্ৰুৰে ছেক্সপীয়েৰ নপঢ়াকৈয়ে হেনো সকলো ৰহস্যময়ী ছোৱালীকে "ডেছ্‌ডিমনা" বুলি কয়। এইটো তাৰ এটা মুদ্ৰাদোষ।

অপৰা চলিহা স্কটিছৰ ছাত্ৰী। ষোৱা বছৰৰ আমদানি। ২২ নম্বৰত তেওঁৰ এজন আধুনিক "ককাইদেউ" আছে। ইউনিভাৰ্চিটিৰ এম-এৰ ছাত্ৰ। বি-এত স্কটিছৰপৰাই ইংৰাজীত দ্বিতীয় শ্ৰেণীৰ অনাৰ্ছ পাইছিল। সাহিত্যতো কিছু বাপ আছে। মাজে সময়ে কাগজে পত্ৰই প্ৰগতিবাদী কবিতা লিখে। মুখেৰেও দুকথা সুন্দৰকৈ কব পাৰে। এ এছ-এল ক্লাবৰ মিটিঙত প্ৰায়ে দুএবাৰ কয় আৰু "লেডিছ বিছেপশ্যন" আৰু গেমত অতি তৎপৰতা দেখুৱায়।

অপৰা চলিহা আৰু মিষ্টাৰ দত্তৰ কাহিনীটো কলিকতাত এতিয়া প্ৰায়ে পুৰণি ঘটনাৰ ভিতৰতে পৰি.ছগৈ। অকল কেতিয়াবা তেনে ধৰণৰ নতুন দৃষ্টান্তৰ উদ্ভৱ হলে তাক 'লিভিং কেছ"ৰ দৰে উল্লেখ কৰা হয়।

বাকীজনী ছোৱালী এই ঘটনাৰ কোনো নহয়। তেওঁৰ স্থান, পাত্ৰ সম্পূৰ্ণ স্বকীয়া। অকল ওলাই আঁহাতে আৰু যাওঁতে দুয়ো একেলগে ওলাই আহে আৰু একে লগ হৈ যায়। কাৰণ দুজনী একেলগে নাহিলে সেই হোষ্টেলৰপৰা ওলাই অহা নিয়ম নাই।

মই তথাপি তৃপ্ত নহৈ আকৌ প্ৰশ্ন কৰিলোঁ,—মিষ্টাৰ দত্ত আৰু অপৰা চলিহাৰ প্ৰকৃততে আচল সম্বন্ধটো কি আৰু কেনেকৈ এই নতুন অৱস্থা আহি পালে ?

অভ্ৰই বৰ নিৰসৰ দৰে কথাটো শেষ কৰাৰ ইচ্ছাত খাটাংকৈ কৈ থালে যে, দৰাচলতে দত্ত সম্বন্ধত অলপ আঁতৰ খুৰাকৰ সম্বন্ধীয় এজন ককায়েক হয় আৰু এনেকুৱা ঘটনা সুবিধা আৰু প্ৰশ্ৰয় দিলে পৃথিৱীত বহুতো হব—আৰু বহুত হৈও গৈছে।

কব নোৱাৰোঁ কেলেই, মোৰ অপৈণত যৌৱনৰ কল্পনাৰ দীপশিখাত তথাপি অপৰা চলিহাই সিদিনাৰ পৰা এটি নতুন ৰঙৰ পোহৰ সানি দিলে। আপোন গোন্ধতে আপুনি দিশ হেৰুৱাই উতলা হোৱা কস্তুৰী-মৃগৰ দৰে মহোঁ যেন সিদিনাৰ পৰা কিবা এটা নতুন মাদকতাত উতলি উঠি, চাৰিওপিনে ক্ষিপ্ত, উদ্‌ভ্ৰান্ত, কক্ষচ্যুত গ্ৰহৰ দৰে চঞ্চল হৈ ফুৰিবলৈ ধৰিলোঁ। মোৰ দৃষ্টিৰ আগত সপোন, বাস্তৱ দুয়ো ৰাজ্যৰে সীমাৰেখা একেটি হৈ যেন মিহলি হৈ গ'ল। অপৰা চলিহাই মোৰ সন্মুখত, স্থূল অস্তিত্ব হেৰুৱাই, কোনো নতুন এখন অবাস্তৱ মানস ৰাজ্যৰ হেঙুলীয়া পোহৰ লৈ উপন্যাসৰ পাতৰ পৰা উঠি অহা অশৰীৰী নায়িকাৰ দৰে, এটি ডাঙৰ কৌতুহলৰ, আকৰ্ষণৰ, স্নেহৰ অন্তৰৰ পূজাৰ বস্তু হৈ পৰিল। মেট্ৰিক ক্লাচত স্কটৰ "আইভেন্‌হো" পঢ়িছিলোঁ। অপৰা চলিহাৰ দেহত, চকুৰ কোণত, হাতৰ আঙুলিত, চুলিৰ আগত সকলোতে মই সেই "ৰেবেকাৰ" প্ৰাণৰ অসীম করুণতা আৰু বোধিব নোৱাৰা অন্তৰৰ প্ৰেমৰ উপচি পৰা আকুল ক্ৰন্দনৰ ধাৰ দেখিবলৈ ধৰিলোঁ। আৰু তাৰ লগে লগে মিষ্টাৰ দত্তৰো চলন-ফুৰণত,

দেহৰ অৱয়বত, কথা বতৰাত, হাতৰ ঠাৰ ঠিঁয়াৰত, সেই পৰিত্যক্ত "নাইটৰ" হুবহু প্ৰতিবিম্ব মহীয়ান হৈ মোৰ চকুত বিৰিঙি উঠিবলৈ ধৰিলে।

সম্পূৰ্ণ জীৱনৰ গতি একে দিনতে মোৰ সলনি হৈ গ'ল। যি অক্ৰুৰ মোৰ চৌবিশ ঘণ্টাৰ লগৰী আছিল, সেই অক্ৰুৰৰপৰা মই ফালৰি কাটি বাগি দি ফুৰিবলৈ ধৰিলোঁ। মোৰ এটি মাত্ৰ মহান উদ্দেশ্য হ'ল, অপৰা চলিহাক আৰু কণক দত্তক দিনে নিশাই ধ্যানৰ বস্তুৰ দৰে পৰ্য্যবেক্ষণ কৰা।

সদায় গধূলি খাপ লৈ, হোটেলৰ খটখটীৰ সম্মুখতে অপৰা চলিহাৰ চকুৰ এটি স্নিগ্ধ চাৱনি, দেহৰ অলপ মধুৰ সান্নিধ্যৰ কাৰণে মই বৈ থাকোঁ। কোঁঠালিৰ ভিতৰত থাকে মানে, উটি অহা কথাৰ এটি ডোখৰ আৰু হাঁহিৰ এটি ক্ষুদ্ৰ ধ্বনিৰ কাৰণে উন্মুখ হৈ মই কাণ পাতি ফুৰোঁ, আৰু দুয়ো হোটেলৰপৰা ওলাই গলে চিনেমা, ৰেস্তোৰাঁ, গঙ্গাৰ-দাতি, লেকৰপাৰ যলৈকে নহওক, ছাঁৰ দৰে মই পাছে পাছে গৈ, আঁতৰৰ পৰাই সকলো লক্ষ্য কৰি সঙ্গ সুখ অনুভৱ কৰোঁ।

জীৱনৰ সকলো কাৰ্য্য তল পৰি মাথোন এইটোৱেই মোৰ কৰ্ত্তব্যত পৰিণত হ'ল। এটি যেন কোনো দিনে নেদেখা অপাৰ আনন্দ, অসীম তৃপ্তিৰ, অনন্ত পুলকৰ সুখচ্ছবি চাই চাই মই নিজৰ সকলো কথাকে পাহৰি প্ৰৱল লুইতৰ সোঁতত উটি যোৱাৰ দৰে উটি গলোঁ।

সাতদিন জোৰা এটি সপোন সমাধিৰ পিছত অক্ৰুৰে এদিন বৰ কঠিনভাৱে মোক জগাই তুলিলে আৰু নিজ হাতেৰে মোৰ বিছনাৰ কাপোৰ-কানি চপাই, বান্ধি টেক্সি এখন মাতি আনি হোটেলৰ দুৱাৰমুখত থিয় কৰালে।

যন্ত্ৰৰে ঠেলি দিয়াৰ দৰে কোনোমতে টেক্সিৰ ওপৰত বহি, মোৰ বিছনা, বাকচৰ লগত, অক্ৰুৰৰো ছাল বাকলি নোহোৱা ভগা, দুবীৰে বন্ধা টিনৰ ছুটকেছটো দেখি, একো নজনাৰ দৰে অবাক্ হৈ মই তাক সুধিলোঁ,—অক্ৰুৰ মোক নিয় কলৈ?

অক্ৰুৰে অভিভাৱকৰ দৰে কৰ্তৃত্বৰ সুৰত কলে,—তোৰ কলেজ হোষ্টেললৈ। আজি চাৰি দিন হ'ল তোৰ কলেজ খুলিছে; সিপিনে মন-কাণ নাই।

অপৰা চলিহাৰ প্ৰেমত পৰি তই সকলো পাহৰি গৈছ। হোষ্টেলত ছিট নাপালে তাৰ বাবে দায়ী হব কোন?

মই তথাপি ভালকৈ বুজি নোপোৱাৰ দৰে আকৌ সুধিলোঁ—কিন্তু তই যায় কলৈ? অক্রুৰে ওঁঠৰ ফাঁকেদি অলপ মিচিকাই হাঁহি কলে,—অইন এখন হোটেললৈ। ময়ো তোৰ লগতে বস্তু-বাহানি তুলি দি এই হোটেলৰ পৰা পলাই আহিলোঁ; এই সুবিধাই ডাঙৰ সুবিধা। আজিলৈকে ডেৰশ টকাৰো ওপৰ হোটেলত মোৰ বাকী পৰিছে। নপলালে জানো মোৰ হৈ কোনোবাই টকাবোৰ দিব?

—পিছে তোৰ ডাঙৰ ট্ৰাঙ্কটো আৰু বিছনাখন?

সেইখিনিকো এৰিব নুখুজিলে চলিব কেনেকৈ? বিছনাৰ গাৰু, কম্বল যিমানখিনি পাৰো তোৰ বিছনাৰ লগতে বান্ধি আনিছোঁ। বিছনাৰ চাদৰখন অকল তোৰ ট্ৰাম আৰু বাছৰ টিকিটবোৰৰ ওপৰত পৰা আছে। ট্ৰাঙ্কটোৰ ভিতৰটোত একো নাই। বাতিপুৱা যদি মেনেজাৰে কোঁঠালিৰ ছুৱাৰৰ তলা ভাঙি ভিতৰ সোমাই বাকচ খুলি চায়, তেনেহলে গধুৰ কেডোখৰ মান আলিবাটৰ ইটাৰ বাহিৰে একো নাপায়। তেনেকুৱা ভঙা ইটা ভৰোৱা ট্ৰাঙ্ক কলিকতাৰ বহু হোটেলতে মোৰ একোটাকৈ পৰি আছে।

অক্রুৰে মোৰ সাময়িক মোহ ভাঙি কলেজ হোষ্টেললৈ তুলি আনিলে সঁচা, সি মোক কলেজত নাম লিখাই কিতাপ-পত্ৰ কিনাই দিলে সঁচা, কিন্তু তাৰ লগতে সি এটা ডাঙৰ অনিষ্টও কৰিলে। সি চিৰদিনৰ কাৰণে মোৰ "পেৰাডাইজ"লৈ যোৱাৰ বাটটো মাৰি থৈ গ'ল। তাৰ কেইদিনমান পিছত, এদিন এনেয়ে দস্তুৰ খবৰ লবলৈ বুলি হোটেললৈ গৈ হোটেলৰ মেনেজাৰৰ পৰা আক্রুৰক প্ৰশ্ৰয় দি লগতে পলুৱাই নিয়া বুলি খি গালি শুনি আহিলোঁ, তাৰ পিছত হোটেলৰ চাৰি বেৰৰ মাজত নহয় তাৰ আগৰ ফুটপাথতো মোৰ মুখ দেখুৱাবৰ কোনো উপায়ে নোহোৱা হ'ল।

কিন্তু মই হাজাৰ চেষ্টা কৰিও অপৰা চলিহাক পাহৰিব নোৱাৰিলোঁ। বৰং অপৰা চলিহাৰ চিন্তাই দিনে-নিশাই মোক উতলা কৰি তুলিলে। কলেজত ইক্লাছ সিক্লাছ কৰোঁতে, কেতিয়াবা কাচিৎ ট্ৰামে-বাছে বাওঁতে অপৰা চলিহাক ছদণ্ড-এদণ্ডৰ কাৰণে দেখোঁ হয়, কিন্তু সিমানকণ দেখাৰ

পৰা মোৰ প্ৰাণৰ তৃষ্ণা নপলায়। মই যেন অপৰা চলিহাক সদায় চকুৰ আগত ৰাখি, বৰ ডাঙৰ আয়োজন এটা কৰি, বহু পৰে পূজা-অৰ্চনা কৰিব খোজোঁ। মই যেন কোনো দিনে শেষ নপৰা বৰ দীঘল এষাৰি কথা অনাৰ্গল কৈ যাবলৈ বিচাৰোঁ! সদায় ৰাতি উজাগৰে থাকি বহু যত্নেৰে একোখনকৈ নিতৌ নতুন চিঠি লিখোঁ আৰু চিৰি-ফালি পেলাওঁ। লিখিম কি? লিখিবৰতো একো নাই? ইমান ডাঙৰ উত্তপ্ত কথা এটি, কাগজৰ ওপৰত দুটা চেঁচা আখৰেৰে লিখিব পাৰি জানো? এনেকৈ লিখিলে জানো হব?—তুমি,—নহয়, আপুনি মোৰ আদৰ্শ প্ৰেমৰ অন্তৰৰ অধিষ্ঠাত্ৰী দেৱী। আপোনাক মই দিনে-নিশাই সদায় নিৰৱে পূজা কৰোঁ। মোৰ প্ৰাণৰ লাজুকী স্নেহ-পুষ্প, আকিঞ্চন হলেও সদায় আপোনাৰ চৰণত অঞ্জলি দিওঁ। তাৰ পিছত আৰু ভাবা আড়ষ্ট হৈ চলিব নোখোজে। বুকু ফাটি অন্তৰৰ অগনিৰ তাপ চকুলোৰে তপত হৈ গলি ওলায়। ভূগোলত "জাইচে"ৰ বোলা গৰম পানীৰ নিজৰাৰ কথা পঢ়িছিলোঁ ঠিক। যেন তেনেদৰে। অৰ্পণত বয়সৰ প্ৰথম প্ৰেম ইমানেই উত্তপ্ত আৰু উদ্দাম।

কলেজ খোলাৰ দুমাহ পাৰ হৈ গ'ল। কিতাপৰ নাম মনত ৰখা দূৰৰ কথা, মই ক্লাছ বহা কোঁঠালি বোৰেই ভালকৈ চিনি উলিয়াব পৰা হোৱা নাই। ক্লাছৰ ওচৰত বহা সঙ্গী আৰু প্ৰফেচৰবোৰৰ কাৰো এখনিও মুখ মোৰ মনত ৰোৱা নাই। কোনো এদিনো হাজিৰাৰ সময়ত মন কৰি মুখেৰে মাতি উত্তৰ দিয়া নাই।

মই অকল দিনে-নিশাই উতলা হৈ ভাবিছোঁ, কেনেকৈ অক্ৰুৰৰ হোটেলৰ ধাৰ মই মাৰিব পাৰোঁ, কেনেকৈ নিশ্চিত মনে নিঃসঙ্কোচে "পেৰেডাইজ"লৈ আকৌ যাব পাৰোঁ, আৰু কেনেকৈ মোৰ সেই প্ৰাণৰ পূজাৰ বস্তুৰ অপৰ্যাপ্ত ৰূপে সান্নিধ্য আৰু দৰ্শন পাব পাৰোঁ।

হঠাতে এদিন বৰ সহজে বুদ্ধি এটি মোৰ মগজুৰ ভিতৰেদি বিজুলীয়াই গ'ল। মই দুনাই আৰু ভাবি নাচাই, হাস্পতালত বেমাৰত পৰি থকা বুলি, ঘৰৰপৰা কপ এশ টকা টেলিগ্ৰামত খুজি পঠিয়ালোঁ।

টকাখিনি হাতত লৈয়ে, মই কেনিও কাকো সম্ভেদ নিদি, একেবাৰে

"পেৰেডাইজ" বুলি উচ্ছ্বাসত লৰি গলোঁ। হৰ্ষত, পুলকত, গৰ্বত মোৰ গোটেই গা-মন উপচি পৰিল।

নিৰ্ভয়ে হোটেলৰ খটখটীৰে ওপৰলৈ উঠি গৈ একেবাৰে মেনেজাৰৰ কোঁঠাৰ আগত ৰৈ, বৰ সম্ভ্ৰমেৰে মাতিলোঁ, মেনেজাৰ বাবু! মেনেজাৰে পৰ্দা আঁতৰাই ভিতৰৰ পৰাই মোৰ মুখলৈ চাই অবাক হৈ ৰ'ল, বাহিৰলৈ ওলাই নাহিল। মই নিজেই পৰ্দা ঠেলি ভিতৰলৈ সোমাই গৈ, হতভম্বৰ দৰে কোঁঠাটোৰ মাজতে ঠিয় হলোঁ।

দেখিলোঁ, অক্ৰুৰ আৰু মেনেজাৰে দুটা যুঁজৰ কুকুৰাৰ দৰে তভক্ মাৰি ইটোৱে সিটোক আক্ৰমণ কৰিবলৈ ৰৈ থকাৰ দৰে যেন ৰৈ আছে। দুয়োৰে কিলাকুটিলৈ কামিজৰ আস্তিন কোঁচোৱা। কপালৰ ওপৰত ঘামৰ ফোঁটা। চুলিৰ ভীষণ খঙাল মূৰ্ত্তি। চকুৰ মণিৰে যেন জুইৰ ফিৰিঙতি ফুটিব লাগিছে। মূৰৰ ওপৰত বিজুলী-বিচনী খোলা। মেজৰ ওপৰত দুটা শুদা "আইছক্ৰীমৰ" বটল। যেন এক পৰ্ব্ব যুদ্ধ শেষ কৰি দুয়ো পক্ষই আকৌ নতুন এখন যুঁজলৈ শক্তি সঞ্চয় কৰিব লাগিছে।

মোক দেখিয়েই মেনেজাৰে টেবুলৰ ওপৰত বৰ ডাঙৰ গধুৰ এটি ভুকু মাৰি আইছক্ৰীমৰ বটল এটা বগৰাই কলে— আপোনালোক সকলো অসমীয়াই এনেকুৱা নিমখহাৰাম। কলিকতাৰ সকলো হোটেলতে নিয়ম হোৱা উচিত যে, আপোনালোকৰ কাৰণে কোনো ঠাই নাই। হোটেলৰ দুৱাৰ-ডলিতে লিখি ৰখা উচিত, "অসমীয়াৰ কাৰণে প্ৰৱেশ নিষেধ।"

এই চ'ক সিদিনাখন মাথোন আপুনি এই ভদ্ৰলোকক টালি-টোপোলাৰ মাজত, হোটেলৰ ডেৰশ টকা মাৰি, আমৰ বস্তাৰ দৰে লুকুৱাই পলুৱাই লৈ গ'ল আৰু কালি মিষ্টাৰ দত্তই মোৰ একেবাৰে তিনি শ টকা খাই উধাও আৰু পলালেতো পলালেই, মোৰ হোটেলৰ এটি ডাঙৰ বদনাম ৰাখি কলেজৰ ছোৱালী এজনী লৈ নিৰুদ্দেশ হ'ল। এনেকুৱা নোহোৱা নোপোজা কেলেঙ্কাৰীৰ কথা, মই নিজে জীৱনত কৰা দূৰৰ কথা, আনে কৰিছে বুলিও কেতিয়াও শুনা নাই। আজি বাদে কালি, এই বিষয় লৈ পুলিচৰ নোটিচ্ আহি উপস্থিত হবলৈ বাধ্য। কাৰণ, সেই ছোৱালীজনীৰ আৰু মোৰ হোটেলৰ দত্তৰ কথা আলি-বাটৰ এটি পানওৱালা পৰ্য্যন্তয়ো জানে। ভেনে-

ফলত, মই নিজেও গৈ পুলিচত এজাহাৰ দিবই লাগিব। তাৰ পিছত, খানাতালাচ, হোটেল "ঘেৰাও," আৰু কত কি! যিহে সন্ত্রাসবাদৰ যুগ, কোনোবাই হয়তো লগাই দিব, দত্ত আৰু ছোৱালীজনী বিপ্লৱী দলৰ আছিল। তেতিয়াৰ তেতিয়াই মোৰ হাতত হাত কেৰয়া, হোটেল বাজেয়াপ্ত, কাৰাবাস, আন্দামান যাত্রা আৰু মৃত্যু!"

বোষ এৰি ভীষণ পৰিতাপত, মেনেজাৰে কপালত বৰ ডাঙৰকৈ এটা ভুকু মাৰি হুকহুকাই কান্দি পেলালে।

মই বাধা দিব খুজি অক্রুৰৰ গাত ধৰি মাতিলোঁ,—অক্রুৰ! অক্রুৰে খঙেৰে মোৰ চকুলৈ চাই, গাৰপৰা হাতখন পেলাই, মোক একো কবলৈ নিদি, মেনেজাৰলৈ উদ্দেশ্য কৰি বৰ আগ্রহ আৰু সহানুভূতিৰে কলে,—

সান্ন্যাল মহাশয়! যোৱা কথা যাবলৈ দিয়ক। মই এই বিজুলী চাকিৰ "বাল্ব" চুই প্রতিজ্ঞা কৰিছোঁ,—আপুনি এই ঘড়ী চাব পাৰে,—এতিয়াৰ পৰা চৌবিশ্ ঘণ্টাৰ ভিতৰত মই যেনে তেনেই মিষ্টাৰ দত্তৰ সন্ধান আনি দিমেই দিম। আপুনি মোৰ বদনাম বুলি ভাবিব পাৰে; কিন্তু, শ্যামবজাৰৰ পৰা কালীঘাটলৈ এনে এখন 'মেছ' বা 'হোটেল' নাই, যত মই ছুদিন থাকি এসাঁজ ভাত খাই অহা নাই। মই যদি বিচাৰিব খোজো, কনক দত্ত যাব কলৈ? তাৰ পিছত, আপোনাৰ মুখত যি শুনিলোঁ, তেওঁৰ বহু দূৰলৈ যোৱাৰ কোনো উপায় নাই। অন্ততঃ ছোৱালীজনীৰ এই অৱস্থাত তেওঁ কেতিয়াও কলিকতা এৰি বাহিৰলৈ যাব নোৱাৰে।

মেনেজাৰে যেন উপস্থিত বিপদৰ পৰা অলপ ৰক্ষা পৰাৰ বিণিকি-বিণিকি আশা দেখি, অক্রুৰৰ চকুলৈ বৰ বেথা লগাই চাই, গাত হাত এখন ৰাখি কলে,—

অক্রুৰবাবু! আপোনাৰ ওপৰত মোৰ যথেষ্ট বিশ্বাস আছে আৰু আজি আশাতীত ৰকমে আপোনাক যেনেকৈ মই লগ পালোঁ, মোৰ অনুমান হৈছে, ঈশ্বৰে আপোনাৰ পৰা মই সহায় পাম বুলিয়েই যেন তাৰ ইঙ্গিত দিছে। মই আপোনাক বিচাৰিছো আজি কলৈকো যোৱা নাছিলোঁ। কালিৰে পৰা সকলো "ষ্টেচন"ৰে ট্রামৰ এখন টিকিট লৈ মই কেৱল মিষ্টাৰ দত্তক হোটেলে

হোটেলে বিচাৰি ফুৰিছিলোঁ। মোৰ ভাগ্য ভাল হঠাতে দুই বজাত আপোনাক "পাইচ্" হোটেললৈ ভাত খাবলৈ যোৱা লগ পালোঁ।

মেনেজাৰ যেন সঁচাকৈয়ে তেনেই শান্ত হ'ল আৰু তেতিয়াই তিনিকাপ চাহ আৰু তিনিটা তপত চিঙৰীৰ কাট্‌লেটৰ কাৰণে অৰ্ডাৰ দিলে।

প্ৰায় পোন্ধৰ মিনিটৰ পিছত, নানা কথা আৰু আলোচনাৰ লগত ছকাপ চাহ আৰু নটা কাট্‌লেট ধ্বংস কৰাৰ অন্তত, মেনেজাৰে অলপ উৎসাহেৰে থিয়দণ্ডা দিলে আৰু 'কেচ্' বাকচ্ খুলি দহ টকাৰ নোট এখন তেতিয়াই উলিয়াই, অক্ৰুৰৰ হাতত সপি দি, লগুণ ডালত ধৰি বৰ দুখেৰে বধ দি কলে।

—অক্ৰুৰ বাবু! বামুণৰ সন্তান। উপাই নাপাই ভাত বেচি পেট পুহিছোঁ। আপোনাৰ ওচৰত একমাত্ৰ মিনতি মোৰ, তাৰ যেন কেতিয়াও মুদা নমৰে। দত্তও অসমীয়া মানুহ আপুনিও অসমীয়া মানুহ। তাতে আপুনি কলিকতাৰ সঁচাকৈয়ে "ঘুঘু"। আপোনাক মই গালি পৰা নাই, সন্মান দেখুৱাইছোঁ। আপুনি যদি দত্তক বিচাৰি উলিয়াব নোৱাৰে তেনেহলে বিচাৰি উলিয়াওঁতা আৰু কোনো নাই। মই জানোঁ আপোনাৰ টকাৰ অভাৱ। সেই কাৰণে বাছ, ট্ৰাম, ৰেস্তোৰা আৰু পান ছিগাৰেটৰ খৰচৰ বাবে এই দহোটা টকা কপ আপোনাক দিছোঁ। সঁচাকৈয়ে চৌবিশ্ ঘণ্টাৰ ভিতৰত যদি আপুনি মোক খবৰটো আনি দিব পাৰে তেনেহলে মই পৰম বন্ধু বুলি আপোনাক বুকুত সাৱটি লম। আৰু 'হোটেল'ত আপোনাৰ পৰা যিখিনি টকা পাব লগা আছে তাৰ কাৰণে আপোনাক কোনো দিনেও আৰু তাগিদা নিদিওঁ। আপোনাৰ যেতিয়াই খুচি তেতিয়াই সেই ধন মোক সোধাই যাব পাৰে।

অক্ৰুৰে টকা দহোটা বৰ আশ্বাসেৰে হাতত লৈ, মেনেজাৰক পৰম নিশ্চিন্ত কৰি, কোঠাৰ পৰা সসন্মানেৰে ওলাই আহিল। আহোঁতে হাতেৰে মোক ঠেলি উলিয়াই দি, খট্‌খটীৰে অতি গম্ভীৰভাৱে লাহে লাহে নামি "পেভ-মেণ্টত" থিয় হ'ল। আৰু বৰ "মেজেষ্টি" ঠাচত চিগাৰেট এটা জলাই চিনেমাৰ সুৰত মাতিলে,—টেক্সি!

গাড়ীত উঠি বহাৰ লগে লগে অক্ৰুৰে লেক্ ৰোড বুলি ড্ৰাইভাৰক ইঙ্গিত দিয়া শুনি মই সন্দিহান হৈ সুধিলোঁ,—অক্ৰুৰ যাবি কলৈ?

অক্রুৰে বৰ খোলা গলেৰে তৃপ্তিৰে হাঁহি, এটা মাৰি, মটৰৰ গদীত বৰ আয়াসেৰে হেলান দি ক'লে,—

—মোনেজাৰৰ 'কাট্‌লেট্' কেইটা খাই পেটটো অলপ গধুৰ গধুৰ যেন লাগিছে। অলপ লেকৰ পাৰেদি পাক এটা মাৰি গাটো কিছু জুৰ লগাই আহোঁ। যদি আহোঁতে মন যায় "চাংওৱাত" সোমাই "ডিনাৰ"টো খাই আহিম। দুপৰীয়া দুই বজাত "পাইচ্" হোটেলত ২ পইচাৰ ভাত, ১ পইচাৰ দাইল আৰু ১ পইচাৰ মৰিচা শাক-ভজা খাইছিলোঁ। হোটেলত ৰাতি "চাংওৱাট" "চিকেন্ চাউ—চাউ" খাবলৈ ওলাইছোঁ। ইয়াকেই বোলে ভাগ্য বিপৰ্যায়!

মই ভালকৈ বুজি নোপোৱাৰ দৰে অঁকৰা-খঙত সুধিলোঁ,

—কেলেই দত্তক বিচাৰি নাযায় জানোঁ?

অক্রুৰে সক ল'বাৰ দৰে কান্ধত হাতখন দি, মৰম কৰি, মোক ওচৰলৈ চপাই আনি ক'লে,

—ইমান দিনেও তই মোক নিচিনিলি ননী! ক'ত কোন প্ৰেমিকে প্ৰেমিকাক লৈ অন্তৰ্দ্ধান হ'ল, মোৰ কাম নাই, তাকে বিচাৰি ফুঁৰো? Love must have its way. ইংৰাজীটো ভুল হৈছে যদি তই শুধৰাই লবি। প্ৰেমৰ পথ উন্মুক্ত হোৱা উচিত, তাকেই মই বিশ্বাস কৰোঁ। কোনো-বাই যদি পলাই যায় তেনেহ'লে তাক পলাবলৈ দিয়া উচিত; কিয়নো তাক ধৰিবলৈ গলে নিজৰো এদিন পলোৱাৰ বাট বন্ধ হয়। নিজলৈ সুবিধা দেখি, দল পাই দুআষাৰ কলোঁ আৰু তাৰ কাৰণে দহ টকাৰ এই "জয়ৰাইড" আৰু "চাংওৱাৰ" ডিনাৰ উচল হ'ল। এই দুটা মিছা কথা কোৱাৰ বাবে মোৰ পাপ লাগিলনে নাই, নতুবা ভগৱানৰ "ছেক্ৰেটেৰিয়েট" অফিচত বহি কোনোবাই কৰবাত "ছুটহেও" ললে নে নাই, সেই কথা ভাবি বৰ্ত্তমান সুখ নষ্ট কৰাৰ মই কোনো সকাম নেদেখোঁ। তাৰ পিছত, মোৰ নীতিৰ পক্ষৰ পৰাও দত্তক ধৰাই দিয়া মোৰ অন্যায়। তিনি শ কেলেই তিনি হেজাৰ টকা কোনোবাই মাৰি গলেও মই তাত বাধা দিব নোৱাৰোঁ। মই বাছিয়ান সাম্যবাদৰ বৰ ডাঙৰ এজন ভক্ত। টকাৰ সমানে লেন-দেন্ আৰু ভাগ-বাট হোৱা উচিত, তাকেই মই বিশ্বাস কৰোঁ। কলিকতালৈ আহি বঙালী হোটে-

লৰ পৰা যদি আমি চুটকা হজম কৰিবই নোৱাৰিলোঁ, তেনেহ'লে বঙালীয়ে অতদিনে আমাৰ পৰা চুঁচি অনা ইমানবোৰ টকা কি উপায়ে বাক উচল কৰিম ? এয়েই মোৰ উগ্ৰ সংৰক্ষিণীৰ ফিলছফি।"

দুই·········

আৰু চাৰিটি বছৰ পিছৰ কথা।

মাত্ৰ এবছৰ আই-এৰ বাটত বাধা পাই, তেতিয়া বি-এৰ চতুৰ্থ বাৰ্ষিক গৈ পাইছোঁ।

চলন ফুৰণত কিছু গাম্ভীৰ্য্য, চিন্তাত কিছু দূৰদৰ্শিতা, প্ৰাণত কিছু ঈশ্বৰ ভয় আৰু ধৰ্ম্ম-চিন্তা আহিছে।

আমাৰ দেশত গড়ে-পতি মানুহৰ জীৱনকাল চৌবিশ্ বছৰ বুলি গণনাই কয়। সেই অনুপাতে চাবলৈ গলে আমাৰ যৌৱন ষোল বছৰতে বা তাৰো আগতে এদিন গম নোহোৱাকৈয়ে কেতিয়াবা পাৰ হৈ যায়। গতিকে তাৰ বছৰ পিছত, আমি যেতিয়া কলেজ এৰোঁ এৰোঁ হওঁ বা কলেজ এৰি জীৱনৰ প্ৰৱেশ দ্বাৰত সোমাব নোৱাৰি, চাৰিওপিনে প্ৰৱেশ নিষেধবোৰত ঢকিয়াই ফুৰোঁ, তেতিয়াই আমাৰ বহুতৰে, আধা প্ৰৌঢ়ত্ব উপস্থিত হৈ, হিতোপদেশৰ সেই জড়দগৱৰ দৰে, "সকলানি ইন্দ্ৰিয়ানি বিকলানি", এই অৱস্থা হয়গৈ। গতিকে একো আচৰিত হোৱা কথা নহয়, আমাৰ সংসাৰ আৰম্ভণিৰ লগে লগে বিদায় সঙ্গীতৰ শেষ করুণ বিননি আহি কাণত পৰে। বিবাহৰ পিছদিনাখনেই আমি ভৱিষ্যতৰ ক'লা ডাৱৰ দেখি উচপ্ খাই উঠি "ফেমিলি প্ৰভিজন"ৰ কাৰণে ইন্সিওৰেন্স এজেণ্ট বিচাৰি হাবাথুৰি খাওঁ। চাহ এৰি অভেল্‌টিনত ধৰোঁ। দেওবাৰে মাছ মঙহ এৰি নিৰামিষাসী হওঁ। বায়ুৰ দোষত "ইনফ্লুৱেঞ্জা"ত ভুগি মহাভৃঙ্গৰাজ তেল ব্যৱহাৰ কৰোঁ।

যক, ইমান দূৰলৈ যোৱা মোৰ উদ্দেশ্য নহয়। কৈছিলোঁ, তেতিয়া স্বভাৱত, দেহৰ আৰু মনৰ বলত, কিছু মিতাচাৰিটা, কিছু চিন্তাৰ গুৰুত্ব, কিছু বিষাদবাদ আহি উপস্থিত হৈছিল। কোনেই মই নিজেই কব নোৱাৰিছিলোঁ। অক্ৰুৰ তেতিয়া মোৰ লগত নাছিল। তাৰ দুবছৰ আগতে সি এদিন কলিকতাৰ কাৰ্য্য শেষ কৰি, মোৰপৰা বিদায় লৈ ৰেঙ্গুনেৰে চিন্তাপুৰ

ওলাইছিলগৈ। তাৰ বহুদিন পিছত এদিন ল্যংহাইৰ মোহৰ মৰা এখন চিঠি তাৰপৰা পাইছিলোঁ। কিন্তু তথাপি মই তাত অকণো আচৰিত হোৱা নাছিলোঁ। ছাংহাই কেলেই, অক্রুৰৰ পৰা এদিন এখন চিঠি পাওঁ যে সি নিউফাউণ্ডলেণ্ডত ডমিছাইল্ড হৈ এস্কিমো ছোৱালী এজনী বিয়া কৰাই "ছিল্" মাছৰ তেল খাই জীয়াই আছে, তথাপি মই তাক নির্বিবাদে বিশ্বাস কৰিম। ইমানেই ভালকৈ মই অক্রুৰক চিনি পাওঁ।

য'ক, মই তেতিয়া স্কটিছৰ ফোর্থ ইয়াৰত পঢ়িছিলোঁ। ভাল লʼৰাৰ দৰে সদায় বহী-কিতাপ লৈ ক্লাছলৈ অহা যোৱা কৰিছিলোঁ। প্ৰফেচৰে যি কয় তাকে মনোযোগ দি নোটত তুলি লৈছিলোঁ। পৰাপক্ষত লগৰ সঙ্গীসকলৰ পৰা আঁতৰে আঁতৰে ফুৰিছিলোঁ। বিশেষকৈ ৰঙ্গিনী সকলৰ লগত মোৰ মনৰ কোনো সম্বন্ধই নাছিল। মুঠতে, যি ধুমুহাৰে কলিকতাৰ কলেজৰ জীৱন আৰম্ভ কৰিছিলোঁ, সি তেনেই শাম-কাটি স্থিৰণিত উপস্থিত হৈছিলহি। বোধকৰোঁ মোৰ জীৱনৰ প্ৰথম "বোমাজাটোতে বৰ বেয়াকৈ বাধা পাই মনত এই অস্বাভাৱিক তিক্ততা আৰু বৈৰাগ্য আহি সোমাইছিল।

কিন্তু তথাপি এটা নতুন বস্তুত মই জান-প্ৰাণ দি খাটিছিলোঁ। সেইটো হৈছে কলিকতাৰ এ-এছ-এল্ ক্লাব। ক্লাবৰ মিটিং "অৰ্গেনাইজ্" কৰাত, চাঁদা তোলাত, মানুহ নিমন্ত্ৰণ কৰাত, বিহুৰ আয়োজন কৰাত, মই সকলোৰে অগ্ৰণী হৈ তেতিয়া কাম কৰিছিলোঁ। মোৰ সহায় আৰু সাৰথি হৈ, মোৰ সকলোবোৰ কামতে সোঁহাতৰ দৰে ফুৰিছিল, মোৰ নতুন এজন স্কটিছৰ বন্ধু—বদন শৰ্ম্মাই।

অকল এই ক্লাবৰ সূত্ৰতে বদনৰ লগত মোৰ ইমান ঘনিষ্ঠতা হ'বলৈ পালে। বদনৰ ককাইদেৰেকে বহুদিনৰপৰা কলিকতা হাইকোৰ্টত ওকালতি কৰে আৰু ইংৰাজী আইনৰ পত্ৰিকা এখনত সম্পাদকীয়ও লিখে।

মই প্ৰায়ে কলেজৰ পৰা বাহিৰে বাহিৰে বদনৰ লগতে ওলাই গৈ সিহঁতৰ ভৱানীপুৰৰ অতি আওহতীয়া ঠাইৰ ঘৰটো পাওঁগৈ। আৰু বদনৰ ককাইদেৰেক ন-বোৱেক, ভনীয়েক সকলোৰে লগত একেলগে ভাতে ফুৰি, বাহি হোষ্টেললৈ উভতি আহিব লগা সময়খিনিতহে অকল হোষ্টেললৈ উভতি আহোঁ। কেতিয়াবা নুফুৰিলেও বদনহঁতৰ ঘৰতে বহি, কথা পাতি,

বদনৰ ভনীয়েক আৰতিৰ গান আৰু আবৃত্তি আদি শুনি, বদনৰ ন-বোৱেকৰ লগত বামুণৰ বিধৱা বিৱাহ, শান্তি-বিৱাহৰ সম্বন্ধে নানা তর্ক আলোচনা কৰি সন্ধিয়াৰ সময়খিনি কটাই দিওঁ।

সিবেলি বিহুলৈ মাথোন অলপ কেইদিনমান বাকী আছে। মই আৰু বদন দুয়ো অতিপাতকৈ দিনে-নিশাই খাটি বিহুৰ কাৰণে নানা আয়োজন আৰু পৰিকল্পনা ভাবি উলিওৱাত ব্যস্ত। আমাৰ দুয়োৰো সম্মিলিত ইচ্ছা, আমি যি কোনো প্ৰকাৰেই নহওক ইবেলিৰ বিহুতো কলিকতাৰ বিহুৰ বুৰঞ্জীত এটা লেখত লবলগীয়া উৎসৱ কৰি গঢ়ি তুলিম। সেইকাৰণে দুয়ো এমাহমান আগৰ পৰাই ভাত-পানী কলেজ-ক্লাচ, কিতাপ এৰি কেৱল বিহুৰ সম্ভাৱত লাগিছোঁ। আৰু চৌবিশ ঘন্টাই কলিকতাৰ অলিয়ে গলিয়ে উলো উলোকে ঘূৰি ফুৰি অসমীয়া মানুহৰ নাম গোটাই ফুৰিছোঁ। আমাৰ একান্ত ইচ্ছা আৰু অভিপ্ৰায় যেন যিমানেই নগণ্য আৰু আচুতীয়া ঠাইতে থকা নহওক কিয় কোনো অসমীয়া মানুহেই যেন অন্ততঃ নিমন্ত্ৰণৰপৰা এইবাৰ বাদ নপৰে।

এদিন দেওবাৰে। ৰাতিপুৱাই বদনে আৰু মই ভাত খাই উঠিয়েই গোটেই দিনটো ভৱানীপুৰ, কালীঘাট, বালিগঞ্জ, টালিগঞ্জ, গৰিয়াহাটা, মুৰগী-হাটা ইত্যাদি দক্ষিণ কলিকতাৰ সকলো ঠাইবোৰ ফুৰি আহি পাচোঁটামান বজাত বদনহঁতৰ ঘৰত পায় আধা বেহুচ হোৱাৰ দৰে সোমাইছোঁ আৰু কোনো ৰকমে চোফাত দুয়ো দেহ দুটা পেলাই দি দুজনৰ ভিতৰতে দিনটোৰ কাৰ্য্যতালিকা আৰু কৃতকাৰ্য্যতাৰ বিষয়ে আলাপ কৰি তৃপ্তি লভিছোঁ। কোনোবা এজনে গৈ ঘৰৰ ভিতৰত চুকাপ চাহৰ কথা কম, ইমানকন শক্তিও কাৰো গাত নাই।

কিন্তু বদনৰ নবৌয়েক অতি হিচাবী গৃহ-কৰ্ত্ৰী। "বাবুৰ" পৰা ঘৰৰ "ঝী' লৈ সকলোৰে ওপৰত তেখেতৰ চকু সমানে থাকে। সেইদৰে অলপ বহাৰ পিছতেই তেখেতে নিজেই আহি আমাৰ আগত দুকাপ গৰম 'ককো' আৰু দুখন থাল আনি হাজিৰ কৰিলে। আৰু আমিও তৃপ্তিতে গদ্‌গদ্ হৈ তেওঁৰ আগত আমাৰ দিনটোৰ অনুসন্ধানৰ কথা খিৰবি কৰবলৈ আৰম্ভ কৰিলোঁ। অলপ পিছতে আৰতিয়ে থাল এখনত ঘৰতে

কৰা ছুটামান কেক লৈ আমাৰ কথোপকথনত যোগ দিলেহি আৰু গোটেই বায়ু মণ্ডলকে যথেষ্ট লঘু কৰি গভীৰ ৰসিকতাত কলে,—

—ননী ককাইকেউ ! আৰু সককাইদেউ ! আপোনালোকে ইমান দেহে কেহে বিহুৰ বাবে খাটিছে আৰু তাৰ কাৰণে আমি সকলোৱে আপোনালোকৰ এইদৰে শলাগ লৈছোঁ হয়; কিন্তু মোৰ কথামতে আপোনালোকে যদি কলিকতা প্ৰৱাসী কেজনমান অসমীয়াক ইবেলি বিহুলৈ নামাতে তেনেহলে আপোনালোকৰ সকলো পুৰুষাৰ্থই ব্যৰ্থ হব। মই আজি কেবাদিনৰ পৰা কথাষাৰ কওঁ কওঁ বুলি ভাবি আছো। মই সঁচাকৈয়ে সিহঁতৰ কাৰণে বৰ ভাবো দেই! বেচেৰাহঁতো অসমৰ। ইমানদিনে কলিকতাত আমাৰ প্ৰতিনিধি হৈ আছে। তথাপি আমি কোনোদিনেই বিহুলৈ সিহঁতক মতা নাই।

আমি আৰতিৰ ইঙ্গিতটো সমূলি বুজি নাপাই, দুয়ো সঁচাকৈয়ে বৰ ব্যগ্ৰভাৱে একেলগে প্ৰশ্ন কৰিলোঁ।

—তেনে কথা কেতিয়াও হবই নোৱাৰে আৰতি! বিহুৰ নিমন্ত্ৰণৰ পৰা কোনো অসমীয়াই বাদ যাব নোৱাৰে। তুমি আমাক নামকেইটা দিয়া। আমি লাগিলে এতিয়াই মাতি থৈ আহোঁগে।

আৰতিয়ে নিজৰ অভিষ্ট সিদ্ধি হোৱা যেন দেখি, হোঃ হোঃ কৈ হাঁহি বাগৰি পৰিব খুজি কোনোমতে কলে;

—তেনেহলে এতিয়াই আলিপুৰ.ল যকগৈ আৰু তাৰ "জুত থকা অসমৰ বান্দৰ কেইটা, হৰিণা জাক আৰু শিয়ালটোক ভালকৈ শৰাই এখন দি মাতি থৈ আহকগৈ, সিহঁতো তো অসমৰে প্ৰাণী! কেনৈ বেচেৰা-হঁতে সদায় এনে বিছচেৰা হৈ থাকিব? মই তাকেই ভাবোঁ।

আৰতিৰ এই শিশু সুলভ ৰসিকতাত এটি ডাঙৰ হাঁহিৰ খলকনি উঠিল। কিছু লঘু কথাৰ অৱতাৰণা হ'ল। আমি সকলোৱে মিলি আৰতিৰ এনে সুন্দৰ পৰামৰ্শৰ কাৰণে তেওঁকেই আমি সেই নিমন্ত্ৰণলৈ যাবলৈ অনুৰোধ কৰিলোঁ।

তাৰ থিক এবছৰৰ পিছৰ কথা।

ঘটনাৰ অলপ পৰিবৰ্ত্তন হৈছে। বদনৰ বোৱেক ঘৰৰ ভিতৰত কিবা কামত ব্য[illegible] আমি দুয়ো সিদিনা গোটেই দিনে গোটাই অনা নামবোৰৰ তালিকা লৈ, আকৌ নতুনকৈ বিধে বিধে সজাই লিখিব লাগিছোঁ আৰু আৰতিয়ে আমাৰ কামতে অলপ আঁতৰত বহি, ধোবাৰ হিচাবৰ বহীখন লৈ ধোবাৰপৰা কাপোৰ মিলাই লবলৈ ধৰিলে।

নিজৰ কামৰ পৰা হঠাতে এবেলি কাণ থিয় কৰি শুনিলোঁ, আৰতিয়ে ধোবাৰ হিচাবত কিবা ভুল পাই তাৰ লগত বৰ খঙেৰে কথা কৈছে আৰু ধোবায়ো বিপদত পৰাৰ দৰে নিজক সকৰাবলৈ অলপ চেষ্টা কৰিছে।

এবেলি চকুলৈ চকু তুলি চাওঁতেই আৰতিয়ে গোচৰ দি ক'লে,

—ননীককাইদেউ! চ'কচোন বাৰু এই ধোবাৰ লগত কেনেকৈ যুঁজা যায়? ফুলাম গামোচা এখন ধুবলৈ দিলেই সি আহি নিৰ্ঘাতকৈ ক'ব "মাইজী থোৱা গিয়া" নহ'লে "গাধ্বী খা লিয়া"। কিজানি আজিলৈকে হিচাৰ কৰি চালে সি কুৰিখনমান আমাৰ গামোচা হজম কৰিলে। নিশ্চয় সি সেইবোৰ নি কৰবাত বেচে, নহ'লে কাৰবাক দিয়েগৈ।

কথাবাৰ অলপ গৰম হ'ল। ঘৰৰ সকলোৱে আহি ধোবাক আগুৰি বেঢ়ি ধৰিলে। বদনৰ ন-বোৱেকেও ধোবাক আহি দোষী সাব্যস্ত কৰি হু-আষাৰমান ক'লে। বদনৰ সৰু ভায়েক ৰমেনে সকলোকে ঠেলি, জুমুৰিৰ মাজেৰে সোমাই গৈ, ধোবাৰ টোপোলাটো আক্ৰমণ কৰি, টোপোলাবন্ধা কাপোৰখন খুলি পেলাই দিলে। ছেদেলি-ভেদেলি হৈ পৰা ধোবাৰ কাপোৰৰ জাপৰ ভিতৰত আৰু এখন অসমীয়া গামোচা দেখি সকলোৰে গিৰ্জনিত চিঞৰ মাৰি উঠিল। ধোবাই বহু যত্নেৰে তাৰ কাপোৰবোৰ ৰক্ষা কৰিবলৈ এটা ব্যৰ্থ প্ৰয়াস কৰি অনুনয়ত ক'লে যে, সেই গামোচাখন ইঘৰৰ নহয়। অলপ আঁতৰত এটা গলিৰ ভিতৰত থকা এঘৰ অইন মানুহৰ। তাৰ কথাত প্ৰত্যয় নিয়াবলৈ সি নিজেই জাপৰ পৰা গামোচাৰ লগৰ আটাইবোৰ কাপোৰকে উলিয়াই সকলোকে দেখুৱাই ক'লে যে, সেই দাগৰে গামোচাৰ লগত আৰু দুখন মুগাৰ মেখেলা, দুখন সূতাৰ বিহা, এটা চেমিজ, তিনিটা পেনী আৰু দুখন ধুতি আছে।

ধোবাক হাতে লোতৰে দোষী থিবাং কৰিব নোৱাৰি সকলোৱে অলপ সাম্য হ'ল। ইজনে সিজনৰ মুখলৈ চোৱা-চুই কৰিবলৈ ধৰিলে, বেচেৰা ধোবায়ো অলপ সকাহ পাই সুস্থিৰ হবলৈ বিচাৰিলে।

বদনে নিঃশব্দে ইমানপৰে সকলো ঘটনাকে মনোযোগেৰে পৰ্য্যবেক্ষণ কৰি আছিল। সকলোৱে নিৱব্ন হোৱাৰ পিছত সি ধোবাৰ টোপোলাৰ ওপৰত পৰি থকা সেই কাপোৰখিনি চাই, হঠাতে তন্দ্ৰাৱপৰা উঠাৰ দৰে মোক উদ্দেশ্য কৰি বৰ ডাঙৰ চিঞৰ এটা মাৰি ক'লে।

—ননী, তুমি ভাবি চাইছানে নাই, এই কাপোৰবোৰ নিশ্চয় কোনোবা অসমীয়া মানুহৰ হবই হব। মেখেলা, ৰিহা, গামোচা, আটাইবোৰ বঙালী মানুহৰ কেতিয়াও হব নোৱাৰে। কিন্তু ধোবাই যি ক'লে, অলপ আঁতৰৰ গলিৰ মাজত কোনে অসমীয়া মানুহৰেতো ঘৰ থকা কথা আমি নাজানোঁ? যদি সেয়ে হয়, আমি এতিয়াই ধোবাৰ লগতে তাৰ অনুসন্ধানত ওলোৱা উচিত।

বদনৰ বক্তব্যৰ পিছত কথাটোৱে সম্পূৰ্ণ এটা নতুন গতি ললে। ধোবাই ভৱিষ্যতৰ কাৰণে এটা হুমকি খাই নিষ্কৃতি পালে। আৰু আমি দুয়ো তেতিয়াই যথেষ্ট ক্লান্ত হ'লেও ধোবাৰ লগতে আমাৰ অনুসন্ধানত ওলালোঁ।

গলি এৰি গলি। তাৰে ভিতৰত আৰু এটা সৰু গলি। বাটৰ পুতলখিনি ইমান ঠেক যে, হাত মেলিলেই যেন দুয়োকাষৰ চাপৰ চাপৰ ঘৰবোৰ হাতৰ আঙুলিৰেই ঢুকি পায়। এনেকুৱা কুৎচ, লেতেৰা, ৰ'দ-বা নপৰা আচুটীয়া ঠাইত কোনো মানুহ বিশেষকৈ অসমীয়া মানুহে যে থাকিব পাৰে, ই আমাৰ ধাৰণাৰো অতীত আছিল। "কলিকতাৰ ৰহস্যাৱলী" বোলা ইংৰাজী কিতাপখন মই পঢ়িছিলোঁ। কিন্তু এনে এডাখৰ ঠাইৰ বৰ্ণনা ক'তো লগ পোৱা নাই।

ধোবাৰ পাছে পাছে বিনা প্ৰশ্নে গৈ গৈ শেষত আমাৰ লাহে লাহে সন্দেহৰ বিভীষিকা বাঢ়ি আহিবলৈ ধৰিলে, ভয় হ'ল, কলিকতাৰ গুণ্ডাবোৰৰ দৰে ধোবাই মিছাকৈ বাট দেখুৱাই নি নি আমাৰ ডিঙিত ছুৰী বহুৱাৰ খোজা নাইতো?

কিন্তু প্ৰায় পোন্ধৰ মিনিটমান সেইদৰে লাহে লাহে যোৱাৰ পিছত ধোবাই ৰিক্সা পুৰণিকলীয়া সৰু আধা ভঙা ইটাৰ পকী দোতালা ঘৰ এটিৰ সন্মুখত থিয় কৰালে। আৰু সেই ঘৰটোলৈকেই আঙুলিয়াই ক'লে, এইটোৱেই তাৰ "বাবুৰ" ঘৰ।

ঘৰৰ তল ওলাত সৰু সোণাৰিৰ দোকান এখন। ওপৰ তলাৰ খোঁটালী দুটাৰ ভিতৰৰপৰা দুৱাৰ-খিৰিকী বন্ধ।

ধোবাক সেইখিনিতেই বিদায় দি আৰু তাৰ অবিহনে আমি আকৌ উভতি আমাৰ মূল বাট উলিয়াব পাৰিমনে নোৱাৰিম সেই বিষয়ে নিশ্চিন্ত হৈ আমি লাহে লাহে সোণাৰিৰ দোকানৰ ভিতৰ সোমালোঁগৈ। আৰু বৰ দুখে ভাগৰে দুৰ্বণি ঠাইৰ পৰা অহা যেন দেখুৱাই, পাৰি থোৱা কাঠৰ বেঞ্চ এখনতে বহিলে বৰ অনুনয়ও কথা জুৰিলোঁ। সোণাৰিয়ে জুই ফুৱাই থকা ৰঙাপৰা মুখখন লাহেকৈ তুলি, নাকৰ ওপৰত নমোৱা বিত্চকুযোৰৰ কাঁচৰ ওপৰেদি চাই আমাৰ কথাৰ উত্তৰ দিলে।

আমি কলোঁ, আমি অসমীয়া মানুহ। বহু দূৰৰপৰা বাটকুৰিবাই আহিছোঁ। শুনিছো, ওপৰৰ ঘৰত নেকি কোনোবা অসমীয়া মানুহ থাকে। তেওঁলোকাৰেই খবৰ আমাক লাগে।

ক'লে—বাবু বাবুৱনী বৰ্ত্তমান ঘৰত কোনো নাই। দুপৰীয়াতেই তেওঁলোক দুয়ো তেওঁলোকৰ সৰু কণীয়া ল'ৰাটো হস্পিতালত থবলৈ গৈছে। এতিয়াও উলটি অহা নাই।

আমাৰ আৰু প্ৰশ্নৰ উত্তৰত বুঢ়াই কলে যে বাবুৰ সম্পূৰ্ণ নামটো সি নাজানে। আজি চাৰি বছৰ হ'ল, তেওঁ ভাইঁতৰে এই ঘৰতেই আছে কিন্তু সদায় তেওঁক "মাষ্টাৰ বাবু" বুলিয়েই মাতে। কিয়নো ইয়ালৈ আহিয়েই তেওঁ ওচৰৰে মাইনৰ স্কুল এখনত মাষ্টৰী কৰিছিল। এতিয়া শৰীৰ বৰ ভাল নহয়। এবছৰমান ঘৰতেই বহি আছে।

তেওঁলোকৰ ঘৰত কোৱা কথা-বতৰা আৰু বিশেষকৈ বাবুৱনীৰ পিন্ধা-উৰা কাপোৰ-কানিবোৰ অলপ আচহুৱা ধৰণৰ। পোনতে তেওঁলোক ইয়ালৈ আহিলত, সোধোতে অসম দেশৰ মানুহ বুলি কৈছিল কিন্তু বুঢ়াই আজিলৈকে কোনো অসম দেশৰ মানুহকে দেখা নাই আৰু তেওঁলোক

দেখিবলৈ কোনেক্সা সি সমূলি নাজানে আৰু আজিলৈকে এই ঘৰলৈ কোনো অসমীয়া মানুহকে অহা সি দেখা নাই। বাবুৱনীয়ে সিইতৰ লগত কথা ক'লে অতি সুন্দৰ নিভাঁজ বঙালী:ৰ কথা কয়। নকলে কোনেও ভেওঁলোকক অবঙালী বুলি ধৰিব নোৱাৰে।

বাবুৱনীৰ কথা সুধিলত বুঢাই ক'লে, বাবুৱনী বৰ লক্ষ্মী ছোৱালী। ঘৰৰ কাম বন সকলো নিজেই কৰে। আৰু অতি আচৰিত ৰকমে তাঁতত কাপোৰ বৰ আৰু ফুল তুলিব জানে। তাহানি হেনো বাবুৱনীয়ে কলেজতো পঢ়িছিল। কিন্তু এতিয়া হ'লে বেচাৰীৰ মনত বৰ দুখ। ডাঙৰ ল'ৰাটো ওপজাৰে পৰা জন্মান্ধ আৰু খোৰা। সৰু ল'ৰাটোও অতিপাত কণীয়া। তাতে ঘৰৰ অৱস্থাও এতিয়া বৰ স্বচ্ছল নহয়। সেইকাৰণে বেচেৰীয়ে কৰবাত কোনোবা এটা নাৰ্চিং হোম'ত বোলে নাৰ্চিং শিকিছে।

অতি মনোযোগেৰে বুঢাৰ বিবৃতিবোৰ শুনি বাঢ়ি অহা ৰাতিৰ আন্ধাৰলৈ চাই, মই অতি অন্যমনস্কৰ দৰে বদনক মাতি কলোঁ,—

—বদন, বলা যাওঁগৈ।

বদনে হঠাতেই আচৰিত হোৱাৰ দৰে মোৰ চকুলৈ চাই ভীষণ কৰ্কশ সুৰত প্ৰশ্ন কৰিলে,—ইমান সোনকালে যে?

বোধিব নোৱাৰা বুকুৰ বৰ ডাঙৰ উথল মাথলৰ শোকৰ বাঁধাবলী এটা কোনোৰকমে বন্ধ কৰিব নোৱাৰি, মই অন্তৰৰ আকুল বেথাত ক'লোঁ—

—বদন, এওঁলোক দুয়োকেই মই চিনি পাইছোঁ আৰু বহুদিন আগৰে পৰা চিনি পাওঁ। আজি জীৱনৰ মোৰ বৰ ডাঙৰ অনুসন্ধান এটিৰ শেষ পৰিল।

মোৰ হঠাতেই ইমান সোনকালে বৰ ডাঙৰ মানসিক পৰিৱৰ্তন এটি হোৱা দেখি বদনে মাথোন অবাক হৈ মোৰ মুখলৈ চালে। মই নিজেই বুঢাক মাত লগাই, ৰাতি হৈ অহাৰ অজুহাত দেখুৱাই আৰু আন এদিন আহি থকৰ লোৱাৰ কথা কৈ, লাহে লাহে উঠি আলিবাটলৈ ওলাই আহিলোঁ। বদন বৰ বিমোৰত পৰাৰ দৰে আচৰিত হৈ কেৱল মোৰ পাছে পাছে উঠি আহিল।

আলি-বাটত কিছুদূৰ খোজকাঢ়ি লৈ, মনটো অলপ শাসনলৈ আনি, মই বদনক লাহে লাহে বেদনাৰ সুৰত ক'লোঁ,—

বদন, জীৱনৰ এটা বৰ ডাঙৰ ঘটনাৰ কথা আজি তোমাৰ আগত কম। কিন্তু ধীৰে-সুস্থিৰে কবলৈ তুমি মোক যথেষ্ট সময় দিব লাগিব।

আকৌ সেই লেতেৰা, কুচ্চ, আন্ধাৰ, ভিজা গলিবোৰ আৰম্ভ হ'ল। কোনোমতে সাৱধানে বাট-পথ মনি মনি আমি দুয়ো মূল বাটলৈ আগবাঢ়ি আহিবলৈ ধৰিলোঁ। বদনে যন্ত্ৰ-চালিতৰ দৰে মাথোন মোক অনুসৰণ কৰি মোৰ মনৰ অৱস্থালৈ চাই সহানুভূতিত কোনো প্ৰশ্ন কেই উত্থাপন নকৰিলে।

অতি কষ্টে, নিৰৱে, সংযত হৈ প্ৰায় আধা ঘণ্টামানৰ মূৰত আমি দুয়ো মূল আলি-বাটৰ মূৰত আহি ওলালোঁ আৰু তাৰে লেম্প-পোষ্ট এটাৰ তলত থিয় হৈ ঘৰমুখীয়া বাছৰ কাৰণে অপেক্ষা কৰিবলৈ ধৰিলোঁ।

দহ মিনিটমান আমি দুয়ো সেইদৰে থিয় হৈ ৰৈ আছোঁ। বদনৰ আগত অন্তৰৰ কথাখিনি সদৰী কৰি দিওঁ বুলি মই কেবা বেলিও মনতে ভাবিছোঁ, কিন্তু দিব পৰা নাই।

এনেতে আনপিনৰ পৰা যাত্ৰী বোজাই আন এখন বাছ আহি আমাৰ অলপ আঁতৰত ৰ'ল আৰু আমি দুয়ো তালৈ চকু তুলি চালোঁ।

দেখিলোঁ, সম্পূৰ্ণ গতিৰোধ কৰা দোতলা বাছ এখনৰ পৰা নামিলে প্ৰথমে এগৰাকী তিৰুতা, ক'লা সাজ পিন্ধা নিস্তেজ জীৰ্ণা, শীৰ্ণা, অৰ্দ্ধ-প্ৰৌঢ়া আৰু তাৰ পিছত ঠিক সেই দেহৰ দুৰ্বল অৱস্থাৰ এজন আদ-বয়সীয়া, তালুত চুলি নোহোৱা কুঁজাপৰা কণীয়া মানুহ। সমশেষত দুয়োৰে হাতত ধৰি এটি প্ৰায় চাৰি বছৰমান বয়সৰ ক্ষীণ, অন্ধ, খোৰা ল'ৰা।

লেমৰ পোহৰত, নিৰৱে থিয় হৈ, নিষ্প্ৰাণ, নিস্পন্দ সেই তিনিওটি আচৰিত প্ৰাণীকে ছাঁৰ দৰে লাহে লাহে আন্ধাৰত মিলি যাবলৈ দি, মই বদনক সম্বোধন কৰি বহুপৰৰ নিস্তব্ধতা ভাঙি কলোঁ,—

—বদন, এইটিয়ে আমাৰ অনুসন্ধানৰ সেই ৰহস্যময় পৰিয়াল। জীৱনৰ চাৰিবছৰ আগেয়ে সম্ভেদ হেৰাই আজি আকৌ এনে অস্বাভাৱিক ৰকমে বিচাৰি পাইছোঁ। আজিও যে আমাৰ স্কটিছৰ ছাত্ৰ মহলত আলোচনা

হয়, এয়েই সেই অপবা চলিহা আৰু কনক দত্ত। আৰু সেইটিয়েই তেওঁলোক দুজনৰ স্নেহজাত প্ৰথম সন্তান।

তিনি·· ······

আৰু চাৰিটি বছৰ পিছৰ কথা।

দুবছৰ এম-এ আৰু ল'ৰ সোৱাদ লৈ, কোনো এটিও পাছ কৰিব নোৱাৰি, খিলঙৰ চাকৰি বজাৰত আহি মোনা পাতি ফুৰিছো। তাৰ এটি প্ৰধান কাৰণ হৈছে অক্ৰৰ আকৰ্ষণ।

জগতত বহু ডাঙৰ ডাঙৰ ভৱিষ্যত বাণী নষ্ট হৈ যোৱাৰ দৰে অক্ৰুৰৰ বিষয়ে কথা মোৰো ভৱিষ্যত বাণীটো শেষত গৈ একপ্ৰকাৰ মিছাতেই পৰিণত হ'ল। কাৰণ, চিঙ্গাপুৰ, হংকং, নিউকাউণ্ডলেণ্ড ক'তো ডমিচাইল্ড নহৈ অক্ৰুৰে শেষত গৈ খিলং পাহাৰতে আহি শিপা পুতিলে। আৰু খিলঙৰ ব্যৱসায় ক্ষেত্ৰত "দি নিউ পেৰেডাইজ হোটেল এণ্ড ৰেস্তোঁৰা"ৰ একমাত্ৰ মালিক আৰু পৰিচালক হৈ পৰিল।

অসমীয়া বাতৰি কাকতত বৰ ডাঙৰ ডাঙৰ ক'লা আখৰেৰে লিখা অক্ৰুৰৰ হোটেলৰ জাননীবোৰ পঢ়ি মই প্ৰথমতে ভাবিছিলোঁ, পৃথিৱীত ইমানবোৰ অইন অইন ব্যৱসায় থাকোঁতে হোটেলৰ প্ৰতি অক্ৰুৰৰ চকু কেলেই গ'ল? মই বহুদিন পিছত ভাবি পাইছিলোঁ যে, গোটেই জীৱনেই হোটেলৰ টকাৰে পৰিপুষ্ট হৈ বোধকৰো শেষ বয়সত সি এতিয়া তাৰে কিছু প্ৰায়শ্চিত্ত কৰিবলৈ বিচাৰিছে।

অক্ৰুৰৰ হোটেলত বিশেষজ্ঞ আৰু আইনজ্ঞ হিচাবে সাহায্য কৰিবলৈ চিঠি, নিমন্ত্ৰণৰ উপৰি নিমন্ত্ৰণ পাই মই এবাৰ নোৱাৰি এদিন খিলং টিলত উঠিলোঁহি। আৰু বৰবজাৰ পাৰ নৌ হওঁতেই মটৰৰপৰা, গাৰীখানাৰ মাজত, কেইখনমান মুচী আৰু দেহোৱালী মিঠাইওৱালাৰ দোকানৰ লগত ভালৈ যোৱা এটা গলিৰ মুখত, ভিতৰলৈ আঙুলিৰে বাট দেখুৱাই দিয়া, অক্ৰুৰৰ হোটেলৰ ছাইনবৰ্ডখন দেখি মোৰ মনটো অলপ কোঁচ খাই প'ল।

দেখিলোঁ জাননীত ডাঙৰ ডাঙৰকৈ লিখা "সন্মুখত ঘন মুদ্ৰকৰ সৰল গছৰ শাৰীৰ দৃশ্যৰ" পৰিৱৰ্তে শাৰী পতা কিছুমান বজাৰৰ দোকান আৰু পিছ

পিনে "প্ৰকৃতি জীয়ৰী নিজৰা এটিৰ অপূৰ্ব শোভাৰ" ঠাইত মিউনিছিপালিটিৰ এটি ডাঙৰকৈ বন্ধোৱা ছিমেণ্টৰ নৰ্দমা।

মটৰৰ পৰা নামি, দাজু পোৱালী এটাৰ মুৰত বিছনাখন আৰু ছুটকেছটো দি, খোজকাঢ়ি অক্ৰুৰৰ হোটেল ওলালোঁহি। আৰু আহি দেখিলোঁ হোটেলৰ দুৱাৰ-ঘৰ প্ৰায়ে বন্ধ; অকল বান্ধনিঘৰৰ ভিতৰত সৰু আপা এটাই মেকুৰী ছুটামানৰ সৈতে, পীৰা জোৰাই ঘোৰ্ঘোৰাই শুই আছে।

জগাই মেলি তাক সুধিলত সি ক'লে, "প্ৰপ্ৰাইটৰ" ঘৰত নাই, বেছত। কিন্তু মোৰ কাৰণে ভাত পানী সকলো তপ্‌তিয়াৰ হৈ বাট চাই আছে।

চেঁচাই, ঠাণ্ডাই ভাত ছুটিমান গিলি, "জিৰাই-শঁতাই, তিনিমান বজাত নিজে আগবাঢ়ি অক্ৰুৰক বিচাৰি বেছ কোহ'লৈ ওলালোঁ। আৰু তাক পিয়াপি দি সকলোতে বিচাৰি দেখিলোঁ, সি টিলাটোৰ ওপৰত উঠি, সৰলৰ তলত, বিৰি এটা হুপি, বৰ একান্তমনে বেছৰ বহীখন লৈ মনপুতি চাই আছে।•

মোক দেখিয়েই সি গিৰিপ্‌ কৰে থিয় হৈ উঠি আনন্দত বেছচ হৈ হেণ্ডচেক্ কৰি ক'লে, তই আহি পাইছ ননী! নিশ্চয় মোৰ "গুডলাক"। ইবেলি "আপ্‌ছেট"ত বাইজেণ্টাৰ তিনিশ টকা "ডিভিডেণ্ডৰ" পৰা মোক কোনে ৰাখে?

তাৰ পিছত কোনো কথাই অক্ৰুৰে মোক মুসুধি বুকিং কাউণ্টাৰলৈ একে চোঁচাই টানি আনিলে।

সন্ধিয়াৰ লগে লগে 'বেছৰ' পৰা আহি অক্ৰুৰৰ হোটেল পালোঁ। অক্ৰুৰে হোটেলৰ ড্ৰয়িং ৰুমত বহি, চাহৰ কাপ হাতত লৈ বৰ মেজাজী সুৰত লাহে লাহে কবলৈ ধৰিলে,—

—আজি আঠত্ৰিশ টকা 'বেছত' হাৰিব পাৰোঁ ননী, কিন্তু এই 'বেছৰ' ভিতৰেদিয়েই এদিন অসমৰ আগাধাঁ হোৱাৰ সপোন মই দেখিছো আৰু এই 'বেছৰ' টকাৰেই মোৰ এই হোটেলৰ উৎপত্তি।

অক্ৰুৰে কৈ গ'ল,—

—বিপদত পৰিলে বহুতো বদ কাম মানুহে কৰে। মৰো এদিন শিলঙলৈ প্ৰথমে আহি, বাইদেউৰ ঘৰত থাকি, এক কেৰাণী হাকিমৰ ঘৰত টিউশুনি কৰিছিলোঁ। মাহেকৰ মূৰত কেৰাণী-হাকিমে চাৰি টকা কম উলিয়াই

দিলে। মই লবালৰিকৈ টকা কেইটা জেপত সুমুৱাই ক'লোঁ আপোনাৰ ঘৰলৈ মোৰ এই অহাই শেষ অহা। তেওঁ হাকিমী মেজাজত মোক সুধিলে, কেলৈ? মই মনৰ খং দমাই ৰাখিব নোৱাৰি ক'লোঁ, চাৰি টকা ৰূপত বজাৰত পঠা ছাগলী এটাও কিনিবলৈ পোৱা নাযায়। তাতকৈ অন্ততঃ মোৰ মূল্য মই বেছি বুলি নিজে অনুমান কৰোঁ।

শনিবাৰ আছিল সিদিনা। টকাকেইটা লৈ তুপৰীয়া ৰেচ্ কোৰ্চ ওলালোঁগৈ। গোটেইটোৱে খাচীয়া 'পনী'ৰ 'ৰেচ্'। প্ৰথমতেই কিনিলোঁ "চৈতকৰ" এটকীয়া এখন টিকিট। কিন্তু "চৈতকক" সিদিনা কিহে পালে, তাক মাৰি-ধৰি কিলাই নগুৰ-শাস্তি দিও "জকিয়ে" ষ্টাৰ্টকেই কথাব নোৱাৰিলে। অলপো নদমি থাৰ্ড ৰেচত "স্লিপ্‌ছিলেড্" বোলা কতুন ঘোঁৰা এটাৰ আৰু এটকাৰ টিকিট এখন কিনি পেলালোঁ। "স্লিপছিলেডে" একে চোঁচাই ডেৰ মাৰ্লংমান ফাৰ্ষ্ট হৈ লৰি আহি ৰেচৰ মাজ কোৰ্চতে নেজ থিয় কৈ যি কামটো কৰিবলৈ ধৰিলে, তাৰ লগৰ ঘোঁৰাবোৰ দুই ফাৰ্লংমান আগবাঢ়ি গ'ল। তথাপি হতাশ নহৈ শেষ-ৰেচত মৰসাহ দি 'ছাৰ্‌কাছ বয়"ৰ একেলগে দুটকাৰ টিকিট দুখন কিনি আনিলোঁ। মোৰ কি ভাগ্য, একেলগে "আপছেট"ত পঞ্চান্ন টকাৰ "ডিভিডেণ্ড" আহিল। আৰু সেই 'ছাৰ্‌কাছ বয়"ৰ টকাৰেই এই "পেৰেডাইজ'ৰ আৰম্ভণি।

আহি দেখিলোঁ অক্ৰুৰৰ হোটেলত, হোটেলতকৈ বেষ্টোৰাঁৰেই পয়োজন বেছি। প্ৰত্যেকদিনেই তুপৰীয়া বন্ধত ঘৰলৈ অহা কলেজৰ ল'ৰাৰ 'নিবনুৱা 'জুকলা" গ্ৰেজুয়েটৰ এমচাৰ ইঞ্জিওৰেন্স এজেণ্টৰ পলৰীয়া স্কুলৰ ল'ৰাৰ এখন বিৰাট গ্ৰীজৰ আড্ডা জমি উঠে। আৰু "জুকলা সমাজ"ৰ সভা বুলি সকলোৱে ক'লেও, নিমিষতে ডজনে ডজনে চপ, কাটলেট পুডিং চাহৰ কাপ উৰি যায়। অক্ৰুৰে যোধপুৰী এটা পিন্ধি খাচীয়া নাইট-কেপ এটা চকুৰ ওপৰলৈ টানি লৈ হাতেৰে এডাল চেকনি জোকাৰি, খোৱাৰ পৰিবেশন সকলো নিজ হাতেৰেই নিয়ন্ত্ৰণ কৰে। আৰু মোক লগত লৈ তুয়ো দলাৰে খেলৰ অবিয়া-অৰি বেছিকৈ লগাই দি অৰ্ডাৰৰ মাত্ৰা পৰাপক্ষত বেছি কৰিবলৈ যত্ন কৰে।

হোটেলত নিগাজীকৈ খাওতা মানুহ অকল আমি দুজন—শ্ৰীযুত অনাথ বৰুৱা আৰু মই।

শ্ৰীযুত বৰুৱাৰ শ্বিলঙত নতুন "ভেলেন্টিনো" বুলি এটা সৰু-সুৰা খ্যাতি বহুদিনৰে পৰা চলি আছে। ছবছৰে ডি-পি-আই অফিছত অচলন-ভাৱে কাম কৰিও তেওঁ আজিকোপতি সংসাৰত মূৰ সুমুওৱা নাই। কিন্তু অসমৰ সকলো সদৰ আৰু ছব্-ডিভিজনতে তেওঁৰ কাৰণেই একোটাকৈ বিয়াৰ প্ৰস্তাৱ প্ৰায়ে থিৰাং হৈ আছে। সেই কাৰণে বহুতে সংক্ষেপে বৰুৱা ডাঙৰীয়াক অসমৰ বিয়াৰ বজাৰৰ এজন বৰ ডাঙৰ "স্পেকুলেটৰ" বুলি আখ্যা দিয়ে।

বৰুৱাৰ খোৱা-লোৱা, চলন-ফুৰণ সকলো "ষ্ট্ৰিক্ট্‌লি প্ৰাইভেট" আচুতীয়াকৈ ৰখা কোঠালী এটাত, সজাই খোৱা কাপহ বিছনাখনে অকল হোটেলত ডাক-পিয়নৰ সুবিধাৰ কাৰণে, আৰু তেওঁক বিচাৰি অহা ভালেমান মকেলৰ কাৰণে, এখনি মাথোন নিৰ্দ্দিষ্ট বাসস্থানৰ আভাস দিয়ে।

অক্ৰূৰৰ মুখত শুনিছিলোঁ, বৰুৱা হেনো সি শ্বিলঙত হোটেল খোলা দিনৰে পৰা হোটেলৰ এজন ডাঙৰ "পেট্ৰন" হিচাবে তাৰ লগতেই আছে। আৰু মই অহাৰ পিছতো হোটেল সংক্ৰান্ত যাৱতীয় প্ৰয়োজনীয় কথাৰ আলোচনা বৰুৱাৰ খোটালীতে আমাৰ তিনিওৰে মাজত গভীৰ ৰাতি বহিছিল।

পূজাৰ বাৰদিনীয়া অফিছ বন্ধ।

বৰুৱাই আজি সাত বছৰৰ মূৰত তলৰ ভৈয়ামলৈ ভ্ৰমণত নামিছে।

তেওঁৰ অবিহনে তেওঁৰ খোটালীৰ চাবি, বাকচ পত্ৰ সকলোৰে তত্বাৱধানৰ ভাৰ মোৰ ওপৰত। চিঠি-পত্ৰ ৰখা, দৰকাৰী চিঠি ঘৰলৈ পোনাই দিয়া, কিবা প্ৰয়োজনীয় খবৰ থাকিলে জনোৱা, তাৰো দায়িত্ব মোৰেই গাত।

এদিন দুপৰীয়া। সদায় সচৰাচৰ বহাৰ দৰে "জুকলা সমাজৰ" ব্ৰীজৰ খেলা বহিছে। অক্ৰূৰে বৰ মনোযোগেৰে ডাঙৰ "ফাউলকাৰীৰ" অৰ্ডাৰ এটাৰ "এষ্টিমেট" কৰাত ব্যস্ত। মই আন এজন খেলুৱৈৰ লগত বহি, তেওঁক "বিড্" দিয়াত সহায় কৰি আছোঁ।

এনেতে পিয়নে আমি খেলি থকা মেজৰনৰ ওপৰত হোটেলৰ এজাপ চিঠি আনি পেলাই দি গ'ল। নিমিষতে সকলোৱে খেলা এৰি বকুৱাৰ নামত অহা ছোৱালীৰ হাতৰ আখৰৰ, কলিকতাৰ নাৰ্চিং হোমৰ গধুৰ চিঠি এখন লৈ ভীষণ থপিয়াথপি লগাই দিলে। সকলোৱে চিঠিখন একেলগে আক্ৰমণ কৰি ক'লে যে, চিঠিৰ ধৰণলৈ চাই ই নিশ্চয় বকুৱাৰ কোনো প্ৰেয়সীৰপৰা অহা "ৰোমাণ্টিক" চিঠি হ'বই হব। তাক তেওঁৰ অবিহনে গোটেই "জুকলা সমাজ"ৰে তাক পঢ়ি চোৱাত একুতিয়াৰ আছে।

অক্ৰূৰে "বিজিনেছ পলিচিৰ" পৰা কোনো মন্তব্য নিদি কেৱল নীৰৱে ঘটনাটো পৰ্য্যবেক্ষণ কৰিলে। মই কিন্তু বেছি পৰ সহি থাকিব নোৱাৰি, সকলোকে বাধা দি ক'লো যে, এনে অন্যায় এটা অন্ততঃ মই কেতিয়াও হবলৈ দিব নোৱাৰোঁ। চিঠিৰ দায়িত্ব মোৰ ওপৰত দি গৈছে। তেনেস্থলত কোনো চিঠিৰে সম্মান নষ্ট হবলৈ দিলে মোৰ কৰ্ত্তব্য ভ্ৰষ্ট হব।

"জুকলা সমাজে" তথাপিও সৈমান নহৈ, একে যোগে মোৰ ওপৰত বল প্ৰয়োগ কৰিবলৈ ধৰিলে। আৰু শেষত বহুপৰ টনা আঁজোৰাৰ পিছত এটি দোমোজাঁয়াকৈ সিদ্ধান্ত কৰা হ'ল যে, চিঠিখন পঢ়াৰ আনন্দৰ পৰা বঞ্চিত কৰাৰ কাৰণে, "জুকলা সমাজ"ক মই অন্ততঃ একোটাকৈ চপ্ তেতিয়াই দণ্ড দিব লাগিব।

মই তথাপি হাৰ নামানি গৰ্ব্বেৰে সেই চিঠিৰ শ্লীলতা ৰক্ষা কৰিলোঁ। মোৰ জেপৰপৰা উলিয়াই দিয়া পইচাৰে "জুকলা সমাজে" মেজত ভুকুৱাই ভুকুৱাই ভীষণ আনন্দেৰে কোঢ়াল কৰি বাৰটা চপ মোৰ চকুৰ আগতে নিঃশেষ কৰিলে।

ছুপৰীয়া ক্ৰীড়াৰ খেলা ভাঙি গ'ল। গধুলি পৰত দলে দলে গ্ৰাহকবোৰো আহি ৰেস্তোঁৰাৰ পৰা ঘৰা-ঘৰী গুচি গ'ল। মই কাৰো লগত ওলাই নগৈ, বুকুৰ ভিতৰ জেপত, বৰ সতৰ্কভাৱে চিঠিখন লৈ হোটেলতে সোমাই থাকিলোঁ।

ভাত-পানী খাই বৈ প্ৰায় এঘাৰটামান বজাত মই শুবলৈ বকুৱাৰ ঘৰৰ ছুগাৰ মেলি ভিতৰত সোমাইছোঁ। আৰু অক্ৰূৰো তাৰে সিপিনে তাৰ খোটালীটোত শুবলৈ গৈছে।

দুয়ো একেলগে বিছনাৰ কাপোৰৰ তলত মাজত সুমুওৱাৰ পিছত, অক্রুৰে লাহেকৈ মোৰ সিপিনৰ পৰা মাত লগালে,—

—ননী, অজি ৰকৱাৰ চিঠিখন লৈ ভাল হুলস্থূলটো হৈ গ'ল। মই তোৰ লাহে লাহে খং উঠি যোৱা যেনেই দেখিছিলোঁ। যিহক্ চপৰ প্রস্তাৱটোৱে "জুকলা সমাজ"ক ঠিক সময়ত বৰ সুস্থিৰ কৰিলে। চিঠিখন যে সন্দেহজনক এইটো প্রায় একপ্রকাৰ ঠিবাং কথা। তাতে ৰকৱাৰ নামৰ কাৰণে সিহঁতে অলপ বেছি হুল পাই উঠিছিল।

লাহে লাহে অক্রুৰৰ মাত টিলা পৰি গ'ল। অক্রুৰে বিছনাত পৰিলে বৰ জোৰ দুই মিনিটমান সাৰে থাকে। তাৰ পিছতেই সি নাকেৰে শোৰ্ঘোবায়।

বেবৰ সিফালে অক্রুৰৰ নাকৰ শিঙা বাজিবলৈ ধৰিলে। মূৰ শিতানৰ হাৰিকেনটো বহু আগতেই মই নুমাই থৈছিলোঁ। ঘৰৰ ভিতৰত চকু মেলিলেও নেদেখা গোটমৰা আন্ধাৰ! মই সেই আন্ধাৰৰ মাজত চকু দুটা এনেয়ে মেলি থৈ, মোৰ গাকৰ তলত থোৱা, ইমান হুলস্থূলৰ সিদিনাৰ চিঠিখনৰ কথা বৰ মন দি ভাবিবলৈ ধৰিলোঁ। কলিকতাৰ ডাকঘৰৰ মোহৰ—ছোৱালীৰ হাতৰ আখৰ—ইমান গধুৰ—'নাৰ্চিং হোম'ৰ ঠিকনা—অতবোৰ মানুহৰ সন্দেহ, অক্রুৰৰ নিচিনা নিৰস প্রাণী এটাৰো।

আৰু বেছিপৰ মই মোৰ মনৰ কৌতূহল আৰু স্বাভাৱিক দুৰ্বলতা হেঁচি ৰাখিব নোৱাৰিলোঁ। হাৰিকেনটো দুনাই নজ্বলাই, গাকৰ ওপৰত থকা টৰ্চটোকে টিপি ধৰি, চিঠিখনৰ লেফাফাৰ মুখৰ আঠাখিনি অতি যত্নৰে এৰুৱাই, বিছনাতে উবুৰি হৈ শুই লৈ, গাকৰ ওপৰত থৈ চিঠিখন পঢ়ি যাবলৈ ধৰিলোঁ।

পোনে পোনেই চিঠিৰ তলৰ নামটোলৈ চকু পৰি মোৰ দেহৰ সকলো স্নায়ু ভেদি বৰ ডাঙৰ এটা সিম্সিমীয়া জাৰৰ কঁপনি উঠিল।

মগজুৰ তেজৰ সোঁত অতি উত্তেজিত হৈ চলিবলৈ ধৰিলে। হাতৰ টৰ্চটোও থৰক্‌থৰকাই কঁপিবলৈ ধৰিলে।

অতি কষ্টে নিজক সংযত কৰি লৈ, টৰ্চৰ তীব্র পোহৰত ডাঙৰকৈ

চকু দুটা মেলিব নোৱাৰি, অতি কষ্টেৰে লাহে লাহে, জিবাই, চিঠিখন এপিনৰপৰা পঢ়ি গলোঁ।

বুকুৰ মোমাইদেউ,

জীৱনত সকলোৱে ভুল কৰে। ময়ো কৰিছিলোঁ। কিন্তু তাৰবাবে মোৰ কেতিয়াও প্ৰায়চিত্ত নহব নেকি? নজৰ জনম দিয়া আইবোপায়ে এৰিছে। নিজৰ তেজ-মঙহৰ ভাই-ককায়ে উলটি নাচায়। আপুনি ইমান দিনে মৰম কৰি, খবৰ বাতৰি লৈ, অন্তৰত অকণ বল দি আছিল। আপুনিও এতিয়া নিৰ্দয় হৈ মোক এৰিলে। আজিলৈ তিনিখন ক চিঠি দিও আপোনাৰ পৰা চাৰিমাহে কোনো সমিধান পোৱা নাই।

ভাবিছিলোঁ, পৃথিবীত মৰম সবাতোকৈ বৰ। মৰমৰ চৰম তৃপিতি পালে মানুহক ধন, মান, সমাজ, সংসাৰ একোৱেই নালাগে।' সেয়ে সকলোৰে ওপৰত বিদ্ৰোহ কৰি, মৰমৰ সংসাৰ গঢ়িম বুলি মই বিদ্ৰোহ কৰিছিলোঁ। কিন্তু মোৰ মৰমৰ সংসাৰক আই ধৰিত্ৰীয়েও বুকুৰ ওপৰত অকণিকে স্থান নিদিলে। ধুমুহাৰ ওপৰত পতা ধুমুহাৰ ঘৰ মোৰ ধুমুহাতে খানবান হৈ গ'ল। অকল শাশ্বত পৃথিবীত বিষময় বিদ্ৰোহৰ ঘৃণাৰ দৃষ্টান্তৰূপে ময়ে কেৱল প্ৰাণ লৈ জীয়াই থাকিলোঁ।

বুকৰ মোমাই মোৰ! বিধাতাক দিনে-নিশাই খাটিছোঁ, এই জীৱন সোনকালে শেষ কৰি নিবলৈ। যি যাদৱপুৰ হস্পিতালত আজি ডেৰ বছৰ আগেয়ে মোৰ "তেওঁক" বিসৰ্জন দি আহিছোঁ, সেই যাদৱপুৰ হস্পিতালত পৰি থকা, সেই ভীষণ ৰোগত আক্ৰান্ত, শত শত মৃত্যুৰ অনিচ্ছুক যাত্ৰীবোৰক শুশ্ৰূষা কৰি মই ভগৱানক সদায় প্ৰাৰ্থনা কৰিছিলোঁ, হে ভগৱান, ইহঁতৰ যেই সেই একজনাৰ জীৱনী-শক্তি ওভোতাই দি, এই অভাগীৰ প্ৰাণৰ শিখাগছি তুমি নুমাই পেলোৱা। জীৱনত এজনৰ কাৰণেও তাই যি শান্তিৰ মুখ নেদেখিলে, মৰণৰ কোলাত তাই চিৰদিনৰ সেই শান্তি লভক।

শুনি সুখ পাওনে দুখ পায় কব নোৱাৰোঁ—মোৰ দৰদী মোমাই-দেও:—বিধাতাই ইমান দিনৰ মূৰত মোৰ এই কান্দৰ বিননি শুনিছে যেন লাগিছে। আজি তিনিমাহে অচিনাকি জ্বৰত পৰি, দিনে নিশাই

শুকাই-ীণাই মোৰ হাড় ছালত লাগিছে। সকলোৱে পেটে পেটে মোৰ অনুমানকে সঁচা বুলি সন্দেহ কৰিছে। যদি সেয়ে হয়, প্ৰাণৰ মোমাই মোৰ, অতি সোনকালে মই সংসাৰত যাৰ যাৰ নামত কলঙ্ক সানিছিলোঁ, সকলোৱে নিষ্কলঙ্ক হব পাৰিব। মই সংসাৰত জীয়াই থকাৰ কাৰণে, সমাজত যাৰ যাৰ মূৰ হেঁয় হৈ আছিল, সকলোৱে আকৌ নিশ্চিত হৈ, আগৰ দৰে সমাজত সগৰ্ব্বে ফুৰিব পাৰিব।

যদি সঁচাকৈয়ে মোৰ ভাগ্যত সেই সুখৰ ঘটনা ঘটি যায়; তেনেহ'লে সেই সুখৰ বাতৰি অকল আপোনাকে দিবলৈ মই কৈ যাম। আপুনিয়েই যেন দয়া কৰি সেই খবৰ সকলোকে জনাই দিয়ে। কিয়নো, নিজৰ জন্মদাতা আই-বোপাইকো শেষ সময়ত, মোৰ এই শাপগ্ৰস্ত হাতৰ ছুটি আখৰ দেখুৱাই মনত কষ্ট দিবলৈ ইচ্ছা নাই।

সকলোৰে শেষ কথা, মোমাইদেউ, মোৰ পোনাক লৈ। সকৰুণতো আমাৰ ছুয়োজনৰে বহু আগতে মুক্ত হৈ আমালৈ ত'ত বাট চাই আছেগৈ। ডাঙৰ পোনাকো মই বেমাৰত পৰাৰ আগেয়ে কলিকতাৰ অন্ধ স্কুলত গটাই দিছোঁ। মোৰ যি যৎসামান্য সঞ্চিত অৰ্থ বব সকলোখিনি তাৰেই নামত স্কুলৰ পুঁজিত দান দি যাম। আপোনাৰ ওচৰত মোৰ একমাত্ৰ শেষ মিনতি মোমাইদেউ! যদি সি কোনোবাদিনা কিবা সাহায্যৰ অভাৱত পৰে, সংসাৰৰ আটায়ে তাক অৱহেলা কৰিলেও, আপুনি যেন অন্ততঃ তাক পাপৰ সন্তান বুলি ঘৃণা নকৰি, মোৰ অতিকৈ ছুখৰ, স্নেহৰ সন্তান বুলি, অকণি স্নেহৰ পৰা বঞ্চিত নকৰে। কাৰণ, আনে নাজানিলেওতো আপোনাক মই জনাইছিলোঁ, সি মোৰ কিমান মৰমৰ, কিমান স্নেহৰ, কিমান গৰ্বৰ সন্তান। মই নিজে সমাজৰ পৰিত্যক্তা হব পাৰোঁ, ঘৃণিত হব পাৰোঁ, কিন্তু মোৰ পোনাইতো নিজে কাবো অন্যায় কৰা নাই। লোকৰ পাপৰ আৰু কলঙ্কৰ বোজা সি অকাৰণে বব কেলৈ? বিধাতাই বা তাক কি বুলি জনমৰপৰা ইমান নিৰ্ম্মমভাৱে শত্ৰুতা আচৰিলে? অকল সেই কাৰণেই বিধাতাৰ ওপৰত মোৰ ইমান ডাঙৰ খোষ্।

য'ক, অতীতত লয় হৈ যোৱা পুৰণি অপ্ৰিয় কথাবোৰ আৰু দোহাৰি কৈ আপোনাৰ সময় নিয়াবলৈ মন নাই। যদি সঁচাকৈয়ে অপৰাক এদিন নিজৰ ভাগিনী বুলি স্নেহ কৰিছিল, তেনেহ'লে সংসাৰত কোনোদিনে আপোনাৰ দ্বাৰে ভাবি যেন তাইক পাহৰি যায় আৰু তাইৰ শেষ অনুৰোধটিহে যেন কেৱল মনত ৰাখে। ইতি—

বিদায়—

আপোনাৰ স্নেহৰ অপৰা

চিঠিখন পঢ়ি উঠি আৰু দুনাই তাক পঢ়িব নোৱাৰি অতি সন্তৰ্পণে গাৰুৰ তলত সুমুৱাই থলোঁ। আঠোটি বছৰৰ মাৰযোৱা স্মৃতিৰ পাপৰিবোৰ সজীৱ হৈ উঠাৰ লগে লগে অন্তৰত অবুজ বেথাৰ এটি সকৰুণ বিলাপ ধ্বনি গুঞ্জৰি উঠিল। নাজানো কাৰ উদ্দেশ্যে সেই বিনিদ্ৰ ৰজনীৰ বোধিব নোৱাৰা, মোৰ অবাৰিত বিষাদ-তপ্ত চকুলোৰ ধাৰ অনৰ্গল একেদৰে বৈ গ'ল।

[আৱাহন ৮ম বছৰ ১ম সংখ্যা ভাদ, ১৮৫৯ শক]

অচল টকা

আচল হ'লেও সময়ৰ সোঁতত টকা কেতিয়াবা অচল হৈ যায়। ওজনত অলপ লঘুভাৱ, গাত দেখা নেদেখা কৰ'বাত অলপ ঘুণ, দাঁতিত অজ্ঞাত হাতৰ কিঞ্চিত দাগ, তাৰে অভিশাপ লৈ সি এদিন উজাব নোৱাৰা হয়। দেহত তাৰ কেচাঁ ৰূপৰ তেজ জকমকাই উপচি থাকিলেও গতি তাৰ ৰুদ্ধ হৈ যায়, যাত্ৰাপথৰ অন্ত পৰে। জীৱন-কাহিনী কোনোবা এন্ধাৰ অদৃশ্য বাকচৰ চুকত নীৰৱ হুমুনিয়াহৰ মাজত লীন হৈ যায়।

তেনে এটি টকাৰে কথা। দিনৰ পিছত দিন ধৰি মোৰ গুপুত এটি বাকচৰ এন্ধাৰ চুকত নিশ্চল হৈ পৰি থাকে সেই টকাটি। সম্বন্ধ তাৰ জীৱনৰ মোৰ এটি ডাঙৰ অভিজ্ঞতাৰ লগত, পৰিচয়ৰ লগত মৰ্ম্মন্তুদ কাহিনীৰ লগত। কোনে জানে, হয়তো বা মোৰ প্ৰথম অজানিত প্ৰেমৰ লগত। কিন্তু অচল আজি সি। আৰু সেই প্ৰেম?

বিয়াৰ ঠিক এসপ্তাহৰ পিছত। বতাহত উৰি ফুৰা শিমলু তুলাৰ দৰে লঘু মোৰ মনৰ গতি সেই সময়ত। অন্তৰত মোৰ উন্মুক্ত ঝৰণাৰ অবাধ ছন্দ। চকুত ৰঙীন মেঘৰ ৰাগী। কাণত সৰগৰ বেউলাৰ নৃত্যৰ শিঞ্জিনী।

অকলে অকলে মই অনাই-বনাই ঘূৰি ফুৰোঁ—নিমজ, পিচল ষিলঙৰ পিচ ঢলা আলিৰ ওপৰত। গধুৰ কৰ্ত্তব্যময় জীৱনৰপৰা দুমাহৰ জিৰণি লৈছো। মূৰৰ ওপৰত মোৰ সৰলৰ পাতৰ গধুৰ সৰসৰীয়া শব্দ, গা, মুখত আবেশ সানি বহাগী বাসন্তীৰ উতলা সমীৰণ।

লাইটুমখ্ৰাৰ অজান দূৰণি কোণত এটি ভেৰণীয়া ঘৰ। তাতে আহি আজি দুদিনমানৰপৰা লগত চাকৰৰ ল'ৰা এটি লৈ মই নতুনকৈ বসতি কৰিছো। তাকে সজাই পৰাই, তাতে এপদ দুপদকৈ আহিলা পাতি গোটাই নতুন সংসাৰ এখন পাতিবলৈ যো-জা কৰিছো। ইচ্ছা, সংসাৰখন অলপ নিয়াৰি লাগি উঠিলেই ভৈয়ামৰ ঘৰলৈ বাতৰি দিম। তেতিয়া মোৰ নৱ-বিবাহিতা পত্নী, বৃদ্ধা মাতৃদেৱী আৰু ডুমলীয়া ভনী ইলা আহিব। আৰু এয়েই হ'ব মোৰ শুভ-বিবাহিত জীৱনৰ মধু আৰম্ভণি, বহু দিনৰপৰা অন্তৰত

পুহি থকা হেঁপাহ খিলঙৰ শৈল শিখৰৰ ওপৰত সংসাৰত মোৰ প্ৰথম প্ৰৱেশ। পাশ্চাত্য জীৱনৰ জানিবা বোমাঞ্চকৰ উপন্যাসৰ "মধু যামিনী"। অথবা "আল্পছৰ" তুষাৰ শিখৰত "স্কিয়িং" অভিযান, ভূমধ্য সাগৰৰ বুকুত "য়াটিং ক্ৰুইজ," 'বিভিয়েৰাৰ" সাগৰৰ উপকুলত "আতপ-স্নান," "মন্টিকাৰলোৰ" উদ্দাম ৰজনী।

"গৱৰ্ণমেণ্ট হাউছৰ" কাঁহত অলপ আগেয়ে দহোটাৰ কোৰ পৰি গৈছে। লাবানৰপৰা বাটত অগণিত অফিছৰ "বাবুৰ" দলৰ লানি ধৰিছে। মই সেই সোঁতৰ লগত উজাই আহি আহি ডাক-ঘৰৰ আগত থিয় হৈছো। মোৰ হাতত নীলা ৰঙৰ গধুৰ বন্ধ চিঠি এখনি। তাৰে ওপৰত ৰঙা ৰঙৰ টিকেট এখনি কিনি লগাই মই এতিয়াই বাকচত পেলাই যাম! খিলঙলৈ অহা দিনৰেপৰা এদিন বাদে এদিন সদায় মই এই সময়তে চিঠি এখনি এইদৰে লিখি আনো আৰু চিঠি-বাকচত পেলাই দি যাওঁ। ডাকঘৰৰ দীঘল খট্‌খটীটোৰে নামি, ঘৰৰ ভিতৰত সোমাই, টিকেট বেচা মানুহজনৰ কাঠগৰাৰ আগত আহি বৈ মই থিয় দিলো। টিকেট কিনা মানুহৰ সিদিনা কি অভূতপূৰ্ব্ব জুমুৰি! কিমান বিভিন্ন ধৰণৰ লোকৰেই বা সমাগম। পিতনুৱা চকুৰ, কুট্‌কুৰা চুলিৰ বুঢ়ী, কেটেঙী মেম, গহীন, গপচ, সুঠাম, সুপুৰুষ ইংৰাজ; পেটাল, বিৰাটবপু, পাগুৰি মৰা, মাৰোৱাৰী "বাবু" কৰ্কশ, বিকৃতকণ্ঠী, শ্ৰীহট্টবাসী; উদ্দি পিন্ধা অফিছৰ চাপ্ৰাচীৰ দল; আৰু কত অগণিত বৈচিত্ৰ্যৰ প্ৰাণী।

মই অবক্তাভাৱে, নীৰৱে, নিজ্জাৰে জনতাৰ এমূৰত একাষৰীয়াকৈ ঠাই এডুখৰি লৈ থিয় দিলো আৰু নিৰ্ব্বিবাদে নিজৰ সুযোগৰ কাৰণে অপেক্ষা কৰিবলৈ ধৰিলো।

মোৰ ঠিক সমুখতে দঢ়ীয়া, পাগুৰি মৰা, ছ'ফুট দীঘল এজন শিখ; আৰু তাৰ পিপিনেই ষোড়শী, সুন্দৰী, বোধকৰো এগৰাকী খিৰিস্তী ছুহিতা। নীলা আকাশী ৰঙৰ আঠুলৈকে পৰা এটি ফ্ৰক। সুঠাম, সুগঢ়ী, লাহুনি, উদং, এমুৰি কলাফুল। ক'লা "শ্বেডৰ" চাপৰ হিলৰ জোতা। বগা, চুটি, নীলা ব'ডাৰৰ পাৰ ভাঙি দিয়া এযোৰ মোজা। কোনোদিনে ক্ষৌৰৰ পৰশ নোপোৱা ভুৰুৰ ওপৰত সোণালী চুলিৰ উন্মুক্ত মধুৰ হিল্লোল। ছুয়োটি

চকুতে প্ৰখৰ স্বচ্ছ ভাৱাভৰা চাৱনি। দেহৰ মকলি সকলো অঙ্গতে সানি দিয়া যেন সোণালী আভা।

মই চাওঁ। চাই চাই একোবাৰ অতৰ্কিতে নিজকে পাহৰি যাওঁ। কোনোৱে গম নোপোৱাকৈয়ে বিৰাট অতিকায় শিখৰ দেহৰ প্ৰাচীৰ উলঙ্ঘন কৰিও একোবাৰ গাভৰুৰ নিচেই গাৰ কাষ চাপোগৈ। অপৰিচিত গাভৰুৱে কোনো কুণ্ঠা নেদেখুৱাই নিৰ্ভীকভাৱে এবোজা চিঠিৰ কাৰণে এজাপ টিকেট কিনে আৰু সেই কাঠগৰাৰ কাঠৰ ওপৰতেই পেলাই লৈ এখন এখনকৈ চিঠিবোৰত টিকেট লগাই যায়।

মই চাওঁ! মোৰ কৌতুহল লুকুৱাবলৈ কোনো চেষ্টা নকৰি উদং মনেৰেই গাভৰুৰ চিঠিৰ ঠিকনাবোৰ চাই যাওঁ আৰু পঢ়িবলৈ যত্ন কৰো। সুদূৰ বিলাতৰ ঠিকনাৰ "এয়াৰ মেইলৰ" ছাবমৰা চিঠি, কলিকতাৰ লৰেটোৰ ঠিকনাত লিখা লেফাফাৰ চিঠি, মাদ্ৰাজৰ "ৰেডক্ৰছ নাৰ্চিং হোমলৈ" লিখা গধুৰ চিঠি আৰু লগতে কিমান খন! মই গাভৰুৰ কাষত থিয় হৈ চিঠিৰ ঠিকনাৰ আখৰবোৰ নিৰ্ব্বিবাদে পঢ়ি যাওঁ। সেউজীয়া চিয়াহীৰে লিখা গাভৰুৰ হাতৰ অকোৱা পকোৱা দীঘল দীঘল আখৰ কেইটি চাই মোৰ ভাল লাগে। টিকেটত আঠা লগোৱা গাভৰুৰ ব্যস্ত হাত, ল—নি লিহিৰা-লিহিৰি আঙুলি কেইটি চাই চাই মই তন্ময় হওঁ।

জনতাৰ মাজত এটি চাঞ্চল্যাই দেখা দিয়ে। টিকেট বেচা মানুহ জনে মুখেৰে অলপ বিৰক্তি প্ৰকাশ কৰে আৰু গাভৰুৰ ঠিক সমুখতে চিঠিবোৰৰ ওপৰত টকা এটা শব্দ কৰি আফলিয়াই পেলাই দিয়ে। মুখেৰে খোতা মোজা লগা চুটি চুটি ইংৰাজীৰে কয়—আপোনাৰ এই টকাটো অচল, ই নচলে।

শেষৰ চিঠিখনিত টিকেট এটা আধা লগোৱা কৰি গাভৰুয়ে হঠাতে বাধা পোৱাৰ দৰে চকু তুলি চায় আৰু মানুহজনলৈ লক্ষ্য কৰি সুস্থিৰভাৱে প্ৰশ্ন কৰে, নিমজ সবল শুৱলো ইংৰাজীত—অচল টকা? কাৰ? মোৰনে?

টিকেট বেচা মানুহজনে সেই একে নিৰস ভঙ্গীৰে কাঠগৰাৰ সিপিনে থিয় হৈ থাকে আৰু সেই একে খেকা-খোকি লগা ইংৰাজীত কষ্টেৰে ক'লে—হয়, আপুনিয়েই এতিয়াই দিয়া টকাটো অচল। মানুহৰ হাই-উকমিত

দিনৰ সময়ত মোৰ চাই লবলৈ নহ'ল : এতিয়া দেখিছো তাত খুঁত আছে। আপুনি, অবিশ্বাস কৰে যদি বাকচৰ ভিতৰখনলৈ জুমি চাব পাৰে। তাত এইটোৰ বাহিৰে দ্বিতীয় টকা আৰু নাই। বাকী সকলোবোৰ নোট আৰু ভঙনীয়া পইচা।

গাভৰুৱে অবিশ্বাস নকৰি নীৰৱে টকাটো তুলি লৈ অলপ পৰ নিৰীক্ষণ কৰি বিমোৰত পৰাৰ দৰে নিৰৰ্থকভাৱে এবেলি এনেযে মিচিকিয়াই হাঁহিলে আৰু তেনেকৈ হাঁহি থৈয়ে সৰু সৰু ঘন জিকমিকীয়া দাঁতেৰে তল ওঁঠটি কামুৰি থৈ বহুপৰ ভাবিলে। ভাবি ভাবি কোনো উৱাদিহ নাপাই অতি সম্ভ্ৰমেৰে ধীৰে ধীৰে ক'লে—তেনেহ'লে মই অলপ বিপদত পৰিলো যেনেই পাইছো। মোৰ হাতত এইটোৰ বাহিৰে আৰু দ্বিতীয় টকা এটিও নাই। তাৰ উপৰিও পলম হোৱা কাৰণে ইয়াৰ ভিতৰতে প্ৰায় গোটেইখিনি টিকেটত আঠা লগাই পেলাইছো। যদি আপোনাৰ লবলৈ আপত্তি নাই মই আঠা লগোৱা টিকেটবোৰ আকৌ তুলি ওভোতাই দি যাব লাগিব। নহ'লে * * *

এটা অদ্ভুত সমস্যাৰ কুণ্ঠিত পৰিস্থিতিৰ উদ্ভৱ হ'ল। টিকেট বেচা মানুহজনেও বিমোৰত পৰি কৰ্কশ বিকৃত ভঙ্গী ধাৰণ কৰিলে। অস্থিৰ জনতাই দুকাষৰপৰা ঢলি পৰি অযাচিত ভাৱে নানা সমালোচনাত যোগ দিলে। গাভৰুৰ স্বচ্ছ আৰু উজ্জ্বল চকুৱে মুখে লাজ আৰু অসহায়তাৰ কৰুণ ছবি স্পষ্ট হৈ বিৰিঙি উঠিল। অতল-ঘন-বহল দুয়োটি চকুৰ তাৰকাত বিপদ, কাতৰতা আৰু মিনতিৰ নানা চিত্ৰ আৰু কৰুণা ইটোৰ পিছত সিটোকৈ বাগৰি যাবলৈ ধৰিলে !

মই সুদৃঢ়ভাৱে আৰু কাষ চাপি আগবাঢ়ি গ'লো, সম্ভ্ৰমেৰে, সন্মানেৰে, গাভৰুৰ চকুলৈ চাই উপযাচি ক'লো, নিৰ্ভাঁজ ইংৰাজীৰে—যদি আপুনি অনুমতি দিয়ে, মই আপোনাৰ টকাটো সলাই লব খোজো। মোৰ বিশ্বাস টকাটো অইন ঠাইত চলিবও পাৰে : আৰু নচলিলেও ই এৰাব নোৱাৰা বিপদত একেবি মাথোন আপোনাৰ সাহায্য হ'ল। ভদ্ৰতাৰ খাতিৰত ই সমাজত সচৰাচৰ চলি থাকে তাত বেয়া পাবলৈ বা অস্বীকাৰ কৰিবলৈ বোধকৰো আপোনাৰ কোনো হেতু নাই।

গাভৰুৱে সুস্নিগ্ধ দৃষ্টিৰে কৌতুকত মোৰ চকুলৈ চকু তুলি চালে, শলাগমনা সুমধুৰ এটি হাঁহি মাৰি, কোনো কুণ্ঠা নোহোৱাকৈ মোৰ মুখলৈ চাই ক'লে—আপুনি অনুগ্ৰহ কৰি যেতিয়া ইমান বদান্যতাৰে মোক সহায় কৰিবলৈ আগ বাঢ়িছে, বোধকৰো তাক উপেক্ষা কৰাটো মোৰ অন্যায় হব। আৰু সঁচা কথা খুলি কবলৈ লাজ কি, মই কি কৰিম নকৰিম ভাবি একো উৱাদিহে পোৱা নাছিলো। "এয়াৰ মেইলৰ" চিঠি কিখন মোৰ আজি নগ'লেই নহয়। আঠা লগোৱা টিকেটবোৰ যে মানুহজনে ওভোতাই লব, মোৰ বিশ্বাস নহয়। চিঠিবোৰ ইয়াতে এৰি আকৌ যে ঘৰলৈ গৈ টকাটো সলাই আনিম, সিমান পৰিশ্ৰমো কৰিবলৈ টান পাইছো।

গাভৰুৱে অতি পৰিচিতৰ দৰে কথাখিনি কৈ, সুস্নিগ্ধ, সৰল হাঁহিৰেই মোৰ চকুলৈ চাই ৰ'ল। মই সগৰ্ব্বে কাঠগৰাৰ ওপৰত পৰি থকা গাভৰুৰ অচল টকাটো সামৰি লৈ মোৰ নিজৰ মনিবেগৰ পৰা সচল এটি উলিয়াই দিলো। আৰু নতুন এটা পৰিচয়ৰ অধিকাৰ পোৱাৰ দৰে কোনো অনুমতি নোলোৱাকৈয়ে কাঠগৰাৰ ওপৰত সিঁচৰিত হৈ পৰি থকা গাভৰুৰ চিঠিবোৰ নিজে চিঠিৰ খোৰোঙত পেলাই দিবলৈ যতনাই থুপাই ললো।

গাভৰুৱে অবিচলিত দৃষ্টিৰে কোনো প্ৰতিবাদ নকৰি অকল মাথোন মোৰ পিনে কৌতুকেৰে চাই ৰ'ল। মই এখন এখনকৈ গাভৰুৰ প্ৰত্যেকখন চিঠিৰেই টিকেটবোৰ পৰ্য্যবেক্ষণ কৰি মোৰ হাতৰ চিঠিখনৰ কাৰণে বেলেগ টিকেট এটা কিনি আনিলো আৰু গাভৰুৰ আগতে মোৰ চিঠিৰ ওপৰত টিকেটটো লগাই ঠিকনাটো বহুপৰে যতনেৰে লিখি, আটাই কেউখন চিঠিকেই একেলগে নি খোৰোঙত পেলাই দি আহিলোগৈ।

ডাকঘৰ এৰি খট্‌খটাৰে আকৌ আলিবাটলৈ উঠি আহোঁতে গাভৰুৱে বিনা সঙ্কোচে মোৰ লগত একেলগে ভৰি মিলাই ওপৰলৈ উঠি আহিল আৰু বাটৰ কাষত থিয় দি উঠি, এবেলি বহস্যেৰে হাঁহি মোৰ চকুলৈ চাই সুধিলে—সেই একে নিখুঁত ইংৰাজীত—মই সুধিব পাৰোনে, আপুনি অসমীয়া নেকি?

মই বিস্ময়েৰে গাভৰুৰ চকুলৈ চাই হঠাতেই কথাষাৰ শুনি যেন বৈ গ'লো আৰু মোৰ দেহৰ ওপৰত থকা আমীটকীয়া বেণকিনৰ "ছুট"

যোৱৰ আৰু সম্পূর্ণ চাহাবী সাজটোৰ ওপৰত এবেলি নিৰাশ ভাৱে দৃষ্টি পেলাই, ভয়ে ভয়ে, উত্তৰ দিলো—অৱশ্যে পাৰে। প্ৰকৃততে মই অসমীয়াই। কিন্তু আপুনি সুধিলে কেনৈ মই বুজি নেপালো।

গাভৰুৱে নিচেই সৰু ছোৱালী এজনীৰ দৰে মই চকুলৈ চাই আত্মপ্ৰসাদত কিছুপৰ আপোন মনে হাঁহি ললে আৰু সৰু ছোৱালী এজনীৰ দৰেই বিনা সংকোচে মোৰ চকুলৈ চাই হাঁহি হাঁহি কৈ গ'ল, নিৰ্ভাজ সৰল অসমীয়াৰে—সুধিছোঁ এই কাৰণেই যে, ময়ো নিজে অসমীয়া। বোধকৰো মোৰ দেহৰ সাজপাৰ দেখি কেতিয়াও সেই বুলি মোক সন্দেহ কৰা নাই। মই নগাওঁৰ অসমীয়া খৃষ্টান ছোৱালী। মোৰ নাম মিনি এগুকজ বৰবৰা। মোৰ বাইদেউ লৰেটৰ মিষ্ট্ৰেছ্। ময়ো তাতে "ছিনিয়ৰ কেম্ব্ৰিজ" পঢ়ো। আপুনি যাওঁতে এতিয়া চিঠিখন "পোষ্ট" কৰিলে, তেওঁক মই অতি সৰুৰেপৰা চিনি পাওঁ। লতিকা মোৰ সৰুৰেপৰা একে লগে ধেমালি কৰি ডাঙৰ হোৱা বন্ধু। আজি চাৰি বছৰ মান হ'ল মাথোন, নগাওঁ এৰি মই বিদেশে বিদেশে ফুৰিছো। তথাপি মই লতিকাৰ সকলো খবৰ পাওঁ। মই জানো লতিকাৰ অলপতে সিদিনা মাথোন নগাওঁত বিয়া হৈ গ'ল। কোনোবা এম-বি ডাক্তৰ এজনৰ লগত, তাৰো মই খবৰ পাওঁ। আগেয়ে লতিকাই "দুৱৰা" লিখিছিল। এতিয়া চিঠিত আপুনি "বৰুৱা" লিখিছে। বোধকৰো, লতিকাৰ দৰাৰ নাম কোনোবা ডাক্তৰ বৰুৱা হব পায়। মোৰ প্ৰথমতে অলপ সন্দেহ হ'লেও শেহলৈ সমূলি নোহোৱা হৈছে। কাৰণ, চিঠিত স্পষ্টকৈ লতিকাৰ দেউতাকৰ নামটো লিখা মই দেখিছো। আৰু তেতিয়াৰে পৰা কথাবাৰ সুধিবলৈ মনটো খু-দুৱাই আছিল। আপুনি নিশ্চয় লতিকাৰ কোনোবা সম্বন্ধৰ মানুহ হব যেন পাইছো।

মই কি কম সতকাই কোনো কথা বিচাৰি নেপাই একেথৰে গাভৰুৰ মুখলৈ ৰ-লাগি চাই ৰলো। গাভৰুৱে সেই খট্‌খটীৰ মূৰতে থিয় হৈ, অবিচ্ছেদ সুৰৰ অমৃত সুষমাৰে অনৰ্গলে কথাখিনি কৈ গ'ল। মই নিৰ্ব্বাক নিস্পন্দ হৈ গাভৰুৰ চঞ্চল ওঁঠৰ হাঁহিৰ তৰল হিল্লোলখিনি পৰম গভীৰতাৰে

উপভোগ কৰিছো মাথোন। আৰু গাভৰুয়ে কথা শেষ কৰি কিছুপৰ বোৱাৰ পিছত হাঁহি ৰগৰ কৰি অলপ ৰহস্তৰে কলো—পৃথিৱীৰ সকলো ডাঙৰ ঘটনা আকস্মিকভাৱে হোৱাৰ দৰে আপোনাৰ আৰু মোৰ পৰিচয়টোও সম্পূৰ্ণ আকস্মিক। কিন্তু তাৰ ভিতৰত ইমান আত্মীয়তাৰ যোগসূত্ৰ এগছি আছে যেতিয়া, আশাকৰো এই পৰিচয়ো এদিন আত্মীয়তাত পৰিণত হবলৈ সুযোগ পাব। আপোনাৰ ইমান পৰিচিত বাল্যবন্ধু লতিকাৰ মই অকল সম্বন্ধীয়েই নহওঁ, নিচেই ওচৰ সম্বন্ধীয় মানুহ। আৰু আপুনি বোধকৰো শুনি সুখ পাব যে, লতিকাহঁতৰ শ্বিলঙলৈ অহাৰ বন্দৱস্ত কৰিবলৈকেই মই আগধৰি এইখিনি পাইছোহি। সেই বন্দৱস্ত আজিলৈকে হৈ উঠা নাই কাৰণেই লতিকাহঁত এতিয়াও ইয়ালৈ আহিব পৰা নাই!

"ক্লাৰ্কছৰ দোকানৰ"পৰা "শ্বিলং টেইলাৰিং" ; শ্বিলং টেইলাৰিঙৰ" পৰা "লালচাঁদ" ; "লালচাঁদৰপৰা ঘোষালৰ ফটোৰ দোকান সকলোতে একেলগে মিনি এণ্ডৰুজৰ লগত গভীৰ আত্মীঅতাৰে সৈতে ফুৰি লাইটুম্লালৈ যোৱা চমু বাটেৰে পাহাৰখন পাৰ হৈ "আপলেণ্ডৰ" ওচৰত যেতিয়া মিনি এণ্ডৰুজক বিদায় দিলো, তেতিয়া "গৱৰ্ণমেণ্ট হাউচৰ" কাঁহত বাৰটাৰ কোব পৰি গৈছে আৰু মূৰৰ ওপৰত বেলিটোও কিছু কিছু চোকা হৈ উঠিছে।

অকলে অকলে নিৰ্জ্জন বাটেৰে খোজ কাঢ়ি, জেপৰ অৱশিষ্ট "টফি"-কেইটা চোবাই গৈ গৈ হঠাতে মোৰ মনটো কিবা এটি 'অজান বিষাদত বৰ গধুৰ হৈ উঠিল।

মই বৰ বিষণ্ণমনে গভীৰভাৱে ভাবিবলৈ ধৰিলো, আচল খাটি ৰূপৰ টকা এটাও সময়ৰ সোঁতত এদিন কিয় হঠাতে অচল হৈ যায়? আৰু যদি হয়েই, মিনি এণ্ডৰুজৰ দৰে এনে এগৰাকী নিৰ্ভীক উন্মুক্তা শুৱনী সুঠাম গাভৰুক বিপদত পেলাই অচল হয় কেনেকৈ?

আৰু এসপ্তাহ বাগৰি যায়। কিবা কাৰণত লতিকাহঁতক শ্বিলঙলৈ মাতি পঠোৱা চিঠিখন শ্বিলঙৰ পৰা নাযায়। ঘৰটোৱেও যেন সম্পূৰ্ণ সাজু হৈ অপেক্ষা কৰি থাকে। আগৰদৰেই নিয়মিত ভাৱে লতিকালৈ চিঠি যায়। আৰু তাৰ প্ৰত্যুত্তৰো আহে। কিন্তু কিবা কাৰণে শ্বিলঙলৈ অহা কথাবাৰ হঠাতেই যেন তল পৰি যায়।

এপ্রিল মাহৰ উজ্জ্বল স্নিগ্ধ এটি ৰাতিপুৱা। চৌহদৰ চাৰিওপিনে ফুলনিত অফুৰন্ত, ৰূপৰ বিচিত্ৰ ফুলবোৰ জাতিষ্কাৰ! নিয়ৰৰ টোপালবোৰ তেতিয়াও গছ-পাতে ওলমি আছে। ভৱিৰ তলৰ নিজম দুবৰিৰ ভিজা বাগিছাখনি তেতিয়াও ব'দ পৰি শুকোৱা নাই।

ফুলনিৰ মাজত বাহিৰত ৰ'দত পৰা সক এখন ভেনেষ্টাৰ টিপ'য় আৰু সমুখাসমুখিকৈ পৰা ছয়োকাষে ছখন চকী।

মিনি এণ্ডকজৰ গাত বগা ফুলৰ পাৰি দিয়া ঘন নীলা ৰঙৰ পাটৰ অসমীয়া সাজ এজোৰ। অতি চোকা ৰঙা ৰঙৰ হাত চুটি এটা ব্লাউজ। ভৰিত মেখেলাৰ ৰং মিলাই পিন্ধা বাটাৰ নীলা ৰঙৰ ছেণ্ডেল যু এজোৰ। মূৰত অবাধ্য সোণালী চুলিবোৰ অতি কষ্টেৰে পিন্ মাৰি গাৰ চাদৰৰ আঁচলৰ তলত লুকাই থোৱা। শুভ্ৰ ৰূপৰ টি প'ট এটাৰ পৰা মোৰ কাৰণে মিনি এণ্ডকজে সেউজীয়া বেকলয়ডৰ কাপত চাহ ঢালে আৰু নিজ হাতেৰেই চামুচেৰে চেনি ঘাটি ঘাটি কয়—মানুহৰ পৰিচয়বোৰ জগতত বাস্তৱিকে কেনে অদ্ভুত! সিদিনা সামান্য সেই ডাকঘৰৰ ঘটনা বা দুৰ্ঘটনাটো! তাৰ পিছৰ পৰাই ইমান গভীৰ সম্ভাৱ আৰু প্ৰীতি! অথচ তাৰ এক মুহূৰ্ত্ত আগলৈকে আমি কোনেও সেই কথাৰ গম নাপাইছিলো!

মই তন্ময়েৰে চাহৰ কাপটো তুলি লওঁ আৰু মিনি এণ্ডকজে আগবঢ়াই দিয়া থালখনৰ পৰা গুডেটিৰ ক্ৰীম ৰোল এটা তুলি লৈ অতি অন্য মনস্কভাৱে কওঁ—কিন্তু আটাইতকৈ দুখ লাগে এই কাৰণেই যে, আমাৰ পাবোৰ পৰিচয় জীৱনত অতি অসময়ত ঘটে সদায় হয় সময়ৰ কিছু আগ, নহয় কিছু পিছ। যেন ইচ্ছা কৰিয়েই জগতত "ট্ৰেজেডি" বোৰ ঘটাবলৈ কোনো কুটিল নিয়তিয়ে সদায় অসময়ত আহি আমাৰ পৰিচয়ৰ দৌত্য কৰে।

মিনি এণ্ডকজে আবদাৰ কৰি মোৰ থকাৰ জটিলতাৰ প্ৰতিবাদ কৰি কয় যে মই হেনো সদায় কথাত এনেকুৱা অতি ছুৰূহ, জটিল। অতি সামান্য কথা এটাকে আঁহ টানি নি ছুৰ্বোধ্য জটিলতাৰ মেৰপাকত পেলাবলৈ ভাল পাওঁ। ই অকল মোৰেই নহয়, সমগ্ৰ পুৰুষ জাতিটোৰে এটি বদ্‌গুণ।

মই আত্ম প্ৰসাদত হাঁহো। অতি নিৰ্ভীকভাৱে আত্মীয়তাৰ দাবী লৈ মিনি এগুৰুজৰ চকু দুটিৰ সৰল স্বচ্ছ জ্যোতিখিনিলৈ মই একেথৰে চাই থাকোঁ।

এটি জটিল কথা সৰল, স্বচ্ছ, স্পষ্টভাৱে কৈ দিবলৈ প্ৰাণত অদম্য বাসনা ওপজে। কিন্তু সংস্কাৰৰ প্ৰাচীৰত সি বাধা পাই বৈ যায়।

ৰামকৃষ্ণ মিশ্যনৰ কাষেৰে, বিজুলিবাঁহৰ তলে তলে "স্প্ৰেড্ ঈগল্ছ ফল্ছলে" যোৱা লুঙলুঙীয়া পাহৰুৱা ঠেক বাটটো।

টকলা পাহাৰৰ ওপৰত শুদা ঘাঁহনিৰ বহল পথাৰখন। আকৌ ঘন সৰলৰ শাৰী।

পৰিশ্ৰমত মিনি এগুৰুজৰ চকুৰ তাৰকা আৰু বেছি স্বচ্ছ হৈ জ্বলি উঠে। নাকৰ পাহি দুটি আৰু বেছি প্ৰস্ফুটিত হয়। গালৰ হেঙুলীয়া আভা আৰু বেছি মনোলোভা হৈ বিৰিঙি পৰে। পুলকত কথাৰ অমৃত নধৰা হয়। গোটেই অঙ্গতে বাসনাৰ প্ৰবল অনলশিখা ধোৱাঁৰ ধৰে।

দুয়ো গৈ যোৰ পাতি নিজৰাৰ ওপৰত বহল শিলটোত বহোঁ গ। মিনি এগুৰুজে ভৰিৰ জোতাযোৰ খুলি নিজৰাৰ পানীত ক্লান্ত, ৰক্তাভ ভৰিৰ আঙুলিকেইটি মেলি দিয়ে আৰু শুভ্ৰ নিপোটল আঙুলিকেইটিৰে পানীৰ ওপৰত ঢৌ তোলে। স্বচ্ছ পানীৰ দাপোণৰ মাজেদি মই সেই শোভা চাই তন্ময় হৈ বহি থাকো।

মিনি এগুৰুজে মোৰ গাত ঢকা মাৰি মোৰ তন্ময়তা ভাঙি দি সোধে—আপুনি কৰিব দৰে ইমান ভাৱে কি?

মই নিজৰাৰ তলৰ কুৰুঙৰ স্থিৰ নিশ্চল দ ঘন ক'লা পানীখিনিলৈ চাই চাই চিন্তাগ্ৰিষ্টৰ দৰে কওঁ—ভাৱো, সৌন্দৰ্য্যই মানুহক ইমান বিহ্বল কৰে কেলৈ, দুৰ্ব্বল কৰে কেলৈ? তাৰ মনৰ লুপ্ত আদিম অৱচেতনাবোৰ আকৌ জগাই তোলে কেলৈ? অসীম অপৰিমিত সৌন্দৰ্য্যৰ আগত মানুহে তাৰ শিক্ষা, সভ্যতা, সংস্কাৰ সকলো পাহৰি গৈ আকৌ সেই আদিম সৃষ্টিৰ প্ৰথম প্ৰভাতৰ উন্মুক্ত নিৰঙ্কুশ মানৱ শিশুটো হবলৈ বিচাৰে কেলৈ?

মিনি এগুৰুজে দুষ্টালিভৰা হাঁহিৰে মোৰ চকুলৈ চায় আৰু বেছি ওচৰলৈ গা ঠেলি বহে আৰু সোধে—কেনে লাগে?

মই অনিশ্চয়তাত পৰি সোধো—কি ?

মিনি এগুকজে সেই একে ছুগালিভৰা হাঁহিৰে কয়—নিজৰাৰ জোৰ কুকুণ্ডৰ পানীখিনি ?

মই মিনি এগুকজৰ চকুলৈ আবেশভৰা দৃষ্টিৰে চাই কওঁ—অতল স্তব্ধ, ঘন নিবিড়, মৰ্ম্মস্পৰ্শী।

মিনি এগুকজে মোৰ হাতৰ সাৰথি লৈ শেলুৱৈ ধৰা, তিতা শিলৰ কাষে কাষে বগুৱা বাই, ঢেকিয়াৰ হাবি ফাণ্ডি ভাঙি, জুৰিৰ পাৰত আহি থিয় হয়। তিতা দূবৰিৰ ওপৰত থিয় হৈ ভৰিৰ জোতাযোৰ খুলি পেলাই হাতত লয় আৰু কয়—শুদা ভৰিত তিতা ঘাঁহৰ সতীৰ পৰশখিনি বৰ ভাল লাগে। তাত যেন গোটেই শৰীৰকে উতলা কৰি অনা লঘু কৰি অনা, এটি মাদকতা আছে। সচাঁকৈয়ে জুৰিৰ কাষত পানী ঘূৰ্ণীত শুদা ভৰিৰে খোজ কাটি কাটি মিনি এগুকজ উতলা হয়, অধীৰা হয়, চঞ্চলা হয়। উলাহতে হাঁহি হাঁহি মোৰ গাত ধৰি বাগৰি পৰে, হালি পৰে, ঢলি পৰে। উৰণীয়া পখিলাৰ পাছে পাছে সৰু ছোৱালীৰ দৰে লৰি যায় আৰু মোকো টানি নিয়ে। ঢুকি নোপোৱা লতাৰ ফুল আঁজুৰি ছিঙিবলৈ যত্ন কৰে ; নোৱাৰিলে মোৰ হতুৱাই ছিঙায়। ঘূৰণীয়া শিলগুটি কোঁচ ভৰাই বুটলি লয় আৰু মোৰ গালৈ নহ'লে পানীলৈ দলিয়ায়।

হাঁহি হাঁহি মিনি এগুকজে জুৰিৰ মাজলৈ শিলৰ ওপৰে ওপৰে লৰি যায়। খোপনি হেৰাই পিছলি পৰিব খুজিলে মোক চিঞৰি মাতে। ওচৰলৈ গৈ থিয় হ'লে, গোটেই গাৰে ভৰ দি মোক পেলাব খোজে। মই পৰিব খুজিলে মোক টানি তোলে হাঁহে, মিছাকৈ ভয়তে চিঞৰে। দুয়ো ধৰাধৰি কৰি কোনো ৰকমে পাৰ হৈ আহোঁ। পাৰো পাৰোকৈ নপৰি কথমপি ৰৈ যাওঁ।

ভাগৰি জুগৰি মিনি এগুকজে আহি দীঘল দি ঘাঁহনিত অৱশ হৈ শুই পৰে। ময়ো আবেশত কাষত বহি আশ্ৰয় লওঁ। শুই শুই সৰল গন্ধৰ গুৱান পাতবোৰ মিনি এগুকজে হাতেৰে গুড়ি কৰি শুঙে। গুড়িবোৰ দুয়োখন হাতৰ মাজত লৈ হাঁহি হাঁহি, মুখেৰে ফু দি বতাহত উৰুৱাই দিয়ে,

মোৰ মুখলৈ মাৰি পঠিয়ায়, নিজে নিজে চুলিৰ মাজত সানি লয়। লেতেৰা হোৱা মুৰটো মোৰ কোলাৰ ওপৰত আনি তুলি দিয়ে আৰু চুলিৰ মাজৰ পৰা পাতৰ গুড়িবোৰ বাচিবলৈ কয়।

মই বহি বহি মুৰটো কোলাৰ ওপৰত তুলি লৈ বৰ যতনেৰে চুলিবোৰ লিৰিকি-বিদাৰি শুকান পাতৰ গুড়িবোৰ বিচাৰো। মিনি এগুৰুজে একোবেলি বৰ শুদ্ধিৰে মুৰটো মোৰ কোলাৰ ওপৰত পেলাই থয় আৰু একোবেলি হঠাতে বিদ্ৰোহ কৰি হাঁহি হাঁহি মুৰটো হোহোকাই টানি হৈ যায়। কিছুপৰ নিশ্চিত ভাৱে চুলিবোৰ ঢৌৰ দৰে মোৰ কোলাৰ ওপৰত মেলি থয় আৰু কেতিয়াবা আচম্বিতে মুৰটো তুলি আঙুলিৰ মাজৰ পৰা চুলিৰ কোছাবোৰ একৰাই হাঁহে।

মিনি এগুৰুজৰ চুলিৰ মদিৰ গন্ধ মোৰ সৰ্ব্বাঙ্গত লাহে লাহে উপচি পৰি মোক মতলীয়া কৰে। মোৰ হাতৰ আঙুলিৰ ভিতৰত নিহিত শক্তিবোৰ সজাগ হৈ উঠে। মোৰ দুয়ো হাতৰ আৱেশ বন্ধন ক্ৰমে দৃঢ় হৈ যায়।

হাজাৰ চেষ্টা কৰিও মিনি এগুৰুজে মোৰ দুয়ো হাতৰ কঠিন বান্ধ মোকালাই আৰু মুৰটো মোৰ কোলাৰ পৰা একৰাই নিব নোৱাৰে।

মিনি এগুৰুজে তথাপি হাঁহে, কেৱল হাঁহে। হাঁহি হাঁহি যেন অজ্ঞান হবলৈ বিচাৰে। আউলী বাউলী হৈ সিঁচৰতি হৈ পৰা চুলিবোৰৰ ফাকেদি হাঁহি হাঁহি এবেলি মোৰ চকুলৈ চায় আৰু নাহাঁহিবলৈ চেষ্টা কৰে।

মিনি এগুৰুজৰ মুৰটো জব্দ হৈ, ভাগৰি হাৰ মানি মোৰ কোলাৰ ওপৰত পৰি থাকে।

মিনিৰ নাকৰ ঘন নিশ্বাসে স্তব্ধ জুৰিৰ পাৰৰ শীতল গধুৰ বতাহখিনিও উতলা কৰি তোলে।

আৰু এসপ্তাহ অতিবাহিত হৈ যায়। তথাপি লতিকাইত নাহে। যেন অহাৰ কোনো লক্ষণ একেবাৰে নোহোৱা হয়।

সজোৱা ঘৰটো হতাশ হৈ পৰি থাকে। মই তালৈ যেন লক্ষ্য নকৰি অইন কিবা এটা ভাবো। ভাবো, সদায় সকলো সময়তে ভাবো। উৎক্ষিপ্ত, উদভ্ৰান্ত হৈ ভাবো; কিন্তু ভাব মীমাংসা যেন মোৰ ভাৱনাতে যায়। কেতিয়াও একো গঢ় লব নোৱাৰে।

মিনি এণ্ডকজে সকলো লক্ষ্য কৰি, কৌতুহল দেখুৱায় আৰু সোধে— আপুনি ইমান বিহ্বল হৈ সদায় নো ভাবে কি ?

মই পৰাপক্ষত উত্তৰ নিদিওঁ। কিন্তু অগত্যা নিদি নোৱাৰিলে কওঁ— ভাবো লতিকাৰ কথা। তেওঁ অতি সহজতে তাৰ প্ৰতিবাদ কৰে আৰু কয়—কিন্তু আপুনি লতিকাৰ কথা ইমান ভাৱিব কিয় ? লতিকাৰ কাৰণে বেছিকৈ ভাবিবলৈতো লতিকাৰ স্বামী আছে। আপুনি তেওঁৰ এজন ওচৰ সম্বন্ধীয় মানুহহে।

প্ৰাণৰ ৰুদ্ধ আবেগ যেন বোধি ৰাখিব নোৱাৰি মই হঠাতে কৈ পেলাওঁ— কিন্তু লতিকাৰ স্বামীয়ে বৰ্ত্তমান লতিকাৰ কথা ভাবিবলৈ এৰি দিছে নাভাবে। তেওঁ অইন এঠাইত প্ৰণয়াবদ্ধ।

মিনিয়ে অতিকৈ কৌতুহল দেখুৱাই কয়—অসম্ভৱ, অস্বাভাৱিক। বিয়াৰ এমাহ পূৰ নৌহওঁতেই এনেকুৱা কথা এটি মই বিশ্বাস কৰিব নোৱাৰো।

কই কথাৰ গুৰুত্ব ৰাখি প্ৰতিবাদ কৰি কওঁ—কিন্তু তথাপি সকলো সম্ভৱপৰ হৈ গৈছে। মই লতিকাৰ স্বামীৰ নিজৰ মনৰ স্বীকাৰোক্তি পাইছো। মই জানো, লতিকাৰ স্বামীৰ অমলিন মনৰ ভিতৰত লতিকাৰ বিয়াৰ আগেয়ে কোনো প্ৰকাৰে বিকৃতি নাছিল। লতিকাৰ বিয়াৰ এসপ্তাহ পিছলৈকেও তাত সেই একে পৱিত্ৰতাই বিৰাজ কৰিছিল।

মিনি এণ্ডকজে বেছি উৎসুকতা দেখুৱাই সোধে—তাৰ পিছত ?

মই সেই একে সুৰৰ গাম্ভীৰ্য্য লৈ কওঁ—তাৰ পিছত, অতি অকস্মাতে তেওঁৰ সকলো সজ্ঞানতা, চেষ্টা, পুৰুষাৰ্থৰ বিপক্ষেও তেওঁ এগৰাকী অজ্ঞাতা সম্পূৰ্ণ অপৰিচিতা গাভৰুৰ প্ৰতি আকৃষ্ট হৈ যায়, এটা আকস্মিক ঘটনাৰ ভিতৰেদি। বেলেগ কুলৰ, বেলেগ ধৰ্ম্মৰ, সম্পূৰ্ণ বিভিন্ন পৰিপাৰ্শ্বিকতাৰ মাজত প্ৰতিপালিত যুৱতীৰ।

তেনেহলে তেওঁ এতিয়া লতিকাক এৰিব বা অৱজ্ঞা কৰিবলৈ বিচাৰিছে ?—মিনি এণ্ডকজে চিন্তিত হৈ সোধে।

মই সুহৃদভাবে উচ্ছাসেৰে কওঁ—বিচৰা নাই আৰু তেওঁ কেতিয়াও নিবিচাৰেও। সেইখিনিতেই তেওঁ ভাবিব নোৱাৰা এটা ডাঙৰ সমস্যা আহি পৰিছে। তেওঁ লতিকাক এতিয়াও আগৰ দৰে সমান ভাল পায়, স্নেহ

কৰে, পূজো কৰে। লতিকাৰ প্ৰতি তেওঁৰ মৰম চিন্তা এতিয়াও এধনিষ্ঠামানো সলনি হোৱা নাই। সেই কাৰণেই তেওঁ বিচাৰিছে এটি দোমোজাৰ বাট, এটি মাত্ৰ স্মৃতি, দুটি পৰস্পৰ বিৰোধী মনস্তত্ত্বৰ ভিতৰত এটি সুস্থিৰ মীমাংসা।

মিনি এগুৰুজে যেন সমস্যাৰ ভিতৰত অকণো প্ৰৱেশ নকৰাকৈয়ে এনেয়ে কয়—যদি সেয়ে হয়, তেনেহ'লে তাৰ নিষ্পত্তি অতি সহজতে আপোনা আপুনি ওলাই আছে। প্ৰেম আৰু বৈৱাহিক সম্বন্ধ দুটা সদায় পৰস্পৰ বিভিন্ন বস্তু: যদিও আমি সকলো সময়তে ভুলকৈ আৰু বলেৰে দুয়োটিকে একে ঠাইতে আবদ্ধ কৰি ৰাখিব খোজো। লতিকাৰ স্বামীৰ বেলিকা যদি দুয়োটি ইমান সহজতে আৰু কোনো বিবাদ নোহোৱাকৈ বিভিন্ন হৈ পৰিছে, তেনেহ'লে তেওঁৰ প্ৰকৃত কৰ্ত্তব্য হব, সিহঁত দুয়োটিকে সেইদৰে সদায় কোনো অন্যায় নকৰাকৈ বিভিন্ন কৰি ৰখা।

মই আৱেগেৰে প্ৰতিবাদ কৰি কওঁ—কিন্তু সেইটো যে সম্পূৰ্ণ অসম্ভৱ মিনি! কল্পনাত হ'লেও বাস্তৱত একেটি মন্দিৰত কেতিয়াও দুখনি একে প্ৰতিমাৰ পূজা সম্ভৱপৰ নহয়।

মিনি এগুৰুজে উষ্মাৰে ততালিকে প্ৰত্যুত্তৰ দি কয়—একে মন্দিৰত বুলি আপোনাক কলে কোনে? সাধাৰণ দৃষ্টিত আপুনি একে দেখিলেও দুয়োটি বস্তুৰে পৰিধি আৰু বৃত্ত স্বকীয়া স্বকীয়া। গৃহিণী বুলি যাৰ লগত আপোনাৰ সম্বন্ধ তাৰ স্থান অকল আপোনাৰ গৃহৰ মাজত। গৃহ বুলিলে ঠিক যিটো আয়তন উপলব্ধি কৰা যায়, ঠিক তাৰ ভিতৰত। কিন্তু মৰমৰ অধিষ্ঠাত্ৰী আপোনাৰ কি দেৱী, কি বন্ধু, তাৰ পূজাৰ কোনো নিৰ্দিষ্ট স্থান নাই—আপোনাৰ অন্তৰৰ অসীম, অনন্ত মৰমৰ সকলো কেন্দ্ৰতে তেওঁ বিয়পি থাকিব।

উচ্ছ্বাসেৰে কথাখাৰ শেষ কৰি মিনি এগুৰুজে হঠাৎ মোৰ চকলৈ এবাৰ চকু তুলি চালে আৰু কিছুপৰ চায়ে লাজত, সঙ্কোচত চকুদুটি নমাই নি জড়িত কণ্ঠেৰে কলে—মোক ক্ষমা কৰিব, তৰ্কৰ চলতে ভুল কৰি মই "আপুনি" বুলি কৈ পেলাইছো। সঁচাকৈ আপুনি নহয়। লতিকাৰ স্বামীৰ কথাহে মই কৈছিলো।

বিমূঢ় চিত্তে মই কেৱল মিনি এগুকক্ষৰ চকুলৈ এক দৃষ্টিৰে চাই ৰ'লো। অব্যক্ত অন্তৰৰ ব্যথা আৰু বেদনাত মুখৰ পৰা এটা কথাও মোৰ সৰি নপৰিল।

আৰু কিছুদিন বাগৰি যায়। মিনি এগুকক্ষে যেন আক্ৰোশ কৰি কৰি মোক সদায় অবিৰল অনুৰোধ কৰিবলৈ ধৰে, লতিকাক মাতি পঠিয়াবলৈ। লগতে লতিকাৰ স্বামী আৰু তেওঁৰ বান্ধৱীকো। সদায় মোক তৰ্ক কৰি বুজায়, মই যিটো সমস্যা মীমাংসাৰ অতীত বুলি ভাবিছো, তাক অতি সহজতে তেওঁ সমাধান কৰি দিব পাৰে। অকল তেওঁক লাগে লতিকাক, লতিকাৰ স্বামীক আৰু তেওঁৰ বান্ধৱীক।

মই তথাপি বাধা দিওঁ আৰু কওঁ—সি সম্পূৰ্ণ অসম্ভৱ কথা, মিনি। জগতত বহুতে তেনে চেষ্টা কৰিছিল; কিন্তু কোনেও কৃতকাৰ্য্য হব পৰা নাই। এজন পুৰুষ দুগৰাকী তিৰোতা, দুজন পুৰুষ এগৰাকী তিৰোতা—ই জগতত আৱহমান কালৰ পৰা চলি থকা "চিৰন্তন ত্ৰিভুজৰ"। চিৰন্তন দিক চক্ৰৱালৰ দৰে ই সদায় আছে আৰু সদায় থাকিবও। বিবাহ স্বত্ব এনে এটা সীমাহীন অনিৰ্দ্দিষ্ট স্বত্ব যে তাৰ দোহাই দি বিবাহিত পত্নীয়ে স্বামীৰ ওপৰত বাস্তৱ, কাল্পনিক "সৰ্ব্বস্বত্বকে" দাবী কৰে। তাৰ এখনিষ্টা-মানো আন কাকো কেতিয়া এৰি দিবলৈ সম্মত নহয়। বান্ধৱীৰ বন্ধুত্ব নালাগে বন্ধুৰ বন্ধুত্বও বিবাহিতা পত্নীৰ মনত এটা ঈৰ্ষাৰ বস্তু।

মিনি এগুকক্ষে তথাপি হাৰ নামানে আৰু কয়—ঈৰ্ষা আদিম মানুহৰ এটা প্ৰাচীন বিকৃত অনুভূতি। শিক্ষিতা প্ৰগতিশীলা, আধুনিকা নাৰীয়ে তাৰ অস্তিত্ব অস্বীকাৰ নকৰে। তেওঁ জানে, লতিকা শিক্ষিতা, উদাৰ, অতি বহল মনৰ ছোৱালী।

মই পৰাস্ত হৈ কেৱল হাঁহো। মিনি এগুকক্ষে তথাপি অনুৰোধ নেৰে।

অগত্যা হাৰ মানি মই হঠাতে এদিন সম্মতি দি পেলাওঁ। মিনি এগুকক্ষ আনন্দত অধীৰা হয়!

লতিকা আহে। লগত মোৰ সৰু ভনী ইলা আৰু মাতৃদেৱী। মিনি এগুকক্ষে ইচ্ছা কৰিয়েই নিজে মটৰ ষ্টেচনলৈ আগবঢাই আনিবলৈ নাযাওঁ বুলি কলে। কাৰণ, সন্ধিয়া হঠাতে আহি ওলাই লতিকাক বিস্মত কৰা

তেওঁৰ অভিপ্ৰায়। মই অকণো তাত বাধা নিদিওঁ। বৰং সন্মুখত ডাঙৰ বিপদ এটাৰ পৰা ৰক্ষা পৰা যেন পাওঁ। ক্ৰমান্বয়ে মিনি এগুকজৰ কথা ভাবোতে ভাবোতে মোৰ অন্তৰত দুৰ্ব্বলতা আহি পৰে।

লতিকা আহি ঘৰত উঠিয়েই মোক একেবাৰে অতিষ্ঠ কৰি তোলে। বিয়াৰ ঠিক এমাহৰ পিচৰ মিলন—বাধাৰ অন্তত ভেটা ভঙা যৌৱনৰ অফুৰন্ত সম্ভাৰ লৈ মোক বিহ্বল কৰি পেলায়। মোৰ ঘৰত প্ৰথম পদাৰ্পণ কৰিয়েই মোৰ ওপৰত গৃহিণীৰ, সঙ্গিনীৰ মৰম, দৌৰাত্ম্য আৰু কৰ্ত্তৃত্ব চলাবলৈ উন্মুখ হৈ উঠে। লতিকাই সঁচাকৈ এডালি পল্লৱিত লতিকাৰ দৰে মোৰ দেহত মেৰাই নিজৰ সত্বা হেৰুৱাবলৈ সুযোগ বিচাৰি জৰ্জ্জৰিত কৰি তোলে।

মই অকল পলাই ফুৰো, আঁতৰি ফুৰো, ভালকৈ কাষ চাপি যাব নোৱাৰো। অদৃশ্য এটি আত্মাৰ ব্যৱধানে মোৰ বাট ভেটি ধৰে।

লতিকাই সহজ সৰলভাবে মুকলি অন্তৰেৰে আহি মোৰ ওচৰত হাবিয়াস কৰি থিয় হয়। মই লুকাই পলাই গৈ মোৰ ড্ৰয়াৰৰ ভিতৰত সুমাই থোৱা মিনি এগুকজৰ বাষ্ট ফটোখনি চাওঁ আৰু ভাবো।

কিন্তু ভাবি ভাবি একো পাৰ নাপাও। শেষ হৈ যোৱা দিনৰ কিৰণ শিখালৈ চাই চাই, মিনি এগুকজ আহি ওলোৱা ঘটনটো মনতে কল্পনা কৰি, মই ভয়ত উচপি উঠো।

সাঁজৰ এন্ধাৰ লাহে লাহে গঢ়ি আহে। পথৰ ক্লান্তিত অধীৰ হৈ পৰি আই আৰু ইলাই সোনকালে পাটীৰ আশ্ৰয় লয়গৈ।

দূৰনিত শাৰী শাৰী পাহাৰৰ বস্তীৰ ওপৰত সন্ধিয়াৰ দিপান্বিতা জ্বলি উঠে। সৰল গছৰ ঘন ৰেখা ৰাতিৰ এন্ধাৰ মহীৰ লগত ক্ৰমে মিহলি হৈ যায়। পাহাৰৰ গায় গায় বগাই উঠা অকোৱা পকোৱা সেন্দুৰীয়া আলিবোৰ ক্ৰমে ধোৱাঁৰ লগত অস্পষ্ট হৈ নেদেখা হয়।

খিড়িকীৰ কাষত থিয় হৈ লতিকাই কোনোদিনে নেদেখা সেই নিস্তব্ধ, নিবিড় দৃশ্যলৈ তন্ময় হৈ চাই থাকে। ময়ো কাষতে থিয় হৈ মোৰ নিজৰ চিন্তাৰ মাজত বুৰ গৈ থাকো।

ভাবোঁতে ভাবোঁতে মোৰ মনলৈ এটা দৃঢ়তা আহে আৰু ভৱিষ্যতৰ কাৰণে সাজু হবলৈ বুকু ডাঠি লতিকাক মোৰ নিজৰ কোঠালীলৈ আগবঢ়াই

নিওঁ আৰু ড্ৰয়াৰ খুলি মিনি এগুকজৰ ছবিখন হাতত দি সোধো—নিশ্চয় এওঁক চিনি পোৱা? তোমাৰ সৰুকালৰ পৰা ডাঙৰ বন্ধু বুলি মই অন্ততঃ গম পাওঁ।

লতিকাই ছবিখন হাতত লৈ যথেষ্ট কৌতূহল দেখুৱাই মোক সোধে—কিন্তু আপোনাৰ হাতলৈ ই আহিল কেনেকৈ? মই জানো, আজি চাৰিবছৰ মিনি মাদ্ৰাজত। তাই ডাঙৰ বায়েকৰ লগত।

কৌতূহল অযথা বঢ়াবলৈ চেষ্টা নকৰি মই ৰহস্য ভাঙি দি কলো—তেওঁ বৰ্ত্তমানে শ্বিলঙত। আমাৰ ঘৰৰ পৰা বেছি দূৰৈত নহয়। আৰু বোধকৰো এই মূহুৰ্ত্তত তোমাক লগ পাবলৈ এইখিনি ওলাবও পাৰে। তাৰে আগ জাননী দিবলৈ মোৰ হাতত ছবিখনি আছে।

মিনি এগুকজক ইমান আকস্মিকভাৱে লগ পোৱাৰ আনন্দত লতিকাই মোক কৰিবলগীয়া সকলো প্ৰশ্নই পাহৰি গ'ল। কেৱল উচ্ছ্বাসিত হৈ বন্ধুৰ গুণ গান কৰি কলে—মিনীজনী নিৰ্ভীক, পোনপটীয়া আৰু স্বাধীনচিন্তীয়া ছোৱালী। তাইৰ নিজৰ এটা ব্যক্তিত্ব বা বিশেষত্ব আছে। পানীৰ দৰে যি পাত্ৰতে থোৱা হয় সেই পাত্ৰৰে গঢ় লোৱা বিধৰ মিনি সাধাৰণ ছোৱালী নহয়। মিনিৰ লগত বন্ধুত্ব তেওঁৰ অতি সৰু কালৰে। তেওঁ নিশ্চয় জানে, মিনিয়ে কেতিয়াও তেওঁক পাহৰিব নোৱাৰে। তেওঁ অহা খবৰ শুনি কেতিয়াও মিনি নহাকৈ থাকিব নোৱাৰে। যদি সচাকৈ তেওঁ মিনিৰ লগ পায়, তেনেহলে অতি আনন্দৰে দিনকেইটা শ্বিলঙত কটাব পাৰিব।

ইচ্ছা থাকিলেও লতিকাৰ উচ্ছ্বাসত মই বাধা দিব নোৱাৰিলো। প্ৰাণৰ উদ্বেলিত আবেগৰ থৌকি-বাথৌকিৰ পৰা কোনো সংলগ্ন ভাষাৰ বাক্য মোৰ মুখেৰে ফুটি নোলাল। কেৱল অসহায় দৃষ্টিৰে লতিকাৰ চকুত জ্বলি উঠা পুলকৰ বিজুলীখিনিলৈ মই চাই ৰলোঁ।

"লতিকা" বুলি উচ্ছ্বাসত চিঞৰি কৰবাৰ পৰা এজাটি তীব্ৰ বা' মাৰলীৰ দৰে মিনি এগুকজে কোঠালীৰ ভিতৰলৈ সোমাই আহিল আৰু ঘৰৰ সকলো পাৰি-পাৰ্শ্বিকতাৰ এটা নতুন সলনি আনি বন্ধুৰ ডিঙিত সাৱটি ধৰিলে। লতিকায়ো সেই একে ইচ্ছাসত আন কি মোৰো

অস্তিত্বলৈ পাহৰি গৈ বন্ধুক নিজৰ বুকলৈ সাদৰি আনিলে আৰু বহু দিনৰ সঞ্চিত মৰম স্নেহ উজাৰি দিবলৈ চেষ্টা কৰিলে।

মই নিজেও নিজৰ অস্তিত্ব পাহৰি গৈ সেই দুয়ো বন্ধুৰে সৌহাৰ্দ্দ্য প্ৰীতি, আবেগ, আনন্দ, বগৰ নিশ্চল শিলৰ, মুৰ্ত্তিৰ দৰে এ:কথৰে চাই থাকিলো; আৰু বহুপৰ চাই চাই শিলৰ মূৰ্ত্তিৰ নিচিনাকৈ এবেলি কঠিন হৈ বহু কষ্টেৰে মাতিলো—মিনি এগুৰুজ!

কেবাবেলিও মোৰ মাত উপেক্ষা কৰি মিনি এগুৰুজ অতি অনিচ্ছাৰে যেন এবেলি মোৰ চকুলৈ চকু তুলি চালে আৰু উলাহতে নিচেই সৰু ছোৱালীৰ দৰে, সুবৰ বিকৃত ভঙ্গি উলিয়াই কলে—মিষ্টাৰ চলিহা।

অতি আচৰিত, অদ্ভুত কিবা এটি কথা শুনাৰ দৰে লতিকাই বন্ধুৰ ডিঙিত ধৰি অসংযত ভাব ধৰি হাঁহিবলৈ ধৰিলে। আৰু বন্ধুৰ দুয়োটি ওঁঠ হাতেৰে টিপি ধৰি এটি এটি কৈ কবলৈ শিকালে—মিষ্টাৰ চলিহা নহয়, আঁকৰী—ডক্টৰ বৰুৱা, এম-পি বৰুৱা এম-বি ডি পি-এইচ। মোৰ··মোৰ···

মিনি এগুৰুজে অতি দ্বিধাত, সংকোচত ভীষণ ভয়ে ভয়ে মোৰ চকলৈ চাই, কষ্টেৰে কথাযাৰ কোনোৰকমে সম্পূৰ্ণ কৰিলে—তোৰ···মোৰ··· অৰণ্যে স্বামী।

তাৰ পিচত কিছু, চঞ্চলতাৰে, কিছু ব্যস্ততাৰে, কিছু অন্তৰৰ খেলি-মেলিত, লাজেৰে, কণ্ঠাৰে, বৈ বৈ মোৰ চকুলৈ চাই, হাঁহি হাঁহি কলে —ক্ষমা কৰিব ডাক্টৰ বৰুৱা। আপোনাৰ নামটো মই ভূলকৈ জানি-ছিলো। কিন্তু মোৰ নামটো বেধকৰো শুদ্ধকৈ জানে। মই মিনি এগুৰুজ—লতিকাৰ প্ৰিয় বন্ধু। ইচ্ছা কৰিলে আপুনিও বন্ধু বুলি ভাবিব পাৰে।

তাৰ পিচদিনা বাগিপুৰা। ফুলনিৰ মাজত সেই ভোনষ্টাৰ সৰু টিপয়খন অৰু সমুখত চাহৰ সৰঞ্জামবোৰ, দুৰণ পাহাৰৰ ওপৰত জিলিকি উঠা নতুন সূৰুযৰ কমলীয়া পোহৰৰ ছাঁ।

লতিকাৰ চকুৰ তেতিয়াও টোপনিৰ জড়িত আবেশসনা দুই-এডাল আউল লগা চুলি এনি-তেনি চকুৰ ওপৰত বাগৰি পৰি আছে।

লতিকাই মোৰ সমুখত চাহৰ পৰিবেশন কৰি থয়। মই অনুচ্ছাসেৰে

কাপটো নীৰৱে হাতত লওঁ আৰু লাহে লাহে সংকোচেৰে সোধো—মিনি জনী বৰ মুকলীমূৰীয়া সৰৱৰহী ছোৱালী। তুমি নিশ্চয় কালি ইমান আচম্বিতে লগ পাই বৰ সুখ পাইছিলা।

লতিকাৰ উত্তৰ আহে—সুখেই নহয়, পুলকতে নিজকে নিজে পাহৰি গৈছিলো। শ্বিলঙলৈ আহি যে মিনিক লগ পাম সপোনতো নভবা কথা। মই জানিছিলো তাই মাদ্ৰাজতে ইমান দিন আছিল। শ্বিলঙলৈ আহি তাই এবছৰ হ'ল পঢ়িছিল, মই তাৰ খবৰকে নাপাইছিলো।

অলপ নিৰৱতা। কাপ, প্লেট, চামুচৰ সজীৱ ঠুং ঠাং শব্দ। মই নিজেই সেই নিৰৱতা ভাঙি আকৌ প্ৰশ্ন কৰো—পঢ়িছিল বুলি কলা যে? বোধকৰো মিনি এতিয়াও ইয়াতেই পঢ়ে। অন্ততঃ পঢ়ে বুলিয়েই মই এতিয়াও জানিছিলো।

লতিকাই উত্তৰ দিলে—পঢ়িলেও আৰু ইয়াত নপঢ়ে বুলি কালি তাই মোক ক'লে। কিবা কাৰণে আকৌ তাই মাদ্ৰাজলৈ যোৱাটোকে ঠিক কৰিবলগীয়া হৈছে হেনো। আজিয়েই তাই শ্বিলং এৰি যোৱাৰ কথা। মাত লগাবলৈ সময় কৰিব নোৱাৰিব বুলি কালি ৰাতিয়েই মোক মাত দি গৈছে।

এইবেলি বহুপৰ ভাঙিব নোৱাৰা গধুৰ নিৰৱতা। আনকি কাপ প্লেট, চামুচৰ শব্দও ক্ষীন হৈ নিস্তব্ধ হয়।

সেই কুণ্ঠিত মৌনতা ভাঙি ময়ে বহু যত্নেৰে আকৌ ক্ষীণ সুৰে কওঁ—তেনেহ'লে মিনিয়ে এবেলি মোক মাত লগাই যোৱা উচিত আছিল। সেই তুমি মোৰ নামটো সুধৰাই দিয়াৰ পিছত, যি তোমাৰ লগত কথা পাতি পাতি ভিতৰ কোঠালীলৈ সোমাই গ'ল, তাৰ পিচত মোৰ লগত আৰু দেখা দেখিয়েই নহ'ল। ময়ো তোমালোকৰ গল্পৰ কিবা বিঘিনি ঘটে বুলি কোনো প্ৰতিবন্ধকতা নজন্মালো। যোৱাৰ সময়ত মিনিয়ে নিশ্চয় মোৰ কথা একো কৈ যোৱা নাই।

লতিকাই মুৰ জোকাৰি ক'লে—নহয়, কৈ গৈছে। আপোনাক কবলৈ কৈছে যে তাই যি বিষয় এদিন সম্ভৱপৰ বুলি আপোনাৰ লগত তৰ্ক কৰিছিল,

তাই তাত হাৰ মানিছে। আপোনাৰ ওচৰত পৰাজয় স্বীকাৰ কৰিছে আৰু তাৰ বাবে তাইক ক্ষমা কৰিবলৈ অনুৰোধ কৰি গৈছে।

তাৰ বহুদিন পিছৰ কথা। প্ৰাণৰ সকলো উদ্দাম, উত্তেজনা স্পৃহা কলিৰ সোঁতত স্থৱিৰ হৈ আছিছে। জীৱন কোনোৰকমে এটি মন্থৰ গতিত পৰি মান্দাক্ৰান্তা ছন্দত বাগৰি গৈছে। লতিকায়ো লাহে লাহে মোৰ ওপৰত কৰা সহজ কৰ্তৃত্বৰ আনন্দ এৰি দি চাৰিটি ল'ৰা-ছোৱালীৰ শাসনভাৰত বেছি মনোনিবেশ কৰিছে।

মই তথাপি সেই অচল টকাটিৰ কথা পাহৰিব পৰা নাই।

কেতিয়াবা সময় পালেই তাৰ কথা নিৰন্নে মই ভাবো আৰু লতিকাৰ ড্ৰয়াৰৰ ওপৰত থিয় কৰি থোৱা, মিনি এগুৰুজৰ ধোৱা লাগি প্ৰায় উৱলি যোৱা বাষ্ট ফটোখনি চাই চাই চিন্তা কৰো, মিনি এগুৰুজে যে এদিন কৈছিল—ঈৰ্ষা আদিম মানৱৰ অতি পুৰণি এটি বিকৃত অনুভূতি। শিক্ষিতা, উদাৰমনা নাৰীয়ে তাক অস্বীকাৰ কৰে—সেই কথাষাৰিত কোনো সত্যতা আছেনে ?

[আৱাহন - ১ম বছৰ ২য় সংখ্যা মাঘ, ১৮৫১ শক]

ছলে-বলে কৌশলে

সময় মাজৰাতি⋯

অচিন্ত্যৰ শোৱা-কোঠা। ধোবাই ধোৱা নতুন কাপোৰ পৰা এখন ধুনীয়া ডুজনীয়া পালেং। মূৰ শিতানত খিড়িকীৰ কাষলৈ এখন ডাঙৰ আইনা লগোৱা ড্ৰেছিং টেবুল। টেবুলৰ ওপৰত জ্বলি থকা বগা চিমনিৰ এটা সৰু বেড্‌ৰুম লাইট। তাৰে কাষত ক্ৰোমিয়মৰ এটা সুন্দৰ ফুলদানীত কিছুমান নতুনকৈ ছিঙা ৰঙা গোলাপ সজোৱা আছে।

ব'হাগ মাহ। বাহিৰত ভীষণ বৰষুণ আৰু ধুমুহা।

অচিন্ত্য বিচনাত। তাৰ গাত মূৰলৈকে তুলি লোৱা এখন 'ৰাগ'। ৰাগখনৰ তলত সি বুকুত এটি গাঁৰু ভেজা দি, বিচনাত উবুৰি হৈ শুই আছে। তাৰ কিছু আতৰত, একেবাৰে বেৰৰ কাষত, ছয়-সাতমহীয়া কেঁচুৱা ছোৱালী এটি টোপনিত লাল-কাল দি আছে। অচিন্ত্য আৰু সেই ছোৱালীকণৰ মাজৰ বিচনাৰ ঠাইখিনি এতিয়াও খালী। অৰ্পণাই এই মাজৰাতিলৈকে, মূৰ-শিতানৰ ড্ৰেছিং টেবুলখনৰ কাষত বহি সেই ক্ষীণ বেড্‌ৰুম লাইটটিৰ পোহৰত, এটা ছোৱেটাৰ গুঁঠি আছে। ইমান ৰাতিলৈকে উজাগৰে থাকিলেও অৰ্পণাৰ চকুত এতিয়ালৈকে টোপনিৰ কোনো জড়িমা দেখা যোৱা নাই। বৰং তাৰ পৰিবৰ্ত্তে তাত এটি কিবা অস্বাভাৱিক তীব্ৰ দীপ্তি জিলিকি উঠিছে। অৰ্পণাৰ মুখত যেন এটি প্ৰকাশ্য আত্ম-গৰিমাৰ ভাব।

অচিন্ত্যই টোপনি অহাৰ দৰে তেনেকৈ গাঁৰুটি লৈ কিছুপৰ শুই থাকে তাৰ পিছত এবেলি মূৰটো তুলি অৰ্পণালৈ চাই মাতে,

—অপু!

—হুঁ

—তুমি সঁচাকৈ আজি ছোৱেটাৰটো গোঁঠা বন্ধ নকৰোঁ বুলি ভাবিছা নেকি?

—এৰা, নকৰোঁ বুলিয়েইতো এই পৰ্য্যন্ত ভাবিছো। নাজানো কেলৈ ছোৱেটাৰটো গুঁঠিবলৈ আজি হঠাতে ইমান ভাল লাগিছে।

—কোনো এটা বস্তু কেতিয়াও মানুহৰ ইমান হঠাতে ভাল লাগিব নোৱাৰে।

—আপুনি ভুল কৰিছে। ভাল লগা বস্তুটো সদায় এইদৰে হঠাতেই হৈ যায়। তাৰ কোনো হেতু নাথাকে।

—সি যিয়েই নওহক, ই তোমাৰ ঘোৰ অন্যায় অৰ্পণা! এই সুন্দৰ ৰাতি! এই সুন্দৰ লেখাবি নিছিগা বৰষুণ। তথাপি তুমি মোৰ মুৰ-শিতানত বহি এইদৰে চোৰেটোৰ গুঁঠি থাকিবা?

—কিন্তু কি কৰিম? আপুনি জানেই নহয়, কবিতা বোলা বস্তুটো মই কোনোদিনেই ভাল নাপাওঁ। কবিতা উপভোগ কৰিবলৈ মোৰ প্ৰাণেো নাই যেন পাইছোঁ।

—প্ৰাণ বাৰু তোমাৰ নাথাকিলেই, কিন্তু চকুত টোপনি বোলা বস্তু এটা তো আছে? এই মাজনিশালৈ তুমি এইদৰে নোশোৱাকৈ থাকিবা নে?

—মনত পৰা দিনৰপৰাচোন কেৱল শুয়েই আছিছোঁ! আজি বাৰু এদিন নুশুলোঁৱেই। তাতে নো এনে কি অপৰাধটো হব পাৰে?

—অপৰাধ অৱশ্যে একো নহয়। কিন্তু তথাপি স্পষ্টকৈ বুজা যায় যে, তুমি মোৰ লগত কিবা এটি 'জিদ' ধৰিছা।

—এদিন অলপ নুশুলেই কেতিয়াও মানুহৰ জিদ কৰা নহয়।

—তেনেহ'লে ভাল বাৰু আহা, শোৱাহি।

—নাই, ইমান সোনকালে মই কেতিয়াও শুব নোৱাৰোঁ।

—কেলেই?

—বীণুক এতিয়াও তাইৰ বিচনাত শুৱাই থৰলৈ আছে।

—ইয়াৰ আগতে তুমি বহু দিন বীণুক লৈ এই বিচনাতে দেখোন শুইছা!

—শুলেও আজি মই কেতিয়াও শুব নোৱাৰোঁ।

—তাৰ নিশ্চয় এটা কাৰণ আছে?

—বান্ধনি ল'ৰাটো এতিয়াও পাকঘৰত সাৰে আছে যেন পাইছোঁ।

—সাৰে থাকিলেইবা তুমি তো আৰু মঁছোৱালী নহয়! এজনী ছোৱালীৰ মাক।

—সেই কাৰণেহে আকৌ অলপ লাজ লাগে।

—অপু!

—কি?

—মই বুজিছোঁ, এইবোৰ তোমাৰ মিছা তৰ্ক।

—মিছা নহয়, সম্পূৰ্ণ সঁচা। মই সঁচা কৈছোঁ, মোৰ আজি শুবলৈ মন যোৱা নাই। সেই কাৰণে আপুনি অকলে শুবলৈ অলপ যত্ন কৰক। মনতে ভাবক. কি সুন্দৰ ঘৰৰ চালৰপৰা টোপা-টোপে ৰৰষুণ অনৰ্গল সৰি পৰিব লাগিছে। এক মুহূৰ্ত্তেতে আপোনাৰ সুন্দৰ টোপনি আহি যাব। যদি নাহে, তেনেহ'লে ল'ৰা নিচুকোৱা গীত এটিও গাই শুনাব পাৰোঁ।...'লাই হালে-জালে আগলি বতাহে......'

—তাৰ মানে তুমি বিচাৰিছা, যি কোনো প্ৰকাৰে নহওক, মোৰ টোপনি আহিব লাগে। কেলৈ, ক'ৰবাৰপৰা বিচাৰি আনি আফিং অকণমান খুৱাই নিদিয়া কিয়?

—আফিং খুৱালে এটা মস্কিল আছে।

কিহৰ? পুলিচৰ?

—নহয়, শুনিছোঁ আফিং খালে হেনো মানুহৰ বৰ বেছি গাঢ় টোপনি আহে।

—গাঢ় টোপনিকেই মই বিচাৰিছোঁ যে!

—নাই, গাঢ় টোপনিৰ এটি দোষ আছে। শুনিছোঁ, গাঢ় টোপনি আহিলে হেনো মানুহে কেতিয়াও সপোন নেদেখে। দেখিলেও হেনো পাহৰি যায়।

—মই সপোন দেখা নেদেখালৈ তোমাৰ ইমান মূৰ-কামোৰণি উঠিছে কেলেই?

—মূৰ থাকিলে মাজে মাজে কেতিয়াবা কামোৰেই।

—কিন্তু বিনা কাৰণে যাৰ মূৰ কামোৰে তাৰ চিকিৎসাৰ দৰকাৰ।

—বিনা কাৰণে কামুৰিব কেলেই ? নিশ্চয় তাৰ এটা ডাঙৰ কাৰণ আছে। মই বিচাৰিছো, আপোনাৰ টোপনি আহক আৰু সেই টোপনিত আপুনি সপোন দেখক আৰু সেই সপোনত……

—তোমাক দেখোঁ ?

—মোক দেখিব কেলেই ? মোক তো সদায় দেখি আছেই।

—তেনেহ'লে কাক ?

—যাক সদায় নেদেখে ; কিন্তু চাবলৈ বৰ ইচ্ছা হয়।

—বুজিছো, তাৰ মানে মাধুৰীক ?

—এৰা, আপোনাৰ সেই ডেকা কালৰ বান্ধৱী, কলেজৰ সহপাঠিনী মাধুৰীক ?

—অপু !

—কি ?

—এটি কথা তুমি জানা নে ?

—কি ?

—তুমি সদায় মাধুৰীৰ নাম কৈ জোকোৱা। কিন্তু তুমি কোনো-দিনে মাধুৰীৰ নিচিনা হব পৰা নাই।

—কিহৰ ? 'ফ্লাৰ্ট' কৰাত ?

'ফ্লাৰ্ট' কৰাত নহয়। এনেয়ে সাধাৰণ ব্যৱহাৰত।

—ভাল, তেনেহলে মজাকৈ মোক মাতি আছে কেলেই ? মাধুৰীৰ তাত গলেই হয়চোন।

—খং কৰা কেলেই ?

—খং কৰিম কেলই ? সঁচা কথা কৈছো। আপুনি আৰু মোক নেমাতিব। মাতিলেও আৰু মই কেতিয়াও নুমাতো।

—সঁচাই ?

—এৰা, সঁচাই কৈছো।

—বেচ, তেনেহ'লে ময়ো প্ৰতিজ্ঞা কৰিলোঁ, তোমাক তুলিমেই।

—কেনেকৈ ?

—যেনেকৈ পাৰোঁ—ছলে-বলে-কৌশলে।

—বলেৰে পাৰিব পাৰে, অইন একোৰে নহয়।

—বাৰু, চোৱা যʼক কিহেৰে পাৰোঁ।

—বাৰু, আমিও চাই থাকিম।

বাহিৰত ধুমুহা একেদৰে চলি থাকে। অৰ্পণাই আগৰ ঠাইতে একেদৰে বহি, আগতকৈও বেছি খৰকৈ যেন ছোৱেটাৰ গোঁঠা শলা দুডাল চকুৰে মনিব নোৱাৰাকৈ চলাই যায়। অচিন্ত্যাই কিছুপৰ নিঃশব্দে শুই থাকি এবেলি লাহে লাহে বিচনাৰপৰা নামি মাটিত থিয় দিয়ে। আৰু মুখত এটা অদ্ভুত কৌতুকৰ হাঁহি লৈ, হাত দুখন বুকুত বান্ধি কোঠাটোৰ ভিতৰতে অলপ টহলি ফুৰে। তাৰ পিছত ড্ৰেছিং-টেবুলখনৰ আইনাৰ সমুখত থিয় হৈ মুখত হাঁহিটি লৈ নিজৰ প্ৰতিচ্ছবিখনি বহুপৰ নিৰীক্ষণ কৰি চায়। ফুলদানীটোৰ কাষলৈ গৈ এনেয়ে ফুলবোৰ লাৰি-চাৰি চাই শুঙে, মূৰ-শিতানৰ খিড়িকীখনৰ ওচৰলৈ গৈ এনেয়ে বন্ধ খিড়িকীখনৰ ভিজা কাঁচৰ ফাকেদি বাহিৰৰ আন্ধাৰ আৰু ধুমুহাৰ বুকুলৈ চাই থাকে। আৰু তাৰ পিছত এবেলি এখোজ দুখোজকৈ বিচনাৰ কাষলৈ আহি আকৌ আগৰ নিচিনাকৈ নিঃশব্দে শুই পৰে।

কিছু সময় কোনো কথা-বতৰা নোহোৱাকৈ এনেয়ে পাৰ হৈ যায়। তাৰ পিছত অচিন্ত্যাই আকৌ এবেলি অৰ্পণাক মাতে,

—অপু?

—কি হʼল আকৌ?

—একো হোৱা নাই। তোমাক এটা কথা কওঁ বুলি ভাবিছো।

—কি কথা?

—কথাটো এয়ে যে, মই তোমাৰ লগত আৰু কাজিয়া নকৰোঁ বুলি ঠিক কৰিছো।

—ভাল ভৈনেহʼলে, মনে মনে শুই থাকক।

—অকল মই শুলেই নহয়। তুমিও আহি মনে মনে শুব লাগে।

—কেলৈ, অলপ আগেয়েচোন বৰ ফুটনি মাৰি কৈছিল, যেনেকৈ নহওক, মোক তুলি নিবই। এতিয়া হঠাতে কেলৈ ইমান সৈমান হৈ পৰিল?

—সেইমান হোৱা নাই। এতিয়া ভাবি চালোঁ, এনেকৈ যুঁজ-বাগৰ কৰা মিছা। ইপিনে আকৌ ৰাতিও ভালেমান হৈ গৈছে।

—আপোনাৰ কাৰণে হ'ব পাৰে, মোৰ কাৰণে কিন্তু এতিয়াও একো ৰাতি হোৱা নাই।

—তাৰ মানে তুমি যুঁজলৈ আহ্বান কৰিছা?

– অথনিৰে পৰা তো তাকেই কৰি আছোঁ।

—বাৰু, তেনেহ'লে তুমি মোক মুছুৰিবা। মই মোৰ কৌশল এতিয়া প্ৰয়োগ কৰিম। যাৰ ফল তোমাৰ কাৰণে অতি কষ্টকৰ হ'ব। সেই কৌশল প্ৰয়োগ কৰা মাত্ৰকে তুমি তৎক্ষণাৎ তোমাৰ ছোৱেটাৰ গোঁঠা দলি মাৰি পেলাই এই বিচনাৰ ওচৰলৈ লৰি আহিবলৈ বাধ্য হ'বা। অকল সেয়েই নহয়, তাৰ ফলত বহুপৰলৈ তুমি ইচ্ছা কৰিলেও আৰু নিৰ্বিঘ্নে শুব নোৱাৰিবা।

—মুখেৰে নকৈ ইমান পৰে কামেৰে দেখুৱাইছেতেন হয়তো কিবা এটা নতুন বস্তু দেখিলোহেঁতেন।

—অৱশ্যে দেখিলাহেঁতেন। তথাপি মই তোমাক এবেলি সতৰ্ক কৰি দিয়া উচিত হ'ব বুলি ভাবিছো।

—সতৰ্ক কৰাৰ কোনো প্ৰয়োজন নাই। মই নিজে আপোনাক উপযাচি অনুমতি দিছো।

—তেনেহ'লে, এই চোৱা, তোমাৰ বীণু। এইখন বীণুৰ কোমল কৰতল। মই সেই কৰতলখনতে এই চোৱা, এই মোৰ নখেৰে চিকুটি দিলোঁ। শুনিবা, বীণুৱে এতিয়াই ভীষণ চিঞৰ মাৰি কান্দি উঠিব! তুমি তত মত হৈ দৌৰি এই বিচনাৰ কাষলৈ লৰি আহিবলৈ বাধ্য হবা।

—ছিঃ! সঁচাকৈ কি ল'ৰাৰ ধেমালিখন আৰম্ভ কৰিলে!

—ধেমালি নহয়, এয়ে মোৰ অমোঘ অস্ত্ৰ।

অচিন্ত্যই সঁচাকৈয়ে বীণুক চিকুটিবলৈ তাইৰ ওচৰলৈ হাত মেলি চুঁচৰি যায়। অৰ্পণাই লৰালৰিকৈ কোনোমতে ছোৱেটাৰ গোঁঠা সামৰি, প্ৰাণপণে লৰি আহি অচিন্ত্যক বাধা দিয়ে। দুয়োৰে ভিতৰত কিছুপৰলৈ মৰমৰ অলপ যুঁজ-বাগৰ হয়। অচিন্ত্যই অলপ পিছতে নিজে নিজে পৰাস্ত

হৈ বিচনাত আগৰ দৰে দীঘল দি পাৰে। অৰ্পণাই বৰ ভাগৰ লগাৰ দৰে অচিন্ত্যৰ কাষতে বিচনাত বহি অলপ জিৰায়। অচিন্ত্যই দুয়ো হাতেৰে অৰ্পণাৰ কঁকালখনত জোৰেৰে সাবটি ধৰি অৰ্পণাৰ কোলাত মূৰটি থৈ পাৰেমানে হাঁহে। হাঁহি হাঁহি ভাগৰি কিছুপৰৰ পিছত আকৌ অৰ্পণাক মাতে,

—অপু, দেখিলা নহয় এতিয়া মোৰ কৌশল কেনে কাৰ্য্যকৰী?

—দেখিলোঁ, কিন্তু তাত পুৰুষালি অলপো নাই।

—নাথাকিব পাৰে। কিন্তু তথাপি তুমি উঠি আহিবলৈ বাধ্য হলা।

—হলেও মই এতিয়াও নিৰ্ব্বিঘ্নে বিচনাতে বহি আছোঁ। আপুনি প্ৰতিজ্ঞা কৰিছিল, বলেৰে শুৱাব।

—তাৰমানে, সেই প্ৰতিজ্ঞাৰ কথা তুমি আকৌ মোক সোঁৱৰাই দিছা?

—সোঁৱৰাই দিয়া নাই। আপুনি যি প্ৰতিজ্ঞা কৰিছিল তাকে কৈছোঁ।

—বুজিছোঁ, তাৰ মানে তুমি শুবলৈ বিচাৰিছা?

—কেতিয়াও বিচৰা নাই। আপুনি যদি তেনেকৈ কয়, মই আকৌ উঠি গৈ আগৰ ঠাইত বহিম।

—তুমি যিমানেই চেষ্টা কৰা এই ঠাইৰপৰা উঠিব নোৱাৰা।

—কি কাৰণে?

—প্ৰথমতে, তোমাৰ কঁকালখনত দুয়োখন হাতেৰে মই জোৰেৰে ধৰি আছোঁ। দ্বিতীয়তে, মোৰ দ্বিতীয় কৌশলটো ইয়াৰ ভিতৰতে প্ৰয়োগ কৰা হৈ গৈছে। অলপ পিছতেই তুমি নিজে নিজেই বিচনাত শুই পৰিবলৈ বাধ্য হবা। এই কোঠাটোৰ ভিতৰতে, তোমাৰ চকুৰ আগতে, এনেকুৱা কিছুমান বস্তু মই দেখুৱাবলৈ কাৰবাৰ কৰিছোঁ। যাক তুমি জীৱনত আটাইতকৈ বেছি ভয় কৰা।

—কি বস্তু?

—ভূত।

—ছিঃ, এই ৰাতিখন কি ভূতৰ কথা কৈছে আপুনি!

—কৈছোঁ নহয়, তোমাক দেখুৱাবলৈ আয়োজনো কৰিছোঁ। তুমি মূৰ-শিতানৰ সেই কাঁচৰ খিড়িকীখন দেখিছা নিশ্চয়?

—দেখিছো।

—সেই খিড়িকীখনৰ সিপিনে এতিয়া ঘোপমৰা আন্ধাৰ। অকল আন্ধাৰেই নহয়, বৰষুণ আৰু ধুমুহাও। সেই বৰষুণ আৰু ধুমুহাৰ মাজত কিমান প্ৰকাণ্ড প্ৰকাণ্ড ভূত, পিশাচ, ঘোৰাপাক, কন্ধমূঢ়াবোৰে আন্ধাৰত এতিয়া লিকৃলিকাই নাচি-বাগি ফুৰিব লাগিছে। কাৰণ, ধুমুহাৰ ৰাতিবোৰ সিহঁতৰ কাৰণে এটা ডাঙৰ আনন্দৰ দিন।

- ছিঃ, আৰু যদি ভূতৰ কথা আপুনি বেছিকৈ কয়, সঁচাকৈ কৈছো, মই চিঞৰি দিম।

চিঞৰি দিলেও এতিয়া বিশেষ কাম নহব। কাৰণ, তুমি দেখিছাই সেই মুৰ-শিতানৰ খিড়িকীখন ধুমুহাৰ হেঁচাত কেনেকৈ ঘটঘটাই লৰিব লাগিছে!

-- দেখিছো।

—তুমি নিশ্চয় জানা সেই খিড়িকীখনৰ তলৰ খিলডাল অলপ ভঙা।

• —জানো।

—আৰু যদি কিছুপৰ ধুমুহাই এইদৰে খিড়িকীখন হেঁচি থাকে, তেনেহ'লে খিড়িকীখন হঠাতে এবেলি মেল খাব। আৰু মেল খালেই বৰষুণৰ ছিটিকনি আহি টেবুলৰ লেমটো নুমাই পেলাব। আৰু নুমাই পেলালেই বাহিৰৰ আন্ধাৰ আৰু ভিতৰৰ আন্ধাৰে একে হৈ পৰিব। কিয়নো, তুমি বোধকৰো নাজানা, গাঁৰুৰ তলত থকা দিয়াচলাইটোত আৰু এটিও কাঠী নাই।

- তেনেহ'লে চাওঁ, মোক যাবলৈ দিয়ক। মই খিড়িকীখন হেঁচা মাৰি ধৰি থাকোঁগৈ। নহ'লে এডাল দিয়াচলাইৰ শলাকে ক'ৰবাৰপৰা বিচাৰি আনো।

· ই তোমাৰ মিছা অনুৰোধ অৰ্পণা! তুমি মনত পেলোৱা তুমি মোক প্ৰতিজ্ঞা কৰাইছা। মই তোমাক ভূত দেখুৱাই শুৱামেই।

নাই, কাৰো কৰিছো, মোক এৰি দিয়ক। মই স্বীকাৰ কৰিলোঁ, মই ঘাটিছো। মই এতিয়াই এই শুলোঁ, তথাপি মই ভূত নাচাওঁ।

শুৱা যে মই ভালকৈ জানো। শোৱাৰ আগতে দুটা ভূত দেখিলাইবা তাতে কি এনে হানিটো হব পাৰে?

—উঃ, এৰি দিয়ক। আপুনি কি নিষ্ঠুৰ! মই সঁচাকৈ কৈছো খিড়িকীখন মেল খালে মই ফিট্ হৈ পৰি যাম।

অৰ্পণাই ভয়ত চকু মেলি থাকিব নোৱাৰি অচিন্ত্যৰ গাঁকত মুখটো গুজি সৰু ছোৱালীৰ দৰে উচুপিবলৈ ধৰে। অচিন্ত্যই তথাপি মুখত এটি নিৰ্ম্মম হাঁহি লৈ, অৰ্পণাক হাত দুখনেৰে জোৰেৰে ধৰি থাকে। বহুপৰ ধুমুহাৰ লগত যুঁজি থাকি সঁচাকৈ মূৰ-শিতানৰ আধা মেল খোৱা কাঁচৰ খিড়িকীখন এবেলি এটা বিৰাট শব্দ কৰি মেল খাই যায়। আৰু মেল খোৱাৰ লগে লগে বৰষুণৰ আছাৰকণি আহি টেবুলৰ ওপৰত থকা সৰু লেমটো উফৰাই নি মজিয়াত আছাৰি নুমাই পেলালে। অৰ্পণাই চকু নেমেলাকৈয়ে আতুৰত এবেলি চিঞৰি বিচনাত জঁপিয়াই উঠি অচিন্ত্যৰ বুকুৰ মাজত সোমাবলৈ যত্ন কৰে। অচিন্ত্যই গৰ্ব্বৰ এটা দীঘল হাঁহি মাৰি, নিজৰ প্ৰশস্ত বুকুৰ মাজত অৰ্পণাক সাবটি লয়। আৰু বহুপৰে নিচুকাই আশ্বস্ত কৰি, এবেলি উঠি গৈ মূৰ-শিতানৰ খিড়িকীখন জপাই আহি আকৌ লাহে লাহে এবাৰ অৰ্পণাক মাতে,

– অপু, দেখিলা নে তুমি গৈ শেষত কেনেকৈ মোৰ ওচৰত হাৰ মানিবলগীয়া হ'ল?

—দেখিছো, কিন্তু আপোনাৰ তাত গৰ্ব্ব কৰিবলগীয়া একো নাই। ধুমুহাই খিড়িকীখন নেমেলাহেঁতেন···· ·

—তুমি অৱশ্যে সেইদৰে ভাবি অলপ সান্ত্বনা লভিছা! কিন্তু আচলতে খিড়িকীখন ধুমুহাই মেলা নাছিল! মেলিছিলোঁ মই।

আপুনি?

এৰা ময়েই। তোমাৰ আগত তেতিয়া প্ৰতিজ্ঞা কৰাৰ পিছত বিচনাৰপৰা নামি গৈ মইয়েই তুমি নেদেখাকৈ খিড়িকীখনৰ ভগা খিলডাল অলপ ঢিলাকৈ লগাই আহিছিলোঁ।

—কিন্তু সেয়ে হলেও দিয়াচলাইটোত কাঠী থকাহেঁতেন মই কেতিয়াও ইমান ভয় নাখালোহেঁতেন।

—দিয়াচলাইটোত কাঠী নথকা কথাষাৰো মই নিজে সাজি কোৱা এটা সম্পূৰ্ণ মিছা কথা। তুমি যদি চোৱা—দেখিবা, এতিয়াও দিয়াচলাইটোত কুৰিডালমান নমৰা কাঠী আছে।

—উঃ! কি ভীষণ মিছলীয়া আপুনি!

—মিছলীয়া নহয়, মই কেৱল মোৰ প্ৰতিজ্ঞাটো ৰক্ষা কৰিছোঁ, ছলে-বলে-কৌশলে।

[আৱাহন—১১শ বছৰ ৭ম সংখ্যা আহাৰ, ১৮৬২ শক]

সেই দিনবোৰ

মই প্ৰায়েই ভাবোঁ, মানুহৰ জীৱন একেটাই নে ই পৰস্পৰ অসংলগ্ন কিছুমান বিভিন্ন জীৱনৰ সমষ্টি মাথোন ?

সেই যে সৰুতে যিটি ল'ৰাই, আলিবাটত লোৰ চকৰি ঘূৰাই, মুখেৰে শব্দ কৰি, সঁচাকৈ মটৰ চলোৱা বুলি ভাবিছিল, সেই ল'ৰাটি কি এদিন প্ৰকৃততে ময়েই আছিলো ?

নাইবা সেই যে যিটি ডেকাই, ধুনীয়া ধোবাই-ধোৱা চুৰিয়াখনৰ ডবল লেঙুটিটি মাৰি, কামিজৰ কলাৰটো ওপৰলৈ তুলি লৈ, কোনোবা এখন খিড়িকীৰ ওচৰত থকা কোনোবা এখন মুখলৈ চাই, বাৰেপতি আলিবাটেৰে অহা-যোৱা কৰিছিল, সেই ডেকাটি কি এদিন সচাকৈ মোৰে ভিতৰত লুকাই আছিল ?

নাইবা জীৱনৰ আদি-ছোৱাত যিটো মানুহে সংসাৰৰ পাক্ ঘূৰণিত পৰি তাৰ যথাসৰ্বস্ব হেৰুৱাই, শিলঙৰ সস্তীয়া হোটেল এখনত বাগৰি, দিনে ৰাতিয়ে কেৱল গল্পকেই লিখি গৈছিল, সেই মানুহটো কি এদিন ময়েই আছিলো ?

যদি আছিলো, তেনেহ'লে আজি আমি পৰস্পৰে পৰস্পৰৰ পৰা ইমান আঁতৰি পৰিলো কেলেই ? ইজনে সিজনক চিনি নোপোৱা হ'লো কেলৈ ?

সংসাৰত অকল ময়েই সলনি হোৱা নাই ! মোৰ লগৰ সকলোৰে সলনি হৈছে। পাঠক, চৌধুৰী, বৰা, শইকীয়া, দত্ত, এওঁবিলাকৰ কথা মনত পৰিলে, এওঁবিলাকক আজি যেন ঠিক পুৰণি এলবাম এখনৰ ধোঁৱা উঠি যোৱা অস্পষ্ট ছবিবোৰৰ দৰেই লাগে। কিন্তু লাগিলেও তেওঁবিলাকৰ সৈতে, আজিও যেন ক'ৰবাত, প্ৰাণৰ এটা অন্তঃসলিলা অচ্ছেদ্য সম্বন্ধ ৰৈ গৈছে। আৰু সেই কাৰণেই হবলা সেই সিদিনাৰ কাহিনীবোৰৰ কথা আজিও একেবাৰে পাহৰিব পৰা নাই।

* * * *

১৯২৮ চনৰে কথা। সেই বছৰ মেট্ৰিক পাছ কৰি সোমাইছোঁ আহি কটন কলেজত। হোষ্টেলৰ ছিট্ ফোৰ্থব্লকৰ ১৮ নম্বৰ ৰূমত।

১৪ নম্বৰত থাকে, কটন কলেজৰ দুই প্ৰসিদ্ধ 'বুঢ়া আপ্'। ছয়-ফিট্ দুই-ইঞ্চি দীঘল নলবাৰীৰ ভলি-বল ওস্তাদ,—বিচিত্ৰ,-ওৰফে 'ঘটোৎকচ' চৌধাৰী। আৰু তেওঁৰ সুহৃদ, চাৰি-ফিট্-চৈধ্যইঞ্চি দীঘল, বৰপেটাৰ পুতলে গধুৰ, 'বাঘা' হাফ্‌বেক,—অক্ৰুৰ-ওৰফে 'গাথলু' পাঠক।

তেওঁবিলাক দুয়োকে আমি, ৰোমাণ্টিক যুগৰ ঠিক দুজন প্ৰথিতযশা বীৰৰ দৰেই পূজা কৰিছিলো। আৰু তেওঁবিলাকেও আমাক সেইদৰেই আপামৰ শ্ৰেণীৰ তলতীয়া প্ৰজালৈ চোৱাৰ দৰে সদায় অলপ টেৰা চকুৰে চাইছিল।

এটি ৰাতিৰ কথা মোৰ এতিয়াও স্পষ্ট মনত আছে।

ঘড়ীত বোধকৰোঁ তেতিয়া আঠোটা।

আমি ফুৰিচাকি আহি, এঘণ্টামান পঢ়ি উঠিছো মাথোন। এনেতে হোষ্টেলৰ চাৰিও পিনৰ পৰা এটা অস্পষ্ট গুঞ্জন-ধ্বনি মূৰ তুলি উঠিবলৈ ধৰিছে। ক'ৰবাৰ পৰা ভাহি অহা শুনা গ'ল, বেৰত এটি গজাল কোবোৱাৰ শব্দ। চেগুেল এজোৰ চোঁচৰাই নিয়াৰ জাননী। নাইবা প্ৰাণ-খুলি এবা এটা বিকট হাঁহিৰ ঝঙ্কাৰ। মূঠৰ ওপৰত বুজা গ'ল যে সিদিনা ৰাতিৰ কাৰণে হোষ্টেলৰ বাইজৰ পঢ়াৰ ধৈৰ্য্য শেষ হৈ আহিছে। তেওঁবিলাকে বিচাৰিছে অলপ বৈচিত্ৰ; নাইবা পালে সোনকালে খোৱাৰ ঘণ্টাটো।

কিন্তু সিদিনা খোৱাৰ ঘণ্টা পৰাৰ যেন কোনো সম্ভাৱনাই দেখা নগ'ল।

১৪ নম্বৰৰ কমটো অলপ আগলৈকে তেনেই আন্ধাৰ হৈ আছিল। এই মাত্ৰ পাঁচ মিনিটমান আগতেহে যেন তাত বিজুলী চাকিটো জ্বলি উঠিছে।

'ঘটোৎকচ' চৌধাৰী আৰু 'গাথলু' পাঠকৰ জীৱনৰ ধাৰাটো হোষ্টেলৰ আইন কোনো বাইজৰ লগতে সমূলি নিমিলে। তেওঁলোকৰ পঢ়া, খোৱা আৰু ফুৰাৰ সময়ো সম্পূৰ্ণ স্বকীয়া। ফুৰি চাকি আহি দুয়োজনে এঘণ্টামান বুক-ডন্ কৰি, এই মাত্ৰহে গা-পা ধুই, ৰুমত সোমাইছে। আৰু কি জানো কি ফূৰ্ত্তিৰ কথা এটি কৈ, বিছনাত বাগৰি বাগৰি হাঁহিব লাগিছে।

বাহিৰৰ পৰা যি দেখা যায়, তেওঁবিলাকে এতিয়াও খোৱাৰ কথা সমূলি ভৰা নাই। আৰু নহবাটোৱেই স্বাভাৱিক। কিয়নো হোষ্টেলত সোমোৱাৰ

আগতে তেওঁলোকে ডিগাম্বৰৰ দোকানত সোমাই, গাইপতি পাঁচ প্লেটকৈ পৰঠা মাংস উৱাই আহিছে। অইন নহলেও অন্ততঃ সেইখিনিতো পেটত দাপিবলৈ কিছু সময় লাগিব ?

সেয়ে 'ঘটোৎকচ' চৌধাৰী আৰু 'গাথলু' পাঠকে ঠিক সেইদৰেই বিছনাত বাগৰি হাঁহি আছিল। এনেতে ১১ নম্বৰৰ — নগাওঁৰ, টেনিছ-প্ৰসিদ্ধ-ভট্টই, মূৰত এখন কমাল বান্ধি, শূন্যতে হাতেৰে 'টিলডিয়ান' ষ্টাইলত, 'চাৰ্ভিছ' প্ৰেকটিছ কৰি আহি তেওঁলোকৰ কমত সোমাল আৰু ভোকত কাহিল হৈ পৰাৰ দৰে, বিছনাতে বহি লৈ ক'লে,

—ভাই ! চৌধাৰী আৰু পাঠক ! পেট বোলা বস্তুটো তহঁতৰ আছে নে, ই নাইকিয়া হ'ল মোৰ লাহে লাহে সন্দেহ হ্বলৈ ধৰিছে। ঘড়ীলৈ বোধকৰো তহঁতে এতিয়াও চোৱা নাই ? চালে দেখিবি যে কোন কাহানি-বাই আঠোটা বাজি গ'ল ! এতিয়ালৈকে পেটত একো নিদিয়াকৈ তহঁতে যে এইদৰে কেনেকৈ হাঁহিব পাৰিছ মই অবাক হৈ গৈছো। মোৰ কিন্তু হ'লে ভাই দফা শেষ। 'হাৰ্ড ক'ৰ্টত' আজি পাঁচ ৰেট্ টেনিছ উৱাই অহাৰ পিছত, এতিয়া যেন পেটৰ ভিতৰত এটা প্ৰাইমাচ্ ষ্টোভ্ হে জ্বলিব লাগিছে। আৰু যদি দহ মিনিট মানৰ ভিতৰত মোৰ পেটত একোটা নপৰে, তেনেহ'লে মই ঠিক কৈছো ভোকত তেনেই 'ফেইণ্ট' হৈ পৰি যাম। উঃ।

ভট্টৰ কমটোৰ 'সিপিনৰ কমটোতে থাকে, যোৰহাটৰ খুহুঁতীয়া প্ৰণব শইকীয়া। তেওঁ মানুহজন অলপ পেটুক স্বভাৱৰ। সেয়ে তেওঁৰ লগত সদায় থাকে এটা ষ্টোভ আৰু উপকৰা খাদ্য-সামগ্ৰীৰ এটি বাকচ।

খোৱাত পলম হব যেন দেখি শইকীয়াই নিজে ষ্টোভটো জ্বলাই, এটি মাত্ৰ এক বাটি সিদ্ধ 'কোৱেকাৰ ওটচ' খাই উঠিছে আৰু সেই সিজোৱা ওটছ খিনিৰে কিছু ছছ্‌পেনটোত লৈ বাটত যাকে যতে পায় সকলোকে চামুচেৰে বিলাই ফুৰিছে।

মূৰত ফুলাম গামোচাখন বান্ধি, সেইদৰেই হাতত ছছ্‌পেনটো লৈ, শইকীয়াই হাঁহি এটি মাৰি ১৪ নম্বৰত সোমাল আৰু উপস্থিত সকলোকে চামুচেৰে সিজোৱা ওটছৰ অলপ অলপ ভাগ দি কলে,

—ভাইসকল! বুজিছো ন-টা বজালৈ পেটত ভাত নপৰা দেখি তোমালোকৰ মুখবোৰ শুকাই আচাৰ-কৰা নেমুটেঙা যেন হৈছে। গতিকে শইকীয়াৰ হাতৰ এই সিদ্ধ কোৰেকাৰ ওটৃছাকে খাই সোনকালে তাক অলপ জাঁপাল কৰি লোৱা। কিয়নো মেনেজাৰে যিয়েই নকৰক, পৈতৃক দেহাটোতো আমি নিজে ঠিক ৰাখিব লাগিব? যদি দেহাৰেই তোমাৰ লটি-ঘটি হ'ল, তেনেহ'লে 'ফস্বৰ' 'ট্ৰম্বৰ' ইমান 'মনি' খৰচ কৰি, কটন কালেজলৈ 'প্লক' কৰিবলৈ অহাৰ লাভ হ'ল কিটো?

* * * *

শইকীয়াৰ সিদ্ধ কোৰেকাৰ ওটৃছ খিনিয়ে সঁচাকৈ সমূহ বাইজৰ দেহত এটি নতুন প্ৰাণৰ সঞ্চাৰ তুলিলে। আৰু তাকে খাই লৈ, সকলোৱে যেন গাত অলপ বল পাই সেই মাহৰ ডিব্ৰুগড়ৰ মেছ মেনেজাৰ ভৱেন দত্তৰ বিষয়ে বেছ সতেজ এটি আলোচনা জুৰি দিলে।

সেই আলোচনাত ওলাই পৰিল যে দত্তৰ দিনত, থাৰ্ড মেছৰ খোৱাৰ আৰু মেনেজ্‌মেণ্টৰ ষ্টেণ্ডাড্‌ যিমান তললৈ নামিছে, ইয়াৰ আগেয়ে সি কেতিয়াও সিমান তললৈ নমা নাছিল।

প্ৰতি দিনে ৰাতি খোৱাৰ এই পলম, কাৰ বাৰু এনেকৈ সহ্য হয়? পলম বাৰু হকেই তেওঁ খুৱাইছে কোন সোপা?

সেই পোটেণ্ট অপঁইতা অমিতাৰ খাৰখন আৰু বহৰ ডাইলৰ পানী টোপা খাই খাই জিভাৰ কচিয়ে তেনেই বেয়া হৈ গ'ল। মাংস আজি কুৰি দিনে পেটত পৰা নাই। মাছৰ ঝোলৰ পানীটোপাও দিনে দিনে ইমান বেছি হৈছে যে সিদিনা এজনে কৈছিল, গামোছা পিন্ধি ৰাটিত নেনামিলে মাছ ডোখৰ ধৰা টানেই হৈ পৰিছে। যদি খোৱাৰ এয়েই নমুনা হয় তেনেহ'লে মেছ ডিউজৰ পইচাবোৰ গ'ল ক'লৈ? অবনী দৰ্জীৰ দোকানলৈ? গগৈৰ ঘড়ীৰ দোকানলৈ? নে চেখ ব্ৰাৰ্ডাছৰ জোতাৰ দোকানলৈ?

এই আলোচনাত স্বাভাৱিকতে বেছি অংশ গ্ৰহণ কৰিলে, ১৪ নম্বৰৰ 'ঘটোৎকচ' চৌধাৰী আৰু 'গাথলু' পাঠকে। তেওঁবিলাক দুয়োৰে আজি তিনিদিন মানৰ পৰাই মেনেজাৰ দত্তৰ ওপৰত দুৰ্যোৰ খং।

কথাটো হৈছিল এয়ে যে সিদিনা আছিল "ইয়কলি" কাপৰ ভলিবলৰ

ফাইনেল। ফাইনেলত ভিৰি আছি, বেছি স্ফুৰ্ত্তি লগা কাৰণে, সিদিনা হেনো তেওঁবিলাক দুয়ো জনে সচৰাচৰ দু-বাটি ডাইলৰ ঠাইত অঁৰিয়াঅঁৰিত চৈধ্য বাটি ডাইল খাই পেলালে। কথাটো যেতিয়া মেনেজাৰৰ কাণত পৰিলগৈ, তেওঁ হেনো কৈছিল—আও কটা! ইহঁত মথাই চৈধ্য বাটিকৈ ডাইল খাব পাৰে, মানুহ নে গৰু?

সেয়ে আলোচনাৰ উত্তাপটো আৰু কেই ডিগ্ৰীমান ওপৰলৈ তুলি দি, টেবুলত নাৰিকল-ভঙা ভুকু এটা মাৰি, গাথলু পাঠকে ক'লে,

—ৰাইজ সকল! আৰু এটি কথা আপোনালোকে মন কৰিব! দত্তই ভাল খুৱাইছে নে বেয়া খুৱাইছে, টকাৰ সদ্ ব্যৱহাৰ কৰিছে নে অসৎ ব্যৱহাৰ কৰিছে চাবলৈ গলে সেইটো একেবাৰে ডাঙৰ কথা নহয়। ডাঙৰ কথা হৈছে মানুহৰ ব্যৱহাৰটো? তুমিতো ভাই বিশেষ ডাঙৰ মানুহ একো হোৱা নাই, মেছ মেনেজাৰ হৈছা? মেছ মেনেজাৰ তোমাক পাতিছে কোনে? আমি! তুমি মেছ চলাইছা কাৰ পইছাৰে? আমাৰ পইছাৰে। গতিকে আমি যদি আমাৰ পইছাৰে কিনা ডাইলৰ চৈধ্য বাটি নহয় একৈশ বাটি খাব পাৰো, এক থাল নহয় দহ থাল ভাত হজম কৰিব পাৰো, তুমি নিদিবা কেলেই। বা সেই বিষয়ে মন্তব্য কৰিবা কেলৈ?

তুমি 'ঘটো' চৌধাৰী আৰু 'বাঘা' পাঠকক চিনি পোৱা নাই হবলা? সিহঁত দুটা লাগিলে তোমাৰ মেছৰ এক সাঁজৰ ডাইল-তৰকাৰি, আধা ঘণ্টাৰ ভিতৰতে উৰাই দিব পাৰে, চাই ল'বা।

এইদৰে মেনেজাৰ দত্তৰ বিষয়ে আলোচনাৰ উত্তাপটো লাহে লাহে বাঢ়ি এটা চৰম বিন্দু পালেগৈ। বহুতো তৰ্ক-বিতৰ্ক আৰু টেবুলত ভুকুৱাভুকিৰ পিছত ঠিক হ'ল এইটোৱেই যে, মেনেজাৰ দত্তই যে যথেষ্ট মইমতালি দেখুৱাইছে বা ক্ষমতাৰ অপব্যৱহাৰ কৰিছে তাৰ আৰু কোনো প্ৰমাণৰ আৱশ্যক নকৰে। আৰু ঠিক হ'ল যে এই মইমতালি বা ক্ষমতাৰ অপব্যৱহাৰ এনেকৈ অব্যাহতৰূপে চলিবলৈ দিলে গণতন্ত্ৰৰ নীতি ভঙ্গ কৰা হব। সেয়ে আজিয়েই তেওঁৰ বিপক্ষে এটা নিদৰ্শনমূলক সকলুৱা বিক্ষোভ প্ৰদৰ্শন কৰিব লাগিব। তেওঁক বুজিবলৈ দিব লাগিব যে সমূহ ৰাইজে তেওঁৰ কাৰ্য্যকলাপ আৰু আচৰণ পদ্ধতি সমূলি ভাল পোৱা

নাই। এই কাৰ্য্যকলাপ আৰু আচাৰ পদ্ধতি যদি তেওঁ অনতিপলমে শুধৰাই নলয়, তেনেহ'লে তেওঁৰ বিৰুদ্ধে প্ৰকাশ্য বিদ্ৰোহ ঘোষণা কৰা হ'ব! প্ৰতি দিনে ৰাতি, যিয়ে যিমান পাৰে অদ্ভুত অদ্ভুত ধৰণৰ 'ছিক্ ডায়েট'ৰ অৰ্ডাৰ দিব। দেছোৱালী ঠাকুৰে অজ্ঞতাবশতঃ বা ভুলক্ৰমে কাৰো মাছৰ গাটো শুদ্ধ ধৰণে বেপি লৈ নেভাজিলে তাক চুৰা যোৱা বুলি পাতৰ পৰা পেলাই দিয়া হ'ব। জামাতুল্লাৰ কটি অসাৱধানতাবশতঃ কোনোবাই নি পাকঘৰত সুমুৱালে, সকলোৱে ডাইনিং হলৰ পৰা ধৰ্ম্মঘট কৰি কৰি ওলাই আহিব। প্ৰতি সাঁজত সকলোৱে আগতে গৈ কাঁহীৰ তৰকাৰী আৰু ভাজিবোৰ খাই, মিছাকৈ চুলি ওলাইছে বুলি কৈ, ইখনৰ পিছত সিখনকৈ ন কাঁহী খুজি লব।

* * * *

চাওঁতে চাওঁতে চৈধ্য নম্বৰৰ এই সিদ্ধান্তবোৰ অনাতাঁৰত যোৱাদি গোটেই থাৰ্ড মেছতে ৰাষ্ট্ৰ হৈ পৰিল। তাকে শুনি, আন আন মেছৰো দুই এজন উদ্যোগী কৰ্ম্মী আহি, কেনেকৈ সিদিনা ৰাতিৰ সেই নিদৰ্শনমূলক বিদ্ৰোহটো আৰু বেছি চমকপ্ৰদ আৰু বুৰঞ্জী বিখ্যাত কৰিব পৰা যায় তাৰ কাৰণে সকলোকে দিহা-পোহা দিবলৈ ধৰিলে।

মেনেজাৰ দত্তৰ দুৰ্ভাগ্যক্ৰমে সিদিনা খোৱাৰ ঘণ্টা পৰাত, তাৰ পিছতো আৰু আধা ঘণ্টা মান পলম হ'ল। সেয়েহে তেওঁৰ বিপক্ষে কৰা বিক্ষোভৰ সেই পৰিকল্পনাবোৰ কোনো কষ্ট নকৰাকৈয়ে এনেয়ে কাৰ্য্যত পৰিণত হৈ গ'ল।

খোৱাৰ ঘণ্টা পৰাৰ লগে লগে, কমৰ পৰা ওলায়ে সিদিনা মেনেজাৰ দত্তই দেখিলে যে তেওঁক আন্তৰিক সম্বৰ্দ্ধনা জনাবলৈ, ডাইনিং হলৰ মুখতে, এদল বাইজ থিয় হৈ আছে। তেওঁবিলাকৰ হাতে হাতে ফটাকানিৰ মহলা; কেৰাচিনৰ টিন; আৰু পেলাই দিয়া কনডেন্স মিল্ক আৰু মাখনৰ শুদা টিনৰ এপাৰি মালা।

তেওঁবিলাকেই ৰঙা-নীলা কাকতৰ ফুলেৰে আগেয়ে গৈ গোটেই ডাইনিং হলটোকেই সভা-সমিতিৰ ঘৰৰ দৰে ধুনীয়াকৈ সজাই ৰাখিছে। তাৰোপৰি দুৱাৰ মুখে মুখে আৰু পিৰালিৰ কাণে-কাণে মমৰ দীপান্বিতা জলাই দিছে।

এই আটাইবোৰ আকস্মিক অভ্যাৰ্থনাৰ মাজেৰে কোনোমতে সৰকি গৈ মেনেজাৰ ডাইনিং হলৰ ভিতৰ পালেগৈ। কিন্তু দেখিলে বাহিৰতকৈও ভিতৰৰ অৱস্থা আৰু যেন বেছি সঙ্কটজনক।

কিয়নো ডাইনিং হল খোলাৰ আগতে বিক্ষোভকাৰী সকলে দুৱাৰ খুলি লৈ ডাইনিং হল অধিকাৰ কৰি বহি গৈছে আৰু মজিয়াত কাঁহী বাটি আফলিয়াই চিয়ঁৰি-বাখৰি এতিয়া এটা ভূত খেদোৱা পৈশাচিক সমলয় আৰম্ভ কৰিছে।

মেনেজাৰ দত্তই ডাইনিং হলত সোমাই অসহায় ভাৱে চাৰিওপিনে এবেলি চাই লৈ, সিদিনাৰ কাৰণে পৃষ্ঠভঙ্গ দিয়াটোকেই সাব্যস্ত কৰিলে।

তাকে দেখি বিক্ষোভকাৰী জনতাই, আনন্দত আৰু বেছি উন্মাদ হৈ উঠিল আৰু সেই উন্মাদনাত সকলোৱে নাও-খেলৰ থিয় নাম গাই গাই, অতি অসম্ভৱৰকমে খোৱাত মন দিলে।

লাভৰ ভিতৰত, আনদিনৰ দুই 'বেছ'ৰ ডাইল তৰকাৰী আৰু ভাজি সিদিনা একে বেছতে তৎক্ষণাৎ নাইকিয়া হৈ গ'ল। তথাপি ঠাকুৰ চাকৰ আৰু বিলনিয়াৰে কাকো সন্তুষ্ট কৰিব নোৱাৰি দৌৰি দৌৰি, হাবাথুৰি খাই ভাগৰত জিৰা মেলি দিলে।

* * * *

এইদৰে, এক সাজতে প্ৰায় চাৰি পাঁচদিনৰ জোখাৰে খাদ্যবস্তু পেটত ভৰাই যেতিয়া হোষ্টেলৰ সকলো বাইজে ক্ৰমে ক্ৰমে ফিৰি আহিল, তেতিয়া ঘড়ীত প্ৰায় চাৰে নটা বাজি গৈছে।

আনকাল খোৱাৰ পিছতো বহু বাইজে গৈ আকৌ পঢ়িবলৈ বহে। কিন্তু সিদিনা সেই উন্মাদনাৰ পিছত, পঢ়িবলৈ আৰু কাৰো মন নগ'ল। সেই গধুৰ পেটবোৰ লৈ কোনেও বিছনাত বাগৰো দিব নোৱাৰিলে।

গতিকে চাওঁতে চাওঁতে হোষ্টেলৰ কৰিদ'ৰত চিগাৰেট আৰু হুঁকাৰ ধোঁৱাৰ চন্দ্ৰতাপৰ তলত, বাইজৰ সৰু সুৰা আৰু এটি জুম লাহে লাহে গঢ়ি উঠিবলৈ ধৰিলে।

সকলোৰে মুখত সৰস হাঁহি আৰু কেৱল একেটি প্ৰশ্ন শুনা গ'ল। ঘঁৰিয়ালৰ দৰে এই গধুৰ পেটবোৰ লৈ এই ৰাতি এতিয়া কৰা যায় কি?

অন্তৰ খোলা উচ্ছাসিত হাঁহি আৰু স্ফূৰ্তিৰ মাজত চাৰিওপিনৰ পৰা নানা উদ্ভট উদ্ভট প্ৰস্তাৱ আহিবলৈ ধৰিলে :

কোনোবাই ক'লে,

—বন্ধুসকল! বলক! আমি সকলোৱে মূৰত পাগুৰি মাৰি, ষ্টেচনৰ ওচৰৰ সেই খাজুৰণি খনত, তাড়ি চুৰ কৰিবলৈ যাওঁগৈ।

অইন নহলেও তাড়িৰ এটি ডাঙৰ হজমিকাৰক শক্তি আছে। আমাৰ পেটবোৰ অন্ততঃ কিছু জাহ যাব।

কোনোবাই ক'লে,

—নহয় বাইজ! আমি দল বান্ধি সকলোৱে হাফ পেণ্ট পিন্ধি, দীঘলী পুখুৰীৰ পাৰত ঘোঁৰা চেকুৰাবলৈ যাওঁগৈ। ঘোঁৰা নহলে, ৰাতি হলে, ভাত ধোবাই উদং দিয়া বহুতো গাধ পোৱা যায়। আমি যদি তেনে জধলা গাধ কুটামান ধৰি ভালকৈ চেকুৰাব পাৰোঁ আৰু আহোঁতে তাঁহাতক টমচন ছাহাবৰ কম্পাউণ্ডত সুমাই থৈ আহিব পাৰোঁ, তেনেহ'লে আজিৰ ৰাতিৰ আমাৰ স্ফূৰ্তিটোৱেই চিৰস্মৰণীয় হৈ থাকিব।

এইবোৰ উদ্ভট উদ্ভট প্ৰস্তাৱত, চাৰিওপিনৰ পৰা হাঁহিৰ ডাঙৰ গিৰ্জনি শুনা গ'ল সঁচা; কিন্তু এজনকো শৰ কাৰণে হেপাঁহেৰে আগবাঢ়ি অহা দেখা নগ'ল। সেয়ে বাইজৰ নাড়ী-জ্ঞানৰ ওজা, ১৭ নম্বৰৰ 'ঘটোৎকচ' চৌধাৰীয়ে, ধুনীয়া হাঁহি এটি মাৰি, এটা বিকল্প প্ৰস্তাৱ ডাঙি ধৰিলে।

তেওঁ কলে,

—বাইজসকল। মই বুজিছো, আজিৰ নিচিনা এনে এটি গৌৰৱময় দিনত, আপোনালোকে অগৌৰৱ কোনো বনৰীয়া কাম কৰিবলৈ মন কৰা নাই। আপোনালোকে বিচাৰিছে তেনে ধৰণৰেই আৰু কিবা এটি গৌৰৱময় স্ফূৰ্তি। সেয়ে মই প্ৰস্তাৱ কৰো, আজি ৰাতি আমি সকলোৱে হোষ্টেলৰ পৰা পলাই, কেলভিন চিনেমা হলত, চিনেমা চাবলৈকে যাওঁগৈ আহক। মই ভাবো, আমি যদি এইদৰে সকলোৱে দলেবলে ওলাই যাওঁ আজিৰ নিচিনা এনে এটি দিনত, চুপাৰিণ্টেণ্ডেণ্টক গৈ লগাবলৈ কোনোৱে সাহ নকৰিব আৰু লগালেও তেওঁ হয়তো ভয়তে মনে মনে থাকিব।

অৱশ্যে এইটো সঁচা, যে চিনেমা চোৱাৰ কাৰণে, এতিয়া ৰাতি কিছু

পলম হৈ গৈছে। কিন্তু হলেও কোনো কথা নাই। কেলভিন ছিনেমাত ৰাতিৰ শোত সদায় দুখনকৈ ফিল্ম থাকে। প্ৰথমখন পুৰা নেপালেও আমি গৈ দ্বিতীয়খন জৰুৰ পুৰাকৈ চাব পাৰিম! আৰু যদি তাকো নেপাওঁ, তাতো আমাৰ কোনো আপত্তি নাই। কিয়নো আমি ঠিক ফিল্ম্ চাবলৈকে আজি ওলাব খোজা নাই। আমি ওলাবলৈ বিচাৰিছো, কবলৈ গলে আমাৰ 'ভিক্ট্ৰি'টো ভালদৰে 'চেলিব্ৰেট্' কৰিবলৈ। আৰু জয়ৰ উন্মাদনাটো ভালদৰে উপভোগ কৰিবলৈ।

চৌধাৰীৰ প্ৰস্তাৱটো বিপুল হৰ্ষধ্বনিৰ মাজত, সৰ্বসম্মতিক্ৰমে গৃহীত হৈ গ'ল। তাকে দেখি, সকলো কাৰ্য্যতে তেওঁৰ সোঁ-হাত, 'গাথলু' পাঠকে গৰ্ব্বত প্ৰায়ে উৎফুল্ল হৈ হাঁহি কলে,

—ৰাইজসকল! আৰু এটি কথা মন কৰিব। আজিৰ দিনত পাই-পইচাৰ কাৰণে, আপোনালোকে কোনেও যেন বৰ বেছি চিন্তা নকৰে। কিয়নো জানিব আমি আজি পইছা দি কেলভিন ছিনেমাত ঠিক ফিল্ম চাবলৈকে ওলোৱা নাই। আমি ওলাইছো তাতো আমাৰ 'ভিক্ট্ৰি'টো 'চেলিব্ৰেট' কৰিবলৈ। আপোনালোকক আজি শুনাই কওঁ যে এই 'ঘটো' চৌধাৰী আৰু বাঘা পাঠকে কোনোদিনে ৰাতিৰ শোত কেলভিন ছিনেমাত পইছা দি ছবি চোৱা নাই। আজি যদি তেওঁবিলাকৰ লগত গৈ, আপোনা-লোকে পইছা দি ছিনেমা চায় তেনেহ'লে এটি ডাঙৰ পাপ কাম কৰা হ'ব।

* * *

ইয়াৰ পিছত হোষ্টেলৰ কৰিদ'ৰত সেই মানুহৰ জুমটো আৰু দেখা নগ'ল। দেখা গ'ল, সকলোৱে যেন অতি কৰ্মতৎপৰ হৈ নিজ নিজ কমৰ ভিতৰত সোমাই পৰিল। আৰু লৰালৰিকৈ মুখে-গায়ে কিবা একোটা সুমুৱাই লৈ, হোষ্টেলৰ কম্পাউণ্ডৰ বেলিঙৰ ফাঁকেৰে ওলাই, আলিবাটৰ ওপৰত টপ্‌টপ্‌কৈ জপিয়াই পৰিবলৈ ধৰিলে। কাৰো পিন্ধনত লুঙি মূৰত চোলাহেট; তলত লংপেণ্ট, মূৰত পাটৰ পাগুৰি, কাৰো ধুতি, মূৰত কেম্বকেপ। হাতে হাতে টৰ্চ, হাণ্টাৰ, হকি ষ্টিক্, কল বাৰি।

৭

এওঁবিলাকৰ সকলোৰে বিছনাবোৰ খালি। কেৱল তলনৈ সুন্দৰকৈ পেলাই যোৱা আঠুৱা তলত, একোটাকৈ কাপোৰৰ মুৰাৰ কৃত্রিম মানুহ মহাসুখে যেন শুই আছে।

*　　　*　　　*　　　*

এইদৰে ৰাতি হোষ্টেলৰ পৰা পলাই গৈ কেলভিন ছিনেমাত ছিনেমা চাই, সেই দলটোৱে যেতিয়া আকৌ আলিবাটত ভৰি দিলে, তেতিয়া ৰাতি এক মান বাজি গৈছে।

বাহিৰত সুন্দৰ ফৰিং ফুটা জোনাক। আলিবাটত জন-প্ৰাণী, গাড়ী-ঘোঁৰা এটিও নাই। এনেয়ে মনটো মাদকতাত নাচি উঠিব খোজে। তাতে আজি গোটেই ৰাতিজোৰা জয়ৰ এই উন্মাদনা।

সেয়ে কাৰো ভৰি পোনে পোনে হোষ্টেলৰ পিনে যাবলৈ নিবিচাৰিলে। সকলোৱে বিচাৰিলে আৰু যেন ঘূৰণ দীঘলীয়া এটি বাট! আৰু যেন উচ্ছসিত মুকলি বতাহৰ কিছু আনন্দ।

*গতিকে আনন্দৰ তালে তালে, চাপৰি বাই, তাৰ পিছত সেই দলটোৱে ৰাতি নিউফিল্ড অভিমুখে আগবাঢ়ি যাবলৈ ধৰিলে। আৰু সেই ফিল্ড পাই, তাৰে দাঁতিৰ এটি বাটৰ কাণত, এজোপা কৃষ্ণচূড়া গছৰ তলত থিয় হ'লগৈ।

দূৰত উদ্ভাসিত জোনাকত, গোটেই নিউ ফিল্ড খনেই এটি যেন বিস্তৃত সাগৰৰ দৰে জিলিকি আছিল।

তাৰ কাণত নকৈ-সজা, সেই প্ৰফেচৰ পাৰাৰ, চক্‌চকীয়া টিনৰ বঙলা ঘৰবোৰ। তাৰ মাজত, ইংৰাজীৰ প্ৰফেচৰ ঈষাণ বেনাৰ্জ্জীৰ ঘৰটো দেখি সিদিনা ৰাতিৰ 'হিৰো', দলপতি চৌধুৰীয়ে গুৰু গম্ভীৰস্বৰে আকৌ এবেলি মাত লগালে:—

—বন্ধু সকল! দেখিছে নে নাই, সৌ বেটা প্ৰফেচৰ বেনাৰ্জ্জীৰ ঘৰটো কেনে ধুনীয়া হৈ জিলিকি আছে। সি বেটাই সকলোকে দেখুৱাব খোজে যে সি এটা বিদগ্ধ পণ্ডিত। কিন্তু কেতিয়াও নহয়। সি হৈছে মুখস্থ-গাই পাল-মৰা এটা ডাঙৰ ভণ্ড। সি ভাবে আমি সকলোৱে কালেজলৈ আহিছো গুণ্ডামি কৰিবলৈ, ছোৱালীবোৰক জোকাবলৈ বা

পৰীক্ষাত ফেল মাৰিবলৈ। কলেজ মেগেজিনৰ পৰা বঙালী বৰ্জন কৰা আন্দোলনত যোগ দিয়া বাবে, সি আমাৰ সুহৃদ, 'বাঘা' পাঠকক, যোৱা বেলি বছেৰেকীয়া পৰীক্ষাত, ইংৰাজীত তিনি নম্বৰ কম দি, ফেল কৰি থলে। বন্ধু প্ৰণৱ শইকীয়াকো সি প্ৰায় সেইদৰেই ৰাখিব বিচাৰিছিল। আপোনালোকৰ নিশ্চয় মনত আছে যে বেটা সিয়েই সিদিনা আমাৰ বন্ধু অজিত বৰাক, ধেমালিতে আগবেঞ্চিত বহা এক মাত্ৰ ছাত্ৰী প্ৰণতি ঘোষৰ গালৈ এটা কাকতৰ গুলি মাৰি পঠিওৱা দেখি, প্ৰিঞ্চিপেলক লগাই দহটকা ফাইন কৰোৱালে। সি ভাবে কটন কলেজটো তাৰ বাপতীয়া সাহোন। সি ভবা নাই আমি কি বস্তু আৰু কি জুইৰ লগত ধেমালি কৰিব লাগিছে! বেছি নালাগে আজি ৰাতিৰ কথাকে কওঁ, আমি যদি এতিয়া সকলোৱে গৈ তাৰ ঘৰটো আক্ৰমণ কৰো, সি জানো তাৰ দ্বিতীয় পক্ষৰ নুমলীয়া ঘৈণীয়েক জনীক বিছনাত পেলাই থৈ, আমাৰ লগত যুদ্ধ দিবলৈ সাহ কৰি ওলাই আহিব পাৰিব? কেতিয়াও তাৰ সিমানখিনি বুকুৰ-পটা নাই মই লিখি দিব পাৰো।

ইয়াৰ পিছত সেই দলটোক আৰু কোনো ইঙ্গিত দিয়াৰেই প্ৰয়োজন নহ'ল। জোনাকত জিলিকি থকা প্ৰফেশ্বৰ বেনাৰ্জীৰ ঘৰটোৱে নিজে নিজেই তেওঁলোকক যেন এখন যুদ্ধলৈ আহ্বান কৰি ললে। তাৰ ফল স্বৰূপে চাৰিও কোণৰ পৰা, সেই ঘৰটোৰ ওপৰত, প্ৰায় আধা ঘণ্টা জুৰি অবিৰাম শিলাবৰ্ষণ হোৱা শুনা গ'ল। বেচেৰা প্ৰফেশ্বৰ বেনাৰ্জীয়ে ভয়ত পেপুৱা খাই, ঘৈণীয়েকৰ সৈতে খাতৰ তলত আশ্ৰয় ললে।

সিমানতো ক্ষান্ত নহৈ, সেই দলটোৱে, প্ৰফেশ্বৰ বেনাৰ্জীৰ ঘৰটো ঠিক চিপাহীয়ে ঘেৰি লোৱাৰ দৰে তেনেই ঘেৰি পেলালে। তাৰে ফল স্বৰূপে তেওঁৰ ঘৰৰ আগৰ ধুনীয়া ফুলনি বাৰীখনৰ ভিতৰত বাটৰ কাণত চৰি থকা কৰবাৰ ছুটা চেৰেলা ঘোঁৰা আহি সোমোৱা দেখা গ'ল। তেওঁৰ ঘৰৰ বেৰৰ চাৰিওফালে কলা এঙ্গাৰেৰে লিখা বিভীষিকাময় নানা ইস্তাহাৰ জ্বলি উঠিল। আনকি আলি বাটৰ দাস্তবিণ এটাও আহি, তেওঁৰ চোতালৰ ওপৰত থিতাপি ললে। অকল সেয়ে নহয় তেওঁৰ ঘৰৰ সমুখ

দুৱাৰৰ ওপৰত ঠিক—"Road under repairs—No thorough-fare"—লিখা পি-ডব্লিউ-ডিৰ চাইনবৰ্ড এখনো ওলমি থকা দেখা গ'ল।

* * * *

এই সকলোবোৰ শেষ কৰি, সেই দলটোৱে যেতিয়া হেলাই-হেঁপাই দৌৰি, সমুখ গেটৰ ওপৰেদি জাপ মাৰি নামি হোষ্টেলৰ চৌহদত সোমাল, তেতিয়া ঘড়ীত প্ৰায় দুটা বাজি গৈছে।

তেতিয়াও কাৰো বিছনালৈ মনত পৰা নাই। কেৱল সকলোৰে পেটবোৰ এতিয়া যেন লাহে লাহে অলপ জামৰি আহিছে। আৰু তাৰ লগে লগে পানীৰ কাৰণে, ডিঙিৰ ভিতৰত যেন এটি তৃষ্ণাৰ আকুলতা ফুটি ওলাবলৈ বিচাৰিছে।

সেয়ে সকলোৱে আহি, হাৰ্ড কোৰ্টৰ ওপৰত চিৎ হৈ বাগৰি পৰি, হাঁ পানী! হাঁ পানী! হাঁহাকাৰ কৰিবলৈ ধৰিলে।

আটাইতকৈ তৃষ্ণাত বেছি কাতৰ হোৱা যেন দেখা গ'ল অক্ৰুৰ পাঠকক। তেওঁ হাৰ্ডকোৰ্টৰ ওপৰত লাংখাই পৰি, ওপৰলৈ মুখ কৰি, ৰূমমেট্ চৌধাৰীক চিয়ঁৰি চিয়ঁৰি মাতিবলৈ ধৰিলে,

—সুহৃদ! সুহৃদ! পিয়াহত প্ৰাণ যায়। সোনকালে চাহ এটোপা আনি মুখত ধৰকহি। নহ'লে ৰাতিপুৱালৈ এই সুহৃদৰ আৰু মুখ নেদেখে।

পাঠকৰ সেই কাতৰ বিনান শুনি দলপতি চোধাৰী উঠি থিয় দিলে। আৰু তেওঁ সচৰাচৰ কান্ধত লৈ ফুৰা গামোচাখন কঁকালত টানি বান্ধি লৈ দহ মিনিটৰ ভিতৰতে চাহ আনি দিয়াৰ বন্ধুক আশ্বাস দি হোষ্টেলৰ পিনে খোজ ল'লে।

হোষ্টেলৰ অৰ্দ্ধেক বাইজ তেতিয়া টোপনিত সম্পূৰ্ণ অচেতন। সেই অচেতনতাৰ সুযোগ লৈ, বিচিত্ৰ চৌধাৰীৰ বছা-বছা সৈনিক সকলে চাৰিওপিনে চাহৰ আয়োজনৰ চেষ্টাত পিয়া-পি দি ঘূৰি ফুৰিবলৈ ধৰিলে। আৰু তাৰে ফল স্বৰূপে, হোষ্টেলৰ ৰূমে ৰূমে থকা, সুপ্ত বাইজৰ টিফিন বাকচবোৰ, এটি দুটিকৈ মেল খাই আহিল আৰু তাৰে পৰাই উদ্ধাৰ হ'ল অসংখ্য—চাহ, চেনি, মাখন, জাম, জেলি কেক, বন, বিস্কিট আৰু লোফ্।

পানী তপতোৱাৰ কাৰণে হাৰ্ডকৰ্টৰ ওপৰলৈ আহিল, মেছৰ পানী-তপতোৱা ডাঙৰ কেৰাচিনৰ টিনটো আৰু কলা খৰি। চাহ ৰিলোৱাৰ

কাৰণে আছিল অগণন কাপ আৰু টিপট। আৰু তাৰে লগতে উদ্ধাৰ হ'ল মেছৰ গুদাম ঘৰৰ পৰা, সিদিনা মাত্ৰ বজাৰৰ পৰা আনি থোৱা, ফাওতে এক থাং হাঁহ কণী আৰু কিছু পাঁপৰ।

*   *   *   *

হার্ডক'টৰ ওপৰত, এই বিৰাট অকাল চাহ ভোজনটো সমাপ্ত কৰি, যেতিয়া সেই বিজয়ী দলটোৱে, শেষবাৰৰ কাৰণে সিহঁতৰ কাপৰ চাহ নিগৰি খালে, তেতিয়া কছাৰী ঘৰৰ বৰ-কাঁহৰ, ঘপংকৈ তিনিটাৰ কোৱ পৰা শুনা গ'ল।

তাকে শুনি সকলো ৰাইজে আনন্দৰ এটি উল্লাসধ্বনি কৰি সিদিনাখন ৰাতিৰ 'হিৰো' বিচিত্ৰ চৌধাৰী আৰু অক্ৰুৰ পাঠকক কান্ধৰ ওপৰত তুলি ল'লে আৰু সেইদৰেই নাচি নাচি হোষ্টেলৰ পিনে আগবাঢ়ি যাবলৈ ধৰিলে।

এ.কবাৰে শেষৰ দলটোৱে মানুহৰ অভাৱত, মূৰৰ ওপৰত তুলি লালে সেই পানী গৰম কৰা কেৰাচিনৰ টিনটোকেই। আৰু তাৰ ভিতৰত ভৰাই ললে, খাই অন্ত কৰা, জগতৰ সেই গুদা কনডেন্সমিল্ক, মাখন আৰু জাম, জেলিৰ টিনবোৰ আৰু তাৰ লগতে পেলাই দিয়া সেই কণীৰ চোকোৰাখিনি।

এইদৰেই দুয়ো দলে নাচি নাচি গৈ, মেনেজাৰ দত্তৰ কোঠালীৰ আগ পালেগৈ। আৰু সিদিনা ৰাতিৰ শেষ পুৰস্কাৰ হিচাবে, সেই টিনটোকেই তেওঁৰ দুৱাৰৰ আগত স্থাপন কৰি শেষ বাৰৰ কাৰণে এটি গগণ-ফলা হৈ ধ্বনি দি, ক্ৰমে ক্ৰমে সোমাই পৰিল।

[বাঁহী—১ম বছৰ ১২শ সংখ্যা চ'ত, ১৮৭৮ শক]

ৰোডোডেণ্ড্ৰণৰ বিলাস

আপাৰ শ্বিলঙলৈ এদিন পিক্‌নিক্ খাবলৈ যোৱাৰ কল্পনা, মিচেচ কাকতীৰ আজি বহুদিনৰ পৰাই আছিল।

মিচেচ সৱিতা কাকতী হ'ল, অসম সচিৱালয়ৰ এ-চি-এচ, ডেপুটি চেক্ৰেটৰী, মিঃ এম, পি, কাকতীৰ প্ৰখ্যাত সহধৰ্মিনী। তেওঁক নজনা মানুহ শ্বিলঙৰ সমাজত অতি কমেহে আছে।

মিচেচ কাকতীৰ কথা হ'ল মানুহক মাজে মাজে এই ধৰণৰ কেতিয়াবা অলপ বৈচিত্ৰ্যতা লাগে, ধেমালি-ধুমুলা লাগে, মুকলি বতাহৰ আস্বাদ লাগে। নহ'লে মানুহবোৰ হয় ঠিক মেচিনৰ দৰেই। আৰু হেকুৱায় অতি কম বয়সতে, দেহৰ আৰু মনৰ চপলতাবোৰ।

পাৰিলে দেহৰ আৰু মনৰ এই চপলতাখিনিক চিৰদিনে জীয়াই ৰখাটোৱে হ'ল যেন মিচেচ কাকতীৰ এটি ধৰ্ম আৰু আৰ্ট।

এই কথা স্বীকাৰ কৰিব লাগিব যে যদিও মিচেচ কাকতীৰ বয়স আনৰ হিচাবত আজি ছয়ত্ৰিছৰ ঘৰ পাইছেগৈ, তেওঁৰ নিজৰ ছোৱালী নমিতা ডাঙৰ হৈ তেওঁৰ কাণসমনীয়া হৈছে, তথাপি এই যত্ন আৰু পুৰুষাৰ্থৰ গুণতেই সময়ে আজিও তেওঁক জয় কৰিব পৰা নাই। তেওঁৰ অঙ্গৰ সেই লোভনীয় মাধুৰিমা, কমনীয় শোণিমাখিনিৰ ওপৰত, তাৰ কলা হাতৰ আঁচোৰ সমূলি বহুৱাব পৰা নাই। সময়ৰ সকলো প্ৰয়াস ব্যৰ্থ কৰি তেওঁ যেন আজিও এটি যৌৱন সুলভ গৰিমালৈ জিলিকি আছে।

অকল ৰূপতেই নহয়, তেওঁৰ সাজ-সজ্জা, চাল-চলন কথা-বতৰাতো সদায় সেই একে যৌৱন সুলভী ভাৱ! সেয়ে যেতিয়া তেওঁ গধূলি নমিতাৰ লগত একে ড্ৰেছ কৰি পুলিচ বজাৰৰ সিন্ধী দোকানৰ নিয়ন লাইটৰ তলে তলে ঘূৰি ফুৰে, কোনেও তেওঁক ভুলতেও নমিতাৰ মাক বুলি নকয়। বৰং বায়েক বুলিহে পদে পদে ভুল কৰিবলৈ বিচাৰে।

এইটোৱে হ'ল, মিচেচ কাকতীৰ গৰ্ব। আৰু এটি বিষয়ে তেওঁৰ গৰ্ব আছে।

একালত মিচেচ কাকতীয়ে বৰ ধুনীয়া গান গাব পাৰিছিল, নাচিব পাৰিছিল আৰু অভিনয় কৰিব পাৰিছিল। যদিও সংসাৰৰ চেপা-শালত সোমাই, মিচেচ কাকতীৰ এই প্ৰতিভাবোৰ আজি ম্লান পৰি যাবলৈ ওলাইছে, তথাপিও মিচেচ কাকতীয়ে ভাবে তাৰ ভৱিতব্যতা আজিও একেবাৰে নষ্ট হোৱা নাই। এই দেশত নুপজি অইন দেশত ওপজাহেঁতেন, বা এই দেশতেই ভাল সুবিধা সুযোগ পোৱাহেঁতেন তেওঁ হয়তো আজিও এগৰাকী চিত্ৰাভিনেত্ৰী হব পাৰিলেহেঁতেন। আৰু চিত্ৰাভিনেত্ৰী হিচাবেই তেওঁৰ নাম, জগতত যাউতিযুগীয়াকৈ থৈ যাব পাৰিলেহেঁতেন।

সেয়ে পাৰিলে এগৰাকী চিত্ৰাভিনেত্ৰী হোৱাৰ সপোন আজিও মিচেচ কাকতীয়ে মনে মনে দেখে। জীৱনৰ সকলো কথাত এই চিত্ৰাভিনেত্ৰী-সকলকেই তেওঁ অনুসৰণ আৰু অনুকৰণ কৰে। পোছাক-পৰিচ্ছদো পিন্ধে সদায় তেওঁবিলাকৰ ভঙ্গীতে। আনকি কথা-বতৰাও কবলৈ বিচাৰে সেই একেটি লয়ত।

মিচেচ কাকতীৰ গাত যদিও কৱিতা এইদৰে উপচি আছিল, মিঃ কাকতী মানুহজন আছিল কিন্তু অলপ আন ধৰণৰ। তেওঁ সৰুৰে পৰাই আছিল কিছু গধুৰ আৰু স্তিমিত প্ৰকৃতিৰ। অৱশ্যে ভৈয়ামত ই-এ-চি হৈ থকা কালত, তেওঁৰো গাত মাজে সময়ে কিছু চঞ্চলতা আৰু উল্লাস দেখা গৈছিল। কিন্তু আজি কেবছৰমান হ'ল শ্বিলঙলৈ ডেপুটি চেক্ৰেটৰী হৈ অহাৰ পৰাই, তেওঁ কিয় জানো জীৱনৰ সকলো আগ্ৰহ হেৰুৱাই লাহে লাহে এটি জড়-পিণ্ড যেন হৈ আহিব লাগিছে। সেয়েহে তেওঁ দিনটোৰ বেছিভাগ সময়ে আজিকালি অফিছৰ ফাইলৰ মাজত কিবা এটা নিশ্চল বস্তুৰ দৰে বহি থাকিবলৈ বেছি ভাল পায়। কথা-বতৰাও পাতে কেৱল সদায় সেই নিৰস ফাইলৰে। আনকি গধূলি অফিচৰ পৰা আহিও, কলৈকো নগৈ, সেই ফাইলৰ কথাকে ভাবি ভাবি যেন, ইজি চেয়াৰ এখনত টোপনিয়াই থাকে।

এইবোৰ কাৰণেই মিচেচ কাকতীৰ লগত তেওঁৰ আজিকালি মনটো নিমিলে। আৰু ইয়াকে লৈয়ে মিঃ কাকতীৰ লগত মিচেচ কাকতীৰ প্ৰায়

আজি-কালি সদায় কাজিয়া হ্বলৈ বিচাৰে। কিয়নো কোনো পাৰ্টি বা উৎসৱ অনুষ্ঠানে যাবলগীয়া হ'লে মিচেচ কাকতীয়ে সদায় অকলেই যাব লাগে। দোকান পোহাৰো কৰে তেওঁ সদায় অকলে বা নমিতাৰ লগত। আনকি বন্ধৰ দিনটো সামান্য অলপ ধেমালি-ধুমুলা বা ফুৰা-চকাৰ কাৰণে তেওঁ কেতিয়াও মিঃ কাকতীক লগ নাপায়। তেওঁ মিছাকৈ মিনিষ্টাৰৰ ঘৰত কিবা কাম থকা বুলি কৈ, ওলাই গৈ, চেক্ৰেটৰীয়েটত ফাইল ঘাটি বহি থাকেগৈ।

মিঃ কাকতীৰ এই শোক লগা মানসিক জড়তাৰ কাৰণেই, আজি ইমান দিনৰ পৰা ভাবিও, মিচেচ কাকতীয়ে কোনোমতে এটি আপোৰ মিলনৰ পিক্নিকৰ আয়োজন কৰিব পৰা নাছিল।

কিন্তু কোনো এটি কথাত লাগিলে তাক সহজতে এৰি দিয়াৰ পাত্ৰী মিচেচ কাকতী নহয়। সেয়ে ঘৰত যি কোনো কথাই মুঠক, এই পিক্নিকৰ কথাটোকে কৈ, মিঃ কাকতীক, এনেদৰে আক্ৰমণ কৰাটোকে যেন তেওঁ জীৱনৰ এটি ডাঙৰ প্ৰতিজ্ঞা কৰি ললে।

যেনে, কোনোবাই যদি আহি কয় যে মিঃ কাকতীৰ মূৰৰ চুলিবোৰ গৈ আৰু তলপেটটো বাঢ়ি, লাহে লাহে আকৃতিটো প্ৰায় 'স্পুটনিক'ৰ দৰেই হৈ আহিছে তেওঁ তৎক্ষণাত তাৰ উত্তৰ দি কব, এই অৱস্থা নহব কেনৈ? তেওঁৰ জানো ধেমালি-ধুমুলা বা এক্ছাৰ্চাইজ বোলা কোনো বস্তু আছে? তেওঁ জানে সদায় ফাইলৰ ওপৰত পেটটো পেলাই বহি থাকিবলৈ। সেয়ে ভগবানে তেওঁৰ আকৃতিও ফাইলৰ দৰেই কৰি আনিছে।

অইন নালাগে এই পিকনিকৰ কথাটোকে কওঁ, আজি ইমান দিনৰ পৰা খাতিও, তেওঁক আমি এদিন ঘৰৰ পৰা কোনোমতে উলিয়াব নোৱাৰিলোঁ।

নাইবা কেতিয়াবা যদি মিঃ কাকতীয়ে অলপ আচৰিত হোৱাৰ দৰে আহি কয় যে অমুক মানুহজন বিলাতলৈ গ'লগৈ, তেওঁ তৎক্ষণাৎ তাৰ উত্তৰ দি কব, নেযাব কেনৈ? বিলাতখন লাহে লাহে কলিকতাতকৈও ওচৰ লগা

যেন হৈ আছিছে। কিন্তু আমি হ'লে আপোনাৰ যহত আজি এবছৰ মানৰ পৰা প্ৰগ্ৰেম কৰিও এইখিনি আপাৰ স্লিলঙলৈকে যাব পৰা নাই। আপুনি নহে অইন মানুহ হোৱাহেঁতেন বোধকৰো চন্দ্ৰলোকৰ পৰা দহ বেলিমান অহা-যোৱা কৰিব পাৰিলোহেঁতেন।

নাইবা কেতিয়াবা এনেয়ে বিৰক্ত হৈ, নমিতাক কোৱা দি কয়,

নমি! দেউতাৰৰ কথা একেবাৰে বাদ দে। তেওঁ নহলেও যে আমি পিকনিকলৈ যাব পাৰো, সেই কথাটোকে এদিন আমি দেখুৱাব লাগিব। চাবলৈ গলে তেওঁকনো আমাৰ কেলেই? ড্ৰাইভাৰতো আমাৰ আছেই! সেয়ে তই আজি ড্ৰাইভাৰটোক কৈ দে যে অহা দেওবাৰলৈ আমি পিকনিকলৈ যামেই ইয়াৰ আৰু কোনো অন্যথা হ'ব নোৱাৰে। সেয়ে সি যেন গাড়ীখন আজিৰ পৰাই অলপ ভালকৈ চাই-চিতি থয়। যদি মন কৰ, তোৰ নাচৰ 'চাৰ'কো লগত লব পাৰ। ব'ল, অকল আমিয়ে এদিন অলপ হুলস্থূলকৈ আহোঁগৈ।

নমি বা নমিতা হ'ল, মিচেচ কাকতীৰ প্ৰথম ছোৱালী। যোৱা বেলি মেট্ৰিক পাছ কৰি মাত্ৰ লেডীকীন কলেজত সোমাইছে। বয়সত যদিও কম নমিৰ মনটো হ'লে সৰুৰে পৰা অলপ পুৰঠ ধৰণৰ। তাতে যোৱা দুই বছৰতে হঠাৎকৈ বেছিকৈ বাঢ়ি, এতিয়া দেখাত প্ৰায় মাকৰ সমনীয়া যেনেই হৈ উঠিছে। নমিৰ গাৰ ৰং আৰু মুখৰ সৌন্দৰ্য্যখিনিও হুবহু মাকৰ পৰা ধাৰ কৰা। নমিয়ে প্ৰসাধন আৰু বেশ-ভূষাও কৰে সদায় মাকৰ লগত মিলাই। নমিৰ মনৰ ভিতৰ খনো মাকৰ দৰেই ৰঙচুৱা। নমিয়েও ভাল পায় নাচ, গান আৰু আবৃত্তি। সপোন দেখে কেৱল সেই চিত্ৰ জগতৰেই।

সেয়ে খোলাখুলিকৈয়ে কয় নমিয়ে মাকৰ আগত,—মা তোমাৰ যি হ'ল হ'ল, মোৰ জীৱনটো কিন্তু তুমি পণ্ড নকৰিবা। মই যি আদৰ্শ লৈ জীৱনটো গঢ়ি তুলিছো, সেই আদৰ্শ লৈ মোক শেষলৈকে চলিবলৈ দিবা। দেউতা মানুহ জনলৈ মোৰ বৰ ভয় লাগে। তেওঁ আনৰিয়েলিষ্টিক। সিদিনা শুনিছিলো ডাঃ চৌধুৰীৰ আগত তেওঁ মোৰ বিয়াৰ কথা উলিয়াইছিলেই। যদি ইমান কম বয়সতে মোক বিয়া দিবলৈ হল, তেনেহ'লে তোমালোকে

মোক পঢ়ুৱাইছিলা কেলেই? নাইবা ইমান খৰচ-ভৰচ কৰি গান বাজনা শিকাইছিলা কেলৈ? তাকে নকৰাহেঁতেনতো গাৱঁলীয়া ছোৱালীৰ দৰে, দহ বছৰতে মোক ধৰি-বান্ধি বিয়া দিব পাৰিলেহেঁতেন?

সেয়ে তোমাক কৈছো, তুমি যেন সমূলি প্ৰশ্ৰয় নিদি, দেউতাক কথাটো ভালদৰে বুজাই দিয়া।

সকলো আৰ্টৰ প্ৰতি সমানে ধাপ থাকিলেও নমিয়ে মাকৰ দৰেই আটাইতকৈ ভাল পায় নাচ। নমিৰ কল্পনা হল, সপোন হল নাচেই। নমিয়ে সপোন দেখে তাই এদিন অসমৰ বৈজয়ন্তীমালা হব পাৰিব। সেয়ে তাই শাৰীখনো পিন্ধে কেতিয়াবা বৈজয়ন্তীমালাৰ দৰেই। আৰু বেণী ছুডালো ওলোমাই লয়, ঠিক বৈজয়ন্তীমালাৰ ষ্টাইলত।

নাচ বেচিকৈ ভাল পায় কাৰণেই, পাৰিলে এদিন আপাৰ শ্বিলঙলৈ যাবলৈ নমিৰো বৰ হেঁপাহ। নমিক বৰ্ত্তমানে নাচ শিকাইছে, 'কলা বিদ্যালয়'ৰ নাম-কৰা শিল্পী তপন শঙ্কৰে। তপন শঙ্কৰৰ মুখত আজি বহু দিনৰ পৰাই নমিয়ে শুনি আহিছে, শ্বিলং পিকৰ বোডোড্ৰেণ্ড্ৰণ ফুলৰ অপূৰ্ব বৰ্ণনা। তাইৰ মনে মনে এটি ইচ্ছা যে এদিন শ্বিলং পিকৰ ওপৰত উঠি, তাই এই বোডোড্ৰেণ্ড্ৰণ ফুলৰ এটি নতুন নৃত্য ৰচনা কৰিব আৰু তাৰ মাজেদিয়ে ফুটাই তুলিব তাইৰ মনৰ ৰঙীন বিলাস।

সেয়ে আপাৰ শ্বিলঙৰ কথা ওলালেই নমিয়ে একেবাৰে অধৈৰ্য্য হৈ পৰে আৰু দেউতাকৰ ওচৰলৈ গৈ প্ৰায় ধমকৰ সুৰত কয়।

—দেউতা! ই কথাই কথা নহয়। অহা দেওবাৰলৈ আমি যাবলৈ ঠিক কৰি পেলালোৱেই। তুমি মত দিবই লাগিব। নিদিলেও আমি অকলে যামেই। তাৰ পিছত হলে তুমি আমাক আৰু বকিব নোৱাৰা।

মিচেচ কাকতীৰ দ্বিতীয় ছোৱালী হল, কবি।

কবি ছোৱালীজনী কিন্তু সকৰে পৰা অলপ বেলেগ ধৰণৰ। তাইৰ গাত মাকৰ বা নমিতাৰ কোনো ৰঙ, উচ্ছাস বা ভাৱাবেগ নাই। তাই ছোৱালীজনী যেনে ধীৰ স্থিৰ আৰু নিৰ্জ্জু, ভালো পায় সেইদৰে কেৱল কিতাপ পঢ়িবলৈ। এই বাৰ বছৰ বয়সতেই কিতাপ পঢ়িয়েই তাই চকুহাল ভেনেই নষ্ট কৰি পেলাইছে।

এই কিতাপ পঢ়াৰ চখৰ কাৰণেই, পাৰিলেই এদিন আপাৰ শ্বিলঙলৈ যাবলৈ কৰিবো পেটে পেটে বৰ মন। আপাৰ শ্বিলঙৰ সবলৰ তলত বহি, তাই কি কি কিতাপ পঢ়িব তাৰে এখন লিষ্টি বহু দিন আগৰ পৰাই প্ৰস্তুত কৰি থৈছে। সেয়ে পিকনিকৰ কথা ওলালেই তায়ো বৰ আগ্ৰহান্বিত হৈ পৰে আৰু দেউতাকৰ ওচৰলৈ গৈ কয়:

দেউতা! তুমি আৰু বাধা নিদিবা দেই। আমি অহা দেওবাৰেই যাবলৈ ঠিক কৰি পেলালো। তুমিও আমাৰ লগত কিন্তু জৰুৰ যাব লাগিব।

কৰবিৰ তলতে হল মিঃচেচ কাকতীৰ দুটি ল'ৰা—চন্দন আৰু বকুল। ল'ৰা ঠিক নহয়, সিহঁতক বোধকৰো দুডোখৰ টিঙিৰি-পাথৰ বুলি কলে বেছি শুদ্ধ কোৱা হ'ব। কিয়নো সিহঁত দুয়ো থাকে ঠিক দুডোখৰ টিঙিৰি পাথৰৰ দৰেই, জুইৰ ফিৰিঙতি তুলি: মিঃ কাকতীৰ দৰে এনে হেন জড়পদাৰ প্ৰকৃতিৰ মানুহ এজনৰ, কেনেকৈ এনে উথৰা প্ৰকৃতিৰ দুটি ল'ৰা হ'ল, সেইটো এটা গভীৰ চিন্তাৰ বিষয়। বয়সত যদিও চন্দন আৰু বকুলৰ মাজত তিনি বছৰৰ এটি ব্যৱধান আছে, সিহঁত দেখিবলৈ কিন্তু প্ৰায় যমজ ল'ৰাৰ দৰেই। আৰু পোছাক পৰিচ্ছদো কৰে ঠিক সদায় সেইদৰে মিলাই। সিহঁতৰ হাতত থাকে সদায় এটি ফুটবল আৰু ভৰিত দুযোৰা লোহা লগোৱা বুট জোতা। তাৰে সৈতে সিহঁতে প্ৰায় পৃথিৱীৰ সকলো বস্তুকেই ফুটবলবৎ জ্ঞান কৰি গুৰিয়াই ফুৰে।

এইদৰে ফুটবল খেলাৰ আৰু মৰামৰি কৰাৰ আনন্দৰ কাৰণেই পাৰিলে এদিন আপাৰ শ্বিলং যাবলৈ চন্দন আৰু বকুলৰো বৰ মন। সিহঁতে ভাবে, শ্বিলং পিকটো জানিবা ঠিক কাঞ্চনজঙ্ঘাৰ দৰেই ওখ। সিহঁতে উঠি যাব পাৰিব তাৰ ওপৰলৈ, ঠিক টেনজিং আৰু হিলাৰীৰ দৰেই আৰু তাৰে পৰা গুৰিয়াই পেলাই দিব পাৰিব ইজনে সিজনক একেবাৰে তললৈ।

সেয়ে আপাৰ শ্বিলঙৰ কথা উঠিলেই, সিহঁতো একেবাৰে অস্থিৰ হৈ যায় আৰু দেউতাকক গৈ ধমক দি কয়,

—দেউতা! আমি আৰু বাট চাই চাব নোৱাৰো। অহা দেওবাৰেই আমাক পিকনিকলৈ নিবই লাগিব। যদি নিনিয়া, তোমাৰ অফিচৰ ফাইল-টাইলবোৰ আমি এদিন জুই লগাই পুৰি পেলাম।

এইদৰেই সকলোৰে অনুৰোধ, উপৰোধ আৰু ধমকত, মিঃ কাকতীয়ে শেষমেষ এদিন আপাৰ শ্বিলঙলৈ পিকনিকৰ কাৰণে যোৱাৰ বাবে মতটো দিলেগৈ।

দিনটো ঠিক কৰা হ'ল, এদিন দেওবাৰে।

তাৰ চাৰিদিনমান আগৰ পৰাই ঘৰখনত কি হুলস্থুল! যেন কোনোবা এটা নতুন উপগ্ৰহলৈ যোৱাৰ বাবেহে আয়োজন চলিব লাগিছে।

আগদিনাখন বৰবজাৰলৈ গৈ, মিচেচ কাকতীয়ে সকলো বস্তু লিষ্টি কৰি কিনি আনিলে। 'মেনু' ঠিক কৰা হ'ল, এখন বেছ দীঘল ধৰণৰেই। প্ৰথমেই গৈ খোৱা হ্‌ব, কেৱল 'লাইট টি'। লগত থাকিব সন্দেশ আৰু 'কাজু'। তাৰ পিছত দিনৰ দুটামান বজাত হব 'হেভি লান্‌চ্'। তাত থাকিব লাগিব মাংস, পোলাও, কণি-ভাজি, ৰৌমাছৰ মুৰি-ঘণ্ট, বগাভাত, চিতলমাছৰ কোলঠিৰ টেঙাৰ আঞ্জা। তাৰ মাজে মাজে চলিব হৰদম্ চাহ, পাকাউৰি, টফি, লজেন্স আৰু ললি-পপ্। নমিতাই লব কেমেৰাটোৰ কাৰণে দুটা নতুন* 'ৰিল'। কবিৰ বাছি থোৱা কিতাপ গালতো আছেই। চন্দন আৰু বকুলে ল'ব সিহঁতৰ এলচেচিয়ান কুকুৰ দুটা আৰু ফুটবলটো। মুঠৰ ওপৰত, ইমান দিনৰ পৰা পৰিকল্পিত এই পিকনিকটো সকলোপিনৰ পৰাই স্মৰণীয় হৈ থাকিব লাগিব। এয়েই হ'ল যেন সকলোৰে মিলিত আগ্ৰহ আৰু প্ৰচেষ্টা।

পিক্‌নিক্‌ৰ দিনাখন!

বাতিপুৱা পাঁচমান বজাৰ পৰাই, সিদিনা ঘৰখনত কি উখলমাখল লাগি পৰিল! সকলোৱে সোনকালে উঠি লৰালৰিকৈ কেৱল আগতে তপ্‌তৈয়াৰ হৈ লবলৈ বিচাৰিলে। তাৰ উপৰি পিকনিকৰ বস্তবোৰৰতো খদমদম আছেই।

সেয়ে মিচেচ কাকতী আৰু নমিতাৰ গাত যেন তৎ নাই। আঁৰিয়া-আঁৰি চলিল তেওঁবিলাকৰ বহুপৰলৈ পিক্‌নিকৰ সাজপাৰ আৰু 'মেক-আপ' সম্বন্ধে। শেষত ঠিক হ'ল যে দুয়ো পিন্ধিব আঠুলৈকে গছতোলা নতুন ডিজাইনৰ দুযোৰ বিহা-মেখেলা। ঠিক সেই ডিজাইনৰে চাদৰ। চুলিবোৰ বান্ধিব ঠিক বাৰ্মিজ ষ্টাইলত, খোপা দুটা চেপেটা আৰু ঘূৰণীয়া কৰি। খোপাত গুজি লব বগা কাৰ্ণেশ্বন ফুল। গাত থাকিব দুয়োৰে ফুলাম

কাশ্মিৰী ক্লোক। নমিতাৰ ঘাড়ৰ পৰা ওলমি থাকিব, কেম্ৰেবাটো। মিচেচ কাকতীৰতো চান-গ্লাছযোৰ আছেই।

আনকাল কবিয়ে ফ্ৰক পিন্ধি স্কুললৈ গায়। কিন্তু আজি তায়ো পিন্ধি ললে, এখন মুগাৰ মেখেলা আৰু শ্বিফনৰ চাদৰ। চন্দন আৰু বকুলৰো গাত দেখা গ'ল খাকীৰ হাফচাৰ্ট আৰু হাফপেন্টৰ পৰিবৰ্ত্তে, কৰ্ডৰ দীঘল পেণ্ট আৰু গৰম ব্লেজাৰ। আনকি মিঃ কাকতীয়েও সমালোচনাৰ ভয়ত তেওঁৰ চিৰ-অভ্যস্ত দগঠা টুইড্‌যোৰ এৰি পিন্ধি ললে পাতল চাৰ্জ্জৰ চুট এযোৰ। বাপুটিৰ গাটো উঠিল নতুন স্বিটৰ চাৰ্ট, ৰঙা চুৱেটাৰ এটা, মূৰত দেখা গ'ল আন দিনতকৈ অলপ বেছি নাৰিকল তেলৰ চিক্‌চিকণি।

এইদৰে প্ৰায় আঠোটামান বজাত, এৰি দিয়া হ'ল মিঃ কাকতীৰ কিছু-পুৰণি, ক'লা হিন্দুস্থানখন, আপাৰ শ্বিলং অভিমুখে পূৰা, পিকনিকৰ আৱেশত। যাত্ৰী কেৱল ঘৰৰ মানুহ কেইটাই। মাজতে এবেলি মিচেচ কাকতীয়ে তপন শঙ্কৰৰ কথাটোও উত্থাপন কৰিছিল। কিন্তু মিঃ কাকতীৰ সমৰ্থনৰ অভাৱত সি অতি বেয়াকৈ বন্ধ হৈ গ'ল।

মটৰ চলাইছে আজি মিঃ কাকতীয়ে নিজেই। ওচৰত বহি গৈছে মিচেচ কাকতী আৰু নমিতা। ঠাইৰ অভাৱত, তেওঁবিলাকে কোনেও লবাব পৰা নাই তেওঁবিলাকৰ হাতবোৰ বেছি ভালকৈ। সেয়ে মুখৰ বিচ্ছুৰিত হাঁহি আৰু কথাৰ ঝলকাৰেই যেন সেই অভাৱ পূৰ্ণ কৰি গৈছে। তেওঁবিলাকে যেন দেখুৱাব খুজিছে, তেওঁবিলাকে এৰি দিব খুজিছে আজি নিজকেই প্ৰথমৰ পৰাই গঢ়ি তোলা অস্বাভাৱিক পুলকৰ উচ্ছাসত।

পিচৰ ছিটৰ এমূৰে কবি। বেছেৰীয়ে মাতিব পৰা নাই, অথনিৰেপৰা এবেলিও, বকুল আৰু চন্দনৰ চিঞৰৰ-উৎপাতত। তাহাঁতৰ সিমূৰে আয়া। তাইৰ গাতে-গা লগাই বহি গৈছে, তলত এটি মূঢ়াৰ ওপৰত বাপুটি। আজি তাৰো মুখত সমূলি লেকাম নাই। সিও কৈ গৈছে কথাবোৰ অত্যন্ত চিঞৰি চিঞৰি তাৰ মেম-ছাহাব আৰু ছাহাবৰ আগতেই।

'লাগেছ বুট'ৰ ভিতৰত, টউ, কেবাহী, চছপেন্ আৰু পিকনিকৰ খাদ্যবস্তুবোৰ। মটৰৰ জোকাৰণিত তাৰে ভিতৰৰ পৰা মাজে মাজে একোটি খুন্দাখুন্দিৰ ভাঙৰ শব্দ উঠে। হুৰিৰত চিঞৰি দিয়ে বকুল আৰু চন্দনে।

সেই একেই উৎসাহী সুব্ৰত যোগ দিয়ে তাত আনকি বাপুটি আৰু আয়া পৰ্য্যন্ত।

এইদৰেই ক্ৰমে পেট্ৰল পাম্পটো পাৰ হৈ, আগবাঢ়ি যাবলৈ ধৰিলে মিঃ কাকতীৰ মটৰখন।

সিদিনা দিনটো আছিল ছুটীৰ। তাতে বতৰটো অতি ফৰকাল। সেয়ে বাটত পোৱা হ'ল, অগণিত পিকনিক যাত্ৰী। সকলোৱে আহিছে গাড়ী-ঘোঁৰা কিবা এডোখৰ যোগাৰ কৰি, দিনটোৰ কাৰণে অলপ উচ্ছাস উপভোগ কৰিবলৈ।

অবৰ্জ্জাভেটৰীটো পাৰ হৈ, মটৰখন উঠিব খুজিছিল অলপ ওপৰলৈ বাটৰ এটি ত্ৰিভঙ্গ ভাঁজ ঘূৰি। এনেতে সমুখত দেখা গ'ল এখন চিটিবাছ। ৰিজাৰ্ভ কৰি অনাইছে তাক শ্বিলঙৰ পৰাই, ধুনীয়াকৈ গছ পাতেৰে সজাই। ভিতৰত তাৰ প্ৰায় পঞ্চটামান কোনোবা স্কুলৰ পেন্দুকনা ল'ৰা। সিহঁতে গাই আহিছে এটা ইংৰাজী কোৰাছ, গিৰিপ্-গিৰিপ্কৈ বাছৰ গাত আৱাজ তুলি।

চন্দন আৰু বকুলক দেখিয়েই, চিঞৰি উঠিল সেই ল'ৰা গালে, আন্তৰিক এটি অভিবাদন জনাই। বাবুল আৰু চন্দনেও প্ৰতি সংবৰ্দ্ধনা জনালে সেই একে চেৱত। যোগ দিলে তাত, আনকি মিচেচ কাকতী আৰু নমিতায়ো হাঁহি হাঁহি।

এইদৰে ইখনৰ পিচত সিখন বাছ, লৰী, জীপ্ চেৰ পেলাই, ক্ৰমে উঠিবলৈ ধৰিলে পৰ্ব্বতৰ মধ্য দেশত মিঃ কাকতীৰ মটৰখন। আৰম্ভ হ'ল ছুয়ো কাষৰ ধুনীয়া চিৰ-শ্যামল দাঠ হাবিবোৰ।

এঠাইত এজোপা বুঢ়া গছৰ পৰা, ওলমি আছিল ধুনীয়া হালধীয়া ৰঙৰ অৰ্কিড্ এপাহি। দেখিয়েই চিঞৰি উঠিল মিচেচ কাকতীয়ে। অনুৰোধ জনাই ক'লে, পাৰি দিব লাগিব আজি তেওঁক যেনেতেনে মতে সেই ফুলপাহি। তেওঁ আজি পিন্ধিব তাকেই খোপাত মেৰিয়াই লৈ। আৰু ঘৰলৈও নিব, আজিৰ পিকনিকৰ অপূৰ্ব এটি স্মাৰক হিছাবে।

উপায় নেপাই মিঃ কাকতীয়ে ৰখালে তেওঁৰ মটৰখন। কিন্তু ফুলপাহ চাই তেওঁ পৰিল যেন কিছু বিপদত। কিয়নো ই আছিল, গছজোপাৰ

নিচেই আগত শেলুৰৈৰ মাজত তেনেই চাক খাই। ইমান ওপৰলৈ তেওঁ এতিয়া উঠে কেনেকৈ ?

সেয়ে উৎসাহ দি কোনোমতে তুলি দিয়া হল গাৰঁৰ লৰা বাপুটিক গছজোপাৰ ওপৰলৈ। কিন্তু সিও পৰিল বেচেৰা মহা বিপদত, কিছু ওপৰলৈ গৈ। শেলুৰৈৰে ইমান পিছল গছ জোপাৰ গাটো যে এহাত উধালেই আৰু এহাত পিছলি আহিব খোজে।

এইদৰেই ফুলপাহ পৰাৰ কাৰণে বাপুটিৰ অদমা চেষ্টা কিছু পৰিমাণে একেদৰে চলি আছিল। এনেতে সেই দৃশ্য দেখি, বৈ গ'ল হঠাতে, শিলঙৰ ফালৰ পৰা অহা, এখন ধুনীয়া ৰঙা ৰঙৰ নতুন জাগুৱাৰ গাড়ী। আৰু তাৰ পৰা নিমিষতে নামিল, দুজন অতি সুসজ্জিত গা-পাতল ধৰণৰ ধুনীয়া পুৰুষ, মুখত এটা উদ্ভাসিত হাঁহি লৈ।

এজনৰ গাত এটি কাৰ্ডিগান, ইজনৰ গাত এটি জাৰ্কিন। দুয়োৰো গেবাৰ্দিনৰ পেণ্ট আৰু স্বোয়েডৰ জোতা। চকুত গগলচ্। কান্ধৰ পৰা ওলোমাই লোৱা 'মুভি' কেমেৰা। হাততো কেমেৰাৰ ষ্ট্ৰেপ। যেন দেখিলেই কব পাৰি তেওঁবিলাক আহিছে ফিল্ম্ সংক্ৰান্ত কোনো কামলৈ। তেওঁলোকৰ হাৱভাৱ চলন-ফুৰণবোৰ তেনেই "ফিল্মিক"।

মটৰৰ পৰা নামিয়েই তেওঁবিলাকে আগবাঢ়ি গ'ল সেই গছ জোপাৰ ওচৰলৈ। আৰু তলৰ পৰা কি যেন অলপ পৰীক্ষা কৰি চাই উঠিবলৈ আৰম্ভ কৰিলে তাৰে এজনে গছজোপাৰ ওপৰলৈ, জোতাযোৰ খুলি থৈ। আৰু অতি কম সময়ৰ ভিতৰতে বেছ কৃতিত্বৰে পালেগৈ গছৰ আগ; আৰু ফুলপাহ পাৰি আনি, তুলি ধৰিলেহি মিচেচ কাকতীৰ হাতত, গৰ্ব-ভৰা এটা সুঠাম ভঙ্গীৰে।

অবাক হৈ চাই ৰ'ল তেওঁলোক দুয়োজনৰ মুখলৈ মিচেচ কাকতী আৰু নমিতাই। কোন এওঁলোক ? ইমান ধুনীয়া হাৱ-ভাৱ আৰু মুখৰ ফিল্মিক কাট্ ছুটা! ইমান বেছি চিনাকি যেন লাগিছে, তথাপি চিনি পোৱা নাই ?

মুখৰ হাঁহিটি অত্যন্ত ধুনীয়াকৈ লৈ ক'লে মিচেচ কাকতীয়ে, সেই ফুলপাহ আগবঢ়াই দিয়া জনক।

—কিন্তু আপোনাকতো চিনি নাপালো ?

চিনাকি কৰি দিলে হাঁহি তেওঁৰ বন্ধুৱে, ঢকা এটা মাৰি, মিচেচ কাকতীৰ গাৰ ওচৰলৈ আৰু তেওঁক আগবঢ়াই দি।

—এখেত হ'ল, আমাৰ ফিল্ম্ জগতৰ অপ্ৰতিদ্বন্দী সম্ৰাট শ্ৰীহিমাদ্ৰি বৰা। এখেতক দেখিছে নিশ্চয় সিদিনা অলপতে "সপোনৰ সুৰভীত"।

আৱেগত যেন একেবাৰে উথলি উঠিল মিচেচ কাকতীয়ে। কলে,

—ক্ষমা কৰিব। মই ধৰিব পৰা নাছিলো আপোনাক প্ৰথমতে। ছবিত দেখাতকৈও আপুনি আৰু বেছি ধুনীয়া। বিশ্বাস কৰক আপোনাৰ মই এজন ডাঙৰ এড্মাইৰাৰ। আপোনাৰ ছবি মই সদায় ৰাখো মোৰ এলবামত।

চিৰদিনেই মনত থাকিব, আজিৰ এই ৰোমান্টিক পৰিচয় আৰু আপোনাৰ দান, এই অপূৰ্ব উপহাৰ।

তাৰ পিছত তেওঁৰ লগৰ জনলৈ চাই সুধিলে—আৰু এখেত ?

চিনাকি কৰি দিলে সেইদৰেই হিমাদ্ৰি বৰাই তেওঁকো, বিশেষকৈ নমিতাৰ ওচৰলৈ আগবঢ়াই দি,—এখেত হ'ল প্ৰখ্যাত ডিৰেক্টৰ আৰু নৃত্য-শিল্পী অজয় চৌধুৰী। এখেতৰ নতুন ছবি 'অলকাৰ সপোন'ৰ কথা নিশ্চয় পঢ়িছে কাকতত।

উচ্ছ্বসিত হৈ উঠিল সেইদৰে নমিতাও। ক'লে—

ক্ষমা কৰিব। ময়ো আপোনাৰ এজন ডাঙৰ এড্মাইৰাৰ। মই ভাবোঁ 'সুৰৰ পৰশত' আপুনি যি নাচ দেখুৱাইছিল আৰু ডিৰেকশ্যন দিছিল তাক অতিক্ৰম কৰিব পৰা নাই এতিয়ালৈকে কোনেও। মই কালি মাত্ৰ পঢ়িছো বাতৰি কাকতত আপোনাৰ নতুন ছবি, 'অলকাৰ সপোন'ৰ কথা। কি ধুনীয়া নামটো! আৰু কি ধুনীয়া টেলেণ্টৰ কম্বিনেশ্যনো ? মই সঁচাকৈ কৈছো, যদি কাকতত ওলোৱা মতে আপোনালোকে শেষ কৰিব পাৰে এই ছবিখন, ই অসমীয়া ফিল্ম জগতৰ এটি বিখ্যাত 'লেণ্ডমাৰ্ক' হৈ থাকিব।

আত্মগৰিমাত যেন শতমুখ হৈ উঠিল দুয়োজনে।

ক'লে—"আমি তাৰেই চেষ্টাততো আছিছো শিলঙলৈ। ভাল কেইজনমান আৰ্টিষ্ট বিচাৰি।

হাঁহি আকৌ সুধিলে মিচেচ কাকতীয়ে,

—কিন্তু এতিয়া যায় কলৈ আপোনালোক ?

উত্তৰ দিলে হিমাদ্ৰি বৰাই—

—আজি চাৰি দিন হ'ল শ্বিলঙত আটাই বাছি বাছি আমি একৰকম ভাগৰি পৰিছো। আজি আহিছো সেয়ে এইফালে অলপ 'ৰিলেক্স' কৰিবলৈ। তাৰোপৰি আমাৰ এটা ডাঙৰ কামো আছে। আপোনালোকে বোধকৰো নাজানে, আপাৰ শ্বিলঙতেই লোৱা হ'ব, আমাৰ 'অলকাৰ সপোন'ৰ অধিকাংশ ছবি। শ্বিলং পিকেই হব আমাৰ অলকা। সেয়ে আহিছো আজি তাৰে— অলপ প্ৰাথমিক পৰ্য্যবেক্ষণ কৰিবলৈ।

—হয়নেকি ? উলাহত কলে মিচেচ কাকতীয়ে। কেনে মজা হব ? আমিও আজি আহিছো তালৈকে পিকনিকৰ কাৰণে। আৰু কোনো কথা নাই, আপোনালোকে দুয়োজনেই যাব লাগিব আমাৰ পিকনিকলৈ। আৰু লাগে আমিও সহায় কৰি দিম আপোনালোকক 'অলকাৰ সপোন'ৰ দৃশ্যাৱলী নিৰ্বাচন কৰাত।

—ওকে। এগ্ৰিড ?

—উইথ ইমেন্স্ প্লেজাৰ।

এইদৰে সমৰ্থন জনাই লৰ মাৰি উঠিলগৈ তেওঁবিলাকৰ জাগুৱাৰখনত হিমাদ্ৰি আৰু অজয়ে। মিচেচ কাকতী আৰু নমিতায়ো সেইদৰেই দৌৰি আহি, এৰিবলৈ দিলে, তেওঁবিলাকৰ হিন্দুস্থানখন।

এটি গভীৰ প্ৰীতিৰ বান্ধোনত যেন সাঙোৰ খাই, চলিবলৈ ধৰিলে আকৌ দুয়োখন মটৰ, ঠিক সেই একেই গতিত, আপাৰ শ্বিলং অভিমুখে।

কেতিয়াবা বাটৰ একোটি ভাঁজত, সামান্য অলপ আগবাঢ়ি যায় জাগুৱাৰখন। তাৰ হাঁহিৰ ঢউ বাগৰি আহি পৰে পিছত থকা হিন্দুস্থানখনৰ ওপৰত। কেতিয়াবা আকৌ হিন্দুস্থানখনেও সেইদৰে আগ হৈ যাবলৈ বিচাৰে একোটি ছেগত। জাগুৱাৰখনে হাঁহি হাঁহি তাক টানি আনে আকৌ গাৰ ওচৰলৈ।

এইদৰেই দুয়োখন মটৰ গৈ ৰ'ল, শ্বিলং পিকৰ নামনিৰ সেই পথাৰখনত, দিনৰ প্ৰায় দহমান বজাত।

প্ৰথম বাছি উলিওৱা হ'ল, এডোখৰ চিকুণ ঠাই, জুৰিটিৰ কাণলৈ সৰলৰ তলত। কঢ়িয়াই নিয়া হ'ল, সকলো বস্তুকে তালৈকে, ধৰাধৰি কৰি, বেছ কৰ্মবেদী ভাৱত।

প্ৰথমেই গৈ কৰিলে চাহ, মিচেচ কাকতী আৰু নমিতাই, ঠিক 'গেইচা' মুদত। পৰৱেশন কৰিলে সন্দেশ আৰু 'কাজু' হিমাদ্ৰি আৰু অজয়ে, উত্তম কুমাৰৰ ষ্টাইলত। দূৰত, অলপ নিৰ্লিপ্ত ভাৱে যেন বহি চাই ৰ'ল মিঃ কাকতীয়ে চাহৰ কাপ এটা হাতত লৈ, বোধকৰো অফিছৰ ফাইলৰ কি এটা জটিল কথা ভাবি।

চাহটোপা খায়ে, ফুটবলটো লৈ, দৌৰি গ'ল পথাৰ খনলৈ, চন্দন আৰু বকুলে, কুকুৰ ছুটাৰ সৈতে। কবিয়ে বহিলগৈ, জুৰিৰ নিৰ্জন এটি পাৰত, তাইৰ কিতাপ কেইখন লৈ। মিঃ কাকতী, বাপুটি আৰু আয়াই, পিকনিকৰ সকলো বস্তু উলিয়াই, লাগি গ'ল লাহে লাহেকৈ খোৱাৰ আচল কাৰবাৰত। মিচেচ কাকতী আৰু নমিতাই কথাদিয়া মতে ওলাল, তেতিয়াই হিমাদ্ৰি আৰু অজয়ৰ লগত, শ্বিলং পিকৰ অভিমুখে, অলকাৰ সপোনৰ ছবি বিচাৰি।

তেতিয়া এপ্ৰিলৰ প্ৰায় মাজ ভাগ।

সৰলৰ তলবোৰ বেছ শুকান আৰু ফৰকাল ভৰিদিলেই, তলত দ'ম খাই থকা শুকান পাতবোৰ পিছলি আহিব খোজে।

সৰলৰ তলে তলে, গছৰ মাজেদি নিজৰি অহা পুৱাৰ মিঠা ৰ'দ চেৰেঙা। বতাহত লঘু লঘু বসন্তৰ এটি মধুৰ আমেজ! দূৰত, ক'ৰবাত গছৰ ডালত বিণিয়াই থকা এটা অচিন চৰাইৰ মাত বা ঝিলীৰ ঝিঁ-ঝিঁয়নি।

ঠিক সেই আৱেশসনা পৰিবেশৰ মাজেদি, আগবাঢ়ি যাবলৈ ধৰিলে চাৰিওটি প্ৰাণী, পৰ্বতৰ ওখ গঁড়া ভাঙি ভাঙি, ক্ৰমে পিকৰ ওপৰলৈ, কথাত তেনেই আত্মাহাৰা হৈ।

আগে আগে হিমাদ্ৰি আৰু মিচেচ কাকতী।

তাৰ বহু পিছত নমিতা আৰু অজয়।

সেইযে প্ৰথম দেখোতেই এটি পাৰস্পৰিক আকৰ্ষণ গঢ়ি উঠিছিল ঠিক এইভাৱে, সিয়েই এতিয়া যেন ক্ৰমে গাঢ় আৰু গাঢ়তৰ হৈ আহিব লাগিছে।

মাজে মাজে বাটত পাতি থোৱাৰ দৰে লতা আৰু ঢেঁকীয়াৰ ধুনীয়া তোৰণ। তাৰে মাজত হঠাতে লুকাই যায় এবেলি মিচেচ কাকতী আৰু হিমাদ্ৰি।

শেষত একেবাৰে নেদেখা হৈ পৰে নমিতা আৰু অজয়।

* * *

দূৰত, তেতিয়াও কিছু দূৰত আছিল পিকটো।

পৰ্বত বগাই বগাই ক্ৰমে উত্তেজিত হৈ আহিছে মিচেচ কাকতীৰ ধমনীৰ তেজবোৰ। গৰম লগাৰ কাৰণে, তেওঁ খুলি দিছে ক্লোকটো হিমাদ্ৰিৰ হাতত। কথাবোৰ কৈ গৈছে, তেওঁৰ কান্ধত ধৰি আউজি অত্যন্ত ছুটি আৰু খৰকৈ, পুলকৰ আতিশয্যাত।

ওচৰত, এনেতে নিচেই ওচৰত জিলিকি উঠিল 'পিক'টো ৰঙা ৰোডোড্ৰেণ্ড্ৰন ফুলবোৰ মূৰত লৈ। দৌৰ মাৰি গৈ, এচটা শিলৰ ওপৰত থিয় হৈ লৈ কলে মিচেচ কাকতীয়ে ;

—চক্, চক্, কোনে আইডিয়েল এই ঠাইডোখৰ। কি সুন্দৰ 'পেনোৰমিক ভিউ'টো। ইয়েই হব লাগিব নিশ্চয় আপোনালোকৰ অলকা। আৰু এই-দৰেই এই ৰোডোড্ৰেণ্ড্ৰণ গছবোৰৰ ওপৰলৈ উৰি আহিব পাতল মেঘবোৰ। এইখিনিতে, ঠিক এইখিনিতে শুই থাকিব উপমা। সপোন দেখি উঠিব তেওঁ উতলা হৈ। আৰু এনেকৈয়ে জীৱন্ত হৈ উঠিব আকৌ এবাৰ কালিদাসৰ অনুপম কল্পনা চেন্সুলয়দৰ ছবিৰ মাজেদি।

ঠিক সেইদৰে উচ্ছাসত লৰ মাৰি গৈ থিয় দিলে হিমাদ্ৰিয়ে মিচেচ কাকতীৰ গাৰ ওচৰত। আৰু পুলকত যেন চোঁ-মাৰি তেওঁক বাহুৰ মাজত সুমুৱাই লৈ কলে, ভীষণ প্ৰগাঢ়ভাৱে।

—সঁচাকৈ, সঁচাকৈ, আপোনাৰ দেখিছো চমৎকাৰ আইডিয়া আছে মিচেচ কাকতী। আৰু কোনো কথা নাই, 'ফাইনেলি চিলেক্টেড্' হৈ গল আপুনি দেখুৱা এই ঠাইডোখৰ। আৰু লগে লগে 'চিলেক্টেড' হৈ গল। আপুনিও।

অকল আইডিয়াই নহয়, আপোনাৰ এটি নিজস্ব অন্বিত ৰূপ আৰু অপ্ৰতিহত প্ৰাণ-শক্তি আছে। মোকতো কোনেও নোকোৱাহেঁতেন, মই কেতিয়াও ধৰিবই নোৱাৰিলোহেঁতেন আপোনাক মিচেচ কাকতী বুলি। আহক, আৰু কোনো কুণ্ঠাবোধ নকৰিব। আপুনিও ওলাওক আমাৰ 'অলকাৰ সপোন'লৈ উপমাৰ ভাও লবলৈ। আমাৰ এতিয়াও সেই 'ৰোল'টো ফাইনেল হোৱা নাই।

বাঃ! বাঃ! এই ৰঙা ৰোডোডেণ্ড্ৰণবোৰৰ বেক্‌গ্ৰাউণ্ডত আপোনাক কেনে ধুনীয়া দেখুৱাইছে। ৰ'ব, এই পোজতে আপোনাৰ এখন ফটো লৈ মই কণ্ট্ৰেক্টটো ফাইনেল কৰো।

ছবি লৈ লৈ এইদৰে ভাগৰি পৰিল মিচেচ কাকতীয়ে হিমাদ্ৰিৰ লগত ৰোডোড্ৰেণ্ড্ৰণ কুঞ্জৰ ইপিনে সিপিনে দৌৰি। ক্লান্তিত দীঘল দি পৰিলে তেওঁ এবেলি, শুকান পাতৰ ওপৰত, দেহাটো থৈ। পাহৰি গ'ল, তেওঁ কোন আৰু আহিছিল কলৈ? তেওঁ যেন সপোন দেখিলে, তেওঁ সঁচাকৈ অভিনয় কৰিছে আজি হিমাদ্ৰিৰ লগত, 'অলকাৰ সপোনত'। অভিনয় শেষত ষ্টুডিঅ'ত সাৱটি কৈছে তেওঁক হিমাদ্ৰিয়ে—চক্, মিচেচ কাকতী! কিমানখিনি সৌন্দৰ্য্য আৰু প্ৰতিভা লুকাই আছিল আপোনাৰ ভিতৰত, কি অন্যায় হলহেঁতেন তাক এইদৰে নষ্ট হবলৈ দিয়াহেতেন? আৰু সেইদৰেই তেৰোঁ আপ্লুত হৈ, সাৱটি ধৰি লৈ কৈছে হিমাদ্ৰীক—সঁচাকৈ সঁচাকৈ এইটোৱেই আছিল মোৰ জীৱনৰ সপোন। তোমাক হয়তো লগ নোপোৱাহেঁতেন মই এইদৰেই ধ্বংস হৈ গলোহেঁতেন। তুমি নতুন জীৱন দিলা মোক পোহৰলৈ আনি। সঁচাকৈ তোমাৰ ওচৰত মই কৃতজ্ঞ। কি দিম? কি দিম তোমাক মই? তোমাকতো অদেয় মোৰ একোৱেই নাই? আহা! আমি এইদৰেই উটি গৈ থাকো, অমৰত্বৰ বুকুলৈ। চিৰদিনলৈ জিলিকি ৰওঁ ধৰাত,—সৱিতা আৰু হিমাদ্ৰি হৈ।

* * *

ঠিক সেইদৰেই শুই বল, মিচেচ কাকতীয়ে ৰোডেড্ৰেণ্ড্ৰণ কুঞ্জৰ মাজত ওপৰৰ ৰঙা ফুলবোৰলৈ চাই। তেওঁ শুনিলে এবেলি নিচেই ওচৰত যেন

নমিতাৰ ভৰিৰ খোজ আৰু নৃত্যৰ ৰিঙ্গিনী। ভাবিলে, হয়তো ইমান পৰে তায়ো আহি পাইছে বোডোড্ৰেগুণৰ মাজ। বহুদিনৰ পৰাই হেঁপাহ এটি আছিল তাইৰ বোডোড্ৰেগুণৰ নৃত্য এটি ৰচনা কৰাৰ। সেয়ে আজি আহিছিল তাই পিকনিকলৈ তাইৰ জুমুকাযোৰ লগত লৈ।

বোধকৰো ইমান পৰে বিচাৰি পাইছে তায়ো সেই নৃত্যৰ পুলক। আৰু নাচিছে এটি জোপোহাৰ মাজত আনন্দত তেনেই অধীৰা হৈ। ওচৰত বহি চাইছে, অজয়ে, কেমেৰাটো লৈ। কৈছে,—ৰ'ব ৰ'ব, মিচ কাকতী! ফটো এখন লৈ থওঁ আপোনাৰ ঠিক এই পোজতে। সঁচাকৈ, আপোনাৰ দৰে এই ৰূপ, এই লাস্য, এই ভঙ্গীমা মই দেখা নাই ক'তো আজিলৈকে। চিৰদিনেই মোৰ আছিল এটা প্ৰয়াস, ঠিক এই পৰ্য্যায়ৰে এগৰাকী শিল্পী আবিষ্কাৰ কৰা। আজি সফল হ'ল মোৰ সেই অনুসন্ধান 'পিক'লৈ আহি। আৰু কোনো কথা নাই। আপুনিও যাব লাগিব নিশ্চয় আমাৰ 'অলকাৰ সপোন'লৈ। মোৰ লগত নাচিবলৈ। 'ফাইনেল' হৈ গ'ল একেবাৰেই এই 'কনট্ৰেক্ট'। আৰু কোনো অন্যথা হ'ব নোৱাৰে।

অতি ঘন সেই বোডোড্ৰেগুণৰ জোপোহাটো। ইমান ঘন যে মাত্ৰ চাৰি হাত দূৰত কোন আছে, তাকো একো নেদেখি।

নাচি নাচি সেইদৰেই এবেলি বাগৰি পৰিব খোজে নমিতাই, আবেশত যেন উৰলি গৈ লৰ মাৰি গৈ সাবটি ধৰে অজয়ে, তৃপ্তিত আপ্লুত হৈ। আৰু সেইদৰেই বহুৱাই নি এজোপা গছৰ তলত মৰম কৰি।

—প্ৰবল, ক্ৰমে প্ৰবলতৰ হৈ আহে বাহুবন্ধন, প্ৰাধান্য সুপ্ৰতিষ্ঠ হৈ। হাঁহি হাঁহি সেইদৰেই যেন উটি যাব খোজে নমিতাই উল্লাহত তেনেই ফেণিল হৈ।

তায়ো ভাবে, তায়ো যেন সঁচাকৈয়ে অভিনয় কৰিছে আজি 'অলকাৰ সপোন'ত, বিখ্যাত চিত্ৰ তাৰকা অজয়ক লৈ। অবাক হৈ চাইছে সিহঁত দুয়োকে গোটেই জগতেই। কৈছে—

সঁচাকৈ, সঁচাকৈ এই নতুন বৈজয়ন্তীমালা লুকাই আছিল ক'ত ইমান দিনে? দিয়া, দিয়া, বোডোড্ৰেগুণৰ বগা জয়মাল্য এওঁৰ ডিঙিত ভালকৈ পিন্ধাই দিয়া। থোৱা থোৱা, গোটেই ঘৰে ঘৰে এওঁৰ ছবি আঁৰি থোৱা।

পৰাভূত হৈ সেইদৰে শুই ৰয় নমিতায়ো তৃপ্তিত তেনেই বিৱশ হৈ। স্তব্ধ হৈ চাই ৰয় চাৰিওফালৰ ৰোডোড্রেণ্ড্রণ গছবোৰে ঘোৰ আন্ধাৰ কৰি। ইমান নিবিড় আন্ধাৰ যেন চকুৰ মণিৰ স্বচ্ছ তাৰকাটোকো বিস্তৃত সাগৰ এখনৰ দৰেই লাগে। ইমান নিবিড় নিস্তব্ধতা যেন নিজৰ নাকৰ নিশ্বাসৰ ঘন শব্দটোকো অতি আচহুৱা যেন শুনি।

* * *

ইপিনে লাহে লাহে সিজি আহিবলৈ ধৰিলে পিকনিকৰ মাংসৰ তৰকাৰীখন। পোলাওখনো অলপ আগতে চাই-চিঁতি নমাই থৈছে বাপুটিয়ে। মিঃ কাকতীয়ে নিজে চুপাৰভাইজ্ কৰিছে এটিয়া বগা ভাত গাল। আয়া জনীয়ে সাজু কৰিবলৈ ধৰিছে টেঙাৰ আঞ্জা খন। গতিকে পিকনিকৰ খাদ্য-সম্ভাৰ একপ্রকাৰ ৰেডি হোৱা বুলিয়েই কব পাৰি। সেয়ে অলপ ব্যগ্র হৈ যেন চাবলৈ ধৰিছে মিঃ কাকতীয়ে বাৰে বাৰে পাহাৰৰ ওপৰলৈ। সেই কোন কাহানিবাই গ'ল মিচেচ কাকতী আৰু নমিতাই, শীকৰ ওপৰলৈ, সেই অচিনাকি মানুহ দুজনৰ লগত! বোধকৰো ইমান পাৰেও তেওঁবিলাকৰ উভটি নহাটো কেতিয়াও উচিত হোৱা নাই।

এনেতে আহি পালে বকুল আৰু চন্দন সেই পথাৰ খনৰ পৰা লৰি-ঢাপৰি কুকুৰ দুটা লৈ, ভোকত তেনেই ক্লান্ত হৈ। আনকি কৰিয়েও জুৰিব পাৰৰ পৰা উঠি আহি বহিলহি মাংসৰ কেৰাহীখনৰ ওচৰতে, বাটি এটা লৈ। লাহে লাহে দেখা গল দূৰত, মিচেচ কাকতী আৰু নমিতাকো। তেওঁ বিলাক দুয়ো নামি আহিব লাগিছে পাহাৰৰ ওপৰৰ পৰা, সেইদৰেই হিমাদ্রি আৰু অজয়ৰ সৈতে কথা পাতি পাতি। চাৰিওৰে হাতত থোপা-থোপে ৰোডোড্রেণ্ড্রন ফুল। মুখতো সেই একে ৰোডোড্রেণ্ড্রনৰ ৰঙা হাঁহি।

সকলোৱে এইদৰে ঘেৰি বহিল, আকৌ এবাৰ, পিকনিকৰ খোৱা বস্তুবোৰৰ চাৰিওকাষে। পৰিৱেশন কৰিবলৈ ধৰিলে মাংস আৰু পোলাও নমিতাই আৰু মিচেচ কাকতীয়ে, হাঁহিৰ ঝলক তুলি। খোৱা হ'ল সকলো বস্তুকেই গভীৰ তৃপ্তিৰে, বান্ধনীক বাৰে বাৰে শলাগ জনাই।

তাৰ পিছত উঠা হ'ল, আকৌ এবাৰ মটৰত গৈ, গধূলি প্ৰায় পাঁচমান বজাত।

আহিবলৈ ধৰিলে দুয়োখন মটৰ শ্বিলং অভিমুখে, সেই একেই প্ৰীতিৰ হিল্লোলত যেন মুখৰিত হৈ।

এবা এৰি হ'ল, শেষবাৰৰ কাৰণে, একেবাৰে 'অল চেইণ্টচ চাৰ্চ'ৰ ওচৰত।

জাগুৱাৰ খন গ'ল গুচি বেছ বং মনেৰেই 'পিক্' হোটেলৰ ফালে। হিন্দুস্থানখনে বাট ললে, কিছু যেন দুখেৰে লেকৰ অভিমুখে। বিদায়ৰ সময়ত কৈ গ'ল হিমাদ্ৰি আৰু অজয়ে, মটৰ ৰখাই মিচেচ কাকতী আৰু নমিতাক বাৰে বাৰে। কালিলৈ আবেলি যেন যেনে তেনে যায় তেওঁবিলাক দুয়ো পিক হোটেললৈ, সামান্য অলপ চাহৰ নিমন্ত্ৰণৰ বাবে। তাতেই লগ পাব, তেওঁবিলাকে 'অলকাৰ সপোন'ৰ কাৰণে নিৰ্বাচিত হোৱা শ্বিলঙৰ সকলো আৰ্টিষ্টকেই। আৰু লাগে তাতেই ফাইনেল হব, তেওঁবিলাকৰো এগ্ৰিমেণ্টবোৰ চূড়ান্তভাৱে।

* * *

পিছ দিনাখন!

আবেলি চাৰি বজাত আছিল, মিচেচ কাকতী আৰু নমিতাৰ চাহৰ নিমন্ত্ৰণ হোটেলত'।

কিন্তু ৰাতিপুৱাৰ পৰাই তেওঁবিলাক দুয়োৰো মন দুটা যেন অলপ চঞ্চল হৈ উঠিল। উঠাৰ কথাই কিয়নো জীৱনৰ ইমান ডাঙৰ এটি মুহূৰ্ত্তত মনলৈ অলপ উদ্বিগ্নতা অহাটোৱেই অতি স্বাভাৱিক।

সেয়ে চাৰিবজাৰ আগতেই তেওঁবিলাক ওলালগৈ মটৰেৰে 'পিক হোটেল'। ৰুম নম্বৰটো সুধি সুধি থিয় দিলেগৈ ৰুমটোৰ আগত মনত এটি অস্থিৰ আকুলতা লৈ।

কিন্তু ভিতৰলৈ বুলি চাই দেখিলে, ৰুমটো যেন তেনেই উদং। তাত আৰ্টিষ্টসকলৰ সমাৱেশ হোৱাৰ কোনো আগন্তুকেই নাই।

সেয়েহে অলপ উৎকণ্ঠাৰে ইফালে সিফালে চাই, তেওঁবিলাকে সুধিব খুজিছিল কাৰবাক। এনেতে মেনেজাৰজনে নিজে লৰি আহি সুধিলে তেওঁবিলাকক, অতি ভদ্ৰভাৱে,

আপোনালোকে কাক বিচাৰিছিল মই জানিব পাৰোনে?

উত্তৰ দিলে তেওঁবিলাক দুয়ো একেলগেই

শ্ৰীহিমাদ্ৰি বৰা আৰু শ্ৰীঅজয় চৌধুৰীক?

অলপ বৈ কলে মেনেজাৰজনে, নিতান্ত সমবেদনাৰ সুৰে,

—কিন্তু তেওঁবিলাকতো দুয়ো জনেই গুচি গ'ল আজি দুপৰীয়াই, ইয়াৰ চেকেণ্ড গেটত, কলিকতা অভিমুখে। তেওঁবিলাকৰ নতুন ছবিখনৰ আয়োজনৰ বাবে।

অলপ অবাক হৈ কলে মিচেচ কাকতীয়ে,

—কিন্তু ইমান সোনকালেতো তেওঁবিলাকৰ ইয়াৰ পৰা যোৱাৰ কোনো কথা নাছিল? আমি কালি মাত্ৰ লগ পাইছিলো তেওঁবিলাকক গধুলি, আপাৰ শ্বিলঙত।

অতি ধুনীয়াকৈ হাঁহি উত্তৰ দিলে মেনেজাৰজনে

—হয়তো নাছিল। কিন্তু দেখিলো, আৰ্টিষ্টসকলৰ 'প্ৰেচাৰতেই' বোধকৰো তেওঁবিলাকে শেষত বাধ্য হলগৈ। আজি পাঁচ দিন চলে একেবাৰে এই হোটেলতেই তেওঁবিলাকৰ আৰ্টিষ্ট নিৰ্বাচন। চাওঁতে চাওঁতে দিনক দিনে আৰ্টিষ্টৰ সংখ্যা ইমান বেছি হৈ আহিবলৈ ধৰিলে যে তেওঁবিলাকে এক প্ৰকাৰ বিবুদ্ধি হৈ কালি ৰাতিপুৱা পলাই গ'ল আপাৰ শ্বিলঙলৈ, অলপ জিৰণিৰ বাবে। আহি দেখে, হোটেল প্ৰায় আক্ৰান্ত হোৱাৰ অৱস্থা। আজি ৰাতিপুৱাও সেই একেই মানুহৰ ভিৰ। গতিকে লৰালৰিকৈ নিৰ্বাচন সিমানতে সমাপ্ত কৰি তেওঁবিলাকে পুলিচ বজাৰলৈ যাওঁ বুলি ফাঁকি দি, একেবাৰে গুচি গ'ল গুৱাহাটীলৈ, দিনৰ প্ৰায় এঘাৰ মান বজাত। তেওঁবিলাকৰ বয়বস্তুবোৰ লৈ গৈছে, পিছৰ পাৰ্টিটোৱে, এই মাত্ৰ অলপ আগতে থাৰ্ড গেটত।

অলপ ভাবি সুধিলে নমিতাই,

—তেনেহ'লে তেওঁবিলাকৰ আৰ্টিষ্ট নিৰ্বাচন ফাইনেল হ'ল নে নাই, আপুনি কিবা ক'ব পাৰে নেকি?

আগতকৈও আৰু বেছি ধুনীয়াকৈ হাঁহি উত্তৰ দিলে মেনেজাৰজনে,

—ক্ষমা কৰিব। সেই বিষয়ে আপোনাক মই কোনো নিৰ্ভৰযোগ্য খবৰ দিব নোৱাৰিম। মাথোন ইমানকে কব পাৰো যে হোটেলৰ পৰা ওলাই যাওঁতে তেওঁবিলাক দুয়োজনৰ লগত দহ গৰাকীমান আৰ্টিষ্ট ওলাই

যোৱা দেখিছো। চেকেণ্ড পাৰ্টিটোৰ লগতো দহগৰাকীমান আৰ্টিষ্ট গৈছে। কিন্তু তেওঁবিলাক আটাইবোৰে কলিকতা পায়নে নেপায় সেই কথা মই কব নোৱাৰো। তাৰোপৰি আজি দুপৰীয়া তেওঁবিলাক গুলাই যোৱাৰ পিছৰ পৰা, এতিয়ালৈকে তেওঁবিলাকক বিচাৰি জুমে জুমে নানা মানুহ আহি গৈ আছে। শুনিছো তাৰে ভিতৰত হেনো বহুতে হতাশ হৈ, এতিয়া নিজ খৰচত কলিকতালৈ যোৱাটোকে স্থিৰ কৰিছে। গতিকে কোন ফাইনেল নিৰ্বাচনত উঠিল আৰু কোন এতিয়াও প্ৰিলিমিনেৰী হৈ আছে, সেইটো কোৱা মোৰ পক্ষে সম্ভৱপৰ নহয়।

কথাটো শুনি আড়ষ্ট ভাৱে এটি অভিনন্দন জনাই হোটেলৰ পৰা গুলাই আহিল মিচেচ কাকতী আৰু নমিতা। আৰু লাহে লাহে উঠি বহিলহি তেওঁবিলাকৰ মটৰখনত।

আদেশ পাই ড্ৰাইভাৰে এৰি দিলে গাড়ীখন, লেকৰ পাৰত থকা, আকৌ তেওঁবিলাকৰ চৰকাৰী বাংলোৰ অভিমুখে।

মটৰ চলিছে অতি লাহে লাহে।

পিছৰ ছিটৰ ঠিক দুমূৰে বহি গৈছে নমিতা আৰু মিচেচ কাকতী, পিছৰ গাড়ীখনত ভালকৈ হেলান দি।

তেওঁবিলাকৰ চকুত এতিয়া আৰু কোনো ঝলক নাই। তেওঁবিলাকৰ মুখতো কোনো ভাষা নাই। তেওঁবিলাকে মনেৰে কি ভাবিছে সেইটোও স্পষ্ট বুজা নাযায়। কেৱল ইমানেই অনুমান হয়, তেওঁবিলাকে যেন এতিয়াহে নামি আহিব লাগিছে শিলং শৃঙ্গৰ ওপৰৰ পৰা, সেই অকোৱা-পকোৱা বাটটোৰে তলৰ ভৈয়ামলৈ, ক্ৰমাৎ ঘূৰি ঘূৰি।

দূৰত লাহে লাহে অস্পষ্ট হৈ যাব লাগিছে, সেই বঙা বোডোডেণ্ড্ৰণবোৰৰ বিলাস মেঘৰ লগত যেন তেনেই মিহলি হৈ।

[ৰামধেনু—১০ম বছৰ ৮ম-৯ম সংখ্যা আঘোণ-পুহ, ১৮৭৯ শক]

সোণফুলী

বহুদিন আগৰে সেই কৈশোৰৰ এটি গল্পৰ কথা মনত পৰিল।

আমাৰ ঘৰৰ পৰা আৰু চাৰিঘৰ মান উজাই গলেই আলিৰ সিপাৰলৈ এখন এবা-বাৰী।

সেই বাৰীখনৰ দাতিৰ পৰাই আৰম্ভ হৈছে মাণিক দোকানীৰ হাউলি।

হাউলিৰ কাণে, কাণে, গড়-খাৱৈৰ পাৰে পাৰে, ওখ বাঁহৰ এখন চকোৱা। সেই চকোৱাৰ সিপাৰে, তাৰ ঠিক মাজ মানতে গড়-খাৱৈৰ নিচেই কাণলৈ, বৰ ডাঙৰ, ওখ, এজোপা পৰামল'খীৰ গছ। বেছ বহ্-বহীয়া, কেঁহা-মিঠা। পুৰঠ হলে থোপাথোপে গুটি-লগা আমলখীৰ ডালবোৰ চকোৱাৰ ওপৰেদি গড়-খাৱৈৰ ওপৰলৈ বাগৰি পৰে।

সেই পৰামল'খী জোপাৰ পাৰতে হৈছে, মাণিক দোকানীহঁতৰ এটা পাট-নাদ। টাটীৰ ফাঁকেৰে তাক স্পষ্টকৈ দেখা যায়।

নাদটোৰ অলপ আঁতৰতে হৈছে, এটা গোহালিঘৰ। তাতে লগা এটা পাকঘৰ। সেই পাকঘৰটো এৰাই গলেহে তেওঁবিলাকৰ বৰ ঘৰটো পোৱা যায়। সেই বৰ ঘৰৰ আগ-চালিতে হৈছে, মাণিক দোকানীৰ দোকান খন। এটা চাৰি-আলিৰ একুকত। সিফাললৈ মুখ কৰি।

মানুহে সাধাৰণতে সেই দোকানখনক মাণিক চাপৰাচীৰ দোকান বুলি কৈছিল।

কোনদিনা কোন অফিছত মাণিক দোকানীয়ে চাপৰাচীৰ কাম কৰিছিল সেই কথাৰ আমি তেতিয়া বৰ বেছি ভু নাপাইছিলোঁ আৰু পাবলৈকো অকণো চেষ্টা নকৰিছিলোঁ। আমি ভালকৈ চিনি পাইছিলোঁ মাত্ৰ তেওঁৰ দোকানখন। কিয়নো সেই দোকানত চাউল-দাইলৰ পৰা আৰম্ভ কৰি, বহী, কিতাপ, পেঞ্চিল, ৰবৰ, ৰঙা-নীলা-কাকত, বল, লেবেনচুচ্ সকলোকে পোৱা গৈছিল। আমাৰ ঘৰত কেতিয়াবা কিবাটো নোহোৱা হলেই লৰ মাৰি আমাক সেই মাণিক দোকানীৰ দোকানলৈ পঠিয়াইছিল। সেয়ে সকতে আমাৰ এনে এটা ধাৰণা আছিল যে মাণিক দোকানীৰ দোকানত নোপোৱা বস্তু বোধকৰো এই পৃথিৱীতেই নাই।

মাণিক চাপৰাচী মানুহজন আধা-বুঢ়া। ক'লা, ভপা, অলপ ঘুটমুটীয়া ধৰণৰ, মুখ-খন হলে বৰ মৰমলগা। আমি লেবেনচুচ্ কিনিবলৈ গলে তেওঁ সদায় আমাক এটাকৈ লেবেনচুচ এনেয়ে খাওতে দিছিল। কিন্তু অইন বিষয়ত হলে মানুহজন বৰ হুচিয়াৰী আছিল। আমি কেতিয়াও ফাঁকি কৰি, আমাৰ ঘৰৰ চাকৰটোক লগা বুলি কৈয়ো তেওঁৰ হাতৰ পৰা কোনো পধ্যে বিড়ি চিগাৰেট সৰকাই নিব নোৱাৰিছিলোঁ। তেনেকুৱা বস্তু কিনিবলৈ গালেই তেওঁ আমাক ধমক দি পঠিয়াই দিছিল।

কিন্তু সি যিয়েই নহওক মাণিক চাপৰাচীৰ দোকানৰ প্ৰতি আমাৰ-প্ৰধান আকৰ্ষণটো আছিল, তেওঁৰ বাৰীৰ পাছ ফালে থকা সেই পৰামল'খীৰ গছ জোপাৰ।

আমি দোকানলৈ যাওঁতে বা তাৰ পৰা আহোঁতে, আলিৰ দাঁতিত থকা, সেই গছ-জোপাৰ ওপৰলৈ এনেয়ে যেন অভ্যাসবশতঃ এটা দলি মাৰি আহিছিলোঁ। বতৰত গছত গুটি লাগিলেতো কথাই নাই। সেই এখুদ মান কলিৰে পৰাই আমি তাক দলিয়াবলৈ, দফিয়াবলৈ নাইবা হাঁকুটীয়াবলৈ লাগি যাওঁ। গুটিবোৰ পুৰঠ হলে, ওৰে দিনটো আমি প্ৰায় সেই গছজোপাৰ তলতে থাকোঁ বুলি কব পাৰি। দুপৰীয়া খেলা-ছুটিতো কেতিয়াবা স্কুলৰ পৰা লৰ মাৰি আহি আমি তাৰে গুটি এটা চোবাই যাওঁ। গধূলি খেলাধুলা সামৰি আমি সেই গছ জোপাৰ তলতে আকৌ এবেলি লগ খাওঁ আৰু তাৰে পৰাই দিহা-দিহি ঘৰলৈ গুচি যাওঁ।

আমি ইমান উপদ্ৰৱ কৰিছিলোঁ যদিও মাণিক দোকানী বা তেওঁৰ ঘৈণীয়েকে কোনো দিনেই সমূলি আমাক একোকে নকৈছিল। বৰং আমাৰ সকলো অত্যাচাৰ, তেওঁবিলাকে যেন নিৰ্বিবাদেই সহ্য কৰি গৈছিল।

আগতেই কৈছো মাণিক দোকানী মানুহজন বৰ মৰমিয়াল আছিল। তেওঁৰ ঘৈণীয়েক বুঢ়ী-জনী তেওঁতকৈও বোধকৰোঁ আৰু বেছি সাদৰী আছিল। কেতিয়াবা আমাৰ কম্‌টি উফাৰি গৈ বুঢ়ীৰ পাকঘৰত পৰিলে, বুঢ়ী লাহেকৈ ওলাই আহে আৰু টাটীৰ ফাঁকেৰে আমালৈ চাই হাঁহি-হাঁহি কয়,

—মইনাহঁত! তোমালোকে ফর্মুটিয়াই এই বুঢ়ীৰ মূৰটো নাভাঙিবাদেই। যদি আমলখী খাবলৈ মন কৰিছা, টাটীৰ সেই ফাঁকেৰে ভিতৰলৈ সোমাই আহাঁ। মই সৌ হাঁকুটীডালেৰে তোমালোকক যত লাগে আমলখী পাৰি দিম।

অকল মুখেৰে নহয়, তেওঁ বহুদিন আমাক সেইদৰে নিজ হাতেৰে হাঁকুটীৰে পাৰি আমলখী বিলাই দিছিলো।

বোধকৰোঁ তেওঁ আমাক মৰম কৰাৰ এটি কাৰণো আছিল। আমলখী জোপাৰ ওপৰত কৰা আমাৰ এই সকলোবোৰ অত্যাচাৰৰ লগত,' আমাৰ লগত ৰতিও আছিল। ৰতি আছিল মাণিক দোকানীৰ এটি মাত্ৰ নিজৰ ল'ৰা। আমাত কৈ যৎসামান্য ডাঙৰ। কিন্তু ৰতি পঢ়িছিল আমাৰ লগতেই সেই পাঠশালা স্কুলৰ পৰাই একেলগে।

কিন্তু ক্লাচ ফাইভ আহি পাওঁতেই, গৰমৰ বন্ধত, এবেলি ৰতিৰ হঠাতে বৰ টান জ্বৰ হয়। সেই জ্বৰৰ পৰা সি আৰু বেচেৰা উঠি বহিব নোৱাৰিলে।

ৰতিৰ মৃত্যুত আমি আটায়ে ইমান বেছি বিহ্বল হৈ পৰিছিলোঁ যে আনকি কিছু দিনলৈ আমি সেই আমলখী জোপাৰ ওচৰলৈকো যোৱা নাছিলোঁ। কিন্তু তাৰ কাৰণে বুঢ়া-বুঢ়ী দুয়ো বৰ দুখ কৰিবলৈ ধৰিলে। আমাক লগ পালেই কয়—

—মইনাহঁত! ৰতি গ'ল গ'ল। তোমালোকে আমাৰ পিনে এনেকৈ পিঠি দিলা কেলৈ? আগৰ দৰেই আহি থাকিবা। তোমালোকক দেখিলে তেওঁ মনটো অলপ ভাল লাগে।

এই কাৰণেই আমি আকৌ লাহে লাহে সেই আমলখী জোপাৰ ওচৰলৈ যোৱা আৰম্ভ কৰিলোঁ। আৰু সেইদৰেই সি গৈ-থৈ সময়ৰ সোঁতত, ঠিক আগৰ লেখিয়াই হ'ল।

* * *

এইদৰে বোধকৰোঁ আৰু তিনি বছৰমান একেদৰে চলি আছিল। কিন্তু তাৰ পিছৰ বছৰতেই কিজানি গছৰ-গুটি-লগা-দিনত, হঠাতে সেই গছ জোপাৰ ওপৰত, এটা অতি কালান্তক চকিদাৰ আহি ওলাল।

চকিদাৰটো আৰু অইন কোনো নহয় এজনী ছোৱালী। প্ৰায় আমাৰ সম-বয়সীয়া বুলিয়েই কব পাৰি। মাণিক দোকানীৰ সম্বন্ধীয়া কোনোবা ভায়েকৰ ছোৱালী হেনো। পো-পোৱালী নথকা গুণে বুঢ়া-বুঢ়ীয়ে বোলে নিজৰ জী কৰি তুলি লবলৈ আনিছে।

ছোৱালীও ছোৱালী সোণফুলী বৰ ঘৰ-খেদি-ৰণ-দিয়া বিধৰ ভাল খামি-ডাঠ ছোৱালী আছিল।

মুখখন যেন কচুপাত-লাওপাত। প্ৰতি কথাতে অসহ্য গাৱঁলীয়া উভতা কথা আৰু গালি। গাত যেন বেজ্ বেজ্ কৰে ধৰিব খোজে।

কিন্তু সেয়ে হলেও সোণফুলী দেখিবলৈ বেছ স্বাস্থ্যৱতী, দেখনিয়াৰ আৰু গজগজীয়া ছোৱালী আছিল।

হাতৰ ঠাৰি আৰু কলাফুলবোৰ যেন এই নোদোকা-নোদোকা, গপচ।

গাৰ ৰং তেজ-গোঁৰা, ফুটো ফুটো।

চকু, কাণ, নাকবোৰ বৰ বেছি সাঁচে-কটা নহলেও, মুখখনত যেন উজ্জ্বল কিবা এটি লোভনীয় বস্তু লুকাই আছিল।

সোণফুলী প্ৰথমে আহোঁতে, সাজে-পোচাকে দেখিবলৈ অলপ আভঁজী গাৱঁলীয়া ছোৱালীৰ দৰেই আছিল।

শুদা ভৰি। ৰঙা আচুৰ ফুল দিয়া, গাত টানকৈ মেৰিয়াই লোৱা এখন কপাহী চাদৰ। ঠিক সেই ধৰণৰে, কম-ঘেৰৰ, কপাহী এখন মেখেলা। কাণত জিঞ্জিৰী লগোৱা সোণৰ ডুল। মূৰৰ চুলিবোৰত জেপ-জেপীয়া তেল। তাকো সেওতাটো কপালৰ সোঁ মাজেৰে ফালি খোপাটো বৰ টানকৈ যেন আটি বান্ধে।

কিন্তু দুদিনমান যোৱাৰ পিচতে নগৰলৈ আহি, সোণফুলীও মোট-সলাই দেখিবলৈ তেনেই নগৰীয়া পাটগাভৰু এজনী যেন হৈ পৰিল। ভৰিত চেণ্ডেল-খু। গাত মেৰুণ ৰঙৰ পপলিনৰ হাত-কটা ব্লাউজ। মুগাৰ মেখেলা। ৰঙীন সূতাৰে এম্ব্ৰইডাৰী কৰা, পাতল আকাশী ৰঙৰ ভয়লৰ চাদৰ। মূৰতো সেই 'পিগটেইল' সদৃশ খোপা গুচি, দুফালে দুডাল ধুনীয়া বেণী ওলোমি পৰিল।

কিন্তু বাহ্যিক মোট টো সলালে কি হব, সোণফুলীৰ সেই ভিতৰৰ ঘৰ-খেদি-ৰণ-দিয়া প্ৰবৃত্তিটোৰ হলে কোনো পৰিবৰ্ত্তন হবলৈ নাজানিলে।

সেই ঢল-পুৰাৰ পৰাই যি কামী এচটা হাতত লৈ আমলখীৰ তলত থিয় দিয়ে, ওৰে দিনটো প্ৰায় তাতেই থাকে বুলি কব পাৰি।'

আমলখী জোপাৰ ওপৰত সোণফুলীৰ এনে শেনদৃষ্টি যে আমি চুবুৰীৰ কোনো ল'ৰাই নালাগে আনকি গছৰ চৰাই এজনীও তাৰ গাত পাখীৰ বাও লগাই যাবলৈ সাহ নকৰা হ'ল।

গছৰ পাত এখিলা সামান্য খিৰিং কৰিলেই সোণফুলীয়ে একেবাৰে জপিয়াই উঠে আৰু আমাকেই উদ্দেশ্য কৰি কয়,

—হেৰৌ! কোন সেইপাল অ'? ঘৰৰ গিৰিহঁত যে ইয়াতে আছে সেই কথা মন কৰিব নালাগে হবলা?

আমি সোণফুলীৰ খং তোলাবলৈকে লিম্বটো শুধৰাই দি কওঁ,

—গিৰিহঁত নহয় ও। গিৰিহঁতনী।

সোণফুলীয়ে ৰণ-চণ্ডী হৈ তৎক্ষণাৎ হুঙ্কাৰ দি কয়,

—কি তহঁতৰ ইমান সাহ, মোৰ লগত চুপতি মাৰিবলৈ আহিছ?

আমি মোলায়েম হৈ নিতান্ত ভাল ল'ৰাৰ দৰে গল-সেঁহাই কওঁ—

—নহয় অ'। আমলখী খাবলৈ।

সোণফুলী টিকচি বিকচি উঠে আৰু মুখ ভেঙুচাই কয়।

—ইহ এওঁবিলাকক আমলখী খুৱাবলৈ আহিছে? চাওচোন কাৰ কিমান বুকুৰ-পটা? আৰু এটা গছৰ ওপৰলৈ দলি মাৰ?

সোণফুলীৰ আৰু খং তোলাবলৈকে আমি কওঁ—

—চাবা নেকি? চোৱাঁতেনে'হ'লে। এই—ওৱান-টু-থ্ৰি।

তাৰ পিচত সঁচাকৈ আলিবাটৰ পৰা আমলখী জোপাৰ ওপৰত চপৰা চপৰে ধুমাধুম দলি পৰে। সোণফুলীয়ে কোনোমতে আমাক ৰখাব নোৱাৰি 'খুৰাঔ' 'খুৰীঔ' বুলি চিঞৰে আৰু শেষত ঘৰৰ পৰা কাকো নোলোৱা যেন দেখিলে উবাই-ঘূৰাই অকথ্য গুৱাল-গালি আৰম্ভ কৰি দিয়ে।

প্ৰথম প্ৰথম যদিও এইদৰে গালি খাই আমাৰ অলপ ভাল লাগিছিল, শেষলৈ কিন্তু আমি তেনেই ভাগৰি পৰিলোঁ।

ভাবিলোঁ, এইদৰে গালি খোৱাৰ কোনো অৰ্থই হব নোৱাৰে। তাইৰ লগত সদায় সদায় আমি এইদৰে কাজিয়া কৰিম কেলেই আৰু গালিয়েই বা খাম কেলেই ?

কিয়নো গছ জোপাতো তাইৰ নহয়। মাণিক দোকানীৰ। যদি মাণিক দোকানী বা তেওঁৰ ঘৈনীয়েকে আগেয়ে আমাক একো নকৈছিল আৰু এতিয়াও একো নকয়, তাই কৰলৈ কোন ? বাধা দিবলৈ কোন ? কিয়নো, দৰাচলতে তাইতো এই ঘৰৰ কোনোয়েই নহয়। হঠাৎ ক'ৰবাৰপৰা জাজৰিত উটি অহা এটি কাল-শনি বিশেষহে ?

নাই, যি উপায়ে নহওক তাইক জব্দ কৰিবই লাগিব। মুখত সোপা দিবই লাগিব। আমাৰ ইমান দিনৰ এটা অধিকাৰ কেতিয়াও এইদৰে এৰি দিব নোৱাৰি।

এদিন গধূলি,

ফুৰি-চাকি আহি, আমি আটায়ে মাণিক দোকানীৰ আগৰ, চাৰিআলিৰ চকৰ, সেই দীঘল পুলটোতে বহি, এই বিষয়ে আলোচনা কৰিছোঁ।

তাতেই আমাৰ চুবুৰীৰ সকলো ল'ৰাৰে ডাঙৰ এখন মিটিং বহিছে। মিটিঙত সকলোৱে গৰম সকলোৱে উত্তেজিত। সকলোৱে চিঞৰি চিঞৰি হাত জোকাৰি কেৱল এই বিষয়েই বক্তৃতা দিছে। বক্তৃতাৰ কথা একেটাই। সকলোৰে মত, যি উপায়ে নহওক সোণফুলীক জব্দ কৰিবই লাগিব। আমাৰ ইমান দিনৰ এটা অধিকাৰ আমি কেতিয়াও এইদৰে এৰি দিব নোৱাৰোঁ। এৰি দিমেই বা কেলৈ ? আমি ইমানবোৰ চুবুৰীৰ ল'ৰা। তাই একেজনী মাত্ৰ ছোৱালী, তাতে সিদিনা মাথোন গাৱঁৰ পৰা অহা। তাইৰ হাতত পৰাজয় স্বীকাৰ কৰাৰ নিচিনা এনেকুৱা গ্লানিকৰ এটা কথা কেতিয়াও হবই নোৱাৰে।

মিটিঙত ঠিক এই গতিৰেই বক্তৃতা চলি আছে।

সকলোৱে বিধে-বিধে নানা উদ্ভট পন্থাৰ আগ বঢ়াইছে, নানা পৰামৰ্শ যাচিছে। কিন্তু আমি দেখিছোঁ আমাৰ দলপতি মদনে সমূলি একো মতা নাই, সি সম্পূৰ্ণ নিৰৱ। সেই প্ৰথমৰ পৰা সি যি পুলটোৰ একাষে অকলে অকলে গোমোঠা মাৰি বহি আছে, আছেই।

আমাৰ দলৰ ভিতৰত মদনেই বয়সত অলপ ডাঙৰ আৰু দেখাতো কিছু চকুত-লগা। সেয়ে দলপতিৰ আসনখন সি সদায় আগে-ভাগে পায়। তাৰ তলতে, আসনখন হ'ল মোৰ। কিন্তু সেই বুলি মদনে মোৰ তীক্ষ্ণ বুদ্ধিৰ যথেষ্ট প্ৰশংসা কৰে আৰু সদায় মোৰেই বুধি পৰামৰ্শ মতে চলে। গতিকে আমি দুয়োটাই সেই দলটোক চলাই লৈ ফুৰাও বুলি এক প্ৰকাৰে কব পাৰি।

সেই কাৰণেই মদনৰ সিদিনাৰ সেই নিৰৱতাত, আটাইতকৈ বেছি আচৰিত হ'লোঁ মই আৰু ময়েই তাক প্ৰথমে প্ৰশ্ন কৰিলোঁ,—

—মদন। দলপতি হৈ এইদৰে নিবোকা চামোন হৈ বহি থাকিলে চলিব কেনেকৈ? মুখ খোল, কথা ক। ক, আমি কি কৰা উচিত আৰু কি কৰিলে সোণফুলীৰ মুখত ভালকৈ সোপা দিব পাৰিম?

মদনে সেইদৰেই একাষৰীয়াকৈ বহি, মুখখন ঘুৰাই অতি গম্ভীৰ সুৰতে ক'লে,—তহঁতে যি নকৰ লাগিলে, তহঁতৰ এই কামত মই নাই।

—নাই? মই অতি আচৰিত হৈ চিঞঁৰি উঠিলোঁ। তাৰ মানে তই কি ক'ব খোজ যে আমি চিৰ দিনেই এইদৰে সোণফুলীৰ গালি খাই যাম?

মদনে সেই একে গম্ভীৰ সুৰত উত্তৰ দিলে,

—কোনোবাই গালি খোৱা কাম কৰিলে গালি খাবই লাগিব।

মদনৰ এই উত্তৰ শুনি মোৰ সঁচাকৈ নৰ খং উঠিল আৰু সেই খঙতেই মই কলোঁ,—

—আমি কি এনে গালি খোৱা কাম কৰিছো অ মদন? বতৰৰ দুটা গছৰ গুটি কোন দেশৰ কোন ল'ৰাই নেখায় বা কোন কালত খোৱা নাছিল?

মদনে তথাপি সৈমান নহৈ কলে—

—কিন্তু সেয়ে হলেও, দিনে দিনে এইদৰে ফেৰ পাতি কাজিয়া কৰিবলৈ গলে বাৰু কোনে সহ্য কৰিব?

বুজিলো মদনে স্পষ্টকৈ সোণফুলীৰ হৈ কবলৈ বিচাৰিছে। সেয়ে মই তাক অলপ উপলুঙাৰ সুৰেৰে ক'লো,—

—মদন! তই দেখিছো সোণফুলীৰ হৈ ওকালতি কৰিবলৈ আহিছ? মদনে অলপো অসন্তুষ্ট নহৈ উত্তৰ দিলে,—

—আলবৎ কৰিম। তইঁত ইমানগাল ল'ৰা, তাই একেজনী মাত্ৰ ছোৱালী। তইঁতৰ এইদৰে গাত-পৰি কাজিয়া কৰিবলৈ লাজ নালাগেনে বাৰু?

দেখিলোঁ কথা ক্ৰমান্বয়ে বেয়াৰ ফাললৈকে গৈছে। তথাপি মদনক ঘূৰাই অনাৰ এটা চেষ্টা কৰি কলোঁ,

—চা! মদন। তই আমাৰ দলৰ বিপক্ষে গৈছ?

মদনে অকণো অনুশোচনা নেদেখুৱাই ক'লে,—

—অন্যায় দেখিলে যাবই লাগিব। যদি সোণফুলীৰ লগত ৰণ দিয়া-টোৱে তইঁতৰ দলৰ কথা হয়, তেনেহ'লে খোলাখুলিকৈ মই এই দলত নাই। লাগে মই এতিয়াই ইয়াৰ পৰা গুলাই গ'লো।

বুজিলোঁ ইয়াৰ পিছত মদনক ৰখোৱাৰ আৰু কোনো কথাই উঠিব নোৱাৰে। তথাপি মদনৰ গাৰ অলপ ওচৰলৈ গৈ, তাৰ কান্ধত হাতখন থৈ মই কলোঁ,

—মদন! তই কথাবোৰ অলপ বুজি-বাজি কৰি দেই। ভাবি চাবি, ইয়াৰ পৰিণাম অতি ভয়াবহো হ'ব পাৰে।

মদনে তথাপি সাম্য হোৱাৰ কোনো লক্ষণ নেদেখুৱাই তাৰ কান্ধৰ পৰা মোৰ হাতখন জোৰেৰে পেলাই কৈ উঠিল,—

— যদি হয় হব, মই তাৰ কাৰণে কোনো পৰোৱাই নকৰোঁ।

কথাখিনি কৈ মদনে গোণা ম'হটোৰ দৰেই ঘাৰখন বেঁকা কৰি থপহকৈ থিয় দিলে আৰু সেইদৰেই ভোৰ-ভোৰাই কিবাকিবি কৈ লাহে লাহে তাৰপৰা আঁতৰি পৰিল। আমি হেজাৰ চেষ্টা কৰিও, চিঞৰি মাতিও তাক আৰু ফিৰাই আনিব নেৱাৰিলোঁ।

মদনৰ এই অদ্ভুত আচৰণে সিদিনা আমাক আটাইকে বৰ বেছি আচৰিত কৰি তুলিলে।

তাৰ পিছত সেই মিটিঙত কেৱল সেই বিষয়েই নানা আলোচনা, বাক-বিতণ্ডা, আৰু তৰ্কাতৰ্কি চলিল।

সকলোৰে কেৱল সেই একেটা কথাই! একেটা প্ৰশ্নই! ইয়াৰ কাৰণ কি হ'ব পাৰে? বা ৰহস্যই কি হ'ব পাৰে?

যাহওক আলোচনাত মুঠতে এইটো ঠিক হ'ল যে কথা যিয়েই নহওক, ৰহস্য যিয়েই নহওক, সোণফুলীৰ বিপক্ষে ব্যৱস্থা লোৱাৰ আগতে, সেই কথাৰ ভেদ ভাঙিবই লাগিব। সেই ৰহস্য উদ্‌ঘাটন কৰিবই লাগিব।

সেই ৰহস্য উদ্‌ঘাটন কৰাত আমাৰ বেছি দিন নালাগিল।

লাগেই বা কেনেকৈ? একালে আমি ইমানগাল অনুসন্ধিৎসু ল'ৰা। আনফালে হ'ল মদন অকলে। গতিকে সি সাৰে কেনেকৈ?

সেয়ে তাৰ দুদিনমান পিছতেই আমাৰ কেবাজনো চোৰাংচোৰাই খবৰ দিলেহি যে আমাৰ দলৰ লগত সোণফুলীৰ যিটো সম্বন্ধ, মদনৰ লগত অকলে সেই সম্বন্ধটো নহয়। ই তাৰ যেন সম্পূৰ্ণ বিপৰীত।

মদন আৰু সোণফুলীৰ ইয়াৰ ভিতৰতে যেন কিবা ধৰণৰ বেলেগ এটা বুজাবুজি হৈ গৈছে। কিবা নতুন এটা এঠা-এঠি সম্বন্ধ স্থাপিত হৈছে।

কিয়নো সি সকলে লুকাই অনুসন্ধান চলাইছিল, প্ৰত্যেকেই আহি ক'লে, যে মদনে অকলে অকলে আমলখীৰ তললৈ গ'লে, সোণফুলীয়ে তাক একো নকয় বা গালিও নাপাৰে। বৰং আলচুলীক নিজে আহি টাটীৰ সেই ভগা ঠাই ডোখৰত ওচৰতে থিয় দিয়েহি। আৰু আলেঙে আলেঙে কথা পাতে। অকল সেয়ে নহয় কেতিয়াবা নিজে ডাঁৰিকীৰে আমলখী পাৰি, টাটীৰ ফাঁকেদি মদনলৈ দলিয়াই দিয়েও আৰু তাকে লৈ দুয়োজনে বেছ হাঁহি-খিকিন্দালি আৰু ধেমালি-ধুমুলা কৰে।

কথাবোৰ শুনি আটাইতকৈ বেছি ক্ৰুদ্ধ হৈ উঠিলোময়েই।

ভাবিলোঁ, মদনৰ ই স্পষ্ট অন্যায়। সি ইমান স্বাৰ্থপৰ হব কেলেই?

সোণফুলীৰ লগত বন্ধুত্ব কৰাটোৱেই যদি তাৰ অভিপ্ৰায় আছিল সি আমাক ব্যক্ত নকৰিলে কেলেই? আনক নক'লেও সিতো অন্ততঃ মোক এদিন খুলি কব পাৰিলেহেঁতেন? তাকে নকৰি সি এইবোৰ চোৰাং লেন-দেন আৰম্ভ কৰিছে কেলেই?

আৰু সোণফুলীবো জানো এইটো উচিত হৈছে। বন্ধুত্ব কৰাটোৱেই যদি তাইবো ইচ্ছা আছিল, তাই আমাক জানিবলৈ নিদিলে কেলৈ?

আমিওতো প্ৰতিদ্বন্দ্বী হব পাৰিলোহেঁতেন? তাকে নকৰি তাই গোপনে গোপনে মদনক বাছি ল'লে কেলৈ মদনো ল'ৰা, আমিও ল'ৰা! মদনৰ কি এনে অসম্ভৱ বিশেষত্ব আছে যি আমাৰ নাই?

নাই, এই অন্যায় কেতিয়াও এইদৰে যাবলৈ দিব নোৱাৰি। ইয়াৰ প্ৰতিবাদ কৰিবই লাগিব। মদন আৰু সোণফুলী—সিহঁত দুয়োটাকে, এই স্বাৰ্থপৰতাৰ কাৰণে ভাল শিক্ষা দিবই লাগিব।

মই মোৰ প্ৰতিজ্ঞাৰ কথা অকণো গোপন কৰি নাৰাখিলোঁ। বৰং সকলোকে খুলি কলোঁ আৰু অনুৰোধ কৰিলো যে ইয়াৰ পিছত, যিয়ে য'তে যি অৱস্থাতে নহওক সোণফুলী আৰু মদনক একেলগে দেখে, তেতিয়াই লৰি আহি যেন মোক খবৰ দিয়ে। তাৰ পিছত সিহঁত দুটাৰ যি কৰিব লাগে মই কৰিম।

ইয়াৰ বোধকৰো তিনি-চাৰি দিনমান পিছত এদিন দুপৰীয়া। বাৰটো দেওবাৰ।

সকলোৱে ঘৰে ঘৰে কিজানি ভাত পানী খাই শুইছে নাইবা জিৰাইছে।

মই মোৰ কোঠালীৰ ভিতৰত সোমাই দুৱাৰখন জপাই লৈ, সম্পূৰ্ণ বেলেগ অইন কাম এটাত মন-দি লাগিছো।

কামটো আছিল এয়ে।

আমাৰ প্ৰভাত মাষ্টৰৰ ছোৱালী মণিকা অসম্ভৱ ভেম-থকা ছোৱালী। তাই ভাবে তাইৰ মান ধুনীয়া ছোৱালী আৰু পৃথিবীত কেৱে নাই। ইমান ডাঙৰ হ'ল, ক্লাচ নাইন পালেহি, তথাপি এতিয়াও ষ্টাইল কৰি, ৰঙা ফ্ৰক এটা পিন্ধি দুফালে দুডাল বেণী ওলোমাই স্কুললৈ যায়। এদিন তাকে লৈ বাটত আমি অলপ হঁহা-হাঁহি কৰিছিলো। একেবাৰে দেউতাৰ ওচৰত গৈ নালিচ। গতিকে কিছু উত্তম-মধ্যম। কিন্তু হ'লে কি হব, মোৰ মনৰ জেদ আৰু বাঢ়ি যায়। এদিন প্ৰতিজ্ঞা কৰিলোঁ কুকুৰ পোৱালী এটা পুহিমেই। নাম থম তাৰ—'মণি'। কাণ দুখন তাৰ বেছ হলা হব। এদিন সেই হলা কাণ দুখনত, দুফালে দুডাল, ৰিবণৰ বেণী ওলোমাই দি মই তাইক আলিবাটে আলিবাটে ঘুৰাবলৈ লৈ যাম। আৰু চিঞৰি মাতিম—'মণি!' 'মণি!'

কুকুৰ পোৱালী এটা অৰণ্যে যোগাৰ হৈছিল। কাণ দুখন কিন্তু সিমান হলা নহয়। তথাপি তাকেই মই কোঠালীৰ ভিতৰত সুমুৱাই লৈ সিদিনা নামটো শিকাইছিলোঁ। আৰু মাতিলে কেনেকৈ মানুহৰ পিছে পিছে যাব লাগে তাৰে ট্ৰেইনিং দিছিলো।

এনেতে শুনিলো মোৰ দুৱাৰত আহি ব্যস্ত দুখন হাতৰ টোকৰ পৰিল।

লৰালৰিকৈ দুৱাৰখন মেলি দেখিলো—প্ৰশান্ত আৰু মফিজ। দুয়ো যেন হেলাই-হেপাই ঠিক দুডাল টোপাকাঁড় অহাৰ দৰেই আহিছে।

দুৱাৰ খোলাৰ লগে লগেই দুয়োজনে একেলগে কৈ উঠিল,—

—শঙ্কৰ! ওলা, বেগতে ওলা। আমি সোণফুলী আৰু মদনক এই মাত্ৰ আমলখীৰ তলত দেখি আহিছো। সিহঁত দুটাৰ বাঃ কি হাইচ্-লাইচ্! কি ৰং-ৰহইচ্। দেখিলেই গা জ্বলি যাব খোজে।

মদন সেই ভগা টাটীৰ ডোখৰৰ ওচৰত, গড়-খাৱৈৰ ইপাৰে। সিপাৰে সোণফুলী। ডাঁৰিকী ডালৰ মূৰত এথোপা আমলখী। টাটীৰ ওপৰেদি, সিকীলৰ পৰা সোণফুলীয়ে এবেলি সেই আমলখী থোপা ডাঁৰিকী ডালেৰে লাহেকৈ তললৈ নমাই দিয়ে আৰু মদনক ধৰিবলৈ কয়। কিন্তু মদনে ধৰিবলৈ গ'লেই তাই আকৌ ডাঁৰিকীডাল ডাঙি দিয়ে। মদনে ধৰিব নোৱাৰি হাঁহে আৰু কাবৌ কৰি সোণফুলীক খোজে। সোণফুলীয়ে আগৰ দৰেই ডাঁৰিকীডাল নমাই দিয়ে আকৌ তুলি নিয়ে। আৰু এইদৰেই সিহঁতৰ ৰং-ঢং চলে।

আমি তাকেই লুকাই লুকাই বহুত পৰ চাই আছিলোঁ। ভাবিলোঁ তোকো এবেলি লৰি গৈ খবৰটো দিওঁ।

কথাটো শুনি, মই লৰালৰিকৈ 'মণি'ক মোৰ চালপীড়াৰ খুৰা এটাত বান্ধি থৈ, বেছঁচ হৈ আলিবাটলৈ ওলাই আহিলোঁ।

আৰু আমাৰ ঘৰৰ প্ৰায় সমুখত থকা, সেই 'টামা' কলটোৰ আঁৰত লুকাই লুকাই সকলো নিৰীক্ষণ কৰি চাবলৈ ধৰিলোঁ।

দেখিলোঁ প্ৰশান্ত আৰু মফিজে যি কৈছিল সি আখৰে আখৰে সঁচা। এতিয়াও সিহঁত দুটাৰ সেই ধেমালি চলিয়েই আছে।

ভৰ দুপৰীয়া। বাটত জন-প্ৰাণী কোনো নাই। সিফালে বাৰীতো

বোধকৰোঁ কেৰেঁ নাই। গতিকে ইমান মচগুল যেন পৃথিবীৰ সকলো খবৰ পাহৰি গৈছে।

সেই দৃশ্যটো চাই মই আৰু বেছি পৰ থাকিব নোৱাৰিলোঁ। মোৰ শৰীৰৰ সিৰাই সিৰাই একুৰা যেন কিবা ধৰৰ কোবাল জুই জ্বলি উঠিল। আৰু সেই জুইৰ ভমকতে যেন মোৰ মগজেৰে এটা অতি ডাঙৰ প্লেন হঠাতে বিজুলিয়াই গ'ল।

মই প্ৰশান্ত আৰু মফিজক অতি লৰালৰিকৈ মোৰ ওচৰলৈ মাতি কলোঁ, শুন, তহঁত দুয়োয়ে কাম এটা কৰ। মই ঘৰ'ল গৈ মোৰ চাইকেলখন তহঁতক উলিয়াই দিছো, তহঁতে সৌ সিফালেদি গৈ নৈৰ পাৰেদি ঘূৰি আহগৈ। আৰু আহিয়েই মাণিক দোকানীৰ দোকানখন পাৰ হৈ মদনৰ ঠিক গাৰ ওচৰতে ঘপংকৈ নামি পৰিবি। আৰু এনেকুৱা এটা ব্যস্ততা দেখুৱাবি যেন কৰবাত বৰ ডাঙৰ এটা একচিডেন্ট হৈ গৈছে। কবি,—মদন তোক আমি খবৰটো নিদিওঁ বুলিয়েই ভাবিছিলোঁ। কিন্তু শেষত গৈ নোৱাৰিলোঁ। তোৰ ভায়েৰ নোমলৰ বৰ ডাঙৰ এক্‌চিডেন্ট এটা হৈ গ'ল। দেবেনৰ কথাটো জানই, সি কি মাৰাত্মক ৰাফ্ চাইকেল চলায়। বেচেৰা নোমলে তাৰ লগৰ ল'ৰা এটাৰে সৈতে তহঁতৰ ঘৰৰ আগতে খেলি আছিল। কথা নাই বতৰা নাই, দেবেনে আহি হুকমুকৈ নোমলৰ ওপৰতে বাগৰি পৰিল। বেল্ নাই, ব্ৰেকো নাই, ব্ৰেকো নাই তৎক্ষণাৎ বৰ ডাঙৰ কাণ্ড এটা হৈ গ'ল। বেচেৰাৰ ভৰিৰ হাড় এডাল কিজানি তিন ঠাইমানত ভাঙিল। আমি কোনোমতে তাক হস্পিতালত থৈ, তোক মাও-মাও কৈ বিচাৰি ফুৰিছো। বল, ঘৰলৈ বল, মাৰাজনী তোক বিচাৰি একেবাৰে বাউলী হৈ পৰিছে।

কথাটো শুনি মদনে নিশ্চয় উধাতু খাই ঘৰলৈ যাবলৈ ওলাব। আৰু তহঁতক চাইকেলখন খুজিব। নুখুজিলেও তহঁতেই লাগে আগবঢ়াই দিবি।

চাইকেল লৈ মদন গুচি গ'লে লগতে তহঁতেও তাৰ পৰা আঁতৰি পৰিবি।

তাৰ পিছত বাকীখিনি যি কৰিব লাগে মই কৰিম।

* * * *

ঠিক এইদৰেই পৰামৰ্শ দি, প্ৰশান্ত আৰু মফিজক মই চাইকেলখন দি পঠিয়াই দিলোঁ। আৰু নিজে সেই ঢামা কলটোৰ আঁৰত লুকাই সকলো পৰ্য্যবেক্ষণ কৰি চাবলৈ ধৰিলোঁ।

মই নিৰ্দ্দেশ দিয়া মতেই যেন সকলো কাম ঠিকমতেই হৈ গ'ল।

অলপ পৰৰ পিছতে দেখিলোঁ প্ৰশান্ত আৰু মফিজে সিফালৰ পৰা বেগা-বেগিকৈ চাইকেলখন লৈ গুলাল। আৰু তেতিয়াও সোণফুলীৰ লগত ঠিক সেইদৰেই বগৰ কৰি থকা, মদনৰ ওচৰতে ঘপংকৈ নামিল। আৰু নামিয়েই বোধকৰোঁ মই শিকাই পঠিওৱা কথাখিনি তাৰ আগত ক'লে।

মদনে যথেষ্ট ব্যস্ততা দেখুৱাই মফিজৰ হাতৰ পৰা চাইকেলখন খুজি ল'লে আৰু মোৰ আগেৰেই. ঢামাকলটোৰ কাণেদি মই অনুমান কৰা মতেই ফোঁ-ফোঁৱাই চাইকেল মাৰি গুচি গ'লগৈ।

লগেলগে প্ৰশান্ত মফিজো তাৰপৰা আঁতৰি নোহোৱা হ'ল।

তাকে দেখি ময়ো ইফালে সিফালে চাই সোণফুলীৰ ওচৰলৈ আগুৱাবলৈ ধৰিলোঁ।

সেই ভৰ দুপৰীয়া! চাৰিওফালে নিজম। সোণফুলীয়ে সেই টাটীৰ ভগা ফাঁকটোৰ ওচৰতে থিয় হৈ, ক্ৰমাৎ নেদেখা হৈয়ো মদনৰ ছবিটোলৈকে বোধকৰোঁ চাই আছিল।

সোণফুলীৰ কাষ পায়ে মনৰ কিবা এটা অদ্ভুত তাড়নাত মই একে জাপে গড়-খাৱৈটো পাৰ হলোঁ। আৰু পাৰ হৈয়ে টাটীৰ ফাঁকেৰে বাৰীত সোমাই, কথা নাই, বতৰা নাই, সোণফুলীৰ হাত দুখনতে থাপ মাৰি ধৰিলোঁগৈ।

মোৰ এই অদ্ভুত আচৰণত সোণফুলীয়ে একেবাৰে ভেবাচেকা খাই গ'ল। আৰু হাত দুখন মোকোলাবলৈ ভীষণ জোঁটা-পোটা লগাই বাৰে বাৰে কবলৈ ধৰিলে,

—হেৰৌ! কি কৰ? কি কৰ? ক'ৰপৰা তই আহিছ এইদৰে মোৰ হাতত ধৰিবলৈ? এৰ্ বুলি কৈছোঁ সোনকালে—ভালে ভালে। নহ'লে মই এতিয়াই খুৰীক চিঞৰি মাতিম।

সোণফুলীৰ কোনো বাধালৈ মই কেৰেপ নকৰিলোঁ। সেইদৰে যুঁজি

যুঁজি, সোণফুলীক মোৰ সম্পূৰ্ণ কবলৰ ভিতৰত সুমুৱাই লৈ ক'লো,

—সোণফুলী! তই যাকেই চিঞৰি নেমাত লাগিলে, মই আজি তোক এৰি নিদিছোঁ। ইমানদিনে ছল চাই চাই তোক আজি মই হাতৰ মাজত পাইছোঁ। তোক আজি ভালকৈ সুধিহে যাম, তই কব লাগিব, তই আমাক গালি পাৰ কেলৈ? আমলখী খাবলৈ নিদিয় কেলৈ? আমি আহিলে তোৰ আপত্তি? কিন্তু মদন আহিলে কোনো কথা নাই? মদনক তই মাত; তাৰ লগত ধেমালি কৰ; নিজ হাতে পাৰি আমলখী খাবলৈ দিয়? কিয় মদন ল'ৰা আমি ল'ৰা নহয়?

—তেনেহ'লে তয়েই ফাঁকি কৰি তাক পঠিয়াই দিলি হবলা?

—অঁ মযেই ফাঁকি কৰি তাক পঠিয়াই দিছোঁ। তই এতিয়া ক, মদনক যে ভাল পাৱ আমাক নাপাৱ কেলৈ?

—তেনেকৈ জ্ঞানো যুঁজিলে কাৰবাক ভাল পাব পাৰি? সেইদৰে গৰা মাৰি ধৰিছ কেলৈ? এৰি দে—কোনোবাই আহি দেখা পাব।

—দেখা পালেও তোক আজি মই এৰি নিদিছোঁ। মই আজি দেখুৱাইহে যাম মদনে যে তোক ভাল পাব পাৰে, ময়ো পাৰোঁ।

আমাৰ দুয়োৰে জোঁটা-পোঁটা ঠিক সেইদৰেই চলি থাকিল।

যুঁজি-যুঁজি সোণফুলীৰ নিপোটল মুখখন বেছ ধুনীয়া ৰঙা হৈ উঠিল। মূৰৰ চুলিবোৰ সিচঁৰিত হৈ এনি-তেনি বাগৰি পৰিল।

মই এবেলি সেই চুলিৰ মাজেৰে মুখখন, জোৰ কৰি সুমুৱাই লৈ, সোণফুলীৰ ৰঙা গাল দুখন, চুমা খাই খাই, আৰু বেছি ৰঙা কৰি তুলিলোঁ।

সোণফুলীয়ে মোৰ হাতৰ বান্ধোনৰ পৰা ওলাই যাবলৈ ভীষণ চেষ্টা কৰিবলৈ ধ'ৰলে। আৰু এবেলি আমি দুয়োটাই সেইদৰে উকৰি গৈ টাটীৰ ওপৰতে বাগৰি পৰিলোঁ।

টাটীৰ ঠিক সেই ঠাই ডোখৰতে, ক'ৰবাৰ ভগা কামী এচটা ওলাই আছিল হবলা। ঠিক তাতেই সোণফুলীৰ মূৰটো লাগি, কপালৰ দাঁতিৰ, চুলিৰ মাজৰ পৰা হঠাতে হৌ-হোৱাই তেজ ওলাবলৈ ধৰিলে।

বেছ ৰঙা ডকডকীয়া কেঁচা তেজ! সিমান বেছি তেজ মই বোধকৰো আগতে কতো দেখাও নাই।

গতিকে মই অলপ বিবুদ্ধি হৈ পৰিলোঁ।

ভাবিলোঁ কি কৰোঁ, ক'লৈ যাওঁ? মোৰ প্লেনটোৰ ভিতৰততো এনে কথা এটি আগতে নাছিলে।

সি যি নহওক, মই লাহে লাহে সোণফুলীক ধৰি কুঁৱাৰ ওচৰলৈ লৈ গলোঁ। আৰু নিজে বাল্টিৰে পানী তুলি চলুৰে চলুৰে ঘা-ডোখৰ ধুৱাবলৈ ধৰিলোঁ।

কিছু পৰৰ পিছত তেজ বৈ আহিল। তেতিয়াও ভিজা, চাৰিওপিনে সিঁচৰতি হৈ পৰা মূৰৰ চুলিবোৰৰ ফাঁকেদি, সোণফুলীয়ে মোলৈ চাই এটা লাজকুৰীয়া হাঁহি মাৰিলে। তেনে মন-কাঢ়ি নিয়া হাঁহি ইয়াৰ আগেয়ে যেন মই কাতো দেখা নাই। সেই হাঁহিৰ আৱেশতে মই সোণফুলীৰ আৰু ওচৰ চাপি গলোঁ আৰু হাত এখনত ধৰি সুধিলোঁ,—

—সোণফুলী! বৰ বেয়া পালি নেকি অ?

সোণফুলীৰ মুখত কোনো কথা নাই। কেৱল সেই হাঁহি।

মই তথাপি আকৌ সুধিলো,—

—সোণফুলী এতিয়া যদি হঠাতে আহি তোৰ খুৰীয়েৰ ওলায় আৰু এই ঘা-ডোখৰ দেখে, কি বুলি কবি?

সোণফুলীয়ে সেইদৰেই হাঁহি উত্তৰ দিলে।

—কি বুলি কম আকৌ? সঁচা কথা এটা কব লাগিব। কম যে এই উৎপতীয়াটোৱে গছৰ ওপৰলৈ ফমুটি এডাল মাৰিছিল। মই খেদি আহোঁতে, মোৰ মূৰত পৰি এনেকুৱাখন হ'ল।

সোণফুলীৰ কথাবোৰ শুনি, সোণফুলীৰ মুখলৈকে মই সেইদৰেই নির্নিমেষ নয়নে চাই আছিলো। এনেতে হঠাতে এবেলি টাটীৰ ফাঁকেদি আলিবাটলৈ চাই দেখিলোঁ—মদন, সি উভতি আহি, সেই টাটীৰ ভগা ঠাই ডোখৰৰ ওচৰতে থিয় হৈ, চাইকেলখন হাতত লৈ, মোৰ ফাললৈকে একাগ্র দৃষ্টিৰে চাই আছে।

সি যেন তেতিয়াহে বুজি পাইছে তাৰ লগত মই কি খেমালিটো খেলিলোঁ। সেয়ে তাৰ মুখত এটা অতি ভয়ঙ্কৰ উগ্র কৰাল মূর্ত্তি। তাৰ চকু দুটাত যেন মোৰ সকলো ধ্বংশি নিব খোজা, একুৰা অতি তীব্র জুই।

মদনক দেখিয়েই মই লৰালৰি কৰি সোণফুলীক তাতে এৰি, আকৌ জঁাপ এটা মাৰি সেই গড়-খাৱৈটো পাৰ হলোঁ। আৰু আলিবাট পায়ে, একো নোকোৱাকৈ, মদনৰ হাতৰ পৰা চাইকেলখন টানি ললোঁ।

মদনে খণ্ডত মোক ৰখোৱাৰ এটা বৃথা চেষ্টা কৰি সুধিলে,

—শঙ্কৰ! সোণফুলীৰ কঁপালত সেয়া কি হ'ল অ?

মই বেগাবেগিকৈ চাইকেলত জঁাপ মাৰি উঠি; অতি পাতল ভাবে হাঁহি কলো,—একো নহয় মদন! সামান্য অলপ এক্‌চিডেণ্ট। কিন্তু তোৰ একো কৰাৰ দৰকাৰ নাই। তেজ এতিয়া সম্পূৰ্ণৰূপে বৈ গৈছে।

মদনক আৰু কোনো কথা কোৱাৰ সুবিধা নিদি, মই সেইদৰেই ঘৰাবত চাইকেল মাৰি গুচি আহিলোঁ।

আহোঁতে পিছলৈ এবেলি ঘূৰি চাইছিলো। দেখিলোঁ, মই অহাৰ লগে লগেই, সোণফুলীয়েও মদনলৈ চাই হাঁহি এটা মাৰি, তৎক্ষণাৎ ঘৰৰ ভিতৰত সোমাল।

মদনে যেন কিছু পৰ সেই ঠাই ডোখৰতে থিয় দি, সোণফুলী যোৱা ফাললৈকে গোমোঠা মাৰি চাই আছিল।

কিন্তু সোণফুলী আৰু ওলাই নহা দেখি, সিও লাহে লাহে তাৰ পৰা আঁতৰি গুচি আহিল।

* * *

সিদিনাৰ সম্পূৰ্ণ আকস্মিক এই জয়ৰ উন্মাদনাত মই যেন সঁচাকৈ আনন্দত অধিৰ হৈ চাৰিওপিনে নাচি ফুৰিবলৈ ধৰিলোঁ। কোনো দিনে অনুভৱ নকৰা, এই যেন নতুন পুলকৰ ছন্দই মোৰ শৰীৰৰ সিৰাই উপ-সিৰাই এটি উদাত্ত গান ৰচি ফুৰিবলৈ ধৰিলে। মোৰ আটাইতকৈ ভাল লাগিল এই কথা ভাবি যে মই সোণফুলীক ইমান সোনকালে জয় কৰিলোঁ। ইমান সোনকালে হাত কৰি পেলালোঁ।

মোৰ অনুমান হ'ল, সোণফুলীয়ে যেন সঁচাকৈ দেখা দিছিল আহি আমাৰ দুৱোৰে আগত এটি লোভনীয় পুৰস্কাৰ হিচাপে। মদনে যেন কাঢ়ি নিবলৈ বিচাৰিছিল মোৰ আগৰ পৰা সেই পুৰস্কাৰ তাৰ সম্পূৰ্ণ নিজৰ কৰি। কিন্তু মদনে নোৱাৰিলে। বৰং মইহে কাঢ়ি আনিলোঁ মদনৰ

হাতৰপৰা সোণফুলীক মোৰ একেবাৰে নিজৰ কৰি। কাৰণ সোণফুলী এতিয়া আৰু মদনৰ নহয়, সম্পূৰ্ণ মোৰ।

আজিকালি মদনে সেই আগৰ দৰে সোণফুলীহঁতৰ বাৰীৰ আমলখী জোপাৰ তললৈ যায় নে নেযায় মই কব নোৱাৰোঁ। মই কিন্তু যাওঁ। সময় পালেই সেই ঠাইডোখৰ পাওঁগে আৰু সিদিনাৰ সেই ঘটনাটোকে কেন্দ্ৰ কৰি সোণফুলীৰ লগত মই নানা কথা পাতোঁ।

আমাৰ কথাবোৰ এতিয়া সদায় ঠিক এনে ধৰণে আৰম্ভ হয়,—

—সোণফুলী! ছুটামান আমলখী দিবি নেকি অ'?

—আমলখী খোৱাৰ যদি ইমানেই খঁক পাৰি নাখায় কেলৈ?

—ইহ্‌, তই থাকোঁতে আকৌ পাৰি খাম কেলৈ? দেচোন ছুটামান পাৰি এইফালে দলিয়াই দে?

—নোৱাৰোঁ।

—সেই দিনাখন চোন দিছিলি?

—দিলোঁ বুলি সদায় সদায় দিব পাৰি জানো?

—পাৰিতো আজিও চোন ওচৰত কোনো নাই? গড়খাৱৈটো পাৰ হৈ যাওঁ দেই?

—খবৰদাৰ নাহিবি। সৌ সেইখিনিতে শাকনিত খুৰীদেউ আছে। ক'তা মই চোন দেখা নাই?

—দেখা নাই বুলি গাত ধৰিছহি কেলৈ? মোৰ গাত জানো আমলখী থাকে?

—থাকে কাৰণেহে খাবলৈ বিচাৰিছোঁ?

—ভাল নহব দেই, মই কিন্তু খুৰীক তোৰ কথা কৈ দিম।

কিন্তু সোণফুলীয়ে কোনো দিনেই খুৰীয়েকক একো নকয়। আৰু মই সেইদৰেই লুকাই লুকাই মনে মনে আমলখী খাই আকৌ পলাই গুচি আহোঁ।

* * *

ঠিক সেইদৰেই আৰু এদিন গধূলি! বেলিৰ পোহৰ লাহে লাহে

ক্ষীণ হৈ আহিছে! দূৰৰ মানুহ-তুনুহ, গছ-গছনিবোৰ ক্ৰমে যেন চিনিব নোৱাৰা হৈ পৰিছে।

মই সেইদৰেই লুকাই লুকাই সোণফুলীহঁতৰ বাৰীৰ ভিতৰত সোমাইছোঁ। আৰু সেই ভঁৰাল ঘৰটোৰ আঁৰত, সোণফুলীৰ লগত কথা পাতি আছোঁ।

ভঁৰালঘৰটোৰ ওচৰতে থিয় হৈ থকা বৰ ডাঙৰ এটা ধান-খেৰৰ পুঁজি। সোণফুলীয়ে সেই পুঁজিটোত বৰ ধুনীয়াকৈ আউজি আছে আৰু মই সোণফুলীৰ হাত দুখনত ধৰি আছোঁ।

মই কৈছোঁ,—

— সোণফুলী! আহ তেনেহ'লে। ভালকৈ দুটামান আমলখী খাই লওঁ।

—উহুঁ ইমান পোহৰতে আমলখী দিব নোৱাৰি।

—কেতিয়া দিবি তেনেহ'লে ?

—আৰু অলপ আন্ধাৰ হ'লে।

— আৰু অলপ আন্ধাৰ হ'লে চোন ৰাতিয়ে হব ?

—ৰাতি হ'লেতো বেচি ভাল।

—কিন্তু ৰাতিকৈ জানো তই ওলাব পাৰিবি ?

—পাৰিমতো।

—কেইমান বজাত চাগে ?

—খুৰীয়ে সদায় সাঁজতে ভাত-পানী খাই শুই থাকে।

খুৰাৰ একা ?

—খুৰায়ো আঠমান বজাত দোকান বন্ধ কৰি, ভাত-পানী খায় পাটিত পৰে।

—তেনেহ'লে মই নমান বজাত আহিম দেই ?

—আহিবি।

— কিন্তু মই অহাটো তই গম পাবি কেনেকৈ ?

—মই আলিবাটৰ কাণৰ, বৰ-ঘৰৰ সেই কোঠালীটোতে শুওঁ। তই এবেলি আলিবাটেৰে পথমে সুহুঁৰিয়াই যাবি। মই সুহুঁৰি শুনিলেই—পিছ ফালৰ দুৱাৰখনেৰে লাহেকৈ বাৰীৰ ফাললৈ ওলাই আহিম।

—ভাল তেনেহ'লে এতিয়া যাওঁ দেই। ৰাতি ঠিক ন বজাত আহিম।

—আহিবি।

কথাখিনি কৈ, মই সেই আগৰ দৰেই, একেজাপে গড়-খাৱৈটো পাৰ হৈ আলিবাট পালোঁহি।

সেইদৰে জপিয়াই আহোঁতে, গড়-খাৱৈৰ ইপাৰে, মোৰ যেন অনুমান হ'ল, মই আন্ধাৰত মানুহ এটা খুন্দিয়াই বগৰাই থৈ আহিলোঁ। সেই মানুহটো যেন আমলখী জোপাৰ তলতে আন্ধাৰত জোপ লৈ আছিল।

মানুহটোৱে মই আলিবাটত উঠাৰ লগে লগেই, মাটিৰ পৰা উঠি থিয় দিলে আৰু বৰ জোৰেৰে মোৰ হাত এখনত টানকৈ খামুচি ধৰিলে।

আন্ধাৰত ভালকৈ নিৰীক্ষণ কৰি চাই দেখিলোঁ, মানুহজন মদন। তাৰ চকু দুটা যেন সেই প্ৰবল ঈৰ্ষাৰ জুইত, ঠিক দুৰ্বাশাৰ চকু দুটাৰ দৰেই জ্বলিব লাগিছে।

মদনে খণ্ডত মোৰ হাতখনত টানকৈ চেপি ধৰি ক'লে,—

—শঙ্কৰ। তোৰ মই কাৰচাজি সকলো ধৰা পেলাইছোঁ। মই সোণফুলীৰ লগত কথা পাতিলে তইঁতৰ বিচাৰত অপৰাধ লাগে কিন্তু তই পাতিলে কোনো কথা নাই নহয়নে? অকল কথাই নহয়, তই সদায় সদায় এইবোৰ কি আৰম্ভ কৰিছ? ভাবিছ নেকি মই একো গম পোৱা নাই? মই একো দেখা নাই? সেইটো নহয়। তোৰ মই সকলো কথা দেখিছোঁ, সকলো কথা ধৰা পেলাইছোঁ। এই মাত্ৰ অলপ আগতে তই সেই পুঁজিটোৰ আঁৰত লুকাই লুকাই কি কথা পাতিছিলি কচোন?

কথাটো হাঁহি পাতল কৰি দিয়াৰ উদ্দেশ্যেই মই সুধিলোঁ,—

—কি কথা পাতিছিলোঁ চাগে?

—যি কথাই নাপাত মই তইঁতৰ মতলব গোটেইখিনি বুজিব পাৰিছোঁ। আজি ৰাতি ন বজাত তই আকৌ ইয়ালৈ আহিবি।

মই সেইদৰেই পাতল ভাবে হাঁহি কলোঁ,—

—যদি শুনিছ হয়তো আহিবও পাৰোঁ।

—কিন্তু কিয় আহিবি সুধিব পাৰোঁনে?

মই হাঁহি কলোঁ,—

—কথাটো অতি স্পষ্ট। মই আহিম আমলখী খাবলৈ।

মদনে খঙত ভেঙুচিয়াই মোৰ মুখলৈ চাই ক'লে,—

—বাঃ ! অমলখী খাবলৈ আহিব ? ৰাতি ন বজাত মানুহে আমলখী খায় ? সি মোক সেই কথা কৈ শুনাবলৈ আহিছে ?

খঙত মদনৰ হাতৰ মুঠিটো অতি অসম্ভৱ টান হ'ল। মই তাকে দেখি বহু চেষ্টা কৰি হাতখন এৰুৱাই, তাৰ পৰা লৰালৰিকৈ পলাই অহাৰ কাৰবাৰ কৰিলোঁ। আৰু অহাৰ সময়ত হাঁহি হাঁহি কৈ আহিলোঁ,—

—মদন ! মই সঁচাকৈ আজি ৰাতি আমলখী খাবলৈকে আহিম। তই বোধকৰোঁ নাজান যে ৰাতি যিমানেই হুয়, আমলখীবোৰ সিমানেই মিঠা হৈ আহে। যদি চাকি চাব খুজিছ, তয়ো আহিবি। লাগে যদি সোণফুলীৰ হতুৱাই তোকো কেইটিমান পৰাই দিয়াম।

মই গুচি অহাৰ পিছত মদনে কি ক'লে কথাবোৰ মোৰ ভালকৈ কাণত নপৰিল। তথাপি মই যেন বুজিব পাৰিলোঁ, মদনে মোকে শুনাই শুনাই ক'লে,—

—শঙ্কৰ ! তই ভাবিব পাৰ সোণফুলীক তই মোৰ হাতৰ পৰা কাঢ়ি নিছ। কিন্তু মই অইন ল'ৰা নহয়, অভয় মুক্তিয়াৰৰ পুতেক মদন। মই এতিয়াও সোণফুলীৰ পাছ এৰি দিয়া নাই। আৰু নিদিওঁ। শেষ কিবা এটা নিষ্পত্তি নহয় মানে তোৰ লগত মই যুঁজিয়ে থাকিম আৰু তোক মই এশিকনি দিহে এৰিম।

* * *

সিদিনা ৰাতি ন বজা। বাহিৰত যৎসামান্য জোনাক।

মোৰ গাত সমূলি অকণো তত্ নাই।

মই কেৱল সেই সময়টোলৈকে বাট চাই আছো আৰু বাৰে বাৰে ঘড়ীলৈ চাইছো।

মই অইন কোনো কথা ভবাই নাই। নাইবা অইন কোনো ফালে লক্ষ্যও কৰা নাই।

ঠিক ন বজাৰ লগেলগে, মই ঘড়ী চাই ঘৰৰ পৰা ওলাই পৰিলোঁ। আৰু সোণফুলীয়ে কোৱা মতে সিহঁতৰ ঘৰৰ আগেদি সেইদৰে এৰেলি

সুহুঁৰিয়াই গলোঁ। মোৰ যেন অনুমান হ'ল, বাৰীৰ পিনে থকা, পাছ ফালৰ দুৱাৰখন, লাহেকৈ অলপ মেল খালেই।

পৰিচিত সেই বাটেৰে মই আন্ধাৰত লাহে লাহে খেপিয়াই গড়-খাৱৈটো পাৰ হলোঁ আৰু বাৰীৰ ভিতৰলৈ সোমাই পৰিলোঁ।

দেখিলো সোণফুলীও লগেলগে আহি, গোহালি ঘৰটোৰ মূৰতে থিয় দিলেহি।

আমি দুয়ো আকৌ সেই ধান-খেৰৰ পুঁজিটোৰ ওচৰ পালোগৈ আৰু খেৰ অলপমান টুঁহি লৈ ভালকৈ বহি পৰিলোঁ।

মোৰ সোঁ হাতখন সোণফুলীৰ ঘাবৰ ওপৰত। মই সেইদৰেই সোণফুলীক সুধি গৈছো,—

—সোণফুলী! খুৰীয়েৰা শুলে জানো?

—কেতিয়াবাই শুলে।

—ক'ত?

—আনকাল য'ত শোৱে, মই শোৱা সেই কোঠালীটোৰ ওচৰতেই।

-- খুৰাৰ একা?

—খুৰাও শুলে।

—ক'ত?

—দোকানত।

- তই কেনেকৈ ওলাই আহিলি?

মোৰ কোঠালীৰ পাছ ফালৰ দুৱাৰখন লাহেকৈ খুলি লৈ।

—খুৰীয়েৰাই জানো গম পোৱা নাই?

—নাই। খুৰী শুলে মৰা মানুহৰ দৰে সঠং দি পৰি থাকে।

—তথাপি যদি এতিয়া আমাক কোনোবাই দেখে কি কৰিবি?

—মই লব মাৰি ঘৰত সোমাম। যদি সোধে কম, বাহিৰলৈ গৈছিলোঁ।

—আৰু মই?

ইহ্ তোক যদি মই বুধি শিকাই দিব লাগে, তেনেহ'লে এই ৰাতিখন আহিছিলি কেলৈ?

আমি দুয়ো কথাৰ আৱেশতে যেন, আকাশৰ জোনাবোৰলৈ চাই চাই সেই সেই ধান-খেৰৰ ওপৰতেই লাহে লাহে শুই পৰিলোঁ।

সোণফুলীৰ মূৰটো মোৰ হাতৰ বাউসিৰ ওপৰত।

মই অতি লাহে লাহে সোণফুলীক কলোঁ,—

—সোণফুলী তেনেহ'লে এতিয়া হেঁপাহ পলুৱাই কেইটিমান আমলখী খাই লওঁ দেই?

—ইহ্। ইয়াৰ আৰু অইন একো কথাই নাই।

সঁচাকৈ আৰু কোনো কথা নাই।

সকলো সম্পূৰ্ণ নীৰৱ। কেৱল মাজে মাজে ধান-খেৰৰ সৰু সৰু সেই সৰ্‌সৰণি শব্দবোৰ শুনা গৈছে।

আমাৰ দুয়োৰে চকুৱে, মুখে, নাকে, কাণে কেৱল ধান-খেৰৰ গোন্ধ আৰু ধূলি। আমাৰ হাত, ভৰি আৰু গাৰ সকলোতে যেন ধান-খেৰৰ চোকা দাঁৰবোৰে কাটিছে। কিন্তু আমাৰ তালৈ অকণিকে যেন কাৰো মন-কাণ নাই।

*　　　*　　　*

আছো, আছো, আছো, এনেতে হঠাতে শুনিলো, আমলখী জোপাৰ ওপৰত, পাতৰ মাজত হঠাতে কিবা এটা মৰক্ কৈ ভগাৰ ডালৰ শব্দ উঠিল।

মই সন্ত্ৰস্ত হৈ মূৰ তুলি ওপৰলৈ চালোঁ। দেখিলো গছৰ ডাল আৰু পাতবোৰ জোনাকত যেন বৰ বেছিকৈ লৰিবলৈ ধৰিছে। অকল সেয়ে নহয়, কিবা যেন কলা বস্তু এটাও গছৰ ওপৰৰ পৰা লাহে লাহে তললৈ নামি আহিব লাগিছে।

মই আচৰিত হৈ ভাবিলোঁ, কি সেইটো বাৰু? মানুহ নহয় জানো? মোৰ যেন নিশ্চিত সন্দেহ হ'ল। সেইটো মদন। সি বোধকৰো মোক ধৰা পেলাবলৈ সেইদৰে গছৰ ওপৰত উঠি চোপা দি বৈ আছিল। এতিয়া হাতে-লুটে ধৰা পেলাই, মোৰে সৈতে এখন যুদ্ধ দিয়া উদ্দেশ্যে সেইদৰে গছৰ ডালটো ভাঙি লৈ, চোঁচা লৈ আহিব লাগিছে।

কি কৰোঁ এতিয়া? কি কৰাটো বাৰু উচিত হব? তাৰতো মগজৰ একো বুজিব নোৱাৰি?

মোক সেইদৰেই সন্ত্ৰস্ত হৈ একেথৰে গছৰ ওপৰলৈ চাই থকা দেখি, সোণফুলীয়েও মুৰটো ডাঙি ওপৰলৈ চালে আৰু, তৎক্ষণাৎ সুধিলে,—

—কি সেইটো বাৰু গছৰ ওপৰত? সেইদৰে যে চোঁচা লৈ তললৈ নামি আহিব লাগিছে?

বুজিলোঁ আৰু উপায় নাই। গতিকে হঠাতে এবেলি কৈ পেলালো,—

—চোৰ।

—চোৰ? তেনেহ'লে আমাক দেখিলে হবলা?

—দেখাত সিমান আপত্তি নাছিল। কিন্তু দেখিছো চোৰে আমাৰ কাললৈকে আহিব লাগিছে। চোৰৰ লগত এইদৰে যুদ্ধ এখন লাগিব লাগিলেহে কথাটো অলপ বেয়া হব।

—তেনেহ'লে কি কৰোঁ আমি?

কিয় জানো কৈ পেলালো,—

শুন, তই এটা কাম কৰ। লৰ মাৰি ঘৰৰ ভিতৰ সোমা আৰু চিঞঁৰি দেগৈ—চোৰ—চোৰ। কৰি, তই বাহিৰলৈ ওলাই গৈছিলি। দেখিলি—চোৰ এটা লৰ মাৰি গৈ আমলখী গছ জোপাত উঠিল।

—আৰু তই?

—মোৰ কথা তই ভাবিব নালাগে। মই থিতাতে এতিয়াই ফট্ কৰি নোহোৱা হ'ম।

* * *

কথাবোৰ চকুৰ পচাৰতে যেন বৰ বেগাবেগিকৈ হৈ গ'ল।

শুনিলোঁ ঘৰৰ ভিতৰত সোমায়ে চোৰ—চোৰ বুলি বৰ বিকট ভাবে চিঞঁৰি দিলে। লগে লগে গোটেই ঘৰখনত আৰু সেই চুবুৰীতেই যেন বৰ ডাঙৰ এখন উখল-মাখল লাগি পৰিল।

মই কোনোমতে তাৰ আগতে গা-মাৰি পলাই, গড়খাৰৈয়ে গড়খাৰৈয়ে চুচৰি ঘৰ পালোঁহি।

সিফালে শুনিলোঁ, মাণিক দোকানীয়ে মস্তৰাম টোকোন এডাল লৈ বাৰীৰ মাজ পালে আৰু সোণফুলীয়ে দেখুৱাই দিয়া মতে, সেই আমলখী জোপাৰ গাতেই পাৰে মানে কোবাবলৈ ধৰিলে।

চোৰ বোধকৰো তেতিয়াও গছৰ ওপৰতেই। দেখিছিলোঁ সি বেছ কিছু দূৰ তললৈ নামি আহিছিল। কিন্তু অৱস্থাটো হঠাতে বৰ বিপদজনক হৈ পৰা দেখি বোধকৰোঁ আকৌ ওপৰলৈ উঠি গ'ল।

ঘৰত সোমায়ে, কিয় জানো গোটেই কথাটো ভাবি মোৰ বিৰাট এটা হাঁহি উঠিল।

লাহে লাহে অলপ পুতৌও হবলৈ ধৰিলে বেচেৰা মদনৰ সেই অৱস্থাটোৰ কথা ভাবি।

গতিকে ঘটনাটোৱে নো কেনি ঢাল লয় তাকে চাবলৈ মই আকৌ এবাৰ ঘৰৰ পৰা ওলাই আহিলোঁ। আৰু তেতিয়াও চোৰ ধৰিবলৈ আহি থকা, সেই অগণন মানুহৰ সোঁতৰ লগতে উজাই, আকৌ সেই মাণিক দোকানীৰ বাৰীৰ ওচৰ পালোগৈ।

দেখিলোঁ আমলখীৰ তলখন মানুহে গিজ খাই ভৰি পৰিছে। সকলোৰে হাতে হাতে কেৱল বৰ ডাঙৰ একোডাল টাঙোন, টোকোন, লাঠী। নহ'লে লেম নাইবা টৰ্চ।

সকলোৱে আক্ৰমণ চলাইছে কেৱল সেই গছ জোপাৰ ওপৰলৈকে টোৱাঁই। সকলোৱেই তাতে কেৱল বাৰে বাৰে টৰ্চ পেলাইছে আৰু হাতত যিহকে পায়, শিলগুটি, চপৰা, ফলা খৰি, ভগা টিন, তাৰেই তালৈকে ফৰ্মুটি, মাৰিছে।

চোৰে ইমান পৰে, কুঁচি-মুচি, পাতৰ আঁৰতেই চোপ মাৰি বহি আছিল। কিন্তু অৱস্থাটো ক্ৰমে অতি অসহ্য হৈ অহা দেখি, এতিয়া লাহে লাহে নামি আহিছে আৰু গছৰ তলত থিয় দিছে।

তাৰ মুখখন চিনি নোপোৱাকৈ, কলা কাপোৰ এখনেৰে ভালকৈ ঢাকি লোৱা। হাতত ভাঙি লোৱা গছৰ ডালটো তাৰ বহু আগেয়ে মাটিত পেলাই দিছে।

চোৰ নামি অহাৰ লগে লগে সকলো বাইজে কোৰ্হাল কৰি চাৰিওপিনৰ-পৰা তাক ঘেৰি ধৰিলে আৰু তাৰ মুখৰ কলা কাপোৰখন টান মা'ৰ একুৰাই আনিলে। সকলোৱে অবাক হৈ চাই দেখিলে,

—ইকি ? চোৰ দেখোন অইন কোনো নহয়। আমাৰ এই চুবুৰীৰে অভয় মুক্তিয়াৰৰ ডাঙৰ ল'ৰা মদন!

হায়ৰাম! কথা কি? কাণ্ড কি?

তেনেহ'লে কাৰবাৰটো কিবা আন ধৰণৰে নেকি?

দেখিছিলোঁ হেনো প্ৰথমে সেই ঘৰৰ ছোৱালী জনীয়েহে। কি মস্কিল! দিন কাল সকলো গুচিল।

এই অকণমান পেণ্ডুকণা ল'ৰা এটি। ওঁঠ চেপিলে পিয়াহ ওলায়। তাৰো বোধকৰো ডেকা-ধনি লগাবৰ সময় হ'লেই।

হ'ল যদি হ'ল। বাপু, অলপ সাৱধানে আছিব লাগে। তাকে নকৰি ম্ৰিছাকৈ পাবাৰ সকলোকে জগায়, এইদৰে লাঠীৰ কোব খোৱাৰ জানো কিবা অৰ্থ থাকিব পাৰে?

জনতাৰ মাজত বেছ হাঁহা-হাঁহি, বু-বু বা-বা এখন আৰম্ভ হ'ল। ইজনে সিজনৰ মুখলৈ চাই, চকু টিপিয়াই বেছ ৰসাল মন্তব্য কৰিবলৈ ধৰিলে। ছুই এজন মদনৰ ওচৰলৈ গৈ ছুই এটা বেছ অৰ্থপূৰ্ণ প্ৰশ্নও সুধিলে।

ঘটনাটোত বৰ বেছি যেন আমোদ পালে তাৰে এজন উপস্থিত বৃদ্ধই।

তেওঁ মদনৰ ওচৰলৈ গৈ বেছ মৰম কৰি তাৰ মূৰৰ চুলিবোৰ পিছি দি গালে-মুখে ভালকৈ হাতখন বুলাই, ওঁঠ টিপি টিপি সুধিলে,

—বাপা! সোণামুৱা! তুমি নো এই ৰাতিখন বিছনাৰ সোৱাদ এৰি কেলেই এইদৰে গছত উঠিবলৈ আহিছিলা?

সমূহ ৰাইজেই চাৰিওপিনৰ পৰা চিঞৰি, বুঢ়াৰ এই প্ৰশ্নটোৰ উত্তৰ দিলে।

আতা! আমলখী খাবলৈ! আমলখী খাবলৈ!

বুঢ়াই বৰ ৰস পাই ঢেক্‌ঢেক্‌কৈ হাঁহিলে আৰু সেই দৰেই হাঁহি হাঁহি আকৌ প্ৰশ্ন কৰিলে।

—বোপাইত! বুজিছো যে আমলখী খাবলৈ। কিন্তু দিনত জানো আমলখী খালে এওঁৰ নহ'লহেঁতেন? এই মাজ ৰাতি আমলখী খোৱাৰ এনে ডাঙৰ চখ্‌টো হ'ল কেলেই?

দেখিলোঁ কথাটো বেছ এটা বসাল স্তৰলৈ নামি আহিছে। সেয়ে তাক আৰু অলপ বসাল কৰি মদনক কিছু সকাহ দিয়াৰ উদ্দেশ্যেই মই লাহে লাহে ভিৰ ঠেলি আগবাঢ়িবলৈ ধৰিলোঁ আৰু কিছু দূৰৰ পৰাই সেই বুঢ়ালৈকেই লক্ষ্য কৰি চিঞৰি উত্তৰ দিলোঁ।

—আতা! আপুনি বোধকৰো নাজানে হবলা বাতি হ'লেহে আমলখী-বোৰ বেছি মিঠা হয়। আমাৰ মদনে সদায় আমাক এই কথা কৈ থাকে। আজি বোধকৰোঁ নিজে গছত উঠি সি তাকেই অলপ চাকি চাব খুজিছিল।

জনতাৰ মাজত, বেছ ফুৰ্তিৰ এটি হাঁহিৰ কোৰ্হাল উঠিল।

মদনে ইমান পৰে অলপ যেন সকাহ পোৱাৰ দৰে পাই, চাৰিওপিনে চকু তুলি চাবলৈ ধৰিলে।

কিন্তু দেখিলো, এই চৰম পৰাজয়ৰ পিছতো, মোৰ প্ৰতি বৈৰী ভাবটো তাৰ চকুৰ পৰা অকণো আঁতৰি যোৱা নাই, বা অকণো আপোচৰ মনোভাব হোৱা নাই।

সেয়ে ভিৰৰ মাজত, অকস্মাতে সেইদৰে আকৌ মোৰ মাতটো শুনি সি সষ্টম হৈ উঠিল। আৰু যিপিনৰ পৰা মোৰ মাতটো আহিছিল ঠিক সেইপিনলৈকে অতি ঘোপাকৈ চাই চাই সি যেন লাহে লাহে ভিৰৰ মাজৰ পৰা ওলাই আহিবলৈ ধৰিলে।

[প্ৰান্তিক—১ম বছৰ ২য় সংখ্যা ১১৮৪ শক]

অবুজ পৃথিৱী

মই মানুহজন, সঁচাকৈ কিছু বেলেগ ধৰণৰ!

মোৰ কথা-বতৰা, ভাব-চিন্তা আনৰ লগত তেনেকৈ নিমিলে।

আমি মানুহ মাত্ৰেই সকলোৱে যেন আত্ম-প্ৰেমী। নিজৰ বাহিৰে আনৰ কথা ভাবিবলৈ টান পাওঁ। আনক চাব খুজিলেও, নিজৰ মনৰ ৰঙীন আয়নাখনৰেহে চাবলৈ বিচাৰোঁ।

মোৰ কিন্তু দৃষ্টি, অনুভূতি—আটাইবোৰ পৰ-মুখী।

মই নিজতকৈ আনৰ কথাহে ভাবি বেছি ভাল পাওঁ। মই আনৰ মনৰ কথা, ভাব, অনুভূতি, আনৰ দৃষ্টিভঙ্গীৰেই সদায় বুজিবলৈ যত্ন কৰোঁ।

মই উপজিছিলোঁ আৰু পঢ়া-শুনা কৰিছিলোঁ, চিলঙতেই। আমি ইয়াৰ মানুহ নহ'লেও এতিয়া ইয়াৰেই নিগাজী বাসিন্দা হৈ পৰিছোঁ। ককা-দেউতাৰ আমোলতে প্ৰতিষ্ঠা কৰা, বৰবজাৰত আমাৰ এখন বেছ ডাঙৰ দোকান আছে।

কলেজত শিক্ষা সাং কৰাৰ পাচত, মই মোৰ নিজৰ বিদ্যাৰে অইন কোনো জীৱিকাৰ পথ নিশ্চয় বাছি ল'ব পাৰিলোঁহেঁতেন। কিন্তু মোৰ তেনে কৰিবলৈ মন নগ'ল। সেয়ে দেউতাৰ মৃত্যুৰ পাচত মোৰ নিজৰ অভিৰুচিৰ লগত খাপ খোৱা, দোকানখনৰ কামতেই ভালকৈ লাগি গলোঁ।

আনে ভাল নাপালেও, মই কিন্তু দোকান-পোহাৰ, হাট-বজাৰৰ হাই-উৰুমিবোৰ বেছি ভাল পাওঁ। মানুহৰ চিঞৰ-বাখৰ, কাজিয়া-পেচাল, হেতা-ওপৰাবোৰ চাই, এটি যেন তৃপ্তি অনুভৱ কৰোঁ। মনতেই ভাবোঁ, ইয়াতেই যেন মানুহক সদায় মানুহৰ প্ৰকৃত ৰূপত লগ পোৱা যায়। ড্ৰয়িংৰুমত, অফিচ-কাছাৰীত, মিটিঙে-সবাহে আমি মানুহৰ সজ্জিত ৰূপটোহে দেখিবলৈ পাওঁ। লাভ-লোকচানৰ য'ত পইচা-আধাপইচাৰ হিচাপ, অভাৱ-আক্ৰোশৰ য'ত কুৎসিত টনা-টনি, তাতেহে যেন মানুহৰ আচল নগ্ন ৰূপটো ধুনীয়াকৈ ওলাই পৰে।

দিনটো দোকানৰ কামত ব্যস্ত হৈ থাকিবলগীয়া হোৱা কাৰণে, মই কিন্তু এই কথাবোৰ ভাবিবলৈ সময় নাপাওঁ। সেয়ে আঁতৰৰপৰা দেখা মানুহৰ ছবিবোৰ, দূৰৰপৰা শুনা, খণ্ড-খণ্ড কথাবোৰ, মই মোৰ মনৰ টেপ ৰেকৰ্ডাৰৰ ভিতৰত তেতিয়া ধৰি থওঁ। আৰু ৰাতি আহৰি পালেই, জিৰণি পালেই, সেই কথাবোৰ দোহাৰি ভাবি চাওঁ, এটি যেন আনন্দ উপভোগ কৰোঁ।

এইবোৰ কাৰণেই ৰাতিটো সদায় মোক অকলশৰে পাবলৈ লাগে। মাৰ নানা আপত্তি সত্বেও, মই ৰাতি দোকান বন্ধ কৰি, লাবানত থকা আমাৰ নিজা ঘৰলৈ খাবলৈ বা শুবলৈ নাযাওঁ। মোৰ নিজৰ খোৱা আৰু শোৱাৰ কাৰণে, মই আমাৰ দোকানৰ দোতলাৰ ওপৰতে, আচুতীয়াকৈ ঠাই অকণ উলিয়াই লৈছোঁ।

মোৰ জীৱনৰ একমাত্ৰ বিলাস হ'ল,—দিনটোৰ গধুৰ পৰিশ্ৰমৰ পাচত, ৰাতি ভালকৈ গোজ খাই লৈ, সেই ঠাইকণতে এখন্তেক অকলশৰে বহা। আৰু দিনৰ ঘটনাবোৰ দোহাৰি দোহাৰি, চিন্তাৰ সোঁতত মনটো এৰি দিয়া। কেতিয়াবা এই চিন্তাৰ বিলাসত, মই ইমানেই বেছি বিহ্বল হৈ পৰোঁ যে ক'ব নোৱাৰাকৈয়ে আকৌ বজাৰৰ মাজলৈ ওলাই আহোঁ; আৰু কেতিয়াবা সেইদৰে আলিবাট পাওঁহি; আৰু বহু ৰাতিলৈকে তাতেই টহলি থাকোঁ।

এইকথা মই ভালকৈ জানো যে ৰাতি সেইদৰে ফুৰাৰ কাৰণে, বজাৰৰ সেই অঞ্চলটো কেতিয়াও নিৰাপদ নহয়। তথাপি ৰাতি তেনেবোৰ চিন্তাই মোক অকণো বিচলিত কৰিব নোৱাৰে। কিয়নো ৰাতি, মানুহজন মই সঁচাকৈ অতি উদাৰ আৰু ভাৱপ্ৰৱণ হৈ পৰোঁ; আৰু, মানুহ আৰু মানুহৰ মাজৰ সকলো প্ৰভেদৰ কথাকেই যেন পাহৰি যাওঁ। সেয়ে বজাৰৰ চুকে-কোণে খোৱা-বস্তু গোটাই ফুৰা ক্ষুধাৰ্ত, অঘৰী; নিজৰ চিকাৰ বিচাৰি ঘূৰি ফুৰা দুৰ্বৃত্ত; নাইবা ঘ'তে ত'তে আত্ম-বিতৰণ কৰি ফুৰা বীভৎসা গণিকা, ৰাতি বাটত মই যাকেই লগ পাওঁ, তাকেই যেন বেছ আপোন যেনেই লাগে। মই যেন অনুভৱ কৰো, তেতিয়া মই সকলো মানুহৰেই

একেবাৰে প্ৰাণৰ ওচৰলৈ যাব পাৰো আৰু তেওঁবিলাকৰ মনৰ অন্তৰৰ গোপন কথাবোৰো অতি সহজতে আৰু দ-কৈ বুজো।

সিদিনা ৰাতিও, মই সেইদৰেই মোৰ দোকানৰ নিজা কোঠালীটোৰপৰা ওলাই আহিছিলোঁ; আৰু আলিবাটে আলিবাটে টহলি আছিলোঁ।

ৰাতি তেতিয়া কিমান হৈছিল মোৰ কোনো স্পষ্ট অনুমান নাছিল। কিয়নো ৰাতি সেইদৰে ওলাই আহিলে, মই সময়ৰ লগৰ সকলো হিচাপেই পাহৰি যাবলৈ যত্ন কৰিছিলোঁ আৰু ৰাতিৰ নিৰবছিন্ন নিৰবতা আৰু আৱেশৰ মাজত নিজকেই সম্পূৰ্ণৰূপে মিলাই দিবলৈ বিচাৰিছিলোঁ।

বজাৰৰ চৌহদটো পাৰ হৈ, মই গাড়ীখানাৰ সেই গীৰ্জাটো পালোঁহি। আৰু তাকো অতিক্ৰম কৰি আহি, ঝালুপাৰাৰ সেই কালী মন্দিৰৰ সমুখৰ পাঁচ-আলিৰ মূৰটোতে ৰলোঁহি। তাৰে পৰাই এটি ৰাস্তা ফাটি, ক্ৰমাৎ অনাথ আশ্ৰম আৰু বিডন্ ফলচৰ পিনে গুচি গৈছেগৈ।

আকাশত, তেতিয়া বোধকৰোঁ অমাৱস্যাৰ নিসন্ধি আন্ধাৰ। ক'তো অকণোঁ তৰাৰ জিলিমিলি বা জোনালীৰ আভাস নাই। গাড়ী-ঘোঁৰাবোৰ চলাচল তেনেই বন্ধ হৈ আহিছে। মোৰ আগে আগে সৰু এটি দাজুৰ দল, কথা পাতি কথা পাতি, গৈ আছে। ঠিক অনুমান কৰিব পাৰিছিলোঁ যে ইহঁতে ক'ৰবাত ভাল জুৱাৰ আড্ডা এটি সামৰি, পলমকৈ ঘৰলৈ উভতিব লাগিছে।

এইদৰেই গৈ গৈ, মই আশ্ৰমৰ ওচৰৰ, প্ৰাচীন জড়পন্থী খাটীসকলৰ সেই মৰিশালীখন পালোঁগৈ। এতিয়াও তাৰ মাজে মাজে, কোনোবা কালত, মৃতকৰ প্ৰেতাত্মাৰ জিৰণিৰ কাৰণে থিয় আৰু পথালিকৈ পোতা, সেই অগণন কটা, ডাঙৰ শিলবোৰ থিয় হৈ বা দ'ম হৈ পৰি আছে। ওচৰৰ বস্তিখনৰ অধিবাসীসকল, আজিকালি প্ৰায়ে খৃষ্টপন্থী হৈ অহাত ই ক্ৰমেই পৰিত্যক্ত হৈ আহিছে। আৰু লাহে লাহে ওচৰৰ নাচপতি বাগান খনৰ ছাবি-বননিয়ে ইয়াক ঢাকি পেলাইছে।

মই এই এৰা-মৰিশালীখনৰ ভাঠ, নিৰ্জীৱ গোটমৰা সেই আন্ধাৰ খিনিকেই যেন প্ৰাণেৰে অনুভৱ কৰি, আৰু আগলৈ গৈ আছিলোঁ। এনেতে দেখোঁ, এঠাইত সেই মৰিশালীৰ মাজত, ছুটা দীঘল শিলৰ ভৰৰ আঁৰত যেন

এটি নাৰীৰ ছায়া-মূৰ্তি। সেই শিল ছুটাৰ গুৰিতে কিবা এটি বস্তু লৈ যেন মাটিত বহি আছিল। এতিয়া মোক দেখিয়েই তৎক্ষণাত সেই শিল ছুটাৰ কাষৰ হাবিৰিখিনিৰ আঁৰত লুকোৱাৰ এটি দাৰুণ চেষ্টা কৰিছে।

সেই মাজ ৰাতি! পৰিত্যক্ত এখন জয়াল মৰিশালী। তাতে অমাৱস্যাৰ এই ভয়াৱহ আন্ধাৰ। সেই মূৰ্তিটিয়ে মোক যথেষ্ট বিচলিত কৰি তুলিলে। গতিকে মই তাক উপেক্ষা কৰি যাব নোৱাৰিলোঁ। তেতিয়াও সেই শিলছুটাৰ কাষৰ হাবিখনিত, চেপেটা খাই থকা যেন সেই মূৰ্তিটোৰ কাষ পালোঁগৈ। আৰু তেনেই ওচৰৰপৰা চালোঁ। দেখিলোঁ হয় ঠিক নাৰী মূৰ্তিয়েই। কিন্তু বয়সত যেন এতিয়াও নাৰী নহয়। বেছ কম বয়সীয়া এগৰাকী এই দেশীয় গাভৰু। কিন্তু চকুৱে-মুখে যেন মিশ্ৰিত তেজৰ এটি সৌষ্ঠৱময় স্পষ্ট বৰ্ণালি জিলিকি আছে। বগা, ধুনীয়া, কিন্তু শেঁতা মুখখনিত যেন কিবা এক দাৰুণ আতঙ্ক আৰু উদ্বেগৰ ছাঁ। কোঁচত তেওঁৰ স্পষ্ট সেইটি যেন কিবা এটি টোপোলা। সেই টোপোলাটি আৰু মুখখন ঢাকি লোৱাৰ কাৰণেই তেওঁ জাইল কুপ'খন খুলি লৈ, তাৰে, সৰ্বাঙ্গ ঘেৰি লৈছে।

মই, আৰু কিছু তেওঁৰ ওচৰলৈ গৈ, বেছ আগ্ৰহেৰে সুধি পেলালোঁ। মই জনা মতে সহজ খাটীয়াতেই,

"তুমি কোন?

"মই সৌ বস্তিৰ এজনী ছোৱালী।"

"এই মাজ ৰাতিখন, ভয়াবহ মৰিশালীৰ মাজত, তুমি কি কৰিছা?"

"মোৰ কোঁচৰ এই মৰা কেঁচুৱাটিক, কবৰ দিবলৈ আহিছোঁ।"

"কবৰ? এই মাজ ৰাতিখন বোধকৰোঁ, কবৰ নিদিয়াহেঁতেনো হ'লহেঁতেন।"

"নাই। ছোৱালীজনী মোৰ সাঁজতেই ঢুকাল। যেতিয়া ঢুকালেই, ভাবিলোঁ, ৰাতিটোনো তাইক ঘৰত থৈ দিলে কি হ'ব?"

"তথাপি তুমি বোধকৰোঁ, একেবাৰে অকলে, ইয়ালৈকে আহি বৰ ভাল কাম কৰা নাই।"

"কিন্তু কি কৰিম? মোৰ ঘৰত, আৰু আইন মানুহ কোনো নাই।"

"কেলৈ? তোমাৰ মা-দেউতা?"

"দেউতা, কোন আছিল মই আজিলৈকে সেই কথা কব নোৱাৰোঁ। মা, হওঁতে এতিয়াও জীয়াই আছে। কিন্তু তেওঁ আলৰ বুঢ়ী হ'ল। এই বাতি, কেতিয়াও বাহিৰলৈ ওলাব নোৱাৰে।"

"কেলৈ? তোমাৰ এই ছোৱালীজনীৰ দেউতাক?"

"এৰা! সেইটোৱেইতো মোৰ কাৰণে এটা ডাঙৰ সমস্যাৰ কথা হৈছে। তাইৰ দেউতাকনো কোন আছিল, মই নিজেই সেই কথা ভালকৈ কব নোৱাৰোঁ। যাক অৱশ্যে মই তাইৰ দেউতাক বুলি ভাবোঁ, তেওঁ নিজে, সেই কথা এতিয়ালৈকে স্বীকাৰ কৰি লব খোজা নাই।"

অলপ ভাবি, মই আকৌ সুধিলোঁ,

"তোমাৰ ছোৱালীজনী, কিমান ডাঙৰ হৈছিল।

"বেছি নহয়। বাচি থকাহেঁতেন আজি তাইৰ ঠিক এমাহ হ'লহেঁতেন।"

"এমাহ? কি হৈনো ইমান সকতে ঢুকাল?"

"কি হৈছিল, ময়ো সেই কথা ভালকৈ ধৰিব নোৱাৰিলোঁ। আজি আবেলিলৈকেই, তাই বেছ হাঁহি-মাতিয়ে আছিল। পাচত দেখিলোঁ, গাটো যেন হঠাতে তাইৰ তপত হৈ আহিল। হাত-ভৰিবোৰ চেঁচা পৰি গ'ল। উশাহ-নিশাহ লোৱাত কষ্ট হবলৈ ধৰিলে। সেইদৰে, চাওঁতে চাওঁতেই যেন তাই এবেলি হঠাতে গুচি গ'ল।"

আৰু অলপ বৈ, মই ক'লোঁ,

"তেনেহলে, তোমাক মই অলপ সহায় কৰিব পাৰো নেকি?

তেওঁ যেন বেছ আচৰিত হোৱাৰ দৰেই মোৰ চকুলৈ চাই সুধিলে,

'কি সহায়?"

"অইন একো নহয়। তুমিতো ছোৱালীজনীৰ কাৰণে, অন্তত. গাঁত এটা কৰিব লাগিব? কিন্তু, মই তোমাৰ হাতত, কোৰ, কোদাল নাইবা গাঁত খন্দা, তেনে কেনো সঁজুলি একোটা দেখা নাই।"

তেওঁ যেন এই প্ৰথম কথাটো ভাবি চোৱাৰ দৰে ক'লে,

"এৰা। সেই বিষয়ে, মই এতিয়ালৈকে, একো ভাবি চোৱাই নাছিলোঁ। নিশ্চয় কিবা এটা বুধি কৰি, গাঁত এটা খান্দিবই লাগিব। আপুনি তেনেহ'লে, সেই বিষয়ে মোক কিবা সহায় কৰিব পাৰিব নেকি?"

ইকালে সিকালে অলপ চাই ক'লোঁ,

"বোধকৰোঁ, পাৰিম হবলা। মই আহোঁতে, সেই মানুহ ঘৰৰ চৌহদৰ চাৰিওফালে, জেওৰাৰ কাষে কাষে, পুতি দিয়া, বেছ শকত শকত লোৰ খুটি, কেইটামান দেখি আহিছোঁ। তাৰে এটা আনিব পাৰিলেই বোধকৰোঁ কামটো হৈ গ'লহেঁতেন। কিয়নো আজি ছুদিনমান মাজে মাজে বেছ ভাল বৰষুণ হৈয়ে আছে। মাটিবোৰো যথেষ্ট কোমল হৈ থকা যেনেই লাগিছে।"

"ভাল! তেনেহ'লে তাকেই, কৰক। আপোনাৰ কাৰণে ইয়াতেই মই অলপ অপেক্ষা কৰিছোঁ।"

মই তাতেই তেওঁক এৰি থৈ, খুটি এটা অনাৰ কাৰণে আকৌ উভতি, সেই জেওৰাখনৰ কাষ পালোঁগৈ; আৰু খুটি এটা আজুৰিবলৈ ধৰিলোঁ।

মানুহ ঘৰৰ যে ক'লা কুকুৰ এটা, সেইখিনিতে কেনিবাদি, শুই আছিল, মই মনকে কৰিব পৰা নাছিলোঁ। মই খুটিটোত হাত দিয়াৰ লগে লগেই, সি চিঞৰি-বাখৰি হুলস্থুলখন লগাই দিলে। যাহওঁক, মই সোনকালে খুটিটো উঘালি ওপৰলৈ দাঙি লোৱাত, সি জানিবা কিছু সৈমান হ'ল। আৰু মই, সেই সুযোগতে খুটিটো কান্ধত লৈ, লৰি আহি আগৰ সেই ঠাই ডোখৰ পালোঁহি।

কিন্তু, আহি দেখো, তেওঁচোন সেই আগৰ বৈ থকা ঠাই ডোখৰত নাই। অকল তাতেই নহয়, ওচৰে-কাষে, কেনিও ক'তো নাই।

চাৰিওপিনে, এইদৰে বিচাৰি চাই, তেওঁক নাপাই, মই তেনেই হতভম্ব হৈ পৰিলোঁ।

ভাবিলোঁ, কি আচৰিত কথাটো হ'ল? তেনেহ'লে, মই চকুৰেই কিবা ভ্ৰম দেখিলো নেকি? নহ'লে, দেখ-দেখ কৰে জীৱন্ত সেই ছোৱালীজনী, মোৰ লগত এইদৰে কথা বতৰা পাতি, গ'ল কলৈ? আৰু যোৱাৰেই বা কি কাৰণ থাকিব পাৰে?

তেনেহ'লে, তেওঁৰ কোঁচত, সেইটি কেঁচুৱা নাছিলনেকি? নে, তাই মবাই নাছিল? যদি নাছিল, এই মাজ ৰাতিখন, মৰিশালীৰ মাজেৰে, তাইক ভেওঁ লৈ আহিছিল কেনৈ?

ভাবি ভাবিও, মই কথাটিৰ কোনো উৱাদিহ নাপালোঁ। যিমানেই ভাবিলোঁ, সিমানেই কথাটি বেছি ৰহস্যজনক যেন লাগিল ; আৰু মোৰ মনৰ ভিতৰত, এটি সঙ্কল্প দৃঢ় হৈ আহিবলৈ ধৰিলে।

মই ঠিক কৰিলোঁ যে, এই কথাটিৰ ৰহস্য মই আজি বিচাৰি উলিয়ামেই। কিয়নো, উলিয়াব নোৱাৰিলে, মই ঠাই ডোখৰ এৰি যাব নোৱাৰিম ; আৰু এৰি গৈয়ো, ঘৰত নিশ্চয় কোনো শান্তি নাপাম।

সেয়ে, মনত এটি দৃঢ়তা লৈ, মই ঠাই ডোখৰৰ চাৰিওপিনে, সেই ছোৱালীজনীকেই বিচাৰি আছিলোঁ। এনেতে, মোৰ মনৰ ভিতৰত, হঠাতে এটি সন্দেহ উপজিল যে ছোৱালীজনীয়ে নিশ্চয়, কেতিয়াও ইমান সোনকালে, এই ঠাই ডোখৰ এৰি যাব পৰা নাই। তেওঁ হয়তো, কিবা কাৰণে মোৰ উপস্থিতিত বাধা যেন পাই, তাতেই ক'ৰবাত, গা-ঢাকি, মনে মনে লুকাই আছে। মই, আঁতৰি যোৱা যেন দেখিলেই, তেওঁ লাহেকৈ ওলাই আহিব ; আৰু তেওঁৰ নিজৰ কামত মন দিব।

সেয়ে, মই আৰু চাৰিওপিনে ঘূৰ্মুটিয়াই নুফুৰি ওচৰৰে গাঁত এটাত বহি লৈ হাবিৰ মাজত মূৰটো লুকাই বৈ আছিলোঁ।

মোৰ ওচৰতে আৰু তেনে ধৰণৰ কেবাটাও সৰু-ডাঙৰ গাঁত আছিল। অনুমান হয়, সেই ঠাইবোৰটো আগৰ দিনত কোনো মৃতকৰ উদ্দেশ্যে পোতা, পুৰণি শিলৰ স্তম্ভ আছিল। এতিয়া, শিলবোৰ কোনোবাই তুলি নিয়াত লাহে লাহে মাটিবোৰ খহি খহি, একোটা ডাঙৰ গাঁত হৈ পৰিছে : আৰু ওচৰৰ হাবি-বননিয়ে তাক ঢাকি পেলাইছে।

মই সেইদৰেই, মোৰ গাঁতটোত মূৰটো লুকুৱাই, মনে মনে বহি আছিলোঁ। এনেতে, শুনো, মোৰ নিচেই ওচৰৰ গাঁত এটিৰ মাজৰপৰা যেন, কোনোবা এটি ন-কৈ ওপজা শিশুৰ কান্দোনৰ ধ্বনি ভাহি আহিব লাগিছে।

জঁাপ মাৰি, মোৰ গাঁতটোৰ পৰা উঠি, সেই গাঁতটোৰ ওচৰ পালোগৈ। আৰু চাই দেখিলোঁ, হয় ঠিক তেৱেঁই। মোৰ দৰেই, বোধকৰোঁ সেই গাঁতটোতে বহি, হাবিৰ আঁৰত, মূৰটো লুকুৱাই আছিল। এতিয়া, মোক দেখিয়েই, লৰালৰিকৈ উঠি থিয় দি, কোঁচৰ কেঁচুৱাটিক নিচুকোৱাত লাগিছে।

মই আৰু মনৰ খং কোনোমতে ঢাকি বাখিব নোৱাৰিলোঁ। একেবাৰে, তেওঁৰ গাঁতটোৰ তললৈকে নামি গৈ, তেওঁৰ ওচৰত, থিয় হৈ, তেওঁৰ চকুলৈ চাই সুধিলোঁ,

"তুমি একেলগে, ইমানবোৰ, মোৰ আগত মিছা কথা কৈছিলা কেলৈ?" তেৰোঁ যেন ঠিক সেই একে উন্মাত্তে, মোৰ চকুলৈ চাই, বেচ খঙেৰেই, উত্তৰ দিলে,

"কোনে ক'লে আপোনাৰ আগত মই মিছা কথা কৈছিলোঁ বুলি?"

"কেলৈ? তুমি কোৱা নাছিলা জানো যে তোমাৰ এই কেঁচুৱাটিৰ মৃত্যু হৈছে; আৰু তুমি তাইক কবৰ দিবলৈ আনিছা?

"এৰা। কৈছিলোঁ যদি, ঠিকেই কৈছিলোঁ। মোৰ ছোৱালীজনী, সঁচাকৈ মৰিছিলেই। কিন্তু এবেলি, আকৌ তাইৰ গাত, হাত দি চাই দেখোঁ, গাটোচোন পুনৰ লাহে লাহে তপত হৈ আছিছে। সেয়ে মই, এই গাঁতটোতে বহি লৈ, তাইৰ গাঁত, উম লগোৱাৰ চেষ্টা কৰিছিলোঁ মাথোন।"

"মিছা কথা। তুমি মোৰ আগত, এতিয়াও সঁচা কথা কোৱা নাই! সঁচা কথাটো, কৈ নেপেলোৱা কেলৈ?"

তেওঁ যেন খঙত একেবাৰে একো নাই হৈ উঠি, কান্দোনৰ ভগা-ভগা, মাতেৰে ক'লে,

"মোক অকালেই, সঁচা কথা কোৱাৰ কাৰণে, আপুনি ইমান বেছি পীড়া-পীড়ি কৰিছে কেলৈ? এই পৃথিৱীত জানো কোনোবাই সঁচা কথা কয়? কোনেও নকয়। কোনেও নকয়। কোৱাহেঁতেন, আজি কেতিয়াও মোৰ এই দুৰৱস্থা নহ'লহেঁতেন।"

মাতটো যেন মই যথেষ্ট কোমল কৰি লৈ ক'লোঁ,

"তেনেহ'লে, মই ঠিকেই ধৰিছিলোঁ। তোমাৰ কেঁচুৱাটিৰ মৃত্যু একোৱেই হোৱা নাছিল। যদি নাছিল, তাইক কেলৈ এই বাতিখন, তুমি মৰিশালীলৈ আনিছিলা, মোক কবানে?"

এইবেলি যেন তেওঁ চৰম এটি নিঃসহায়তাত তেনেই কেঁকুৰি কান্দি উঠিল আৰু মোক ক'লে,

"সেইখিনি কথাও, মই এতিয়া আপোনাক, নিজ মুখে খুলি কব লাগিব নেকি ?"

মই যেন সহানুভূতিত, মাতটো বেছ নৰম কৰি লৈ ক'লোঁ,

"অৱশ্যে নালাগে। কিন্তু মই বুজিবলৈ বৰ টান পাইছোঁ, মাক হৈ, নিজৰ সন্তানৰ প্ৰতি, এনে চূড়ান্ত নিষ্ঠুৰ কাম এটি, তুমি কেনেকৈ কৰিবলৈ ওলাইছিলা ?"

তেওঁ যেন আপোন মনে কিছুপৰ উৰলি কান্দি, অলপ আশ্বস্ত হৈ লৈ ক'লে,

"কি কৰিম ? মই এতিয়াহে বুজিব পাৰিছো যে, তাইৰ মাক হোৱাটোৱেই মোৰ কাৰণে এটি ডাঙৰ ভুল হৈছিল। কিন্তু ভুল হ'লেও, মইতো তাইৰ কাৰণে নিজে আত্ম-জাহ দি মৰিব নোৱাৰোঁ নাইবা মোৰ মাকো মাৰিব নোৱাৰোঁ ?

"আমাৰ সংসাৰত, প্ৰাণী বুলিবলৈ, আমি মাথোঁ দুজনেই আছিলোঁ—মই আৰু মোৰ মা। মাৰো আৰ্থিক অৱস্থা, বৰ সিমান ভাল নহয়। এই বুঢ়া কাললৈকে, কোনোমতে লোকৰ ঘৰত আয়াখাটি, নিজৰ পেটটো পুহি আছে। মই মিচন হস্পিতালত আজি দুবছৰ হয়, নাৰ্চ হৈ সোমাইছিলোঁ। আমাৰ হস্পিতালৰ নিয়ম-কানুনবোৰ বৰ কড়া। আমি আগেয়ে অনুমতি নোলোৱাকৈ, কেতিয়াও ল'ৰা-ছোৱালীৰ মাক হ'ব নোৱাৰোঁ। কিন্তু মোৰ ক্ষেত্ৰত, কথাটো ইমান অকস্মাতে আৰু অতৰ্কিতে হৈ গ'ল যে, অনুমতি লোৱাৰ কথা, মই ভাবিবই নোৱাৰিলোঁ। সেয়ে, অলপ ধৰা পৰিবলগীয়া হোৱাৰ লগে লগেই, মই মাৰ অসুখ বুলি, মিছাকৈ ছুটী লৈ, ঘৰতে মনে মনে সোমাই আছিলোঁ। এইদৰে, মোৰ আজি তিনিমাহ হৈ গ'ল। এতিয়া, হস্পিতালৰপৰা মোক খবৰ দি পঠিয়াইছে যে, কাইলৈকে মই যেনে-তেনে মতে কামত হাজিৰ হবই লাগিব। নহ'লে, মোৰ কামটো নাথাকে। কামটো যদি মোৰ নাথাকেই, তেনেহ'লে মই চলো কেনেকৈ ? আৰু যদি কামেই কৰিব লাগে, কেঁচুৱাটিকেই বা ঘৰত থৈ যাওঁ কাৰ সৈতে ? মা ৰাতিপুৱাতেই কামলৈ ওলাই যায় ; আৰু একেবাৰে ৰাতিকৈ উভতে। তেওঁ যদি, মোৰ ছোৱালীজনীৰ কাৰণে, ঘৰত থাকিব লগীয়া হ'ল, তেওঁকেই বা পোহে কোনে ?

"তথাপি, মই মাক কৈছিলোঁ—মা ভয়ে লাগে চাকৰিটো এৰি দে। আৰু মোৰ ছোৱালীজনীকেই ঘৰত ৰখি থাক। মই কাম কৰি, যি দুই-চাৰি পইচা পাম, তাৰেই আমাৰ তিনিওটাৰে, কোনোমতে চলি যাব।

"মাই কিন্তু, মোৰ এই কথাত, কোনোমতেই মান্তি নহ'ল। মই ঠিক বুজিব পাৰিছিলোঁ, মাৰ খং আৰু মনৰ আক্ষেপ, কোনখিনিত।

"মই ভালদৰে জানো যে, ময়ো এদিন মাৰ জীৱনলৈ, ঠিক এনেকৈয়ে, অকস্মাতে, অনাহুত ভাৱে, আহি ওলাইছিলোহি। মোৰে স্বীকৃত কোনো পিতৃ নথকাত, মাই, বহু বছৰলৈকে, নানা কষ্ট আৰু দুখ ভোগ কৰিব লগীয়া হৈছিল।

"যাতে, মোৰ জীৱনতো সেই একে দুৰ্ঘটনাৰ পুনৰাভিনয় নহয়, তেওঁ মোক দিনে নিশাই অতি সতৰ্ক কৰি দি আছিল। কিন্তু মই, মাৰ সেই সতৰ্কবাণীবোৰলৈ বৰ বেছিকৈ ভ্ৰূক্ষেপ নকৰিলোঁ। আৰু অৱশেষত, সেই একেটি ভুলকেই কৰিলোঁ।

"সেই কাৰণেই, আজি দুপৰীয়া, তেওঁৰ লগত মোৰ ভাল এজাউৰি কাজিয়া হৈ যায়। সেই কাজিয়াৰ শেষত, তেওঁ মোক স্পষ্টকৈ খুলি কয় যে মোৰ সমুখত মাত্ৰ দুটি পথ মুকলি হৈ আছে। এটি হ'ল, এই ছোৱালীজনীৰ দেউতাক কোন তেওঁক এতিয়াও বিচাৰি উলিওৱা। আৰু আমাৰ দুয়োৰে দায়িত্ব, তেওঁক গতাই দিয়া। নহ'লে. এই ছোৱালী-জনীৰেই, কিবা এটা ব্যৱস্থা কৰা।"

সেইখিনিতেই, তেওঁক অলপ বৈ পৰা যেন দেখি, মই নিজেই ক'লোঁ,

"বোধকৰোঁ, তোমাৰ মাৰাই, তোমাৰ প্ৰতি অলপ বেছি নিষ্ঠুৰ হৈ উঠিছিল?" তেওঁ সেই কথাৰ তৎক্ষণাত প্ৰতিবাদ কৰি ক'লে,

"নাই। আপুনি মাৰ, মনৰ কথা সমূলি ধৰিব পৰা নাই। আপুনি জনা নাই, মা-ই কিমান কষ্ট কৰি, মোক তুলি-তালি, ডাঙৰ-দীঘল কৰিছিল? স্কুলত পঢ়ুৱাইছিল: আৰু মোৰপৰা কিমান বেছি আশা কৰিছিল? তেওঁ মোৰ প্ৰতি অলপ নিষ্ঠুৰ হৈছিল হয়। কিন্তু মোৰ অন্তৰত আঘাত দিবলৈ নহয়। মোক, এটি পথৰ সন্ধান দিবলৈহে। জাৰজ যে কি বস্তু, আমাৰ সমাজত হ'লেও, তেওঁ সেই কথা হাড়ে-হাড়ে অনুভৱ কৰিছিল। গতিকে,

সেই অপবাদৰ কালিমা লাগি, যাতে মোৰ আৰু মোৰ ছোৱালীজনীৰ জীৱন, ছাৰখাৰ হৈ নাযায়, তেওঁ মনে মনে তাকেহে বিচাৰিছিল।"

"তেনেহ'লে তুমি, সেই পথেৰেই চেষ্টা কৰা উচিত আছিল ?

"চেষ্টা মই যথেষ্ট কৰিছিলোঁ কিন্তু কোনো ফল নহ'ল। এই ছোৱালীজনীৰ দেউতাক বুলি মই যাক জানিছিলোঁ, তেওঁ ইয়াৰে, এজন অতি ডাঙৰ, আই-এ-এছ বিষয়াৰ ল'ৰা আছিল। গতিকে, কথাটো কিছু জনাজাত হৈ পৰাৰ লগে লগে, তেওঁবিলাকে বুদ্ধি কৰি, ল'ৰাজনক, ইয়াৰ কলেজৰ পৰা একেৰাই, একেবাৰে বিলাতলৈকে বুলি পঠিয়াই দিলে।"

"ইমান ডাঙৰ মানুহৰ ল'ৰা এজনক, তুমি বাৰু কেনেকৈ লগ পাইছিলা ?"

"ডাঙৰ এটি অপাৰেচনৰ পাচত, সেই ল'ৰাজনৰ মাক, আমাৰ হস্পিতালতেই, মোৰ তত্বাৱধানত, বহু দিন পৰি আছিল। তালৈ সদায় খবৰ-বাতৰি লবলৈ আহোঁতেই, তেওঁৰ লগত মোৰ অতি ঘনিষ্ঠতা গঢ়ি উঠে।"

"তেনেহ'লে, তুমি বোধকৰোঁ ল'ৰাজনৰ মাকৰ আগত সকলো কথা খুলি কোৱা উচিত আছিল ?"

"আপুনি ভুল বুজিছে। তাকে কৰিবলৈ যাওঁতেই, মোৰ এই ডাঙৰ বিপদখন হ'ল। তেওঁ কথাটো কিন্তু আগ ধৰি গম পাই, মোৰ প্ৰতি কৃতজ্ঞতাৰ সকলো কথা পাহৰি ; কেৱল নিজৰ ল'ৰাজনক ৰক্ষা কৰাৰ কাৰণেহে উঠি-পৰি লাগিল। আৰু তেৱেঁইহে সেই বুদ্ধি-ষড়যন্ত্ৰবোৰ কৰি, ল'ৰাজনক জোৰ কৰি ইয়াৰপৰা পঠিয়াই দিলে।"

"তেওঁৰ বাহিৰেও তোমাৰ বোধকৰোঁ, আৰু দুই এজন, বন্ধু-বান্ধৱ আছিল ?"

"অৱশ্যে আছিল। তেওঁবিলাকৰ প্ৰত্যেকৰে ওচৰলৈকে, মই আজি গৈছিলোঁ। আৰু অতি ভালকৈ বুজাই কৈছিলোঁ যে, তেওঁবিলাকৰ কাৰোপৰা কোনো টকা-সিকা নাইবা ভৰণ-পোষণৰ প্ৰতিশ্ৰুতি মোক নালাগে। মই কেৱল বিচাৰিছোঁ, মাৰ মনৰ আক্ষেপটো নাইকিয়া কৰিবলৈ আৰু তেওঁৰ জেদটো পূৰণ কৰিবলৈ। গতিকে তেওঁবিলাকে মোক অইন একো সাহায্য কৰিব নালাগে। কেৱল কোনোবা এজনে যেন আগবাঢ়ি আহি, মাত্ৰ অলপ সময়ৰ কাৰণে মাৰ সমুখত থিয় দিয়েহি আৰু মিছা হ'লেও তেওঁক

কয় যে মোৰ ছোৱালীজনী জাৰজ নহয়। তাইৰ পিতৃত্বৰ বাবে তেৱেঁই দায়ী। মোৰ এটি আশা আছিল যে এইখিনি কৰিব পৰাহেঁতেনেই মা-ই এটি মনত ডাঙৰ সান্ত্বনা পালেহেঁতেন আৰু আমাৰ সমস্যাবোৰবো লাহে লাহে এটি সমাধান হৈ গ'লহেঁতেন।"

"বোধকৰোঁ ইমান সহজ প্ৰস্তাৱ এটিও, তোমাৰ কোনো এজন বন্ধুৱেও মানি লবলৈ আগবাঢ়ি নাহিল?"

"নাই নাহিল। সেয়ে আজি প্ৰায় গোটেই দিনটো, মই ঘূৰাবে ঘূৰাবে বিফল মনোৰথ হৈ ঘূৰি সন্ধিয়া যেতিয়া ভাগৰি জুপথি খৰ আহি পালোঁহি; মাই সেই ছবি খিনি দেখিয়েই তেনেই ধৈৰ্য্যচ্যুত হৈ উঠিল আৰু মোৰ পৰা কোনো কথাই শুনিব নুখুজি ক'লে যে, তেওঁৰ ঘৰত আৰু মোৰ কোনো স্থান নাই। গতিকে ছোৱালীজনী লৈ মই যলৈকে ইচ্ছা তালৈকে গুচি যাব পাৰোঁ। হতাশাত, মনৰ বিৰক্তি আৰু অপ্ৰস্তুত মই ইমানেই ক্ষুব্ধ হৈ উঠিলোঁ যে আৰু ছুনাই কোনো কথা নকৈ মোৰ ছোৱালীজনীক টান মাৰি লৈ, ঘৰৰপৰা পোন-ছাটে ওলাই আহিলোঁ।"

কথাখিনি কৈ, বাস্তিৰ সেই নিস্তব্ধ মৰিশালীৰ মাজত তেওঁ যেন নিশ্চল আত্মাৰ দৰেই মোৰ সমুখত থিয় দি ৰ'ল। মই, অতি লাহে লাহে যেন সেই ছবিখনলৈ চাই, তেওঁক আকৌ সুধিলোঁ,

"তোমালোকৰ ঘৰটো বাৰু, ইয়াৰপৰা কিমান দূৰৈত?"

"বেছি দূৰত নহয়। সৌ কলচলৈ যোৱা বাটটোৰ মূৰতেই, বস্তিখনৰ আৰম্ভণিত।"

"তেনেহ'লে তুমি এটি কাম কৰিবা জানো?"

"কি কাম?"

'সেই ঘৰটোৰ ওচৰলৈ, মোক অলপ আগবঢ়াই নি, থৈ আহিবা জানো?" তেওঁ যেন অতি সন্ত্ৰাস্তৰ দৰেই মোৰ চকুলৈ চাই সুধিলে,

"কি কাৰণে?"

মই যেন অতি সহজভাৱেই ক'লোঁ,

"অইন কোনো কাৰণে নহয়। বিয়াৰ কথা তোমাৰ মাৰাৰ আগত ক'বলৈ তোমাৰ কোনো এজন বন্ধুৱেই আজি সাহ কৰি আগবাঢ়ি নাহিল, সেইবাৰ কথাকে তেওঁৰ আগত কৈ আহিবলৈ।"

তেওঁ যেন বিস্ময়ৰ এটি অবুজ দৃষ্টিৰে, অতি আচৰিতভাৱে কৈ উঠিল,

"কি কথা কৈছে আপুনি ? সঁচাকৈ যাব পাৰিব আপুনি মাৰ ওচৰলৈ ? ঠিক সেইষাৰ কথা কৰলৈ ?"

মই যেন মোৰ অন্তৰৰ সকলো দৃঢ়তা আৰু আবেগ একে লগে ঢালি দি ক'লোঁ,

"নোৱাৰাৰ কোনো কাৰণ মই দেখা নাই। পাৰিম বুলি মনৰ সেই-খিনি দৃঢ়তা আছে কাৰণেই তোমাৰ আগত মই কথাটো কৈছোঁ।"

ইয়াৰ পাচত, আমাৰ দুয়োৰে মুখত আৰু কোনো শব্দ এটিও নাই। আমি দুয়ো ৰাতিৰ সেই নিবিড় আন্ধাৰ ফালি, নিঃশব্দ দুটি আত্মাৰ দৰেই, সেই বস্তিখনৰ পিনে আগবাঢ়ি যাবলৈ ধৰিলোঁ। আৰু কিছু সময়ৰ পাচত, জীৰ্ণ, ৰিক্ত এটি সৰু টিনৰ পঁজাঘৰৰ সমুখত গৈ ৰলোঁগৈ।

তেওঁ সেই ঘৰটিৰ দুৱাৰখনৰ ওচৰতেই থিয় দি, কিছু যেন আত্মবিশ্বাসৰ সুৰেৰে লাহে লাহে মাতিলে।

"মা ! মা !"

ৰাতিৰ নিস্তব্ধতা বিৰিঙি, ভিতৰৰপৰা যেন কিবা এটি সঁহাৰি আহিল। আৰু এই মাত্ৰ বিছনাৰ পৰা সাৰ পাই উঠাৰ দৰেই, এটি যেন কোনোবা বৃদ্ধাই, কৃত্ৰিম খঙেৰে সুধিলে,

"কোন সেয়া ? মেথিল্ডা নেকি ? তই আকৌ মোৰ ঘৰলৈ উভতি আহিছ কেলৈ ? তোক আজি ঘৰৰপৰা মই উলিয়াই পঠিয়াইছিলোঁ নহয় ?"

"হয় মা। পঠিয়াইছিলা। কিন্তু লগতে ইয়াকো কৈছিলা নহয় যে, মই যদি ছোৱালীজনীৰ দেউতাকক গৈ এতিয়াও বিচাৰি উলিয়াব পাৰোঁ, তেনেহ'লে আকৌ তোমাৰ ঘৰলৈ উভতি আহিব পাৰিম ?"

"তেনেহ'লে তই তাক সঁচাকৈ বিচাৰি পালি গৈ নেকি ?"

"হয় মা। পাইছোঁ। তেওঁ এয়া মোৰ লগতে, তোমাৰ ঘৰলৈ আহিছে।"

"হয় নেকি ? ৰ' তেন্তে ! মই দুৱাৰখন বেগাবেগিকৈ মেলি দিছোঁ।"

দুৱাৰখন মেল খালে। মই সেই ঠেক বাটটোৰে কোনোমতে ভিতৰলৈ সৰকি গৈ, এটি কেৰাচিনৰ চাকিৰ পোহৰত, সেই বৃদ্ধাৰ সমুখত গৈ থিয়

দিলোঁগৈ। তেওঁ শীৰ্ণ, ক্লান্ত দুটি চকুৰে, আপদমস্তক মোক ভালকৈ চাই লৈ ক'লে,

"অ'। তয়েই নেকি তেন্তে সেই ল'ৰাজন? তোমাৰ চেহেৰাপাতি আদব-কায়দাখিনি মই অতি ভালেই যেন দেখিছোঁ। মুখখনোচোন মোৰ বৰ চিনাকী চিনাকী লাগিছে। ক'ত দেখিছিলোঁ, তোক বাৰু এনেকৈ, কচোন?

"হয়তো, ইয়াতেই ক'ৰবাত দেখিছিলা মা! আমি এতিয়া এই চহৰৰে স্থায়ী বাসিন্দাৰ দৰে হৈ গৈছোঁ। আমাৰ ইয়াত পুৰা তিনি পুৰুষ উকলি গ'ল।"

"হয় নেকি? কি কৰ তই ইয়াত কচোন?"

"আমাৰ ককাদেউতাৰ দিনৰে বৰবজাৰত এখন বৰ ডাঙৰ দোকান আছে। মই বৰ্তমানে তাকেই চলাইছোঁ।"

"অতি ভাল কথা। যদি সেয়ে হয় তেনেহ'লে তই ইমান দিনে কেলৈ আমাক এইদৰে ধৰা নিদিয়াকৈ আছিলি আৰু আমাৰ এই ডাঙৰ পয়মালখনৰ সৃষ্টি কৰিবলৈ ওলাইছিলি?"

মই অতি গভীৰ অনুতাপত কোঁৱাৰ দৰেই যথাসম্ভৱ লাহে লাহে ক'লোঁ,

"মা। মই স্বীকাৰ কৰোঁ, মই এটি ডাঙৰ ভুল কৰিবলৈ ওলাইছিলোঁ। তুমি মোক ক্ষমা কৰিবা, তোমাৰ আগত মই আজি এই প্ৰতিজ্ঞা কৰিলোঁ, এই ভুল মই আৰু জীৱনত কেতিয়াও তুনাই নকৰোঁ।"

শুকান, তাপ-গ্ৰস্ত, বৃদ্ধাৰ সেই শেঁতা মুখখনি, কিবা এটি দীপ্তিত যেন ক্ৰমে ৰঙচুৱা হৈ উঠিল।

তেওঁ যেন আধে-বেগে ডুৱাৰ মুখলৈ এবেলি আগবাঢ়ি গৈ, তেতিয়াও আধা-মেলা খাই থকা ডুৱাৰখন, ভালকৈ জপাই আহি, মেথিল্ডাক ক'লে,

"মেথিল্ডা! তেনেহ'লে আমাৰ এই সমস্যাটোৰ আজি এটা সমাধান হৈ গ'ল। তোৰ লগত এতিয়া আৰু মোৰ কোনো কাজিয়া বা বোৰ নাই। সৌ মূঢ়াটোতে তেন্তে তই বোপাইক অলপ বহিবলৈ ক'। আৰু

তোৰ এই কেচুৱাটিক মোক অলপ দে। ৰাতি এতিয়া ভালেমান খিনি হ'ল হবলা! তই চাগে এই ৰাতিটোকে নিশ্চয় আজি একোটোকে মুখত দিয়া নাই। ময়ো দিব পৰা নাই। সৌ চকটোতে অথনি কিবা এগাল সিজাই, ঢাকি-ঢুকি থৈ, এই বিছনাখনতে এনেয়ে বাগৰি আছিলোঁ। মোৰ অকণিকে টোপনি অহা নাছিল। মই ঠিক জানিছিলোঁ, ভগৱানে এইদৰেই শেষত গৈ তোৰ পিনে মূৰ দাঙি চাবই। তেওঁ কেতিয়াও মানুহক বাৰে বাৰে একে শাস্তিকেই নিদিয়ে।"

মেখিন্ডাই সম্পূর্ণ যন্ত্রচালিতৰ দৰে যেন, লাহে লাহে, মাকৰ ওচৰ চাপি, কেঁচৰ কেঁচুৱাটিক কোলাত তুলি ধৰিলে।

বুঢ়ীয়ে কেঁচুৱাটিক সাৱটি লৈ, মুখৰ কাপোৰখন আঁতৰাই দি, কিবা যেন এটি নতুন তন্ময়তাত কিছুপৰ একেথৰে চাই ৰ'ল।

চাকিৰ সেই ৰঙা পোহৰত, ময়ো চাওঁ-নাচাওঁকৈ যেন সেই মুখনিৰ পিনে এবাৰ চালোঁ।

দেখিলোঁ—প্রকৃততে ধুনীয়া, তেতিয়াও নিঃসাৰে শুই থকা, বেছ নিপোটল, বগা, ফট্‌ফটীয়া এখনি মুখ। তাত যেন এতিয়া আৰু সঁচাকৈ সেই মৰিশালীৰ বীভৎস আন্ধাৰ নাইবা এই পৃথিৱীৰ কোনো কালিমাৰ ক'লা ছাঁৰ লেশ মাত্রও নাই।

[নীলাচল - ৩য় বছৰ ২য় সংখ্যা, ১৯৫৫]

— x —